কালজয়ী সাহিত্য

ক'লা টিউলিপ

(মূল ঃ আলেকজেণ্ডাৰ ডুমাৰ 'ব্লেক টিউলিপ')

অনুবাদ ঃ

সমীক ভৰদ্বাজ

শৰাইঘাট প্ৰকাশন

গুৱাহাটী ৭৮১০২১

Kola Tiulip : Assamese translation of Alexandre Dumas's 'The Black Tulip'
by Samik Bharadwaj and published by the
Saraighat Prakasan, Guwahati 781021,
in March 2007.

Price Rs. 50.00

প্ৰথম প্ৰকাশ : মাৰ্চ ২০০৮

সম্পাদক : ড. দীনেশ চন্দ্ৰ গোস্বামী

বেটুপাত আৰু ভিতৰৰ ছবি :
ৰাজীৱ (মুনু) গগৈ

দাম : ৫০.০০ টকা

প্ৰকাশক

শৰাইঘাট প্ৰকাশন
গুৱাহাটী ৭৮১০২১

পৰিৱেশক
আৰ. জি. পাব্লিকেচনছ
মাৰ্কেট কম্ফৰ্ট, যশোবন্ত ৰোড
পানবজাৰ, গুৱাহাটী ৭৮১০০১

মুদ্ৰক
শৰাইঘাট ফটো টাইপছ
উদ্যোগ পাৰ্ক, বামুনীমৈদাম
গুৱাহাটী ৭৮১০২১

সম্পাদকৰ এষাৰ

পৃথিৱীৰ বিখ্যাত বিখ্যাত সাহিত্যকৰ্মৰ সোৱাদ আমাৰ পঢ়ুৱৈসকলকো দিয়াৰ উদ্দেশ্যে অনূদিত সাহিত্যৰ এই ছিৰিজটো প্ৰকাশ কৰিবলৈ লোৱা হৈছে। আমাৰ পাঠকসকলে দেখিব যে ইয়াৰ চৰিত্ৰবোৰ বেলেগ; কাহিনী, সমাজ আৰু পৰিৱেশো বৰ বেলেগ; কিন্তু তাৰ মাজতে তেখেতসকলৰ মনৰ লগত মিলি যোৱা, চিনাকি চিনাকি লগা বহু কথা, বহু ঘটনা তেখেতসকলে বিচাৰি পাব। সেইবাবে এই চৰিত্ৰবোৰৰ সুখত তেখেতসকল সুখী হ'ব, দুখত দুখী হ'ব।

বয়স্ক শিশু আৰু কিশোৰসকলৰ কথা মনত ৰাখি এইলানি পুথি যুগুতোৱা হৈছে যদিও, ডাঙৰসকলেও এই পুথিবোৰ পঢ়ি আমোদ পাব বুলি আমি আশা কৰোঁ। এই পুথিসমূহৰ কিছুমান অন্য ৰূপত অসমীয়াত আগতেও প্ৰকাশিত হৈছে। আমি ইয়াত পুথিবোৰৰ ভাঙনি সামান্য সংক্ষেপিত ৰূপতহে আগ বঢ়াইছোঁ, অৱশ্যে সংক্ষিপ্ত কৰোঁতে যাতে ৰস পোৱাত বাধা নপৰে, তাৰ প্ৰতি লক্ষ্য ৰখা হৈছে।

অসমৰ বিশিষ্ট সাহিত্যিকসকলে এইলানি পুথি অনুবাদ কৰিছে। অসমৰ এগৰাকী আগশাৰীৰ প্ৰকাশক শ্ৰীযোগেশ শৰ্মাদেৱে এই ছিৰিজ প্ৰকাশ কৰি অসমীয়া সাহিত্যৰ জগতখনলৈ উল্লেখনীয় অৰিহণা আগ বঢ়ালে। আমি আশা ৰাখিছোঁ যে আমাৰ ভাষাৰ সকলো শ্ৰেণীৰ পঢ়ুৱৈয়ে এইলানি পুথি আদৰি ল'ব। ইতি—

যোৰহাট
২০ নৱেম্বৰ ২০০৭

দীনেশ চন্দ্ৰ গোস্বামী

আলেকজেণ্ডাৰ ডুমা
(Alexandre Dumas, 1802–1870)

প্ৰখ্যাত ফৰাছী ঔপন্যাসিক আলেকজেণ্ডাৰ ডুমাৰ (Alexandre Dumas) জন্ম হৈছিল ১৮০২ চনত ফ্ৰান্সৰ এখন সৰু চহৰত। তেওঁৰ দেউতাক এজন সেনাধ্যক্ষ আছিল। প্ৰবাদ পুৰুষ নেপ'লিয়ঁ ব'নাপাৰ্টৰ লগত ডুমাৰ দেউতাকৰ সু-সম্পৰ্ক আছিল। দেউতাকৰ দৰে আলেকজেণ্ডাৰো বেছ ওখ-পাখ, হৃষ্ট-পুষ্ট চেহেৰাৰ আছিল। তেওঁ বেছ খাব পাৰিছিল। খোৱা-লোৱাৰ কাৰণে তেওঁ দুই হাত উজাৰি ধন খৰচ কৰিছিল। খোৱা, লিখা আৰু তাৰ মাজে মাজে বন্ধুসকলৰ লগত আলাপ কৰাই তেওঁৰ মুখ্য কাম আছিল। ডুমাই বৰ খৰকৈ আৰু অতীৱ নিষ্ঠাৰে লেখিব পাৰিছিল। ট্ৰুভিল নামৰ ঠাই এখনৰ এজন মাছমৰীয়াৰ সৰু জুপুৰি ঘৰত থাকি বোল্ল দিনৰ ভিতৰতে তেওঁৰ প্ৰথম চাৰিখণ্ড কিতাপ লেখি উলিয়াইছিল। ডুমাক এই ক্ষেত্ৰত সহায় কৰিছিল তেওঁৰ অতি বিশ্বস্ত সহযোগী আগষ্ট মেকুৱেই (Auguste Maquet)। পাছৰ ফালে ডুমাই তেওঁৰ উপন্যাসবিলাকত নেপ'লিয়ঁক একোটা চৰিত্ৰ কৰি ল'বলৈ প্ৰয়াস কৰিছিল।

নিজৰ জন্মস্থানৰপৰা আলেকজেণ্ডাৰ ডুমা পাছত পেৰিছলৈ যায় আৰু তাত তেওঁ নাটক লিখিবলৈ আৰম্ভ কৰে। তেওঁৰ সকলো নাটকে সকলোৰেদ্বাৰা সমাদৃত হৈছিল। পৰৱৰ্তী সময়ত ডুমাই তেওঁৰ নাটকবোৰক উপন্যাসৰ ৰূপ দিয়ে। এই উপন্যাসবোৰেও পাঠকৰ অভূতপূৰ্ব সঁহাৰি লাভ কৰে।

আলেকজেণ্ডাৰ ডুমাৰ বিখ্যাত উপন্যাসবোৰৰ ভিতৰত 'দা থ্ৰি মাস্কেটিয়াৰ্ছ' (The Three Musketeers), 'দা মেন ইন দি আইৰন মাস্ক' (The Man In The Iron Mask) আৰু 'দা কাউণ্ট অৱ মণ্টে ক্ৰিষ্টো' উল্লেখযোগ্য। বিগত এশ বছৰৰো অধিক কাল ধৰি মানুহে ডুমাৰ এই কালজয়ী উপন্যাসবোৰ পঢ়ি বিমল আনন্দ উপভোগ কৰি আহিছে। তেওঁৰ এই আটাইবোৰ উপন্যাসকে ইতিমধ্যে অনেকবাৰ চলচ্চিত্ৰলৈ ৰূপ দিয়া হৈছে। সৰু-ডাঙৰকৈ ধৰি ডুমাই ছশমান গ্ৰন্থ লিখি থৈ গৈছে।

কিতাপ লেখি আলেকজেণ্ডাৰ ডুমা অতি ঐশ্বৰ্য্যশালী হৈ পৰিছিল যদিও তেওঁ ইমানেই খৰচী আছিল যে মৃত্যুৰ সময়ত এই বিশ্ব বৰেণ্য ঔপন্যাসিকজনে এক পইচাও এৰি থৈ যাব পৰা নাছিল। ১৮৭০ চনত ডুমাৰ মৃত্যু হয়।

অনুবাদক সমীক ভৰদ্বাজ এজন ছদ্মনামী লেখক। অসমীয়া অনুবাদ সাহিত্যলৈ তেওঁ নিষ্ঠাৰে অৰিহণা যোগাই আহিছে। 'দি টাইম মেছিন', 'দি মিষ্টিৰিয়াছ আইলেণ্ড', 'এমিল আৰু চোৰাংচোৱাৰ দল', 'টনীৰ আচৰিত দুৱাৰখন'—তেওঁৰ এই চাৰিখন অনুবাদ-গ্ৰন্থ ইতিমধ্যে প্ৰকাশিত হৈছে। ইয়াৰ উপৰিও বিভিন্ন কাকত-আলোচনীত তেওঁৰ ভালেমান অনূদিত গল্প সিঁচৰতি হৈ আছে। 'কালজয়ী সাহিত্য' ছিৰিজতো এই অনুবাদকৰ 'অৰণ্যৰ আহ্বান' আৰু 'হ'বাইট ফেং' নামৰ দুখন পুথি প্ৰকাশ পাইছে। এই পুথিৰ ছপাৰ কাম চলি থকা অৱস্থাত এই ছদ্মনামৰ আঁৰৰ লেখকজনৰ ৫ আগষ্ট ২০০৭ তাৰিখে মৃত্যু হয়।

প্ৰথম অধ্যায়

এদল কৃতজ্ঞ জনতা

১৬৭২ চনৰ আগষ্ট মাহৰ কুৰি তাৰিখ। হলেণ্ডৰ ৰাজধানী হেগ চহৰ। চালে চকু ৰোৱা ঘৰ-দুৱাৰেৰে আৰু মনোমোহা গছ-গছনিৰে নগৰখন পৰিপূৰ্ণ। নগৰখনৰ চাৰিওফালে থকা স্ফটিকৰ ধাৰৰ দৰে পানীৰে ভৰি থকা খালবোৰেৰে নগৰখন এই দিনটোত যেন বিশেষভাৱে সৌন্দৰ্য্যময় হৈ উঠিছে।

এই বিশেষ দিনটোতে নগৰখনৰ কিছুমান উচ্ছৃংখল নাগৰিকে হাতে হাতে অস্ত্ৰ-শস্ত্ৰ লৈ ৰাজপথেৰে বুইটেনহফ কাৰাগাৰৰ ফালে আগ বাঢ়ি আহিছে। এই কাৰাগাৰতে বন্দী হৈ আছে হলেণ্ডৰ বিশেষ ৰাজবিষয়া জন দ্য উইটৰ ভ্ৰাতৃ কৰ্নেলিয়াছ দ্য উইট। এই কৰ্নেলিয়াছ দ্য উইটে হলেণ্ডৰ ষ্টাড্‌হ'ল্ডাৰ অৰ্থাৎ ৰাজ্যপাল, অৰেঞ্জ প্ৰদেশৰ ৰাজ-প্ৰতিনিধি উইলিয়ামক হত্যাৰ ষড়যন্ত্ৰ কৰিছিল বুলি টাইকেলেয়াৰ নামৰ এজন ব্যক্তিয়ে অভিযোগ কৰিলে। শল্যচিকিৎসক টাইকেলেয়াৰে প্ৰকাশ্যে অভিযোগ আনিলে যে ৰজাক হত্যা কৰিবৰ বাবে কৰ্নেলিয়াছ দ্য উইটে তেওঁক প্ৰচুৰ পুৰস্কাৰৰ লোভ দেখুৱাইছিল।

কৰ্নেলিয়াছ দ্য উইট হ'ল হলেণ্ডৰ খাল আৰু জল প্ৰণালীৰ তত্ত্বাৱধায়ক, ডৰ্ট নগৰৰ প্ৰাক্তন নগৰপাল আৰু হলেণ্ডৰ প্ৰতিনিধি সভাৰ সদস্য। তেওঁৰ বয়স ৪৯ বছৰ।

হলেণ্ডৰ স্বৈৰাচাৰী ৰজাসকলৰ যুগ কেতিয়াবাই শেষ হ'ল। বহুদিনৰপৰাই দেশখনত গণতান্ত্ৰিক শক্তিৰ অভ্যুদয় ঘটিছে। শাসন শক্তি বৰ্তমান এই গণতন্ত্ৰীসকলৰে হস্তগত। ৰজা উইলিয়াম নামতহে ৰজা, তেওঁ কোনো বিশেষ ক্ষমতাৰ অধিকাৰী নহয়। ক'বই নালাগে যে এই বাবেই তেওঁ গণতন্ত্ৰীসকলৰ ওপৰত খড়্গহস্ত। এই গণতন্ত্ৰীসকলৰে প্ৰধান নায়ক হ'ল জন দ্য উইট আৰু তেওঁৰ ভায়েক কৰ্নেলিয়াছ দ্য উইট। এই বাবেই এওঁলোক দুয়োজন উইলিয়ামৰ প্ৰধান শত্ৰু। উইলিয়ামৰ প্ৰয়োজন গণতন্ত্ৰী শক্তিৰ ধাৰক আৰু বাহক দ্য উইট ভ্ৰাতৃযুগলক অপসাৰিত কৰা।

হলেণ্ডৰ গণতন্ত্ৰক শক্তিশালী কৰিবৰ বাবে ফ্ৰান্সৰ দোৰ্দণ্ড-প্ৰতাপী নৃপতি চতুৰ্দশ লুইৰ লগত দ্য উইট ভ্ৰাতৃযুগলে এটা সন্ধিৰ প্ৰস্তাৱ কৰিছে। এই প্ৰস্তাৱত

চতুৰ্দশ লুয়েও সম্মতি প্ৰদান কৰিছে। ৰজা উইলিয়ামে এইবোৰ কথা জানে আৰু লগতে এইটোও জানে যে ফৰাছী সম্ৰাটৰ সমৰ সচিব কাউণ্ট লুভৱাৰ লগত সন্ধিৰ চৰ্তাদি স্থিৰ কৰিবৰ বাবে জন দ্য উইটৰ চিঠি-পত্ৰৰো যোগাযোগ ঘটিছে।

এই খবৰ পাই ৰজা উইলিয়ামে যথেষ্ট ভয় খালে। সন্ধিটো যদি হৈ যায় তেনেহ'লে চতুৰ্দশ লুইৰ সহায়ত জন দ্য উইট বৰ্তমানতকৈ বহুত বেছি শক্তিশালী হৈ উঠিব আৰু তেতিয়া উইলিয়ামৰ আত্মপ্ৰতিষ্ঠাৰ সপোন কেৱল সপোন হৈয়েই থাকিব। সেয়ে তেওঁ এক প্ৰচণ্ড আঘাত হানিবৰ বাবে সাজু হ'ল।

দ্য উইট ভাই-ককাই দুজন উইলিয়াম আৰু অৰেঞ্জবংশীসকলৰ বাবে ডাঙৰ বাধাস্বৰূপ আছিল। পাছে উইলিয়াম আছিল সদা সতৰ্ক, সেয়ে নিজে আগ বাঢ়ি গৈ তেওঁ দ্য উইট দুজনৰ অৰ্থাৎ গণতন্ত্ৰৰ প্ৰকাশ্যে বিৰোধিতা কৰিবলৈ সাহস নকৰিলে। তেওঁ অনুচৰবোৰৰদ্বাৰা ৰটনা কৰিবলৈ ধৰিলে যে দ্য উইট ভ্ৰাতৃদ্বয়ে দেশখন চতুৰ্দশ লুইৰ ওচৰত বিক্ৰী কৰাৰ ষড়যন্ত্ৰ কৰিছে। লুইৰ সৰ্বগ্ৰাসী ক্ষুধাৰপৰা যদি হলেণ্ডক বচাব লগা হয়, তেনেহ'লে দ্য উইট ভ্ৰাতৃযুগলক অতি সোনকালে দেশৰপৰা অপসাৰণ কৰাৰ প্ৰয়োজন। উইলিয়ামৰ চক্ৰান্তকাৰীসকলৰ হাতৰপৰা জন দ্য উইটে এদিন ভাগ্যক্ৰমেহে ৰক্ষা পালে। অজ্ঞাত আততায়ীৰ ছুৰীকাঘাতৰপৰা তেওঁ কোনোমতেহে ৰক্ষা পৰিল।

পাছে স্বাৰ্থান্বেষী হীনমতি চক্ৰান্তকাৰীনো ক'ত নাই—যিকোনো দেশত, যিকোনো যুগত বিচাৰিলেই এনে ব্যক্তি হাজাৰ হাজাৰ পোৱা যায়। উইলিয়ামৰ সংগীসকলেও এনে এজন মানুহ বিচাৰি উলিয়ালে, তেওঁৰ নাম টাইকেলেয়াৰ, বৃত্তিত এজন শল্য চিকিৎসক। টাইকেলেয়াৰে প্ৰকাশ্যে অভিযোগ আনিলে যে কৰ্নেলিয়াছ দ্য উইটে ষ্টাড্‌হ'ল্ডাৰ উইলিয়ামক হত্যা কৰিবৰ বাবে তেওঁক হেনো প্ৰচুৰ পুৰস্কাৰৰ লোভ দেখুৱাইছে। পাছে টাইকেলেয়াৰে এই প্ৰস্তাৱ কাৰ্য্যত ৰূপায়িত কৰাৰ পৰিবৰ্তে এই ষড়যন্ত্ৰৰ কথা প্ৰকাশ কৰি দিলে।

উইলিয়ামৰ এনে সাংগঠনিক প্ৰতিভা তাৰিফ কৰিবলগীয়া। নিজে কোনো কাৰণতে সন্দেহৰ আৱৰ্তত নাথাকি হেগ চহৰত তেওঁ এনে ৰটনাৰে ব্যাপক উত্তেজনাৰ সৃষ্টি কৰিবলৈ সক্ষম হ'ল। টাইকেলেয়াৰৰ এনে অভিযোগে জনসাধাৰণৰ মনত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিলে। ১৬৭২ চনৰ ১৬ আগষ্টৰ দিনা এটৰ্নি জেনেৰেলে কৰ্নেলিয়াছক গ্ৰেপ্তাৰৰ আদেশ দিলে। হেগৰ আদালতত কৰ্নেলিয়াছৰ বিচাৰ আৰম্ভ হ'ল। নিজৰ আপোন ভ্ৰাতৃ যেতিয়া হীন ষড়যন্ত্ৰৰ অভিযোগত কাৰাৰুদ্ধ হৈছে, তেনে অৱস্থাত নিজে ৰাষ্ট্ৰ পৰিচালকৰ পদত থকাটো অশোভনীয় যেন দেখি জন দ্য উইটে পদত্যাগ কৰিলে।

বিচাৰকে কৰ্নেলিয়াছ দ্য উইটক সকলো দায়িত্বশীল পদৰপৰা অপসাৰিত কৰি কাৰাবাসলৈ পঠালে আৰু লগতে নিৰ্বাসন দণ্ডেৰে দণ্ডিত কৰিলে। বিচাৰৰ ৰায়ৰ ক্ষেত্ৰত উইলিয়ামৰ গোপন ইংগিতো জড়িত আছিল। কৰ্নেলিয়াছ দ্য উইটক মৃত্যুদণ্ডৰ আদেশ দিয়া হ'লেই উইলিয়াম হয়তো আনন্দিত হ'লহেঁতেন। কিন্তু, বিচাৰকসকলে কৰ্নেলিয়াছক নিৰ্দোষ বুলি বুজিব পাৰিয়েই হয়তো ইমানখিনি অন্যায় কৰিবলৈ আৰু ৰাজী নহ'ল, স্বয়ং ষ্টাড্‌হ'ল্ডাৰৰ তুষ্টি সাধনৰ বাবেও নহয়।

পাছে বিচাৰকসকলৰ গাফিলতিৰ ত্ৰুটি সংশোধনৰ বাবে উইলিয়ামৰ অন্য হাতিয়াৰৰ অভাৱ নাই। তেওঁ আকৌ সেই টাইকেলেয়াৰকে নিযুক্ত কৰিলে তেওঁৰ আৰব্ধ কাম সম্পূৰ্ণ কৰিবৰ বাবে। টাইকেলেয়াৰ কামত লাগি গ'ল। তেওঁ ৰাজধানীত উত্তেজনা বিয়পাবলৈ ধৰিলে। হুজোগপ্ৰিয় আৰু ৰক্তলোলুপ গুণ্ডাবাহিনীনো ক'ত নাই? তেনেবোৰ হুজোগপ্ৰিয় মানুহকে একত্ৰ কৰি টাইকেলেয়াৰ বিশাল এক উচ্ছৃংখল জনতাক ৰাজপথলৈ নমাই আনিলে। যি যেনে অস্ত্ৰ-শস্ত্ৰ পালে তাকে লৈ সেই উচ্ছৃংখল জনতাই এদিন বুইটেনহফৰ ফালে আগ বাঢ়িল। সেই দুৰ্গতে কৰ্নেলিয়াছ দ্য উইট বন্দী হৈ আছে। এই দিনটোৱেই হ'ল আমি অধ্যায়ৰ আৰম্ভণিতে কৈ অহা ১৬৭২ চনৰ ২০ আগষ্ট। এই উচ্ছৃংখল জনতাৰ উপৰিও নগৰৰ ভালেমান লোকো কৰ্নেলিয়াছৰ নিৰ্বাসন দৃশ্য প্ৰত্যক্ষ কৰিবলৈ বুইটেনহফ কাৰাগাৰৰ ফালে আগ বাঢ়িল।

উচ্ছৃংখল জনতাৰ একেবাৰে সন্মুখত আছিল টাইকেলেয়াৰ। টাইকেলেয়াৰেই এতিয়া নেতা। জনতাই টাইকেলেয়াৰৰেই জয়ধ্বনি দিছে। এই মানুহবোৰৰ উদ্দেশ্য—বিশ্বাসঘাতক দেশদ্ৰোহী কৰ্নেলিয়াছ দ্য উইট যাতে সহজে সাৰি যাব নোৱাৰে। সিহঁতৰ কোনো কোনোৱে চিঞৰি কৈছে যে ফ্ৰান্সলৈ কৰ্নেলিয়াছক পলুৱাই নিবৰ বাবে ঘোলে এখন ফৰাচী জাহাজ সাজু কৰি থোৱা হৈছে। কোনোবা এটাই আকৌ চিঞৰি চিঞৰি কৈছে: "বন্ধুগণ, পাহৰি নাযাবা, কৰ্নেলিয়াছৰ দৰে ককায়েক জন দ্য উইটো একে ধৰণৰ বিশ্বাসঘাতক, তেৱেঁই ভায়েকক লৈ পলোৱাৰ মতলব কৰিছে।"

"এৰা, সিহঁত দুয়োটাই আনৰ টকা-পইচাৰে ফ্ৰান্সত গৈ সুখেৰে মৌজ কৰি থাকিবগৈ আৰু সিহঁতেই চতুৰ্দশ লুইক দেশখন বিক্ৰী কৰি দিছে, নহয়নে বাৰু?" আন এটাই চিঞৰি ক'লে।

"তেনেহ'লে আমি দুয়োটাকে ইয়াৰপৰা যাবলৈ নিদিওঁ।"

"ঠিকেই কৈছা, ঠিকেই কৈছা। ব'লাহক, কাৰাগাৰলৈ আগ বাঢ়া,"—চিঞৰি চিঞৰি সেই জনতা বুইটেনহফ কাৰাগাৰৰ ফালে আগ বাঢ়ি গ'ল।

আনহাতে, বুইটেনহফ কাৰাগাৰৰ ৰক্ষাত নিযুক্ত সৈন্যদলৰ সেনাপতি হ'ল

দ্বাৰৰ সন্মুখত পহৰা দি আছে কাউণ্ট টিলিৰ অশ্বাৰোহী সৈন্যবাহিনীয়ে।

কাউণ্ট টিলি। কাউণ্ট টিলি এজন ফৰাছী যোদ্ধা। হেগবাসী গুণ্ডাবাহিনীয়ে বুইটেনহফ কাৰাদুৰ্গৰ সম্মুখত থিয় হৈ চিঞৰিলে—"অৰেঞ্জ বংশৰ জয় হওক", "দেশদ্ৰোহী নিপাত যাওক।"

উচ্ছৃংখল জনতা দুৰ্গৰ প্ৰধান দ্বাৰৰ ফালে আগ বাঢ়িল। দ্বাৰৰ সম্মুখত পহৰা দি আছে কাউণ্ট টিলিৰ অশ্বাৰোহী সৈন্যবাহিনীয়ে। জনতাই চিঞৰি চিঞৰি জয়ধ্বনি দিলে, "অৰেঞ্জ বংশৰ জয় হওক। দেশদ্ৰোহী নিপাত যাওক।"

সেই জনতা ক্ৰমাৎ দুৰ্গৰ ফালে আগ বাঢ়ি গ'ল। কাউণ্ট টিলিৰ সৈন্যবাহিনীয়ে সাৱধান কৰি দিলে। কাউণ্ট টিলিয়ে স্পষ্টভাৱে সিহঁতক জনাই দিলে যে নগৰ সমিতিৰ আদেশ নাপালে তেওঁ কাকোৱেই বুইটেনহফ দুৰ্গৰ ত্ৰিসীমাত সোমাবলৈ নিদিয়ে। উচ্ছৃংখল জনতা তেতিয়া কৰ্নেলিয়াছ দ্য উইটক হত্যা কৰিবৰ বাবে উত্তেজিত হৈ উঠিছে। টিলিক দুৰ্গ ৰক্ষণাৰপৰা অপসাৰণ কৰিবৰ বাবে আদেশ আনিবলৈ সিহঁত তেতিয়াই নগৰ সমিতিৰ কাৰ্য্যালয়ৰ ফালে দৌৰি গ'ল।

ঠিক তেনেতে উচ্ছৃংখল জনতাৰ অগোচৰে বুইটেনহফ দুৰ্গৰ প্ৰধান দ্বাৰৰ সম্মুখত এখন ঘোঁৰাগাড়ী ৰ'লহি। গাড়ীৰপৰা নামি আহিল আন কোনো নহয়, জন দ্য উইট—যিজন সেই দিনালৈকে ৰাষ্ট্ৰৰ বিশেষ ৰাজবিষয়া আছিল। তেওঁৰ লগতে গাড়ীৰপৰা নামিল তেওঁৰ লগুৱাজন।

আজি জন দ্য উইট শক্তিহীন, মৰ্য্যাদাহীন, যেন এক নিৰ্বিষ ভূজংগ।

আন কোনোবা হোৱা হ'লে জনতাৰ আক্ৰোশৰ সম্মুখীন হোৱাৰ আগতে হয়তো বহুবাৰ চিন্তা কৰিলেহেঁতেন। কিন্তু জন দ্য উইট বেলেগ ধাতুৰে গঢ়া। সকলো আশংকা মূৰত লৈও তেওঁ আহিছে, আহিবলৈ বাধ্য হৈছে। কাৰণ, তেওঁৰ আপোন ভ্ৰাতৃ এই কাৰাগাৰত বন্দী। ভ্ৰাতৃক নিৰ্বাসন দিয়া হৈছে। এই মুহূৰ্ততে কাৰাগাৰৰ অধীক্ষকে তেওঁক বুইটেনহফৰপৰা উলিয়াই দিব আৰু ওলাই অহাৰ লগে লগে কৰ্নেলিয়াছে শত্ৰুৰ মুখামুখি হ'ব লাগিব। তেতিয়া তেওঁৰ জীৱনৰ দাম এটা সোণৰ মুদ্ৰা এক গিল্ডাৰৰ সমানো নাথাকে।

কৰ্নেলিয়াছৰ জীৱনৰ এনে সংশয় মুহূৰ্ততে তেওঁক দুৰ্গৰপৰা বাহিৰলৈ নি নগৰৰ বাহিৰৰ সাগৰতীৰলৈ লৈ যোৱাৰ প্ৰয়োজন। সাগৰতীৰতে জনে এখন জাহাজ সাজু কৰি ৰাখিছে। সেই জাহাজত উঠিয়েই দুয়োজন ককাই-ভাই পলাই যাব। বিচাৰকৰ আদেশো পালিত হ'ব আৰু তাৰ লগে লগে দুয়োজন ককাই-ভাইৰ জীৱনো ৰক্ষা পৰিব।

জন দ্য উইটে দুৰ্গৰ ভিতৰত প্ৰৱেশ কৰিলে। দুৰ্গৰক্ষী গ্ৰাইফাছ তেওঁৰ পূৰ্বৰে চিনাকি। তেওঁ গ্ৰাইফাছক অনুৰোধ কৰি ক'লে, "গ্ৰাইফাছ, মই মোৰ ভাইক ইয়াৰপৰা

লৈ যাবলৈ আহিছোঁ। তুমি গম পাইছাই নহয়, তেওঁৰ *নির্বাসন* দণ্ডৰ আদেশ হৈছে।"

কাৰাধ্যক্ষ গ্ৰাইফাছে দুৰ্গৰ দুৱাৰ খুলি জন দ্য উইটক অভিবাদন কৰি দুৰ্গৰ ভিতৰলৈ সোমাবলৈ দি লগে লগে দুৱাৰ বন্ধ কৰি দিলে।

জন দ্য উইট আগ বাঢ়িল। তেওঁৰপৰা দহগজমান দূৰত তেওঁ সোতৰ-ওঠৰ বছৰীয়া এজনী ৰূপৱতী গাভৰু দেখা পালে। ছোৱালীজনীয়ে জন দ্য উইটক অভিবাদন জনালে।

ছোৱালীজনীক দেখি জনে ক'লে, "সুপ্ৰভাত ৰ'জা, মোৰ ভাইটো কেনে আছে?"

"নক'ব জন ডাঙৰীয়া, তেওঁক যে কেনে শাস্তি দিছে, মোৰ ভয়েই লাগিছে।"

"হয় নেকি? পাছে তুমি ইমান ভয় খাবৰনো কি কাৰণ আছে?"

"আচলতে এতিয়া মোৰ ভয় লাগিছে বাহিৰৰ সেই চিঞৰ-বাখৰবোৰ শুনিহে। সিহঁতে যে তেখেতক দেখা পালে কি কৰিব ঠিকেই নাই। আপুনি জানো সেই চিঞৰ-বাখৰবোৰ শুনা নাই?"

"শুনিছোঁ। মানুহবোৰ বৰ উত্তেজিত হৈ আছে। পাছে, আমাক দেখাৰ লগে লগে মানুহবোৰ নিশ্চয় শান্ত হৈ পৰিব। কাৰণ আমি দুয়ো সিহঁতৰ উপকাৰৰ বাহিৰে কেতিয়াও অপকাৰ কৰা নাই।"

"নহয় নহয়, দুৰ্ভাগ্যবশতঃ সেইটো নহয়, তাৰ ওলোটাটোহে সঁচা," ছোৱালীজনীয়ে অস্ফুটভাৱে কথাষাৰ কৈ বাপেকৰ চকুলৈ চাই হঠাতে কোৱা বন্ধ কৰিলে।

"তুমি ঠিকেই কৈছা, আইজনী," এইবুলি কৈ জন দ্য উইট আগ বাঢ়ি গ'ল আৰু আপোনমনে ক'লে, "এই ছোৱালীজনীয়ে পঢ়িব নাজানে, জীৱনত কোনো দিনে তাই একো পঢ়া নাই, তথাপি তাইৰ মুখৰ এষাৰ কথাৰে তাই যেন পৃথিৱীৰ সমস্ত বুৰঞ্জী কৈ দিলে।"

এনেদৰে শান্তভাৱে কিন্তু আগতকৈ কিছু পৰিমাণে বেজাৰমুৱা হৈ জন দ্য উইট তেওঁৰ ভায়েক বন্দী হৈ থকা কোঠাটোৰ ফালে আগ বাঢ়িল।

দ্বিতীয় অধ্যায়

দুই ককাই-ভাই

জন দ্য উইট যেতিয়া ঠেক ছিৰিটোৰে ভায়েক বন্দী হৈ থকা কোঠাটোৰ ফালে আগ বাঢ়িল, বাহিৰত তেতিয়া জনতাই দুৰ্গটোৰ পহৰাত নিযুক্ত কাউন্ট টিলিৰ সৈন্যবাহিনীক দুৰ্গৰ দুৱাৰমুখৰপৰা আঁতৰাবলৈ হেঁচা দি আছিল। পাছে কাউন্ট টিলি ফৰাছী যোদ্ধা, হেগবাসী এই গুণ্ডাদলৰ আবদাৰৰ প্ৰতি কৰ্ণপাত কৰা লোক তেওঁ নহয়। তেওঁ স্পষ্টভাৱেই এই উচ্ছৃংখল জনতাক জনাই দিলে যে তেওঁ মাথোন নগৰ সমিতিৰ আদেশ পালন কৰিছে। তেওঁৰ বাবে আদেশ সদায়েই আদেশ। সেয়ে নগৰ সমিতিৰ আদেশ নাপালে তেওঁ বুইটেনহফৰ ত্ৰিসীমাত কাকো সোমাবলৈ নিদিয়ে।

মানুহবোৰে তথাপিও কাউন্ট টিলিক জোৰ কৰি থকাত আৰু এজন সু-নাগৰিকৰ দৰে কৰ্তব্য পালন কৰিবলৈ অনুৰোধ কৰাত টিলিয়ে ক'লে, "মই কোনো সু-নাগৰিক নহওঁ। মই এজন ৰাজবিষয়া আৰু দ্বিতীয়তে মই হলেণ্ডবাসী নহওঁ, এজন ফৰাছী লোকহে। সেয়ে গোটেই কথাটোৱেই বেলেগ। ৰজা বা ৰাজনিৰ্দেশ মতেই মই কাম কৰিম, কাৰণ তাৰ বাবে মই পাৰিতোষিক পাওঁ। সেয়ে তোমালোকে যদি নগৰ সমিতিৰপৰা আদেশ আনিব পাৰা, তেনেহ'লে মই দুৰ্গ এৰি যাম, নহ'লে তোমালোক কোনো ইয়াত সোমাব নোৱাৰা। মই খাটাংকৈ ক'লোঁ।"

কাউন্ট টিলিৰ কথা শুনি জনতাৰ মাজত আকৌ হুলস্থুলৰ সৃষ্টি হ'ল। ভালেমানে কাউন্টৰ কথাকে শলাগি চিঞৰি চিঞৰি ক'লে, "ব'লা ব'লা, আমি নগৰ সমিতিলৈ যাওঁ।" এইবুলি চিঞৰি কিছুমান নগৰ সমিতিৰ ফালে ঢপলিয়াই গ'ল।

ইতিমধ্যে জন দ্য উইট ভায়েক বন্দী হৈ থকা কোঠাৰ সম্মুখত উপস্থিত হৈছে। তেওঁ দেখিলে কৰ্নেলিয়াছ এখন বিছনাত পৰি আছে, উঠিবই নোৱাৰে। যোৱা তিনিদিনে তেওঁৰ ওপৰত অকথ্য শাস্তি চলিছে। কাৰণ, এনে ধৰণৰ ষড়যন্ত্ৰত যিসকল অভিযুক্ত হয় তেওঁলোকৰ ওপৰত দৈহিক নিৰ্য্যাতন চলোৱাৰ ৰীতি আছে আৰু কৰ্নেলিয়াছৰ ক্ষেত্ৰত, ষ্টাড্‌হ'ল্ডাৰ উইলিয়ামৰ নিৰ্দেশত সেই ৰীতি ভালদৰেই পালিত হৈছে। কৰ্নেলিয়াছে অভিযোগ স্বীকাৰ কৰা নাই। সেই অভিযোগ স্বীকাৰ কৰাবৰ বাবেই এই নিৰ্য্যাতন চলিছে। এনে ক্ষেত্ৰত বন্দীৰ হাত আৰু ভৰিৰ আঙুলি থেতালি দিয়াই নিয়ম। সেইবাবেই কৰ্নেলিয়াছৰ হাত আৰু ভৰিত বেণ্ডেজ বন্ধা আছে।

ভায়েকৰ দুখজনক অৱস্থা দেখি জন দ্য উইটৰ চকুলো ওলাল। কিন্তু আৱেগত

অভিভূত হৈ সময় নষ্ট কৰিবৰ উপায় নাই। বাহিৰত, দুৰ্গৰ প্ৰবেশদ্বাৰৰ সন্মুখত উচ্ছৃংখল জনতাই দুয়োজন ককাই-ভাইৰ মৃত্যু কামনা কৰি চিঞৰত গগন ফালিছে। সেই চিঞৰ-বাখৰ বন্দীশালৰ কোঠাৰ ভিতৰলৈকো শুনা গৈছে। পাছে কৰ্নেলিয়াছ নিজৰ চিন্তাত ইমানেই মজি আছিল যে বাহিৰৰ হুলস্থূলবোৰনো কিহৰ তেওঁ একো জানিবৰ ইচ্ছা কৰা নাছিল। তদুপৰি, হাত আৰু ভৰিৰ অসহ্য বিষৰ বাবে বাহিৰৰ কথা-বতৰাৰ প্ৰতি মন-কাণ দিবলৈ তেওঁ অৱকাশ পোৱা নাছিল।

ককায়েক জন দ্য উইটে বন্দীশালৰ কোঠাৰ দুৱাৰখন ঠেলি কোঠাত সোমোৱাৰ লগে লগে কৰ্নেলিয়াছৰ চকু-মুখ আনন্দত উজলি উঠিল।

জন দ্য উইটে আগ বাঢ়ি আহি আলফুলে কাৰ্নেলিয়াছৰ মূৰত এটা চুমা খাই পিঠিত হাত ফুৰাই ক'লে, "প্ৰিয় ভাই, তুমি বৰ কষ্ট পাইছা নহয়নে?"

"তোমাক দেখাৰ পাছত মোৰ এতিয়া আৰু কোনো কষ্ট নাই, ককাইদেউ।"

"আস্, কৰ্নেলিয়াছ। মোৰ মৰমৰ ভাই, তোমাৰ এনে অৱস্থা দেখি মই বৰ দুখ পাইছোঁ।"

"জানো, ককাইদেউ, মোতকৈও তোমাৰ বাবেহে মোৰ বেছি কষ্ট হৈছে। সিহঁতে মোক শাস্তি দিওঁতে মই এটা কথাও কোৱা নাই। এতিয়া যিহেতু তুমি আহি ইয়াত উপস্থিত হৈছাহি, এতিয়া আৰু মোৰ কোনো চিন্তা নাই। তুমি মোক ইয়াৰপৰা উলিয়াই নিবলৈকে অহা নাই জানো।"

"ওঁ, অঁ।"

"মই যথেষ্ট ভাল পাইছোঁ এতিয়া। তুমি মোক অকণমান ধৰি দিয়া, মই নিজেই খোজ কাঢ়ি যাব পাৰিম।"

"নাই নাই, খোজ কাঢ়ি যাব নালাগে। মই গাড়ীখন কাউন্ট টিলিৰ অশ্বাৰোহী বাহিনীৰ পিছফালে থকা পুখুৰীটোৰ পাৰতে থৈ আহিছোঁ।"

"টিলিৰ সৈন্যবাহিনী তাত আকৌ কিয় আছে?"

"আচলতে কথাটো এনেকুৱা," কণমান ম্লান হাঁহি মাৰি জন দ্য উইটে ক'লে, "হাজাৰ জনসাধাৰণ তোমাৰ নিৰ্বাসন প্ৰত্যক্ষ কৰিবলৈ গোট খাইছে আৰু সেই বাবেই এটা হৈ-চৈৰ সৃষ্টি হৈছে।"

জন দ্য উইটে দুটামান কথাৰে ভায়েকক বুজাই দিলে যে উভয়েই অতি সোনকালে ৰাজধানী ত্যাগ কৰা আৱশ্যক। তাকে নকৰিলে উভয়ৰে প্ৰাণৰ সংশয় আছে।

"কিয়? প্ৰাণৰ সংশয় হ'ব কিয়?" কৰ্নেলিয়াছে বুজিব পৰা নাই।

"সেয়া শুনাচোন।"

ইতিমধ্যে দুৰ্গৰ দুৱাৰমুখলৈ নগৰ সমিতিৰপৰা আদেশ লৈ জনতা ঘূৰি আহিল। সিহঁতৰ চিঞৰ-বাখৰ শুনি কৰ্নেলিয়াছৰ আৰু বুজিবলৈ বাকী নাথাকিল যে সেই উচ্ছৃংখল জনতা তেওঁলোকৰ ৰক্তপাতৰ বাবেই লোলুপ হৈ আছে।

জন দ্য উইটে ভায়েকক আশ্বাস দি ক'লে, "তুমি কোনো চিন্তা নকৰিবা, ভগবানৰ সহায় হ'লে আমি ইয়াৰপৰা নিৰ্বিঘ্নে ওলাই যাব পাৰিম। পাছে মৰমৰ ভাই, প্ৰথমে মই তোমাক কথা এটা কওঁ।"

ঠিক তেনেতে তলত হুলস্থুলৰ শব্দবোৰ যেন বেছি হ'বলৈ ধৰিলে। চিঞৰ-বাখৰবোৰ শুনি কৰ্নেলিয়াছে ক'লে, "মানুহবোৰ দেখিছোঁ একেবাৰে হিংস্ৰ হৈ উঠিছে। সিহঁতেনো কাৰ বিৰুদ্ধাচৰণ কৰিছে—মোৰ নে তোমাৰ?"

"সিহঁত আমাৰ দুয়োৰে বিৰুদ্ধে। বুজিছা, অৰেঞ্জবাসীয়ে প্ৰচাৰ কৰি দিছে বোলে আমি দুয়ো ফ্ৰান্সৰ সৈতে কিবা এটা সন্ধিৰ চেষ্টা কৰিছোঁ।" জন দ্য উইটে চমুকৈ ভায়েকক ক'লে, "আমি দেশ ত্যাগ কৰি যামহঁক। কিন্তু দেশ ত্যাগৰ আগতে সেই দলিলখন আমি নষ্ট কৰি থৈ যাব লাগিব। কাউণ্ট লুভৱাৰ লগত আমাৰ সন্ধিৰ যি কথা-বতৰা হৈছিল সেই সম্পৰ্কীয় সকলোবোৰ চিঠি-পত্ৰ নষ্ট কৰি থৈ যাব লাগিব।"

কৰ্নেলিয়াছে কিবা এটা চিন্তা কৰি ক'লে, "অতি সংগত কথা। সেইবোৰ যদি কেনেবাকৈ আমাৰ শত্ৰুৱে পায়, তেনেহ'লে আমাৰ মৃত্যুদণ্ড অনিবাৰ্য্য। দেশলৈ ঘূৰি অহাৰ আৰু কোনো উপায়েই নাথাকিব। মোৰ কথা বাৰু বাদেই, তোমাৰ বৰ ডাঙৰ বিপদ হ'ব। কাৰণ, তোমাৰ গাত দেশখনক উদ্ধাৰ কৰাৰ শক্তি এতিয়াও সঞ্চিত হৈ আছে।"

"ৰ'বা ৰ'বা, ডৰ্ট নগৰৰপৰা হেগলৈ অহাৰ পাছত তুমি সেই কাগজ-পত্ৰবোৰ পুৰি পেলালা নহয়নে?"

"নাই নাই, পুৰি পেলোৱা নাই। মই ভালদৰে থৈহে দিছোঁ।"

"থৈ দিছা? ক'ত থৈ দিছা? সেইবোৰ এতিয়া ক'ত আছে?"

"আছে ডৰ্ট নগৰতে। মোৰ ধৰ্মপুত্ৰ কৰ্নেলিয়াছ ভান বেয়াৰ্লৰ ওচৰত আছে। তেওঁকতো তুমি জানাই নহয়।"

জন দ্য উইট চমকি উঠিল, "কি ক'লা, সেই নিৰীহ ডেকাজনৰ ওপৰত তুমি এই বিপদজনক বোজাটো জাপি দিলা? তেওঁতো ফুলৰ বাহিৰে একোকে নাজানে! এই কাগজখিনিয়েই তেওঁৰ ধ্বংস মাতি আনিব।"

"ধ্বংস মাতি আনিব?"

"কোনো সন্দেহ নাই।"

"কিন্তু তেওঁতো নাজানেই সেইবোৰ কিহৰ কাগজ। মই কাগজৰ নুৰা এটা তেওঁক ৰাখিবলৈ দিছিলোঁ, তেওঁ ৰাজী হৈছে। ভিতৰতনো কি আছে এবাৰো জানিবলৈ ইচ্ছা কৰা নাই আৰু ময়ো তেওঁক একেবাৰেই কোৱা নাই।"

"নাই নাই, সেই কাগজবোৰ বেয়ার্লৰ ওচৰত এৰি থৈ যাব নোৱাৰি," জন দ্য উইটে প্ৰায় চিঞৰি ক'লে। "এতিয়াও যিহেতু সময় আছে, তেওঁ সেইবোৰ পুৰি পেলাবলৈ খবৰ এটা পঠিয়াবই লাগিব।"

"কিন্তু তেওঁৰ ওচৰলৈ কাক পঠাওঁ?"

"ৰ'বা, মোৰ লগুৱা ক্ৰেইক আছে নহয়, তাকে পঠাওঁ।"

"এই মূল্যবান চিঠি-পত্ৰবোৰ পোৰাৰ আগতে কথাটো আকৌ এবাৰ বিবেচনা কৰি চাবা নেকি?"

"বিবেচনা কৰিবলৈ আৰু একো নাই। আমি দুয়ো নিজৰ জীৱন দুটা বচাবই লাগিব। আমাৰ যদি মৃত্যু হয় কোনেনো তেতিয়া আমাৰ হৈ মাত মাতিব? কোনেনো আমাৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে বুজি পাব?"

বাহিৰৰ হুলস্থূলবোৰ ক্ৰমাৎ বেছি হ'ল। জন দ্য উইটে কোঠাৰ খিৰিকিখন খুলি দিলে। তলৰপৰা চিঞৰ একোটা ভাহি আহিল, "বিশ্বাসঘাতক নিপাত যাওক।"

"বিশ্বাসঘাতক নিপাত যাওক! তাৰ মানে কোন? আমি?"

"অঁ, আমাৰ কথাই কৈছে।"

"তোমাৰ লগুৱাটো ক'ত আছে?"

"কোঠাৰ বাহিৰত আছে। ৰ'বা, তাক মাতি দিওঁ।"

জন দ্য উইটে দুৱাৰখন খুলি দিলে। তেওঁৰ বিশ্বাসী লগুৱা ক্ৰেইক সোমাই আহিল।

"ক্ৰেইক, সোমাই আহ আৰু মোৰ ভাইটোৱে কি কয় ভালদৰে শুন।"

"নহয় ককাইদেউ, এতিয়া আৰু মৌখিক বাৰ্তা পঠাব পৰা নহ'ব। চিঠি লিখিহে জনাব লাগিব। কাৰণ, ভান বেয়ার্লে লিখিত নিৰ্দেশ নাপালে চিঠিৰ টোপোলাটো কাকো নিদিয়ে বা পুৰিও নেপেলায়।"

"কিন্তু তোমাৰ হাতৰ আঙুলিৰ যিটো অৱস্থা চিঠি লিখিব পাৰিবা জানো?"

"কলম আৰু চিয়াহী পালে মই নিশ্চয় লিখিব পাৰিম।"

"পেন্সিল এডাল মোৰ হাতত আছে, পাছে কাগজ নাই নহয়।"

"মোৰ হাতত এই সৰু বাইবেলখন আছে। ইয়াৰে প্ৰথমৰ খালী পাতটো লোৱা।"

"হ'ব। তাৰেই হ'ব।"

"পাছে, তোমাৰ লেখাবোৰ বুজিব নোৱৰা হ'ব নেকি?"

কৰ্নেলিয়াছে বেগেজ বন্ধা আঙুলিৰেই পেন্সিলডাল ধৰি লিখিবলৈ চেষ্টা কৰিলে। আঙুলিৰ কোনো কোনো ঠাইত মাংস নায়েই, পেন্সিলডাল ধৰাৰ লগে লগে তাৰপৰা তেজ ওলাবলৈ ধৰিলে। সেই দৃশ্য দেখি জন দ্য উইটৰ মুৰৰপৰা ঘাম বৈ আহিল।

অমানুষিক মনৰ জোৰত কৰ্নেলিয়াছে চিঠিখন লিখিলে আৰু ক্ৰকায়েকক পঢ়িবলৈ দিলে। কৰ্নেলিয়াছে লিখিলে—

"প্ৰিয় পুত্ৰ কৰ্নেলিয়াছ,

"তোমাৰ ওচৰত মই যি চিঠিৰ টোপোলাটো থৈ আহিছিলোঁ, সেইটো পুৰি পেলাবা। সেইটো নোখোলাকৈ, সেইটোৰ ফালে নোচোৱাকৈ টোপোলাটো পুৰি পেলাবা যাতে তাৰ ভিতৰৰ কথাবোৰ চিৰদিন তোমাৰ বাবে অজ্ঞাত হৈয়েই থাকে। এনে ধৰণৰ গোপন কথা যিজনে জানিব পাৰে তেওঁ মৃত্যুপথৰ যাত্ৰী হয়। জন আৰু কৰ্নেলিয়াছ দ্য উইটক যদি বচাব খুজিছা তেনেহ'লে চিঠিৰ পেকেটটো লগে লগে পুৰি পেলাবা।

"বিদায়। ইতি

"তোমাৰ

"২০ আগষ্ট, ১৬৭২।" "কৰ্নেলিয়াছ দ্য উইট।"

চিঠিখনৰ ওপৰত কৰ্নেলিয়াছৰ হাতৰপৰা এটোপাল তেজ পৰিছিল, চকুলো টুকি টুকি জন দ্য উইটে তেজৰ টোপালটো মোহাৰি পেলালে। তেওঁ লগুৱা ক্ৰেইকক নিৰ্দেশ দিলে যাতে সেই মুহূৰ্ততে সি ডৰ্ট চহৰলৈ যাত্ৰা কৰি ভান বেয়াৰ্লৰ হাতত চিঠিখন দিয়েগৈ।

জন দ্য উইটে লগতে ক'লে, "ক্ৰেইক বাহিৰত বৈ থকা জনতাৰ দৃষ্টিৰপৰা আঁতৰি তোৰ হাতত থকা নাবিকসকলে ব্যৱহাৰ কৰা বাঁহীটো বজাই ইংগিত দিলেই আমি ইয়াৰপৰা ওলাই যাম।"

ক্ৰেইক ওলাই গ'ল। সি যোৱাৰ পাঁচ মিনিটৰ পাছতে বাঁহীৰ শব্দটো ভাহি আহিল। বাঁহীৰ শব্দ শুনিয়েই জন দ্য উইটে ক'লে, "ব'লা কৰ্নেলিয়াছ, আমি ইয়াৰপৰা ওলাই যাওঁ।"

তৃতীয় অধ্যায়

জন দ্য উইটৰ ছাত্ৰজন

ইতিমধ্যে বুইটেনহফ কাৰাদুৰ্গৰ বাহিৰত ক্ৰমাৎ জনতা দুৰ্বাৰ হৈ উঠিছে। দুয়োজন ককাই-ভাইৰ বিৰুদ্ধে ধ্বনি দি সিহঁতে চিঞৰিবলৈ লাগিছে। চিঞৰ-বাখৰৰ মাজতে জন দ্য উইটে ভায়েকক লৈ দুৰ্গৰপৰা ওলাই যাবলৈ সাজু হোৱাৰ সময়তে উচ্ছৃংখল জনতাৰ এটা দলে কাউণ্ট টিলিৰ অপসাৰণৰ আদেশ উলিয়াবৰ বাবে নগৰ সমিতিৰ কাৰ্য্যালয়ৰ ফালে ঢাপলি মেলিলে।

বুইটেনহফ দুৰ্গৰপৰা কিছু দূৰত ঘৰ এটাৰ দুৱাৰ এখনৰ আঁৰত নিজকে প্ৰায় আধা লুকুৱাই দুজন মানুহ থিয় হৈ আছে। তাৰে এজন ডেকা, বয়স বাইছ-তেইছমান হৈছে। তেওঁৰ পৰিধানত সাধাৰণ সাজ-সজ্জা, তেওঁৰ মুখখন এখন ৰুমালেৰে ঢকা। তেওঁৰ হাতত কোনো অস্ত্ৰ-শস্ত্ৰ নাই। তেওঁৰ লগত থকা ইজন মানুহ এজন মাজবয়সীয়া লোক, তেওঁৰ পৰিধানত সামৰিক সাজ-পোছাক।

এই দুয়োজন ব্যক্তিয়ে এতিয়া নগৰ সমিতিৰ বেলকনিৰ ফালে চাই আছে। যুদ্ধ গৰ্জনেৰে আকাশ-বতাহ কঁপাই এদল লোকে টিলিৰ অপসাৰণৰ বাবে নগৰ সমিতিৰ আদেশ বিচাৰিলে। সেই সময়ত নগৰ সমিতিৰ কাৰ্য্যালয়ত উপস্থিত আছিল দুজন সহকাৰী। তেওঁলোকে প্ৰথমে কাউণ্ট টিলিৰ অপসাৰণৰ আদেশ দিবলৈ মান্তি হোৱা নাছিল যদিও জনতাৰ ৰোষ দেখি আদেশ দিবলৈ বাধ্য হ'ল। টাইকেলেয়াৰ সেই আদেশ-পত্ৰ হাতত লৈ বিজয় গৰ্বেৰে বুইটেনহফ দুৰ্গৰ ফালে আগ বাঢ়িছিল। তেওঁৰ পিছে পিছে বিশাল জনতা।

"সিহঁতে আদেশপত্ৰ উলিয়ালে," সামৰিক বিষয়াজনে ইজনক ক'লে।

"এৰা, উলিয়ালে," ডেকাজনে ক'লে। "কেপ্টেইন। এতিয়া ব'লা, আমিও বুইটেনহফৰ ফালে যাওঁহঁক। তাত নিশ্চয় আমি মজাৰ দৃশ্য দেখা পাম।"

সামৰিক বিষয়াজনে অভিবাদন কৰি ডেকাজনৰ পিছে পিছে যাবলৈ ধৰিলে।

বুইটেনহফ দুৰ্গৰ ফালে আগ বাঢ়ি অহা জনতাক সম্বোধন কৰি কাউণ্ট টিলিয়ে ক'লে, "য'তে আছা ত'তে থাকাহঁক। নহ'লে মোৰ গাত দোষ নাই, মোৰ অশ্বাৰোহী বাহিনী আগ বাঢ়ি যাব।"

"এয়া লোৱা আদেশপত্ৰ," বহুত মানুহে একে সময়তে চিঞৰি ক'লে।

আদেশপত্ৰখনৰ ফালে চাই টিলিয়ে ডাঙৰকৈয়ে ক'লে, "যিসকলে ইয়াত চহী কৰিছে তেওঁলোকেই কৰ্নেলিয়াছ দ্য উইটৰ প্ৰকৃত হত্যাকাৰী।"

এইবুলি কাউণ্ট টিলিয়ে আদেশপত্ৰখন খুব সাৱধানে ল'লে আৰু ভাঁজ কৰি নিজৰ জেপত ভৰালে। তাৰ পাছত তেওঁৰ পিছফালে থকা অশ্বাৰোহী বাহিনীলৈ চাই আদেশ দিলে, "বন্ধুগণ, সোঁফালে যাত্ৰা কৰাহঁক।"

তাৰ পাছত তেওঁ কিছু সৰুকৈ কিন্তু সকলোৱে শুনাকৈ ক'লে, "আৰু এতিয়া তহঁত কচাইহঁতে কি কৰ কৰি থাক।"

কাউণ্ট টিলিৰ অশ্বাৰোহী সৈন্যদলে দুৰ্গৰ দ্বাৰ এৰি যোৱাৰ লগে লগে বন্য উল্লাসত জনতা ফাটি পৰিল। ইতিমধ্যে জন দ্য উইটে ভায়েক কৰ্নেলিয়াছক ধৰি ধৰি বন্দীশালৰ কোঠাৰপৰা ওলাই ছিৰিয়েদি তললৈ নামি আহিছে। ছিৰিৰ তলতে তেওঁ কাৰাধ্যক্ষৰ কন্যা ৰ'জাক লগ পালে।

"অস্, জন ডাঙৰীয়া, কি যে দুৰ্ভাগ্য," ছোৱালীজনীয়ে সহানুভূতিৰ সুৰেৰে ক'লে।

"তুমি কিহৰ কথা কৈছা, আইজনী?" দ্য উইটে সুধিলে।

"মই শুনিলোঁ, সিহঁতে বোলে কাউণ্ট টিলিৰ অশ্বাৰোহী বাহিনী দুৰ্গৰ পহৰাৰপৰা আঁতৰাবলৈ নগৰ সমিতিৰপৰা আদেশ আনিবলৈ গৈছে।"

"হয় নেকি?" জন উইটে ক'লে। "কথা তেনেহ'লে বৰ গুৰুতৰ।"

"হয়, ডাঙৰীয়া, সেয়ে মই আপোনাক এটা কথা ক'ব খোজোঁ," ছোৱালীজনীয়ে ক'লে।

"কি কথা ক'ব খুজিছা কোৱাচোন।"

"কথাটো মানে... এনে অৱস্থাত মই কেতিয়াও দুৰ্গৰ প্ৰধান প্ৰৱেশদ্বাৰেদি ওলাই নগ'লোঁহেঁতেন।"

"কিয়? ওলাই যোৱাত কি বাধা আছে? কাউণ্ট টিলিৰ সৈন্যবাহিনীয়ে দেখোন পহৰা দি আছে?"

"আছে হয়। পাছে আপোনালোকক তেওঁলোকে বাহিৰলৈ উলিয়াই লৈ যোৱাৰ কিবা আদেশ আছেনে?"

"নাই, তেনে কোনো আদেশ নাই।"

"তেনেহ'লে আপোনালোকে প্ৰৱেশদ্বাৰেদি ওলাই টিলিৰ অশ্বাৰোহী সৈন্যবাহিনী এৰি ৰাজপথত ভৰি দিয়াৰ লগে লগে আপোনালোক সেই গুণ্ডাবাহিনীৰ হাতত পৰিবগৈ।"

"তেনেহ'লে আমি এতিয়া কি কৰোঁ?"

"মই আপুনি হোৱা হ'লে ডাঙৰীয়া দুৰ্গৰ পিছ দুৱাৰেদিহে ওলাই গ'লোঁহেঁতেন।

"...মোৰ বিশ্বাস, এই বাইবেলখনিয়েই তোমাৰ সৌভাগ্যৰ দুৱাৰ খুলি দিব।"

সম্মুখৰ ৰাজপথত থকা মানুহবোৰৰ অগোচৰে পিছফালৰ ঠেক পথেৰে মই ওলাই গ'লোঁহেঁতেন আৰু তাৰপৰাই নগৰৰ প্ৰবেশদ্বাৰৰ ফালে গুচি গ'লোঁহেঁতেন।"

"কিন্তু মোৰ এই ভাইটোৰে যে খোজেই কাঢ়িব নোৱাৰে?"

"নাই নাই, মই পাৰিম, চেষ্টা কৰিম," কৰ্নেলিয়াছে মাত দিলে।

"জন ডাঙৰীয়া, আপোনাৰ গাড়ীখনো আছে নহয়?"

"আছে, পাছে সেইখন দুৰ্গৰ প্ৰধান প্ৰৱেশদ্বাৰৰ সম্মুখতহে আছে।"

"এতিয়া নাই," ছোৱালীজনীয়ে ক'লে। "মই আপোনাৰ গাড়ীখনৰ চালকজনক দুৰ্গৰ পিছফালে অপেক্ষা কৰিবলৈ কৈছোঁ।"

দুয়োজন ককাই-ভায়ে মুখ চোৱাচুই কৰিলে আৰু তাৰ পাছত কৃতজ্ঞতাৰে ৰ'জালৈ চালে।

"কিন্তু কথা হ'ল, কাৰাধ্যক্ষ গ্ৰাইফাছে দুৰ্গৰ পিছফালৰ দুৱাৰ খুলি দিব জানো?"

"হয়, তেওঁ কোনো কাৰণতে দুৱাৰ খুলি নিদিয়ে।"

"তেনেহ'লে কি হ'ব?"

"চিন্তা নকৰিব। এই আশংকা কৰিয়েই চাবিৰ থিওৰপৰা পিছফালৰ দুৱাৰৰ চাবিপাট মই খুলি আনিছোঁ।"

"আইজনী," কৰ্নেলিয়াছে মাত দিলে, "দ্য উইটহঁতৰ বৰ বেয়া সময়, তোমাৰ এই দানৰ প্ৰতিদানস্বৰূপে তোমাক দিবলৈ তেওঁলোকৰ আজি একো নাই। তথাপি সৌ কোঠাত থকা এখনি সৰু বাইবেল তোমাক দি গ'লোঁ। মোৰ বিশ্বাস, এই বাইবেলখনিয়েই তোমাৰ সৌভাগ্যৰ দুৱাৰ খুলি দিব।"

"আপোনাক ধন্যবাদ জনাইছোঁ, কৰ্নেলিয়াছ ডাঙৰীয়া, এই বাইবেলখনি কেতিয়াও মোৰ হাতৰপৰা নেৰোঁ," ৰ'জাই উত্তৰ দিলে। পাছে লগে লগেই তাই হুমুনিয়াহ কাঢ়ি ক'লে—"কি দুৰ্ভাগ্য, মই যে পঢ়িবই নাজানো!"

ইতিমধ্যে তলত উচ্ছৃংখল জনতাই দুৰ্গৰ দুৱাৰ ভাঙো ভাঙো কৰিছে। জন দ্য উইটে ক'লে, "হুলস্থূল বৰ বেছি হৈছে। ব'লা ব'লা, এক মুহূৰ্তও ৰ'বলৈ নাই।"

ৰ'জাই দুয়োজন ককাই-ভাইক দুৰ্গৰ পিছফালৰ দুৱাৰৰ ফালে লৈ গ'ল। দুটামান ছিৰি নমাৰ পাছত ৰ'জাই পিছফালৰ দুৱাৰত লাগি থকা তলাটো খুলি দিলে। পিছফালৰ চোতালতে ঘোঁৰাগাড়ীখন বৈ আছিল। চালকজনে দ্য উইট ককাই-ভাই

দুজনক ক'লে, "খৰ কৰক, খৰ কৰক, মালিক; সেই হুলস্থূলবোৰ শুনিছে নহয়।"

জন দ্য উইটে কৰ্নেলিয়াছক গাড়ীত বহুৱাই দি তাৰ পাছত নিজে উঠিল আৰু ৰ'জাৰ ফালে চাই ক'লে, "বিদায় আইজনী, তোমাক কৃতজ্ঞতা জনাবলৈ ভাষা নাই। আমাৰ জীৱন ৰক্ষা কৰাৰ বাবে ভগৱানে তোমাক পুৰস্কৃত কৰিব।"

"যাওক যাওক," ৰ'জাই উৎকণ্ঠাৰে ক'লে। "সিহঁতে বোধহয় প্ৰৱেশদ্বাৰখন ভাঙিয়েই পেলালে।"

জন দ্য উইটে গাড়ীচালকক নিৰ্দেশ দিলে, 'টল-হেকলৈ ব'লা।"

টল-হেক হ'ল বন্দৰৰ ফালে যোৱা ৰাজপথৰ ওপৰত থকা নগৰৰ এখন লৌহদ্বাৰ। বন্দৰতে তেওঁলোকৰ বাবে নাও এখনে অপেক্ষা কৰি আছে।

তীব্ৰ গতিৰে ঘোঁৰাগাড়ীখন আগ বাঢ়িল। ৰ'জাই আঁতৰি যাবলৈ ধৰা গাড়ীখনৰ ফালে চাই থাকিল। তাৰ পাছত তাই দুৰ্গৰ পিছফালৰ দুৱাৰখন বন্ধ কৰি দি ভিতৰলৈ সোমাই চাবিপাট কুঁৱা এটালৈ দলিয়াই দিলে।

বাহিৰত সেই গুণ্ডাবাহিনী ক্ৰমাৎ অতিষ্ঠ হৈ উঠিছে। দুৰ্গৰক্ষী গ্ৰাইফাছে সিহঁতক দুৰ্গৰ ভিতৰলৈ সুমুৱাবলৈ সাহস পোৱা নাই। সোমাবলৈ দিলেই সিহঁতে দ্য উইট ককাই-ভাই দুজনক যে হত্যা কৰিব সেই বিষয়ে কোনো সন্দেহ নাই আৰু তেনে ঘটনা সংঘটিত হ'লে তাৰ বাবে গ্ৰাইফাছৰ ওপৰতো যে কৰ্তব্যত অৱহেলাৰ অভিযোগ নাহিব, সেই কথা কোনে ডাঠি ক'ব?

ঠিক তেনেতে হতবুদ্ধি গ্ৰাইফাছক ৰ'জাই মাত লগোৱাত গ্ৰাইফাছে ক'লে, "শুনিছনে আইজনী, সেই মানুহবোৰে দুৱাৰখন ভাঙিয়েই পেলাব যেন দেখিছোঁ। পাছে ভাঙিলেও ভাঙক, মই সিহঁতক দুৱাৰ খুলি নিদিওঁ। তাৰ বাবে সিহঁতে হয়তো মোক হত্যাই কৰিব।"

"ৰ'বা দেউতা, ধৰিব পাৰিলেহে! ব'লা, আমি দুৰ্গৰ গুপ্ত কোঠাত লুকাই থাকোঁ। সেই কোঠাৰ অস্তিত্বৰ কথা সিহঁতে নাজানে। সিহঁত আঁতৰি গ'লে লুকাই থকা ঠাইৰপৰা আমি আকৌ ওলাই আহিম।"

"তই ঠিকেই কৈছ," জীয়েকৰ পৰামৰ্শ গ্ৰাইফাছৰ পছন্দ হ'ল। তেওঁ জীয়েকৰ বুদ্ধিৰ প্ৰশংসা নকৰি নোৱাৰিলে।

ৰ'জাই চিঞৰি ক'লে, "আহা দেউতা, সোনকাল কৰা।"

"পাছে আমাৰ বন্দী দুজনৰ কি হ'ব?"

"ভগৱানে তেওঁলোকক চাব। ব'লা আমি লুকাওঁ।"

গ্ৰাইফাছ জীয়েকৰ পিছে পিছে গুপ্ত কোঠালৈ সোমাই গ'ল। দুৱাৰখন বন্ধ

কৰিছেহে তেনেতে বাহিৰৰ প্ৰৱেশপথৰ দুৱাৰখন সিহঁতে ভাঙি পেলালে আৰু হুৰহুৰকৈ বিশাল জনতা দুৰ্গৰ ভিতৰলৈ সোমাই আহিল।

দুৰ্গৰ গুপ্ত কোঠাৰ কথা কোনেও নাজানে। তাত এতিয়া গ্ৰাইফাছ আৰু ৰ'জা নিৰাপদ।

জনতা যেন বিক্ষোভত ফাটি পৰিছে। সিহঁতৰ ক্ৰুদ্ধ গৰ্জনত আকাশ-বতাহ কঁপি উঠিছে। সিহঁতে সমস্বৰে চিঞৰিছে, "বিশ্বাসঘাতকৰ মৃত্যু হওক। কৰ্নেলিয়াছ দ্য উইটৰ মৃত্যু হওক। মৃত্যু! মৃত্যু!!"

চতুৰ্থ অধ্যায়

বাইজৰ দণ্ড

বুইটেনহফ দুৰ্গৰপৰা কিছু আঁতৰত এখন বন্ধ দোকানৰ আঁৰত, টুপীটোৱে চকু দুটা প্ৰায় ঢাক খুৱাই সেই ডেকাজন আৰু সামৰিক বিষয়াজনে দুৰ্গৰ জনতাৰ ফালে চাই আছে।

"তুমি ঠিকেই কৈছা, ভান ডেকেন, ঠিকেই কৈছা," ডেকাজনে সামৰিক বিষয়াজনলৈ চাই ক'লে, "নগৰ সমিতিৰ সহকাৰীসকলে যিখন আদেশপত্ৰত চহী কৰিলে সেইখন কৰ্নেলিয়াছ দ্য উইটৰ বাবে যেন মৃত্যু চমনেই আছিল। তুমি মন কৰিছানে? দ্য উইট ককাই-ভাই দুজনৰ প্ৰতি জনতাৰ কোভ লক্ষ্য কৰিছানে?"

"এৰা আপুনি ঠিকেই কৈছে। মই এনে চিঞৰ-বাখৰ শুনাই নাই।"

"মানুহবোৰ বোধকৰোঁ বন্দীশালৰ কোঠাত উপস্থিত হৈছেগৈ। চোৱা চোৱা, কৰ্নেলিয়াছক বন্দী কৰি থোৱা কোঠাটোৰ খিৰিকি সেইখনেই নহয়নে?"

ঠিক তেনেতে মানুহ এটা সেই কোঠাটোৰ খিৰিকিখনৰ লোৰ বাৰ দুভালত ধৰি চিঞৰি চিঞৰি ক'লে, "সি পলাল। সি পলাল।"

"পলাল? কেনেকৈ পলাল?" কোনোবাই চিঞৰি সুধিলে।

"পলাল, পলাল," মানুহটোৱে আকৌ ক'লে। "চৰাই উৰি গ'ল।"

ৰুমালেৰে মুখখন ঢাকি থকা ডেকাজনে সামৰিক বিষয়াজনক সুধিলে, "মানুহটোৱে কি কৈছে?"

"মালিক, সি যিটো কথা কৈছে সঁচা হ'লেই বৰ ভাল হয়।"

"ঠিকেই কৈছা, সঁচা হ'লে বৰ ভাল হয়," ডেকাই ক'লে, "কিন্তু দুৰ্ভাগ্যক্ৰমে কথাটো সঁচা নহয়।"

ঠিক তেনেতে দুৰ্গৰ দুৱাৰমুখত আকৌ চিঞৰ-বাখৰৰ শব্দ শুনা গ'ল, "পলাল, পলাল। সিহঁত দুয়োটাই পলাল। ব'লা আমি সিহঁতৰ পিছে পিছে খেদি গৈ সিহঁতক ধৰোঁগে।"

সামৰিক-বিষয়াজনে ডেকাজনক ক'লে, "মালিক, কৰ্নেলিয়াছ বোধকৰোঁ সঁচাকৈয়ে পলাল।"

"এৰা, বন্দীশালৰপৰা বোধহয় পলাল, কিন্তু নগৰৰপৰা পলাব পৰা নাই বোধকৰোঁ। তুমি চাই থাকা, ভান ডেকেন, সেই দুৰ্ভগীয়া বন্দীজনে নগৰৰ প্ৰবেশদ্বাৰখন বোধকৰোঁ বন্ধ ৰূপত পাব। তেওঁ নগৰৰপৰা বাহিৰলৈ হয়তো ওলাব নোৱাৰে।"

"মালিক, নগৰৰ দ্বাৰ বন্ধ কৰি ৰাখিবৰ বাবে আদেশ দিয়া হৈছে নেকি?"

"ওঁহোঁ। নাই দিয়া বোধ হয়। তেনে আদেশনো কোনে দিব?"

"হয় নেকি? তেনেহ'লে মহামান্য ডাঙৰীয়াইনো কেনেকৈ জানিলে..."

"দুৰ্ভাগ্যক্ৰমে বন্ধ থাকিবওতো পাৰে," ডেকাজনে ক'লে। উত্তৰটো শুনি ৰাজবিষয়াজন মনে মনে থাকিল।

ইতিমধ্যে জন দ্য উইট আৰু কৰ্নেলিয়াছে দ্য উইটক লৈ যোৱা ঘোঁৰাগাড়ীখনে দুৰ্গৰ পিছফালৰ ঠেক ৰাস্তাটোৰপৰা প্ৰধান ৰাজপথত উঠিছে। গাড়ীখন সেই পথেৰে তীব্ৰ বেগেৰে গৈ নগৰৰ প্ৰথম তোৰণ টল-হেকৰ ওচৰ পালেগৈ।

হঠাৎ গাড়ীখন বৈ গ'ল। গাড়ীৰ খিৰিকিৰে মূৰটো উলিয়াই জন দ্য উইটে চালকজনক সুধিলে, "গাড়ী কেলেই ৰখালা?"

চালকজনে ভীত-ত্ৰস্ত কম্পমানকণ্ঠে উত্তৰ দিলে, "মালিক, নগৰৰ তোৰণ বন্ধ।"

"তোৰণ বন্ধ?" জন দ্য উইট আচৰিত হ'ল।

"দিনৰ ভাগততো তোৰণ বন্ধ কৰাৰ কথা নাই!"

"চাওক মালিক, আপুনি নিজেই চাওক।"

জন দ্য উইটে খিৰিকিৰে মূৰ উলিয়াই চালে আৰু তাৰ পাছত ক'লে, "ব'লাচোন, আগুৱাই ব'লা, দ্বাৰৰক্ষীজনে আমাক হয়তো তোৰণ পাৰ কৰি দিব।"

গাড়ীখন আগ বাঢ়িল। দ্বাৰৰক্ষীক চিঞৰি গাড়ীচালকে ক'লে, "তোৰণখন খুলি দিয়া।"

"খুলিবলৈ কোবাটো সহজ," দ্বাৰৰক্ষীয়ে ক'লে, "চাবি নাথাকিলে মই কেনেকৈ খুলিম?"

"চাবি নাই? চাবি ক'লৈ গ'ল?"

"চাবি লৈ গৈছে।"

"লৈ গৈছে? কোনে লৈ গৈছে?" আসন্ন বিপদৰ মুখতো জন দ্য উইটৰ মুখত বিস্ময়ৰ সুৰ ফুটি উঠিল।

"লৈ গৈছে মানে যি নিব পাৰে। তেওঁ কৈছে কোনো যাতে নগৰৰ বাহিৰ হৈ যাব নোৱাৰে।"

"হেৰা মানুহটো," খিৰিকিৰে মূৰটো উলিয়াই জন দ্য উইটে দ্বাৰৰক্ষীক ক'লে, "এয়া মই, মোক চিনি পাইছাই বোধকৰোঁ, মই জন দ্য উইট আৰু এয়া মোৰ ভাই কৰ্নেলিয়াছ। এওঁক নিৰ্বাসনলৈ পঠাইছে—মই লৈ আহিছোঁ।"

"আস, মহান দ্য উইট ডাঙৰীয়া, মই আপোনাক বৰ দুখেৰে জনাব লগা হৈছে, তোৰণৰ চাবি মোৰ হাতত সঁচাকৈয়ে নাই, মোৰপৰা চাবিপাট লৈ গৈছে।"

"কেতিয়া নিলে!"

"আজি ৰাতিপুৱা।"

"কিন্তু নিলে কোনে?"

"কুৰি-বাইছ বছৰীয়া এজন খীণ যুৱকে।"

"কিন্তু তুমি তেওঁক চাবিপাট কিয় দিলা?"

"কাৰণ, তেওঁ চহী আৰু মোহৰ মৰা এটা ৰাজ আদেশ মোক দেখুৱালে।"

"কাৰ আদেশ?"

"নগৰ সমিতিৰ আদেশ।"

এই কথা শুনি কৰ্নেলিয়াছে মাত লগালে, "তেনেহ'লে আমাৰ দুৰ্ভাগ্য উপস্থিত!"

"তুমি বাৰু জানা নেকি—আনবোৰ নগৰদ্বাৰৰ ক্ষেত্ৰতো এনে সাৱধানতা অৱলম্বন কৰা হৈছে নেকি?"

"মই নাজানো মহামান্য ডাঙৰীয়া।"

জন দ্য উইটে গাড়ীচালকক নির্দেশ দিলে, "ব'লা, আমি আন নগৰদ্বাৰলৈ যাওঁ।"

নগৰৰ তোৰণ ৰক্ষকৰ লগত গাড়ীৰ খিৰিকিৰে মূৰ উলিয়াই জন দ্য উইটে কথা পাতি থাকোঁতে মদৰ বেপাৰী এজনৰ চকুৰে চকুৰে পৰিল। মানুহটোৱে জন দ্য উইটক চিনি পালে। সি ইতিমধ্যে তাৰ দোকানৰ দুৱাৰখন বন্ধ কৰি বুইটেনহফ দুৰ্গৰ ফাললৈ যাবলৈ ওলাইছিল। ঠিক তেনেতে গাড়ীৰ খিৰিকিৰ মুখত জন দ্য উইটক দেখি সি তাৰ আগে আগে দৌৰি যোৱা দুটা মানুহক তাৰ সন্দেহৰ কথা ক'লে।

জন দ্য উইটৰ গাড়ী ইতিমধ্যে আনখন তোৰণৰ ফালে আগ বাঢ়িছে। মদৰ বেপাৰীৰ লগত থকা দুই-তিনিটা মানুহৰপৰা ক্ৰমাৎ সংখ্যা বাঢ়ি আহিল। ঘোঁৰাগাড়ীখনে সেই মানুহবোৰৰ মনত সন্দেহৰ উদ্ৰেক কৰিলে। মানুহবোৰে ৰাজপথৰ ওপৰত থিয় হৈ গাড়ীখন ৰখাবলৈ নিৰ্দেশ দিলে।

গাড়ীখন চালকজনে নৰখালে। কিন্তু কিছু দূৰ আগ বঢ়াৰ পাছত জন দ্য উইটে দেখা পালে এদল বিশাল জনতা ৰাজপথৰ ওপৰত থিয় হৈ আছে।

"গাড়ী ৰখোৱা," জন দ্য উইটে ক'লে, "আৰু আগ বাঢ়িব পৰা নাযাব।"

"এয়া সিহঁত, সিহঁত এয়া," উইট ভ্ৰাতৃদ্বয়ক দেখি জনতাৰ মাজত উল্লাস ধ্বনি উঠিল।

"অঁ, অঁ, এয়া সিহঁত। দেশদ্ৰোহী, হত্যাকাৰীহঁত এয়া।"

গাড়ীখনৰ পিছফালৰপৰা আন দলটোৱে একেদৰে চিঞৰিলে।

হঠাৎ গাড়ীখন একেবাৰে ৰৈ গ'ল। আগফাল আৰু পিছফালৰপৰা মানুহবোৰে গাড়ীখন ঘেৰি ধৰিলে। কমাৰ এজনে হাতত লৈ থকা হাতুৰী এটাৰে ঘোঁৰা এটাৰ মূৰত জোৰেৰে মাৰ মাৰি দিলে, ঘোঁৰাটো লুটি খাই পৰিল।

এই সময়তে ওচৰৰ ঘৰ এটাৰ খিৰিকিখনৰ এপাট্টা মেল খালে। খিৰিকিখনত আমি আগতে কৈ অহা সেই ডেকাজনক দেখা গ'ল। তেওঁ বেছ আগ্ৰহেৰে সন্মুখৰ ৰাজপথৰ ঘটনাৰাজি লক্ষ্য কৰি আছে। তেওঁৰ পিছফালে সেই সামৰিক বিষয়াজন।

"ভগবানৰ শপত, মালিক, তাত সেয়া কি হৈছে?" প্ৰায় ফুচফুচাই বিষয়াজনে সুধিলে।

"নিশ্চয় ভয়ানক কিবা এটাই ঘটিছে," ডেকাই ক'লে।

"আপুনি দেখিছেনে, মালিক, সিহঁতে জন দ্য উইটক গাড়ীৰপৰা উলিয়াই আনিছে, সিহঁতে তেওঁক মাৰিছেও দেখোন—তেওঁৰ কাপোৰ-কানিবোৰ ফাটি গৈছে।"

"এৰা, এই মানুহবোৰ দেখিছোঁ ভীষণ হিংসামত্ত হৈ উঠিছে," নিকম্প্ৰাপকণ্ঠে ডেকাই ক'লে।

"চাওক চাওক মালিক, সিহঁতে কৰ্নেলিয়াছ দ্য উইটকো গাড়ীৰপৰা উলিয়াই আনিছে।"

"হয় হয়, সেয়া কৰ্নেলিয়াছ দ্য উইটেই হয়, কোনো সন্দেহ নাই।"

সামৰিক বিষয়াজনে হঠাৎ ভয়ত কণ্ঠেৰে চিঞৰ এটা মাৰি চকু দুটা সিফালৰপৰা আঁতৰাই আনিলে। তেওঁ দেখিলে, কৰ্নেলিয়াছৰ মূৰত মানুহ এটাই লোহাৰ দাণ্ডা এডালেৰে প্ৰচণ্ড জোৰেৰে আঘাত কৰিলে। মানুহটো এবাৰ উঠিব খুজি আকৌ পৰি গ'ল। কিছুমান মানুহে কৰ্নেলিয়াছৰ ভৰি দুখনত ধৰি ৰাজপথেৰে চোঁচোৰাই নিলে। তেজৰ সোঁত এটা বৈ গ'ল।

সামৰিক বিষয়াজনে ডেকাজনক ক'লে, "চাওক, চাওক, মালিক, সিহঁতে জন দ্য উইটকো হত্যা কৰিব খুজিছে।"

"এৰা, এই মানুহবোৰ বৰ নিৰ্দয় আৰু নিষ্ঠুৰ। সিহঁতৰ শত্ৰুতা কৰি কোনো লাভ নহয়," ডেকাজনে ক'লে।

"মালিক, মালিক," সামৰিক বিষয়াজনে অনুনয়ৰ সুৰত ক'লে, "আপোনাৰ শিক্ষক এই দুৰ্ভগীয়া মানুহজনক কোনোবাই বাৰু ৰক্ষা কৰিব নোৱাৰেনে? মানুহজনৰ জীৱনটো ৰক্ষা কৰিবৰ বাবে আন একো উপায় নাইনে বাৰু, মালিক?"

ডেকাজনে অৰ্থাৎ অৰেঞ্জবংশীয় উইলিয়ামে তেওঁৰ চেলাউৰিবোৰ থুপ খুৱাই চকু দুটা প্ৰায় মুদি ক'লে, "কেপ্টেইন ভান ডেকেন, মই তোমাক মোৰ সৈন্যবাহিনীৰ খবৰ এটা ল'বলৈ অনুৰোধ কৰিছোঁ, তেওঁলোক যাতে প্ৰয়োজনৰ সময়ত অস্ত্ৰ-শস্ত্ৰেৰে সজ্জিত হৈ থাকে।"

"কিন্তু আপোনাক এই হত্যাকাৰীহঁতৰ মাজত অকলে এৰি থৈ যোৱা উচিত হ'ব জানো?"

"মোৰ বাবে চিন্তা নকৰিবা, তুমি যোৱা," উইলিয়ামে কিছু কঠিন সুৰেৰে উত্তৰ দিলে।

সামৰিক বিষয়াজন যোৱাৰ অকণমান পাছতে মাটিত পৰি থকাৰপৰা অতিমানবীয় শক্তিৰে জন দ্য উইট ৰাজপথৰপৰা ওচৰৰ ঘৰটোৰ পকা খটখটিখনৰ ফালে বগুৱা বাই আগ বাঢ়িল। সেইখিনিতেই তেওঁৰ শিষ্য উইলিয়াম দোকান এখনৰ আঁৰত লুকাই আছিল। গুণ্ডাবাহিনীৰ উপৰ্য্যুপৰি আঘাত আওকাণ কৰি জন দ্য উইটে চিঞৰি চিঞৰি কৈ আছিল, "মোৰ ভাইটো কেনি গ'ল? কেনি গ'ল মোৰ ভাইটো?"

গুণ্ডা এটাই তেনে অৱস্থাতে কোব এটা মাৰিলে, জন দ্য উইটৰ মূৰৰ টুপীটো উফৰি গ'ল। আন এটাই তাৰ তেজেৰে ৰাঙলী হৈ থকা হাতখন জনক দেখুৱালে। সিহঁতে কৰ্নেলিয়াছৰ মৃতদেহটো ফাঁচিশালত ওলমাই দিছিল।

এই দৃশ্য দেখি অপৰিসীম দুখ আৰু কষ্টত জন দ্য উইটে চিঞৰি উঠিল আৰু এখন হাতেৰে চকু দুটা ঢাকি ধৰিলে।

"অ', তই চকু বন্ধ কৰিছ নহয়নে," এটা গুণ্ডাই ক'লে, "ৰ'বি, মই তোৰ চকু মুকলি কৰি দিম।"

এইবুলি কৈ মানুহটোৱে তাৰ হাতৰ চোকা অস্ত্ৰেৰে জনৰ মূৰত প্ৰচণ্ড জোৰেৰে কোব মাৰি দিলে—জনৰ মূৰৰপৰা ফিচকাৰীৰপৰা ওলোৱাৰ দৰে তেজ ওলাই আহিল।

"আস্, মোৰ মৰমৰ ভাইটো, মোৰ মৰমৰ ভাইটো," তেজেৰে তুম্‌ৰলি হোৱা মুখখনেৰে জনে আকৌ চিঞৰি উঠিল। "অস্ মোৰ মৰমৰ ভাই..."

"যা, তয়ো তোৰ ভায়েৰৰ লগলৈ যা," এইবুলি এটা গুণ্ডাই জনক ৰিভলভাৰেৰে গুলীয়াই দিলে। জন দ্য উইটে তেনে অৱস্থাতো ৰাজপথত পৰি থকাৰপৰা উঠিব খুজিছিল, কিন্তু আৰু নোৱাৰিলে।

দানৱীয় উল্লাসত হাজাৰ হাজাৰ নৰপশুৱে কিৰিলি পাৰি উঠিল। জন দ্য উইট আৰু কৰ্নেলিয়াছ দ্য উইটৰ দেহত সিহঁতে আঘাতৰ উপৰি আঘাত কৰিলে। দেহ দুটা টুকুৰাটুকুৰ কৰি সিহঁতে দেহৰ মাংস কাটি নিলে। তাৰ পাছত কংকাল দুটা টানি-আঁজুৰি বুইটেনহফ দুৰ্গৰ ফালে লৈ গ'ল। তাত দুৰ্গৰ সন্মুখত থকা ফাঁচিকাঠত দেহ দুটা ভৰি ওপৰলৈ কৰি ওলমাই দিলে।

এই ভয়াবহ দৃশ্য নিৰ্বিকাৰচিত্তে চাই চাই ৰুমালেৰে মুখ ঢাকি থকা সেই ডেকাজন লুকাই থকা ঠাইৰপৰা ওলাই ৰাজপথেৰে আগ বাঢ়িল আৰু টল-হেক তোৰণৰ সন্মুখত উপস্থিত হ'লগৈ। তোৰণখন তেতিয়াও বন্ধ হৈ আছে।

"আপুনি চাবিপাট আনিছে নেকি বাৰু?" দ্বাৰৰক্ষীজনে সুধিলে।

"অঁ, আনিছোঁ। এয়া লোৱা।"

"ইস্। আপুনি আধা ঘণ্টামান আগতে চাবিপাট অনাহেঁতেন..." হুমুনিয়াহ এটা কাঢ়ি দ্বাৰৰক্ষীয়ে ক'লে।

"অনা হ'লে কি হ'লহেঁতেন?"

"অনা হ'লে মই জন দ্য উইট ডাঙৰীয়াক তোৰণখন খুলি দিব পাৰিলোহেঁতেন। তোৰণখন বন্ধ থকাৰ বাবে তেখেতসকল ঘূৰি যাব লগা হ'ল।"

"তোৰণ খোলা, তোৰণ খোলা," মানুহ এটাই চিএৰি দ্বাৰৰক্ষীক ক'লে।

"অ' কেপ্টেইন দেখোন," ডেকাজনে ঘূৰি চাই ক'লে, "তুমি দেখোন হেগলে যোৱাই নাই। ইয়াৰদ্বাৰা মোৰ আদেশ অমান্য কৰা হোৱা নাইনে?"

"নহয় মালিক, মই যাওঁ কেনেকৈ? সকলোবোৰ তোৰণেই বন্ধ। এইখন তৃতীয়খন বন্ধ তোৰণ।"

"ৰ'বা; এই মানুহজনে তোমাক তোৰণখন খুলি দিব। হেৰা মানুহটো, তোৰণখন খুলি দিয়া।"

কেপ্টেইন ভান ডেকেনে এই ডেকাজনক কৰা সম্বোধন আৰু ব্যৱহাৰ দেখি দ্বাৰৰক্ষীজন কিছু বিবুদ্ধি হ'ল। মানুহটোৱে লৰালৰিকৈ তোৰণখন খুলি দিলে।

"মালিক, আপুনি যাবৰ বাবে মই মোৰ ঘোঁৰাটো থৈ যাম নেকি?" কেপ্টেইনে সুধিলে।

"নাই, নালাগে, কেপ্টেইন, মই মোৰ ঘোঁৰাতে যাম। ঘোঁৰাটো ওচৰতে আছে।"

এইবুলি কৈ উইলিয়ামে জেপৰপৰা সোণালী বৰণৰ সুহুৰি এটা উলিয়াই বজাই দিয়াত ঘোঁৰা এটা লৈ মানুহ এটা হাজিৰ হ'লহি। তেওঁ কাকো একো নোকোৱাকৈ ঘোঁৰাত জাঁপ মাৰি উঠি আগ বাঢ়িল। কেপ্টেইন পিছে পিছে গ'ল।

অলপ দূৰ যোৱাৰ পাছত উইলিয়ামে মাত লগালে, "তুমি গম পালানে, কেপ্টেইন, সেই উদণ্ড মানুহবোৰে জন দ্য উইট আৰু ভায়েক—দুয়োকে হত্যা কৰিলে?"

"এৰা, বৰ দুখজনক ঘটনা," কেপ্টেইনে শলাগিলে।

কেপ্টেইনে উইলিয়ামক অভিবাদন কৰি উইলিয়ামৰ পিছে পিছে কিছু দূৰত্ব বজাই গৈ থাকিল। কিছু দূৰ যোৱাৰ পাছত উইলিয়ামে কেপ্টেইনক ওচৰলৈ মাতি আনি ক'লে, "ৰজা চতুৰ্দশ লুয়ে তেওঁৰ বন্ধু দ্য উইটহঁতৰ এনে কৰুণ পৰিণতিৰ কথা শুনি কেনেকুৱা কৰিলেহেঁতেন মোৰ চাবলৈ বৰ মন যায়।"

পঞ্চম অধ্যায়

টিউলিপপ্ৰেমী আৰু তেওঁৰ প্ৰতিবেশী

হেগৰ গুণ্ডাবাহিনীয়ে যেতিয়া উইট ককাই-ভাইহালৰ দেহ দুটা ছিন্ন-ভিন্ন কৰিছে; আৰু যেতিয়া অৰেঞ্জবংশীয় উইলিয়ামে তেওঁৰ চিৰপ্ৰতিদ্বন্দ্বী উইট ভ্ৰাতৃদ্বয়ৰ মৃত্যু হ'ল বুলি নিশ্চিত হৈ লিডেনৰ ৰাজপথত ঘোঁৰা চেঁকুৰাই কেপ্টেইন ভান ডেকেনৰ লগত আহি আছে, ঠিক তেনে সময়তে জন দ্য উইটৰ বিশ্বাসী লগুৱা ক্ৰেইক ডৰ্ট চহৰৰ উদ্দেশ্যে ঘোঁৰাত উঠি আগ বাঢ়িছে। বুইটেনহফ এৰি অহাৰ পাছত তাতনো এতিয়া কি হৈছে সেই কথাই ত্ৰাক কিছু উৎকণ্ঠিত কৰি ৰাখিছে।

নগৰৰ সীমা পাৰ হৈ কিছুদূৰ অহাৰ পাছত ক্ৰেইকে কাৰো সন্দেহ নহ'বৰ বাবে আস্তাবল এটাত ঘোঁৰাটো বান্ধি থৈ জলপথেৰে ডৰ্ট চহৰৰ উদ্দেশ্যে আগ বাঢ়িল। কাৰো চকুত নপৰাকৈ ক্ৰেইকে কৰ্নেলিয়াছ দ্য উইটৰ ধৰ্মপুত্ৰ ডক্টৰ ভান বেয়াৰ্লৰ বিশাল প্ৰাসাদটোত আহি উপস্থিত হ'ল।

ডক্টৰ ভান বেয়াৰ্লৰ জীৱন সুখেৰেই অতিবাহিত হৈছে। দেউতাকে বেপাৰ-বাণিজ্য কৰি তিনি-চাৰি লাখ গিল্ডাৰ জমা কৰি গৈছে। কৰ্নেলিয়াছ ভান বেয়াৰ্ল আছিল দেউতাকৰ একমাত্ৰ পুত্ৰ। দেউতাক ভান বেয়াৰ্লে পুতেকৰ বাবে থৈ যোৱা তিনি-চাৰি লাখ গিল্ডাৰ কৰ্নেলিয়াছৰ বাবে হাত-খৰচহে। কাৰণ জমিদাৰীৰপৰাও কৰ্নেলিয়াছে বছৰি দহ হাজাৰ গিল্ডাৰ আয় কৰে।

পত্নীৰ মৃত্যুৰ তিনিমাহৰ পাছত দেউতাক ভান বেয়াৰ্ল ৰোগশয্যাত পৰিল। পুত্ৰ কৰ্নেলিয়াছক মাতি আনি ভান বেয়াৰ্লে ক'লে, "জীৱনটো কি তই বাৰু বুজি পাইছনে? পুৰাৰপৰা গধূলিলৈকে গেবাৰি খাটি কাম কৰাটোক জীয়াই থকা নোবোলে। ভোগ কৰ, ভোগ কৰ, খাই-বৈ স্ফূৰ্তি কৰি তোৰ টকা-পইচাখিনি খৰচ কৰ। এদিনতো মৰিবই লাগিব—তেতিয়ালৈকে যদি তই কোনো সন্তানৰ পিতৃ নহৱ তইতো মোৰ নাম নুমাবি—মোৰ গিল্ডাৰখিনিও পানীত পৰিব। সেয়ে যি কৰিবৰ মন যায় তাকে কৰিবি। টকা-পইচা আছে, খৰচ কৰ, ভোগ কৰ।"

এনে ধৰণৰ কিছুমান উপদেশ দিয়াৰ পাছত দেউতাক ভান বেয়াৰ্লৰ এদিন মৃত্যু হ'ল। মৰণৰ সময়ত বাপেকে এইটো দুখ লৈয়ে গ'ল যে পুতেক সাংসাৰিক মায়া-মোহৰ প্ৰতি, টকা-পইচাৰ প্ৰতি সম্পূৰ্ণ উদাসীন।

বাপেক-মাকৰ মৃত্যুৰ পাছত এই প্ৰকাণ্ড ঘৰটোত কৰ্নেলিয়াছ ভাৰ্ন বেয়াৰ্ল এতিয়া অকলশৰীয়া। এতিয়া আৰু ডেকা কৰ্নেলিয়াছৰ মূৰৰ ওপৰত কোনো নাই। তেওঁৰ এতিয়া কোনো বন্ধনো নাই। কৰ্নেলিয়াছৰ কোনো বন্ধু-বান্ধৱো নাই। কেনেকৈনো থাকিব? যাৰ বিলাসিতা নাই, বদ খেয়াল নাই, কিহৰ লোভতনো তেওঁৰ ওচৰলৈ বন্ধু আহিব?

কৰ্নেলিয়াছে তেতিয়া ফুলৰ খেঁতিত মনোনিবেশ কৰিলে। তেওঁ হলেণ্ডৰ গছ-গছনি, উদ্ভিদ, পতংগ আদিৰ বিষয়ে অধ্যয়ন আৰম্ভ কৰিলে আৰু সেইবিলাকৰ বিষয়ে লেখা-মেলাও কৰিলে। সেই সময়ত হলেণ্ডত ফুল খেতি কৰাটো আভিজাত্যৰ লক্ষণৰূপে বিবেচিত হৈছিল। বিশেষকৈ টিউলিপ ফুলৰ খেতি। ফুল সম্পৰ্কে যিমানবোৰ কিতাপ-পত্ৰ লিখা হৈছে সেই সকলোবোৰ বেয়াৰ্লে পঢ়িলে। অভিজ্ঞ মালীসকলৰ লগত কথা-বতৰা পাতি টিউলিপ ফুলৰ খেতি সম্পৰ্কে যিমানবোৰ জানিব লগা কথা আছে সকলোবোৰ জানি ল'লে। তাৰ পাছত তেওঁ হাতে-কামে নিজৰ ঘৰৰ ফুলনিত টিউলিপ ফুলৰ খেতি আৰম্ভ কৰিলে।

এই টিউলিপ ফুলৰ আদি বাসস্থান আছিল প্ৰাচ্যদেশ। ইয়াত পিঁয়াজৰ দৰে কন্দ থাকে। মাটিত পচোৱাৰ পাছত তাৰপৰা কমপক্ষেও তিনিটামান কোঁহ ওলায়। ডৰ্ট চহৰত বেয়াৰ্লহঁতৰ ঘৰটো যথেষ্ট ডাঙৰ। ঘৰটোৰ চাৰিওফালে আগৰপৰাই দেৱালেৰে ঘেৰা আছিল। বেয়াৰ্লে ফুলনিখনৰ কিছু অংশ—যি ঠাইত ৰ'দ-বতাহ বেছি, তাত ছয় ইঞ্চি ওখ পকা গাঁথনিৰে প্ৰথমে ঘেৰি ল'লে। তাৰ পাছত সেই ঘেৰা অংশটোৰ পুৰণি মাটি খান্দি নৈৰ পলসুৱা মাটিৰে সেই অংশ ভৰাই ল'লে। তাৰ লগতে মিলাই দিলে কীটনাশক আৰু ৰাসায়নিক সাৰ।

ইয়াতে বছা বছা বিচিত্ৰ বৰ্ণৰ টিউলিপ ফুলৰ কন্দ বা পিঁয়াজ আনি বেয়াৰ্লে কৰলৈ ধৰিলে। যথাসময়ত ধুনীয়া ধুনীয়া ফুলো ফুলিল। কেৱল ধুনীয়াই নহয়, অসাধাৰণো। কিছু দিনৰ ভিতৰতে ডৰ্ট চহৰৰপৰা মন চহৰলৈকে সকলোৱেই ভান বেয়াৰ্লৰ টিউলিপ ফুলৰ গুণ-গান কৰিবলৈ ধৰিলে। টিউলিপপ্ৰেমীসকলে তেওঁৰ ফুলনি আৰু গুটি পচোৱা, সংৰক্ষণ কৰা, আপডাল কৰা আদি সকলো কাম-কাজ চাবলৈ হেতা-ওপৰা লগালে। দেশ-বিদেশত বেয়াৰ্লৰ টিউলিপৰ নাম বিয়পি পৰিল। বেয়াৰ্লে তিনি ধৰণৰ নতুন টিউলিপৰ সৃষ্টি কৰি সিহঁতৰ নামকৰণ কৰিলে—জেন, ভান বেয়াৰ্ল আৰু কৰ্নেলিয়াছ। ইয়াৰে প্ৰথমটো 'জেন' আছিল মাকৰ নামেৰে, দ্বিতীয়টো দেউতাকৰ নামেৰে আৰু তৃতীয়টো তেওঁৰ ধৰ্মপিতৃৰ নামেৰে নামকৰণ কৰিলে।

ভান বেয়ার্লে টিউলিপ ফুলৰ খেতিত মনোনিবেশ কৰাৰ সময়তে ডৰ্ট চহৰত বেয়ার্লৰ ঘৰৰ ঠিক কাষতে এজন ব্যক্তিয়ে বাস কৰিছিল—তেওঁৰ নাম আছিল আইজাক বক্সটেল। তেওঁৰ ঘৰটো সিমান ডাঙৰ নহয় আৰু তেওঁৰ ফুলনিখনো সৰু। বক্সটেল বেয়ার্লৰ সমান ধনী নহয়। কিন্তু টিউলিপ খেতি কৰাৰ চখ বক্সটেলৰো আছে। বক্সটেলে ভালেদিন ধৰি টিউলিপ ফুলৰ খেতিত আত্মনিয়োগ কৰি আহিছে। তেওঁৰ ফুলনিতো ধুনীয়া ধুনীয়া টিউলিপ ফুলাবলৈ সমর্থ হৈছে। জনসাধাৰণৰ মাজত তেওঁৰ টিউলিপ ফুলৰ সমাদৰো আছে। তেওঁৰ ফুলনিত ফুলা টিউলিপ চাবলৈ ভালেমান টিউলিপপ্ৰেমীও আহে। তেওঁ আবিষ্কাৰ কৰা এজাত টিউলিপে—বক্সটেল টিউলিপ নামেৰে আন্তৰ্জাতিক খ্যাতিও লাভ কৰিছে।

কৰ্নেলিয়াছ ভান বেয়ার্লে টিউলিপ ফুলৰ খেতি কৰিবলৈ গৈ ডৰ্টৰ তেওঁৰ ঘৰটোৰ কিছু সালসলনি কৰিলে। বেয়ার্লে নিজৰ ঘৰৰ ফুলনিখনৰ কিছু অংশত এটা ঘৰৰ ওপৰত আৰু এটা মহলা সাজি ল'লে। এই কথাটোৱে বক্সটেলৰ বাণিচাত ৰ'দ পৰাত যথেষ্ট বাধা দিলে। আগৰ দৰে মুক্তভাৱে বতাহো নহা হ'ল।

ভান বেয়ার্লৰ এনে কাৰ্য্যত প্ৰতিবেশী বক্সটেলৰ মনত বিশেষ প্ৰতিক্ৰিয়াৰ সৃষ্টি নহ'ল। তেওঁ জানে, ভান বেয়ার্ল এজন চিত্ৰকৰ, তেওঁ প্ৰাকৃতিক দৃশ্য কেনভাছত অংকন কৰে। চিত্ৰকৰজনে পোহৰ আহিব পৰাকৈ তেওঁৰ ষ্টুডিঅ'টো নিশ্চয় ওখ কৰি লৈছে মাথোন। সেইটো কৰাৰ তেওঁৰ অধিকাৰ আছে।

তাৰ উপৰি, বক্সটেলে জানে যে সূৰ্য্যৰ প্ৰখৰ উত্তাপ টিউলিপৰ বাবে ক্ষতিকৰ; সেই কাৰণে এইদৰে ছাঁ পৰাটোৱে তেওঁৰ টিউলিপ ফুলবোৰ ভালকৈ ফুলাত সহায়হে কৰিব আৰু ফুলৰ ৰঙো ভাল কৰিব। সেইবাবে কোঠাটো ওখকৈ সজা বাবে বক্সটেল বেয়ার্লৰ প্ৰতি কৃতজ্ঞহে হ'ল।

কিন্তু দুৰ্ভাগ্যক্ৰমে বেয়ার্লৰ ঘৰৰ ওপৰ মহলাৰ খিৰিকিখনেদি বক্সটেলে এদিন দেখা পালে সেই কোঠাটোত টিউলিপ ফুলৰ কন্দ, টিউলিপ ফুলৰ বিভিন্ন কলি আৰু ভালেমান টাবত টিউলিপ ফুলৰ অজস্ৰ গজালি। ঘৰটোৰ ওপৰ মহলাৰ সেই কোঠাটোত পোহৰ-বতাহ ভালদৰে আহে। কোঠাটোৰ আলমাৰিত টিউলিপ ফুলৰ ভালেমান কন্দ আৰু গজালি প্ৰত্যেকটোতে লেবেল মাৰি আলমাৰিত সযত্নে থোৱা আছে।

বেয়ার্লৰ কোঠাটোৰ যন্ত্ৰপাতি আৰু টিউলিপ ফুলৰ কন্দ আৰু গজালিবোৰ দেখি বক্সটেল আচৰিত হ'ল। টিউলিপৰ নিচাত বেয়ার্ল মত্ত হৈ আছে, এই কথা জানি বক্সটেল অসম্ভৱ কৌতূহলী হৈ উঠিল। বেয়ার্লে টিউলিপৰ খেতিত কেনেদৰে আগ বাঢ়িছে—এই কথা জানিবই লাগিব। বেয়ার্ল আৰু বক্সটেলৰ ঘৰৰ মাজত এখন

দেবাল। দেবালৰ সিফালেই বেয়াৰ্লৰ ফুলনি। সেইদিনা গধূলি বক্সটেলে জখলা এডাল আনি দেবালৰ ওপৰলৈ উঠিল আৰু প্ৰতিবেশীৰ ফুলনিখন চাবলৈ ধৰিলে। ফুলনিৰ ঠিক কোনখিনিত টিউলিপ ফুলৰ খেতি কৰা হৈছে বক্সটেলে এক নজৰতে বুজি পালে। পূৰ্বে সেই ঠাইত কিছুমান অদৰকাৰী গছ-গছনি আছিল, সেইবোৰ উঠাই টিউলিপ খেতিৰ বাবে মাটি প্ৰস্তুত কৰা হৈছে। সেই ঠাইৰ পুৰণি মাটিবোৰ খান্দি আঁতৰাই বিশেষভাৱে প্ৰস্তুত কৰা মাটিৰে সেই অংশ পূৰাই লোৱা হৈছে। সেই বিশেষ মাটি প্ৰস্তুত কৰা হৈছে নৈৰ পলসুৱা মাটিত কীটনাশক দ্ৰব্য মিশ্ৰিত কৰি। বক্সটেলে দেখিয়েই বুজি পালে সেই ঠাইৰ মাটিৰ চেহেৰাই বেলেগ। তাৰ উপৰি দুপৰীয়া সূৰ্য্যৰ প্ৰচণ্ড উত্তাপৰপৰা ৰক্ষা পাবলৈ ছাঁৰ ব্যৱস্থা, পানী যোগানৰ সু-ব্যৱস্থা আৰু নানা বৈজ্ঞানিক যন্ত্ৰপাতিৰে বেয়াৰ্লৰ ফুলনি সু-সজ্জিত। এইবোৰ দেখি-শুনি বক্সটেলে বুজি পালে যে ভান বেয়াৰ্ল সঁচাকৈয়ে এজন প্ৰকৃত টিউলিপ খেতিয়ক।

বক্সটেলৰ বুজাত অসুবিধা নহ'ল যে এই ডেকাজনে তেওঁৰ সমস্ত অৰ্থ, তেওঁৰ সমগ্ৰ জ্ঞান-বুদ্ধি টিউলিপ ফুলৰ খেতিতে বিনিয়োগ কৰিছে। টিউলিপ ফুল ফুলোৱাৰ ক্ষেত্ৰত এই প্ৰতিবেশী যে এদিন জাকতজিলিকা হৈ পৰিব এই কথাত তেওঁৰ বিন্দুমাত্ৰ সন্দেহ নাথাকিল। এই কথা ভাবি তেওঁ মনতে ইমান দুখ পালে যে জখলাত ধৰি থকা তেওঁৰ হাত-ভৰি কঁপিবলৈ ধৰিলে আৰু ভাবসাম্য ৰাখিব নোৱাৰি তেওঁ জখলাৰপৰা সৰি পৰিল।

এতিয়াহে বক্সটেলে বুজি পালে যে বেয়াৰ্লে কোনো প্ৰাকৃতিক দৃশ্যৰ ছবি আঁকা নাই, টিউলিপৰ খেতিহে কৰিছে। তেওঁ ৰ'দ আৰু বতাহ চলাচল কৰা সেই কোঠাটোত টিউলিপৰ কন্দ আৰু গজালিবোৰ সংৰক্ষণ কৰি ৰাখিছে। বক্সটেলে বুজি পালে তেওঁৰ প্ৰতিবেশী তেওঁৰ বাবে এজন ঘোৰ প্ৰতিদ্বন্দ্বী; আৰু এই অখ্যাত টিউলিপ ফুলৰ খেতিয়কজনেই কৰ্নেলিয়াছ দ্য উইটৰ ধৰ্মপুত্ৰ, এজন যশস্বী ব্যক্তি।

খং আৰু ঈৰ্ষাত বক্সটেল জ্বলি-পকি উঠিল। নিজৰ দুৰ্ভাগ্যৰ কথা ভাবি তেওঁ হিংসাত যেন পাগল হৈ পৰিল। বেয়াৰ্লৰ টিউলিপ ফুলৰ খেতি দেখাৰ পাছত সেই ৰাতি তেওঁ ভালদৰে শুবই নোৱাৰিলে।

ষষ্ঠ অধ্যায়

টিউলিপপ্ৰেমীৰ ঘৃণা

সেইদিনাৰপৰা প্ৰতিৱেশীৰ ক্ৰিয়া-কাণ্ডৰপৰা বক্সটেলে অন্তৰত যি আঘাত পালে তাক প্ৰকাশ কৰিবলৈ ভাষা নাই। আনহাতে, ভান বেয়াৰ্লে তেওঁৰ নিজস্ব উদ্ভাৱনা শক্তিৰে নিজৰ ফুলনিত উৎকৃষ্ট টিউলিপ ফুলাবলৈ সক্ষম হ'ল। সাৰুৱা মাটি আৰু উপযোগী অনুকূল পৰিৱেশৰ বাবে বিখ্যাত হাৰ্লেম আৰু লিডেন চহৰৰ মানুহতকৈও ভান বেয়াৰ্লে ৰং আৰু আকাৰত চমৎকাৰ ফুল কেনেকৈ ফুলাব লাগে সেই কথা বঢ়িয়াকৈ প্ৰমাণ কৰি দিলে। ফলত ভান বেয়াৰ্লৰ টিউলিপ ফুলৰ কথা সকলোৰে মুখে মুখে বিয়পি পৰিল। বক্সটেলৰ টিউলিপৰ কথা মানুহে পাহৰিয়েই গ'ল। টিউলিপ ফুলৰ খেতিয়কৰূপে হলেগুত বক্সটেলৰ নামেই নোহোৱা হ'ল, বেয়াৰ্লৰ নামেই জয়জয়কাৰ হৈ পৰিল। সমগ্ৰ ইউৰোপতে টিউলিপ ফুলৰ খেতিয়কৰূপে ভান বেয়াৰ্লৰ নাম বিয়পি পৰিল। উৎকৃষ্ট টিউলিপ ফুলৰ সৃষ্টিকৰ্তাৰূপে ভান বেয়াৰ্লে দুবছৰৰ ভিতৰতে প্ৰতিষ্ঠা লাভ কৰিলে।

বেয়াৰ্লে যেতিয়া নিজৰ ফুলনিত টিউলিপ ফুলৰ খেতিত ব্যস্ত থাকে, বিভিন্ন ৰঙৰ টিউলিপ ফুল উদ্ভাৱনত মগ্ন হৈ থাকে, বক্সটেলে তেতিয়া দেৱালৰ কাষত নিজৰ ঘৰৰ ফালে থকা ছিকাম'ৰ গছৰ সৰু পুলি এটাৰ আঁৰ লৈ জখলাত উঠি বেয়াৰ্লৰ প্ৰতিটো গতি-বিধি লক্ষ্য কৰি থাকে। বেয়াৰ্লৰ ফুলৰ খেতি দেখি তেওঁ ক্ৰমে ঈৰ্ষান্বিত হৈ উঠে।

মানুহৰ অন্তৰত যেতিয়া অসৎ চিন্তাই বাহ লয় সেই অসৎ চিন্তাই মানুহটোক সদায়েই বিব্ৰত কৰি ৰাখে। বক্সটেলৰ ক্ষেত্ৰতো সেয়ে হ'ল। হিংসাত জ্বলি-পুৰি বক্সটেলে সৎ-অসৎ বিবেচনা একেবাৰে বিসৰ্জন দিলে। তেওঁ এদিন এটা দূৰবীন কিনি আনিলে। এতিয়া দূৰবীনেৰে তেওঁ প্ৰতিৱেশীৰ সকলোবোৰ কাৰ্য্য-কলাপ একেবাৰে কট্‌কটীয়াকৈ দেখা পালে। তেওঁ দেখিলে এদিন বেয়াৰ্লে টিউলিপৰ পিঁয়াজবোৰ ৰুইছে; এদিন সেই পিঁয়াজবোৰৰপৰা গজালি ওলাল। কিছুদিনৰ পাছত সেই গজালিবোৰৰপৰা সবল-সতেজ একোডাল কৌঁহ ওলাল। এদিন সেই কৌঁহ গছত পৰিণত হ'ল। এনেদৰে এদিন যেতিয়া ভান বেয়াৰ্লৰ ফুলনিত ৰং-বিৰঙৰ টিউলিপবোৰ ফুলি উঠিল তাকে দেখি বক্সটেলৰ হিয়াখন হিংসাত ছাটি-ফুটি কৰি উঠিল।

ফুলবোৰৰ ৰং আচৰিত ধৰণৰ—সিহঁত বৰ বিচিত্ৰ। আকাৰো যথেষ্ট ডাঙৰ। ফুলবোৰ দেখি বক্সটেল মুগ্ধ নহৈও নোৱাৰিলে। বক্সটেলৰ টিউলিপেও নানা ঠাইত সুখ্যাতি লাভ কৰিছে, কিন্তু বেয়াৰ্লৰ টিউলিপ দেখি বক্সটেলে স্বীকাৰ কৰিবলৈ বাধ্য হ'ল বেয়াৰ্লৰ ফুলৰ তুলনাত তেওঁৰ ফুল প্ৰকৃততে তুচ্ছ আৰু নগণ্য।

ভান বেয়াৰ্লৰ টিউলিপবোৰ দেখি তেওঁ হিংসাত এনেদৰে জ্বলি-পুৰি উঠিল যে তেওঁৰ ইচ্ছা গ'ল বাতিৰ আন্ধাৰত দেৱালখন পাৰ হৈ নিজ হাতেৰে যেন টিউলিপ ফুলবোৰ মোহাৰি-মুচৰি থৈ আহিব। কিন্তু তেনে কাম কৰিবলৈ তেওঁৰ সাহস নহ'ল, কাৰণ প্ৰকৃত টিউলিপপ্ৰেমীৰ বাবে এনে কাৰ্য্য এক ভয়ংকৰ অপৰাধ। তাৰ উপৰি বক্সটেলে ভান বেয়াৰ্লৰ ফুলনিখন ধ্বংস কৰিবলৈ সাহস নকৰিলে এই বাবেই যে তেনে কৰিলে তেওঁ ধৰা পৰিবই। ধৰা পৰিলে তেওঁতো আইনৰ শাস্তি পাবই, তাৰ উপৰিও টিউলিপপ্ৰেমীসকলৰ আগতো তেওঁ মুখ উলিয়াব নোৱাৰিব। নাই নাই, তেনেদৰে আগ বাঢ়িব পৰা নহ'ব। তেওঁ ভাবিলে, বেলেগ কিবা পৰিকল্পনা কৰিব লাগিব। কামটো কৰিব লাগিব কৌশলেৰে। ভাবি-চিন্তি তেওঁ এটা ফন্দী উলিয়ালে।

এদিন ৰাতি ঘৰৰে জুটা ডাঙৰ মেকুৰী ঠেং দুখনত জোঁটাশলীয়াকৈ ছফুটমান দীঘল এডাল ৰছীৰে বান্ধি বক্সটেলে দেৱালখনৰ ওপৰলৈ উঠাই আনি বেয়াৰ্লৰ ফুলনিৰ টিউলিপ ফুলখিনিৰ মাজলৈ দলিয়াই দিলে। মেকুৰী দুটাই মাটিত জাঁপিয়াই পৰিয়েই বিপৰীত ফালে দৌৰিবলৈ ধৰিলে। মেকুৰী দুটাই দুফালে টানিছে, কোনো এটাই আগ বাঢ়িব পৰা নাই। ফুলনিখনৰ কোমল মাটি মেকুৰী দুটাৰ গচকত পৰি তেনেই নেকানেফ হ'ল। ক'ৰবাত ওখ হ'ল, ক'ৰবাত গাঁত হ'ল। আৰু ফুলি থকা টিউলিপ ফুলবোৰ মেকুৰীৰ গচক পৰি তেনেই ছিন্ন-ভিন্ন হৈ পৰিল। সকলোবোৰ টিউলিপ ফুল মৰিমুৰ হোৱাৰ পাছত আধাঘণ্টামান টনাটনি কৰাৰ পাছত কেনেবাকৈ সিহঁতৰ ঠেঙত বান্ধি থোৱা ৰছীডাল ছিগি গ'ল আৰু লগে লগে মেকুৰী দুটা তীব্ৰ বেগেৰে ফুলনিৰপৰা ওলাই গ'ল।

দেৱালৰ সিপাৰে, ছিকাম'ৰ গছজোপাৰ আঁৰত লুকাই থকা বক্সটেলে আন্ধাৰৰ বাবে একো নেদেখিলে যদিও মেকুৰী দুটাৰ চিঞৰ-বাখৰতে তেওঁ সকলো বুজি পাই আনন্দত অধীৰ হৈ পৰিল। মেকুৰী দুটাইনো বেয়াৰ্লৰ ফুলখিনিৰ কিমান ক্ষতি কৰিলে সেই কথা জানিবৰ বাবে তেওঁ উৎকণ্ঠিত হৈ থাকিল। তেওঁ ছিকাম'ৰ গছৰ আঁৰতে নিজ চকুৰে চাবলৈ খাপ পাতি থাকিল। পুৱাৰ কুঁৱলীখিনিতো তেওঁ কণমান শীত অনুভৱ নকৰিলে, প্ৰতিশোধৰ জুইত তেওঁৰ গাটো গৰম হৈয়েই আছিল।

পাছদিনা পুৱা। বেয়াৰ্ল পুৱা ওই উঠি ফুলনিৰ ভিতৰলৈ সোমাই আহিল। কিন্তু

ফুলনিখনৰ কোমল মাটি মেকুৰী দুটাৰ গচকত পৰি তেনেই নেফানেফ হ'ল।

সুন্দৰ ফুলনিখনৰ বিধ্বস্ত ৰূপ দেখি তেওঁ হতবাক হ'ল। ইমান ধুনীয়া ফুলনিখন কোনে এনে ধ্বংসস্তূপত পৰিণত কৰিলে? দুই হাতেৰে বুকুখন চেপি ধৰি বেয়াৰ্ল ফুলনিডৰাৰ কাষলৈ ঢপলিয়াই আহিল।

আনপিনে ছিকামৰ'ৰ গছৰ আঁৰত লুকাই চাই থকা বক্সটেলে বেয়াৰ্লৰ বেজাৰত ম্লান মুখখন দেখি আনন্দত উৰ্জ্জ্বলীকৃত হৈ উঠিল। বক্সটেলে দেখিলে জকমকাই ফুলি থকা ফুলবোৰ বিধ্বস্ত হৈ পৰি আছে, কিছুমান ফুলগছ ফুলেৰে সৈতে মাটিত সমান হৈ পৰি আছে। বক্সটেলৰ আনন্দৰ সীমা নাই। ইমানদিনে শত্ৰুক নিৰ্য্যাতন কৰাত তেওঁ সফল হৈছে। কৰকচোন বেয়াৰ্লে আকৌ টিউলিপ ফুলৰ খেতি।

ভান বেয়াৰ্লে ফুলনিখন কোনে এনেদৰে ধ্বংস কৰিলে একো অনুমান কৰিব নোৱাৰিলে। অনুসন্ধান কৰিবলৈ গৈ তেওঁ ফুলবোৰৰ ওচৰত মেকুৰীৰ ভালেমান খোজৰ চিন দেখা পালে। তেতিয়াহে তেওঁৰ মনত পৰিল, ৰাতি শুই থাকোঁতে তেওঁ মেকুৰীৰ চিঞৰ-বাখৰৰ শব্দ শুনিছিল। তেওঁ তেতিয়াই ঘৰৰ পৰিচাৰককৰ্তৃক নিৰ্দেশ দিলে যে সেইদিনাৰপৰা ৰাতি একোজন চকিদাৰে ফুলনিখন পহৰা দিব লাগিব।

বক্সটেলেও সেই নিৰ্দেশ শুনিলে আৰু দেখিলে। সেইদিনাৰপৰাই চকিদাৰ থাকিবৰ বাবে বেয়াৰ্লে সৰু ঘৰ এটা নিৰ্মাণ কৰি দিলে। তেওঁক যে কোনো সন্দেহ কৰা নাই সেই কথা ভাবি বক্সটেল আনন্দিত হ'ল।

সেই সময়তে হলেণ্ডত প্ৰচাৰিত এটি বাতৰিত টিউলিপপ্ৰেমী আৰু টিউলিপ খেতিয়কসকলৰ মাজত এটা উত্তেজনা বিয়পি পৰিল। হাৰ্লেমৰ টিউলিপ সমিতিয়ে টিউলিপ খেতিয়কসকলৰ মাজত এটা পুৰস্কাৰ ঘোষণা কৰিলে। ৰঙা, বগা, গুলপীয়া, হালধীয়া আদি টিউলিপৰ বিভিন্ন প্ৰকাৰ আছে, কিন্তু ক'লা ৰঙৰ টিউলিপ নাই। টিউলিপ সমিতিৰ সভাপতিয়ে ঘোষণা কৰিলে যিজনে সম্পূৰ্ণ ক'লা টিউলিপ আবিষ্কাৰ কৰিব পাৰিব, সমিতিয়ে তেওঁক এক লাখ গিল্ডাৰেৰে পুৰস্কৃত কৰিব। এই ঘোষণাৰ লগে লগে দেশৰ সকলো টিউলিপপ্ৰেমীয়েই ক'লা টিউলিপ সৃষ্টিৰ বাবে উঠি-পৰি লাগিল।

বক্সটেলো পিছ পৰি নাথাকিল। এক লাখ গিল্ডাৰৰ পুৰস্কাৰ উপেক্ষা কৰিব পৰা নাযায়। বক্সটেলে অনুমান কৰিলে ভান বেয়াৰ্লো নিশ্চয় বহি নাথাকে। তেৰোঁ ক'লা টিউলিপ সৃষ্টিৰ বাবে নিশ্চয় সাজু হ'ব। ক'লা টিউলিপ পৃথিবীত ক'ৰবাত আছে বুলি কোনেও শুনা নাই। নাথাকিলেও নাই, সৃষ্টি কৰিব লাগিব। পাছে ৰঙা বা হালধীয়া টিউলিপৰপৰা একেবাৰে ক'লা টিউলিপ কোনেও সৃষ্টি কৰিব নোৱাৰিব। সেয়ে ঢাপে

ঢাপে আগ বাঢ়িব লাগিব। ৰঙাৰপৰা পাতল ৰঙা, তাৰপৰা পাতল বাদামী, তাৰপৰা গাঢ় বাদামী আৰু সেই গাঢ় বাদামীৰপৰা —যদি ভগবানে দয়া কৰে—তেতিয়াহে ক'লা টিউলিপ উৎপন্ন হ'ব বুলি আশা কৰিব পাৰি।

ভান বেয়ার্লে ক'লা টিউলিপৰ সাধনা আৰম্ভ কৰি দিলে। এবছৰৰ ভিতৰতে গাঢ় ৰঙাৰপৰা পাতল বাদামী ৰঙৰ ফুল ফুলাবলৈ তেওঁ সমৰ্থ হ'ল। ইমানদিনে বক্সটেল কেৱল পাতল ৰঙতহে উপনীত হৈছে। বেয়ার্লৰ লগত প্ৰতিযোগিতাত তেওঁ ক্ৰমাৎ পিছুৱাই গৈছে। প্ৰতিবেশীৰ উৎকৰ্ষতা দেখি বক্সটেলৰ হৃদয় মৰহি গ'ল। তেওঁৰ মেজাজটো একেবাৰে বিগৰি গ'ল। ফুল ফুলাবৰ বাবে কৰা সাধনা বৃথা যেন অনুভৱ হ'ল। কিনো হ'ব ইমান পৰিশ্ৰম কৰি। তেওঁৰ মনোযোগ পৰি ৰ'ল কেৱল বেয়ার্লৰ ফুলনি আৰু পৰীক্ষাগাৰৰ ওপৰত। তাত যেন ক'লা টিউলিপৰ আবিৰ্ভাৱৰ পদধ্বনি শুনা গৈছে।

বক্সটেলে মন্ত্ৰমুগ্ধৰ দৰে চকুত দূৰবীন লগাই নিৰ্নিমেষ নয়নে বেয়ার্লৰ ওপৰ মহলাৰ কোঠাটোলৈকে চাই থাকে। তাত বিভিন্ন ৰঙৰ টিউলিপৰ ভালেমান কন্দ আৰু গজালি বেলেগ বেলেগ লেফাফাত বন্দী হৈ আছে। আলমাৰিৰ ভিতৰত সেইবোৰ সংগোপনে ৰক্ষিত। এদিন ৰাতি এক বজাতো ভান বেয়ার্ল সেই গবেষণাগাৰৰ কোঠালৈ আহিল। বক্সটেলে দূৰবীনেৰে দেখিলে বেয়ার্লে প্ৰণালীবদ্ধভাৱে টিউলিপৰ গজালিবোৰ আৰু কন্দবোৰ উলিয়াই লেফাফাত ভৰাই তাৰ ওপৰত পৰিচয় লিখি গৈছে। কেতিয়া গজালি বা কন্দবোৰ পচাব লাগিব তাকো লিখি গৈছে। প্ৰায় প্ৰতিদিনে আলমাৰি খুলি বেয়ার্লে লেফাফাৰপৰা উলিয়াই টিউলিপৰ কন্দ আৰু গজালিবোৰ মনোযোগেৰে নিৰীক্ষণ কৰে।

অৱশ্যে সেইখিনি কেৱল বেয়ার্লেহে যে চায় এনে নহয়, বক্সটেলেও চায়। দেৱালৰ সিপাৰে জখলাডালত উঠি ছিকামʼৰ গছজোপাৰ পাতৰ আঁৰৰপৰা দূৰবীনৰ সহায়ত বক্সটেলে বেয়ার্লৰ প্ৰতিটো অংগী-ভংগী চাই থাকে। তেওঁ ইমান স্পষ্টভাৱে দেখা পায় যেন তেৱোঁ বেয়ার্লৰ কোঠাটোত ঠিক বেয়ার্লৰ কাষতে বহি চাই আছে।

এনে সময়তে এদিন কৰ্নেলিয়াছ দ্য উইট তেওঁৰ জন্মস্থান ডৰ্ট চহৰলৈ আহিল।

সপ্তম অধ্যায়

দুর্ভাগ্যৰ মুখামুখি

কৰ্নেলিয়াছ দ্য উইটে ডৰ্ট চহৰৰ তেওঁৰ পৰিয়াল-পৰিজনৰ লগত কিছুদিন কটাবলৈ আহি ১৬৭২ চনৰ জানুৱাৰি মাহত তেওঁৰ ধৰ্মপুত্ৰ ভান বেয়াৰ্লক লগ পাবলৈ আহিল।

ফুলৰ খেতি বা চিত্ৰকলাৰ প্ৰতি দ্য উইটৰ কোনো আগ্ৰহ নাই যদিও তেওঁ ভান বেয়াৰ্লৰ সকলো কাম-কাজ আগ্ৰহেৰেই চালে—বেয়াৰ্লই আঁকা ছবিৰপৰা টিউলিপলৈকে। তেওঁৰ নামত এবিধ টিউলিপৰ নামকৰণ কৰাৰ কথা জানি দ্য উইটে ধৰ্মপুত্ৰক ধন্যবাদ দিলে।

সেইদিনা গধূলি দুয়োজন পিতা-পুত্ৰই কুশল-মংগলৰ বা-বাতৰি লোৱাৰ পাছত কৰ্নেলিয়াছ দ্য উইটে ভান বেয়াৰ্লক অকলে লগ পাব খুজিলে। ভান বেয়াৰ্লে লণ্ডবাকেইজনক পঠাই দি ধৰ্মপিতৃক লৈ ওপৰ মহলাৰ কোঠাটোলৈ গ'ল। সেইটো আছিল বেয়াৰ্লৰ পৰীক্ষাগাৰ। তালৈ তেওঁ কাকো আহিবলৈ নিদিয়ে, কেৱল বুঢ়ী ধাইগৰাকীহে তাত সোমাব পাৰে। ধাইগৰাকী দিনে এবাৰ এই কোঠাটোলৈ আহে আৰু কোঠাটো সাৰিপুচি তললৈ নামি যায়। অৰ্থাৎ টিউলিপ-সাধনাৰ কথাটো বেয়াৰ্লে ঘৰৰ চাকৰ-বাকৰকো জানিবলৈ দিব নোখোজে।

ধৰ্মপিতৃ আৰু ধৰ্মপুত্ৰৰ মিলনৰ দৃশ্য চাবৰ বাবে বক্সটেলৰ কোনো আগ্ৰহ নাই। বেয়াৰ্লৰ পৰীক্ষাগাৰত দ্য উইটক দেখি বক্সটেল বিৰক্তই হ'ল। কিন্তু উপায় নাই, ধৈৰ্য্য ধৰি অপেক্ষা কৰিবই লাগিব। বক্সটেলে দূৰবীনটো আগৰ দৰে বেয়াৰ্লৰ কোঠাৰ ফালে টোঁৱাই নিৰীক্ষণ কৰি থাকিল।

বক্সটেলৰ দৃষ্টিত প্ৰথমে ধৰা পৰিল বেয়াৰ্লৰ ওপৰ মহলাৰ কোঠাটো পোহৰত জলমলাই উঠিছে। তাৰ পাছত তেওঁ কোঠাটোত দুটা ক'লা ছাঁ দেখা পালে। ছাঁ দুটা বক্সটেলে চিনি পালে—ওখ ছাঁটো দ্য উইটৰ আৰু খীণ ছাঁটো বেয়াৰ্লৰ। বেয়াৰ্ল আৰু দ্য উইটে কিবা কথা পাতিছে—ছিকাম'ৰ গছৰ আঁৰৰপৰা বক্সটেলে তেওঁলোকৰ প্ৰতিটো কাম-বন লক্ষ্য কৰি আছে। দ্য উইটেনো বেয়াৰ্লক কি কৈছে বক্সটেলে বুজিব পৰা নাই।

বক্সটেলে দেখিলে কথা কৈ কৈ দ্য উইটে কাগজৰ টোপোলা এটা বেয়াৰ্লৰ হাতত সপি দিলে। বেয়াৰ্লে সতৰ্কতাৰে আৰু আলফুলে সেই কাগজৰ টোপোলাটো হাতত ল'লে আৰু খুব সাৱধানেৰে দৰকাৰী কাগজ-পত্ৰ থোৱা আলমাৰিটোৰ ভিতৰত ভৰাই থ'লে।

বক্সটেলে সকলো দেখি আছিল। তেওঁ প্ৰথমে ধাৰণা কৰিছিল কৰ্নেলিয়াছ দ্য উইটে সম্ভৱত সিংহল বা বংগদেশৰপৰা আমদানি কৰা বিশেষ ধৰণৰ টিউলিপ ফুলৰ কন্দ বেয়াৰ্লক দিছে। কিন্তু পাছ মুহূৰ্ততে তেওঁ বুজি পালে যে কৰ্নেলিয়াছ দ্য উইটৰ টিউলিপ ফুল সম্বন্ধে কণমানো আগ্ৰহ নাই। সেই কথা সকলোৱেই জানে। সেয়ে বক্সটেলে ধৰি ল'লে—সেই কাগজৰ টোপোলাটো টিউলিপ ফুলৰ কন্দ কেতিয়াও নহয়। তেনেহ'লে কৰ্নেলিয়াছ দ্য উইটে বেয়াৰ্লৰ হেফাজতত কি কাগজ-পত্ৰ থৈছে? বক্সটেলৰ বুজাত অসুবিধা নহ'ল—এই কাগজ-পত্ৰবোৰ নিশ্চয় ৰাজনীতি সম্পৰ্কীয় গোপনীয় দলিল-পত্ৰ। আন ঠাইত থ'লে শত্ৰুপক্ষৰ হাতত পৰিব পাৰে এই ভয়তে টিউলিপপ্ৰেমী বেয়াৰ্লৰ জিম্মাত তেওঁ সেইবোৰ ৰাখি থৈ গ'ল।

ভান বেয়াৰ্লে কাগজৰ টোপোলাটো ভৰাই থোৱা আলমাৰিৰ ড্ৰয়াৰৰ তলা মাৰি হাতত মমডাল লৈ তললৈ যাবলৈ দ্য উইটক বাটটো দেখুৱাই দিলে। বক্সটেলে অনুমান কৰিলে, এই কাগজ-পত্ৰবোৰ কৰ্নেলিয়াছ দ্য উইটৰ ভ্ৰাতৃ, হ'লেও দেশৰ কৰ্ণধাৰস্বৰূপ ব্যক্তি জন দ্য উইটে ফ্ৰান্সৰ সমৰ সচিব কাউণ্ট লুভৱাৰ লগত যোগাযোগ কৰা সন্ধি সম্পৰ্কীয় কাগজ-পত্ৰই হ'ব।

আনহাতে, ভন বেয়াৰ্লে সেই কাগজ-পত্ৰখিনি একো চিন্তা নকৰি টিউলিপ ফুলৰ কন্দবোৰ ভৰাই থোৱা আলমাৰিটোত সযতনে থৈ দিলে। ধৰ্মপিতৃক বিদায় দিয়াৰ পাছত তেওঁ সেই বিষয়ে আৰু কোনো চিন্তাও নকৰিলে। সংসাৰৰ সকলো চিন্তা-ভাবনা বাদ দি তেওঁ টিউলিপ ফুলৰ খেতিতে মছগুল হৈ থাকিল। ক'লা টিউলিপ সৃষ্টিৰ বাবে তেওঁ ঢাপে ঢাপে আগ বাঢ়িল। হেগত যিদিনা আমি অধ্যয়নৰ আৰম্ভণিতে উল্লেখ কৰা সেই বীভৎস ঘটনাটো সংঘটিত হৈছিল, সেইদিনা দুপৰীয়া একমান বজাত ভান বেয়াৰ্লে কফি ৰঙৰ টিউলিপৰ পোখা পচোৱাত ব্যস্ত আছিল। ১৬৭৫ চনৰ বসন্ত কালমানত তেওঁ হাৰ্লেমৰ সমিতিয়ে ঘোষণা কৰা ক'লা টিউলিপ ফুলাব পাৰিব বুলি আশা কৰিছিল। সেইদিনা অৰ্থাৎ ১৬৭২ চনৰ কুৰি আগষ্টৰ দিনা বেয়াৰ্লে টিউলিপ ফুলৰ তিনিটা কন্দ লৈ নিবিষ্ট মনে পৰীক্ষা কৰি আছিল।

বেয়াৰ্লে টিউলিপৰ কন্দকেইটা হাতত লৈ সস্নেহে চাই আছে। এতিয়াও এইকেইটা মাটিত পচাবৰ উপযুক্ত সময় হোৱা নাই। সেই সময় আহিলেই সেইকেইটা তেওঁ ফুলনিত ৰুব আৰু যেতিয়ালৈকে ক'লা টিউলিপে আত্মপ্ৰকাশ নকৰে তেতিয়ালৈকে ৰাতি ৰাতি পহৰাত ৰাখিব। তাৰ পাছত? তাৰ পাছত তেওঁৰ কি গৌৰৱ! এক লাখ গিল্ডাৰৰ পুৰস্কাৰটোৰ কথা তেওঁ বিশেষ ভবা নাই। পৃথিৱীৰ ফুলচৰ্য্যাৰ ইতিহাসত ভান বেয়াৰ্লৰ নাম স্থায়ীভাৱে সন্মানৰ আসন অধিকাৰ কৰি থাকিব—ক'লা টিউলিপৰ

পৰিচয় হ'ব 'বেয়াৰ্লেনৃছিছ টিউলিপ' বুলি—এনে ধৰণৰ সুখ-স্বপ্নত ভান বেয়াৰ্ল বিভোৰ হৈ থাকিল।

ঠিক তেনেতে তেওঁৰ কোঠাৰ ঘণ্টাটো ডাঙৰকৈ বাজি উঠিল। বেয়াৰ্ল চক্ খাই উঠিল। তেওঁ হাতেৰে ফুলৰ কন্দকেইটা ঢাকি ধৰি চিঞৰি সুধিলে, "কোন?"

"মালিক," ধাইজনীয়ে ক'লে, "হেগৰপৰা এজন মানুহ আহিছে।"

"হেগৰপৰা আহিছে? তেওঁক কি লাগে?"

"মালিক, তেওঁৰ নাম ক্ৰেইক।"

"ক্ৰেইক! জন দ্য উইটৰ বিশ্বস্ত লগুৱাজন। তেওঁক ৰ'বলৈ কোৱা।"

"ওঁহোঁ, মোৰ ৰ'বলৈ সময় নাই," এইবুলি ক্ৰেইকে জোৰেৰে দুৱাৰখন ঠেলি কোঠাৰ ভিতৰলৈ সোমাই আহিল।

ক্ৰেইকৰ এনে অনধিকাৰ প্ৰৱেশত বেয়াৰ্ল খণ্ডত জ্বলি-পকি উঠিল আৰু খপ-জপত তেওঁৰ হাতত থকা টিউলিপ ফুলৰ কন্দকেইটা মজিয়াত ছিটিকি পৰিল।

কন্দকেইটা পৰি যোৱাত বেয়াৰ্লে ত্ৰস্তভাৱে সেইকেইটা বিচাৰিবলৈ ধৰিলে। কোন আহিছে, কিয় আহিছে—সেইবোৰ প্ৰশ্ন কৰিবলৈ তেওঁ পাহৰিযেই গ'ল। চকীৰ তলত, বেঞ্চিৰ তলত হাত ভৰাই তেওঁ মহামূল্য কন্দকেইটা বিচাৰিবলৈ ধৰিলে আৰু তাৰ মাজতে সুধিলে, "কথাটো কি?"

ইতিমধ্যে কোঠাত সোমাই পৰা সেই মানুহটোৱে ক'লে, "কৰ্নেলিয়াছ ডাঙৰীয়া," তেওঁ কাগজ এখন টেবুলত থৈ ক'লে, "আপুনি অনুগ্ৰহ কৰি এই কাগজখন এই মুহূৰ্ততে পঢ়ক।"

"ঠিক আছে, ঠিক আছে, পঢ়িম, পঢ়িম ৰ'বা," এইবুলি বেয়াৰ্লে টেবুলৰ তলত কন্দকেইটা বিচাৰি বিচাৰি ক'লে।

ক্ৰেইক আৰু ৰ'ব নোৱাৰিলে। সি জানে এই মুহূৰ্তত প্ৰতিটো পলেই তাৰ বাবে কিমান মূল্যবান। হেগৰপৰা আহোঁতেই সি জনতাৰ ভয়াল হিংস্ৰ মূৰ্তি দেখি আহিছে। সি প্ৰভুৰ আদেশ পালন কৰিবলৈহে নিজৰ জীৱনৰ বাজি ধৰি ইয়ালৈ দৌৰি আহিছে। তাৰ কাম শেষ। দ্য উইটৰ চিঠি সি আনি বেয়াৰ্লৰ হাতত দিছেহি আৰু এতিয়াই পঢ়িবলৈ কৈছে। তাৰ দায়িত্ব শেষ। সি সেয়ে দৌৰি কোঠাৰপৰা বাহিৰ হৈ গ'ল।

আনহাতে, বেয়াৰ্লে টেবুলৰ তলত হাত ভৰাই টিউলিপ ফুলৰ কন্দকেইটা বিচাৰি পাই আলফুলে হাতত তুলি পৰীক্ষা কৰিলে। ঠিক তেনেতে কোঠাৰ দুৱাৰখন আকৌ শব্দ কৰি খোল খাই গ'ল আৰু উৎকণ্ঠিতভাৱে ধাইজনী সোমাই আহিল।

"আকৌ কি হ'ল? মানুহবোৰ বলিয়া হ'ল নেকি?" বেয়াৰ্লে গৰজি উঠিল।

"আঃ, মালিক," ভয়ার্তকণ্ঠে ধাইজনীয়ে চিঞৰি ক'লে, "আপুনি পলাওক, আপুনি পলাওক, মালিক।"

"পলাব লাগে? কিয়?"

"সৈন্যবাহিনীয়ে ঘৰটো ঘেৰি ধৰিছে।"

"কিয় ঘেৰি ধৰিছে?"

"সিহঁতে আপোনাক গ্ৰেপ্তাৰ কৰিব। সেয়ে আপুনি পলাওক, সোনকালে পলাওক। খিৰিকিখনেৰে জাঁপ মাৰি পলাই যাওক, মালিক।"

"ওঁহোঁ। মই নপলাওঁ।"

ঠিক তেনেতে তলৰপৰা সৈন্য কিছুমান ছিৰিৰে ওপৰলৈ উঠি আহিল। বেয়ার্লে দেখিলে, আলমাৰি খুলি ফুলৰ কন্দকেইটা নিৰাপদ স্থানত ৰখাৰ সময় আৰু নাই। এই কন্দকেইটা আনে নোপোৱাকৈ ৰাখিব লাগিব। কাগজ এটুকুৰা পায় নেকি তেওঁ ইফালে-সিফালে চালে। ক্ৰেইকে লৈ অহা চিঠিখন টেবুলৰ ওপৰতে আছিল। বেয়ার্লে লৰালৰিকৈ চিঠিখনেৰেই ফুলৰ কন্দকেইটা বান্ধি নিজৰ জেপত ভৰাই থ'লে।

দুৱাৰখন ঠেলি তেনেতে সৈন্যবোৰ কোঠালৈ সোমাই আহিল। সিহঁতৰ লগত এজন ৰাজবিষয়াও আহিছে। এই ৰাজবিষয়াজনে বেয়ার্লক ভালদৰে চিনি পায়। তথাপি তেওঁ বেয়ার্লক সুধিলে, "আপুনিয়েই বাৰু ডাক্তৰ কৰ্নেলিয়াছ ভান বেয়ার্ল হয়নে?"

"হয়, ময়েই সেই মানুহজন, আৰু ভান স্পেন ডাওৱীয়া, আপুনিও সেই কথা ভালদৰেই জানে।"

"তেনেহ'লে ৰাজদ্ৰোহমূলক যিবোৰ কাগজ-পত্ৰ আপোনাৰ ওচৰত আছে সেইবোৰ আমাৰ হাতত অৰ্পণ কৰক।"

"ৰাজদ্ৰোহমূলক কাগজ?" হতবুদ্ধিৰ দৰে বেয়ার্লে কথাকেইটা উচ্চাৰণ কৰিলে।

"অনুগ্ৰহ কৰি অবাক হোৱাৰ ভাও নধৰিব।"

"ভান স্পেন ডাওৱীয়া, মই শপত খাই কৈছোঁ—আপুনি মোৰপৰা কি বিচাৰিছে মই একেবাৰেই বুজা নাই।"

"মই তেনেহ'লে বুজাই দিছোঁ, শুনক। আমাক সেই কাগজবোৰ লাগে যিবোৰ জানুৱাৰি মাহত দেশদ্ৰোহী কৰ্নেলিয়াছ দ্য উইটে আপোনাৰ হাতত দি গৈছিল।"

কথাটো শুনি বেয়ার্লৰ মনটো যেন কিছু পোহৰ হ'ল। তেওঁৰ মুখৰ ভাবান্তৰ লক্ষ্য কৰি ভান স্পেনে ক'লে, "এতিয়া মনত পৰিছে নহয়নে?"

"অঁ, মনত পৰিছে। কিন্তু আপুনি কৈছে—ৰাজদ্ৰোহৰ কাগজ-পত্ৰ। কিন্তু মোৰ লগততো তেনে ধৰণৰ কাগজ-পত্ৰ নাই।"

"আপুনি তেনেহ'লে অস্বীকাৰ কৰিছে?"

"নিশ্চয় কৰিছোঁ।"

ৰাজবিষয়াজনে কোঠাটো এবাৰ ঘূৰি-পকি চালে আৰু তাৰ পাছত বেয়াৰ্লক সুধিলে, "আপোনাৰ ফুলৰ কন্দ আৰু গজালিবোৰ থোৱা কোঠাটো কোনটো?"

"আপুনি যিটো কোঠাত বৰ্তমান থিয় হৈ আছে, সেইটোৱেই।"

ৰাজবিষয়াজনৰ হাতত এনুৰা কাগজ। তাৰে একেবাৰে ওপৰত থকা কাগজখনৰপৰা তেওঁ কিবা এটা পঢ়িলে। তাৰ পাছত দৃঢ়কণ্ঠে ক'লে, "তেনেহ'লে সেই কাগজবোৰ মোক আপুনি দিবনে নিদিয়ে?"

"মই কেনেকৈ দিম, ভান স্পেন ডাঙৰীয়া? সেইবোৰতো মোৰ সম্পত্তি নহয়। মোৰ ওচৰত সেইবোৰ মাথোন, বিশ্বাসত ৰখাহে হৈছে। মোৰ হাতত বিশ্বাসত ৰখা বা গচ্ছিত বস্তুত মই কেনেকৈ হাত দিওঁ?"

"ডাক্তৰ কৰ্নেলিয়াছ, ৰাষ্ট্ৰৰ নামত মই আদেশ কৰিছোঁ। আপুনি এই আলমাৰিটো খুলি তাৰ ভিতৰত থকা কাগজ-পত্ৰবোৰ মোক দিয়ক।"

এইবুলি ৰাজবিষয়াজনে আলমাৰিটোৰ তিনি নম্বৰ ড্ৰয়াৰটো আঙুলিৰে নিৰ্দেশ কৰিলে। তাৰ পাছত আলমাৰিটো ভান স্পেনে খুলি দিলে। ড্ৰয়াৰটোত কুৰিটামান টিউলিপ ফুলৰ কন্দ ওলাল। প্ৰতিটোৱেই সাৱধানে সজাই থোৱা আৰু সিহঁতৰ গাত একোটাকৈ টিকট লগোৱা। এই কন্দবোৰৰ পিছফালেই ওলাল কাগজৰ সেই পেকেটটো। কৰ্নেলিয়াছ দ্য উইটে দি থৈ যোৱাৰ পাছত ভান বেয়াৰ্লে সেইটো য'ত যেনেদৰে ভৰাই থৈছিল তেনেদৰেই সেইটো তাতে আছিল।

ৰাজবিষয়াজনে পেকেটটোৰ ছিল-মোহৰ ভাঙি কাগজখিনিৰ ওপৰত লৰালৰিকৈ চকু ফুৰালে। লগে লগে তেওঁৰ মুখৰ ভাবান্তৰ ঘটিল। বজ্ৰকঠোৰ কণ্ঠে তেওঁ ক'লে, "আমি ঠিক খবৰেই পাইছোঁ।"

"ঠিক খবৰ? তাৰ মানে?"

"ডাক্তৰ ভান বেয়াৰ্ল, আপুনি আৰু ভাও ধৰিব নালাগে," ৰাজবিষয়াজনে ক'লে। "ব'লক মোৰ লগত।"

"আপোনাৰ লগত? কথাটো কি?"

"কথাটো হ'ল—ৰাষ্ট্ৰৰ নামত মই আপোনাক গ্ৰেপ্তাৰ কৰিছোঁ।"

"মোক গ্ৰেপ্তাৰ কৰিছে? কিন্তু, মই কি কৰিছিলোঁ," ঠিক আৰ্তনাদৰ দৰে বেয়াৰ্লে কথাকেইটা ক'লে।

"সেই কথা কোৱাৰ ভাৰ মোৰ ওপৰত নাই। আপোনাৰ যি ক'ব লগা আছে বিচাৰকৰ আগত ক'ব।"

"ক'ত? ক'ৰ বিচাৰক?"

"ৰাজধানী হেগত।"

কৰ্নেলিয়াছৰ ধাইজনী মূৰ্চ্ছা গ'ল। লগুৱা-লিকচৌবোৰে চকুপানী টুকিলে। সকলোকে এৰি ভান বেয়াৰ্লে ৰাজবিষয়াজনক অনুসৰণ কৰি কোঠাটোৰ বাহিৰলৈ ওলাই আহিল। তেওঁক ৰাজবন্দী হিচাবে গাড়ীত উঠাই ভান স্পেনে দ্ৰুতবেগে ৰাজধানীৰ উদ্দেশ্যে যাত্ৰা কৰিলে।

অষ্টম অধ্যায়

এটা অভিযান

বক্সটেলে দূৰবীনটোৰ সহায়ত ভান বেয়াৰ্লৰ কোঠাৰ প্ৰতিটো খুঁটি-নাটি নিজৰ কোঠাত বহি দেখাৰ দৰে দেখা পাইছিল। কৰ্নেলিয়াছ দ্য উইট আৰু ভান বেয়াৰ্লে সেইদিনা পৰস্পৰে কথা পতাও তেওঁ দেখিছিল, কিন্তু কি কথানো পাতিছিল সেয়া তেওঁ শুনা নাছিল। কিন্তু তেওঁ সকলো দেখা পাইছিল। দ্য উইটে ভান বেয়াৰ্লক দিয়া কাগজ-পত্ৰৰ টোপোলাটো নিশ্চয় গুৰুত্বপূৰ্ণই আছিল, নহ'লে বেয়াৰ্লে তেওঁৰ টিউলিপ ফুলৰ মূল্যবান কন্দবোৰ থোৱা আলমাৰিটোত সেই টোপোলাটো নিশ্চয় নথ'লেহেঁতেন।

আইজাক বক্সটেল কেবল টিউলিপ খেতিত মগ্ন হৈ থকা নাছিল। হলেণ্ডৰ ৰাজনৈতিক ক্ষেত্ৰত যে এটা পৰিবৰ্তন আসন্ন সেই কথা তেওঁ বহুত আগতেই বুজি পাইছিল। তেওঁ শুনিবলৈ পাইছিল ৰাষ্ট্ৰদ্ৰোহত অভিযুক্ত হৈ কৰ্নেলিয়াছ দ্য উইট গ্ৰেপ্তাৰ

হৈছে। কৰ্নেলিয়াছ দ্য উইটৰ যদি পতন হয়, কৰ্নেলিয়াছ ভান বেয়াৰ্লবো একেলগে পতন ঘটাব নোৱাৰি জানো? বক্সটেলে মাথোন এবাৰ কথাহে ক'ব লাগে। লাঞ্ছিত দণ্ডিত দ্য উইটৰ লগত ভান বেয়াৰ্লৰ নাম জড়িত কৰি ৰাজদ্ৰোহত যদি অভিযোগ অনা হয় তেনেহ'লে ভান বেয়াৰ্ল নিশ্চয় গ্ৰেপ্তাৰ হ'ব।

বেয়াৰ্লক এনেদৰে গ্ৰেপ্তাৰ কৰাব পাৰিলে বক্সটেলৰ লাভ হ'ব নিশ্চয়। দাৰিদ্ৰ্যৰ বাবে আৰু অনবৰতে বেয়াৰ্লৰ কাম-কাজৰ ওপৰত দৃষ্টি নিবদ্ধ ৰাখিব লগা হোৱাত নিজে ক'লা টিউলিপ সৃষ্টিৰ ক্ষেত্ৰত তেওঁ একেবাৰে অগ্ৰসৰ হ'ব পৰা নাই। কিন্তু বেয়াৰ্লৰ অগ্ৰগতি তেওঁ প্ৰতিদিনে লক্ষ্য কৰিছে। এতিয়া এই অগ্ৰগতি যি স্তৰত উপনীত হৈছে তাক অনায়াসেই সিদ্ধিৰ সন্ধিক্ষণ বুলি ক'ব পাৰি। অৰ্থাৎ গাঢ় বাদামী টিউলিপৰ গজালি বেয়াৰ্লে যিদিনাই সৃষ্টি কৰিবলৈ সক্ষম হৈছে, তাৰপৰা ক'লা টিউলিপৰ আবিৰ্ভাৱ অৱশ্যম্ভাৱী বুলি বক্সটেলৰ সিদিনাই বিশ্বাস হৈছে।

ভান বেয়াৰ্লৰ যদি গ্ৰেপ্তাৰ হয় তেনেহ'লে সেইদিনা তেওঁৰ ঘৰত নিশ্চয় হুলস্থূল হ'ব আৰু ৰাতিলৈ হয়তো কোনেও টিউলিপ ফুলৰ ফুলনিত পহৰা দিয়াৰ কথা নাভাবিব। সেইদিনাই ৰাতি বক্সটেলে দেৱালখন পাৰ হৈ ভান বেয়াৰ্লৰ ঘৰলৈ যাব। ওপৰৰ কোঠাৰ কোনটো আলমাৰিত, কোনটো ড্ৰয়াৰত ক'লা টিউলিপৰ কন্দকেইটা আছে তেওঁ জানেই। আৰু লগে লগে ক'লা টিউলিপৰ বাবে ঘোষিত পুৰস্কাৰটো তেওঁৰেই হ'ব, তেওঁৰ নামেৰেই ফুলটোৰো নামকৰণ হ'ব। এনেদৰে দিনে-ৰাতিয়ে, সপোনে-দিঠকে বক্সটেলে কেৱল ক'লা টিউলিপৰ কথাকে চিন্তা কৰি থাকিল।

আগষ্ট মাহৰ ১৯ তাৰিখে পাছবেলা বক্সটেলে এখন বেনামী চিঠি লিখিলে। কাগজৰ পেকেটটো আলমাৰিৰ কোনটো ড্ৰয়াৰত, কোনটো খাপত লুকাই থোৱা আছে পুংখানুপুংখভাৱে তেওঁ বৰ্ণনা দিলে। বৰ্ণনাৰ খুঁটি-নাটি দেখি চিঠিখন কোনেও বাজে বুলি উকৰাই দিব নোৱাৰে। চিঠিখনৰ সত্যাসত্য নিৰ্ণয়ৰ বাবে আগষ্টৰ কুৰি তাৰিখেই তদন্ত আৰম্ভ হ'ল আৰু হেগৰপৰা ভান স্পেন বেয়াৰ্লক গ্ৰেপ্তাৰ কৰিবলৈ আহিল। যি সময়ত হেগত অৰেঞ্জবংশীয় হিংস্ৰ জনতাই কৰ্নেলিয়াছ দ্য উইট আৰু জন দ্য উইটক নৃশংসভাৱে হত্যা কৰিছে সেইদিনাই ভান স্পেনে কৰ্নেলিয়াছ ভান বেয়াৰ্লক গ্ৰেপ্তাৰ কৰি হেগলৈ লৈ গ'ল।

সন্ধ্যা হ'ল। তাৰ পাছত ৰাতি গভীৰ হ'ল। বক্সটেলে নিজৰ কোঠাৰপৰা ওলাই সীমাৰ দেৱালখনৰ ওচৰত উপস্থিত হ'ল আৰু ছিকাম'ৰ গছজোপাৰ আঁৰত থিয় হ'লহি। তেওঁ ঠিকেই অনুমান কৰিছিল, বেয়াৰ্ল গ্ৰেপ্তাৰ হোৱাৰ পাছত শোকাহত লগুৱা-লিকচৌবোৰে নাভাবিলে যে মালিকৰ অতি প্ৰিয় ফুলবোৰ পহৰা দিয়াৰ প্ৰয়োজন আছে।

ৰাতি বাৰ বাজিল। বেয়াৰ্লৰ ফুলনিত আন্ধাৰ, ঘৰত আন্ধাৰ। চাৰিওফাল নিস্তব্ধ, ক'তো কোনো সাৰসিকতি নাই। বক্সটেলে সাহস সঞ্চয় কৰি নিজৰ ঘৰৰ ফুলনিৰ ফালৰপৰা জখলাডাল বেয়াৰ্লৰ ফুলনিৰ ফালে নমাই দিলে আৰু তাতে ধৰি নিজেও নামিল।

ঠিক কোনখিনিত ক'লা টিউলিপৰ কন্দ পচোৱা হৈছে, সেয়া বক্সটেলৰ নখদৰ্পণত। তেওঁ খৰ খোজেৰে ফুলনিৰ সেই অংশটোলৈ আগুৱাই গ'ল। কোমল মাটিত তেওঁৰ ভৰিৰ খোজৰ ছাপ যাতে নপৰে তাৰ বাবে তেওঁ সতৰ্ক হ'ল।

ঠিক ঠাইত উপস্থিত হৈ বক্সটেলে কন্দবোৰ পচোৱা খলবোৰত হাত ভৰালে। তেওঁ মাটিবোৰ হাতেৰে খেপিয়াই চালে। নাই, হাতত দেখোন একোৱেই লগা নাই। ভুল হৈছে নিশ্চয়।

আকৌ খলবোৰৰ ওপৰত তেওঁ খেপিয়াবলৈ ধৰিলে। কপালত তেওঁৰ ঘাম দেখা দিলে। তেওঁ সোঁৱে-বাঁৱে হাতখনেৰে খেপিয়াবলৈ ধৰিলে, একোৱেই নাই। খলবোৰৰ মাটিবোৰ আগলৈ-পিছলৈ আঁতৰাই চালে, একো নাই। ফুলৰ কন্দ ক'তোৱেই নাই।

তেওঁ যেন বলিয়া হৈ যাব। তেওঁ বুজি পালে সেইদিনাই পুৱা বেয়াৰ্লে মাটিত পচোৱাৰপৰা ক'লা টিউলিপৰ কন্দকেইটা তুলি নিছে। নাপায় বুলি জানিও বক্সটেলে দহ বৰ্গফুট মান ঠাই হাতেৰে খান্দি চালে। নাই, কোনো সন্দেহ নাই। বক্সটেলৰে দুৰ্ভাগ্য। টিউলিপ ফুলৰ কন্দকেইটা স্থানান্তৰিত হৈছে।

খঙতে গুজৰি-গুমৰি তেওঁ জখলাডালত উঠি দেৱালখন পাৰ হৈ নিজৰ ফুলনিৰ ফালে নামিল আৰু জখলাডাল ধুমকৈ পেলাই দিলে।

নিজৰ কোঠাত উপস্থিত হৈ বক্সটেলে কণমান নিৰলে চিন্তা কৰিলে—ফুলনিত টিউলিপ ফুলৰ কন্দকেইটা যিহেতু নাই, তেনেহ'লে নিশ্চয় বেয়াৰ্লৰ ওপৰ মহলৰ সেই কোঠাটোতে আছে। সেই কোঠাটোৰ খিৰিকিখন বাহিৰৰপৰাও খুলিব পৰা যাব। তাৰ বাবে এডাল ওখ জখলাহে লাগে। তেনে ওখ জখলা বক্সটেলৰ নাই। হঠাৎ বক্সটেলৰ মনত পৰিল ৰাস্তাৰ সিটো পাৰে ঘৰ এটা মেৰামতি কৰিছে। ঘৰটো মেৰামতি কৰোঁতে মিস্ত্ৰিবোৰে ডাঙৰ জখলা এডাল ব্যৱহাৰ কৰা তেওঁ দেখিছে। সেই জখলাডাল যদি মিস্ত্ৰিবোৰে লৈ যোৱা নাই, তেনেহ'লে সেইডালেৰেই কাম চলিব।

বক্সটেল কোঠাৰপৰা দৌৰি অহাদি আহিল। তেওঁ দেখিলে জখলাডাল তাতে আছে। বহুত পৰিশ্ৰম কৰি বক্সটেলে সেই জখলাডাল নিজৰ বাৰীখনলৈ দাঙি আনিলে আৰু তাৰ পাছত বেয়াৰ্লৰ ফুলনিখনেদি ওপৰ মহলাৰ খিৰিকিখনৰ কাষত থ'লে। সেই জখলাডালেৰে বগাই বক্সটেলে ওপৰ মহলাৰ কোঠাটোত সোমালহি।

বেয়ার্লে টিউলিপ ফুলৰ কন্দ আৰু গজালিবোৰ ক'ত থয় বক্সটেলে দূৰবীনেৰে বহুবাৰ দেখিছে। তেওঁ আলমাৰিৰ ড্ৰয়াৰবোৰ খুলি তাত খেপিয়াবলৈ ধৰিলে। তেওঁ লগত কম পোহৰৰ লেম এটা লৈ আহিছিল। বক্সটেলে দেখিলে টিউলিপ ফুলৰ গজালিৰে আলমাৰিৰ ড্ৰয়াৰ ভৰি আছে। তেওঁ ৰঙা, হালধীয়া, বাদামী ৰঙৰ টিউলিপৰ কন্দ আৰু গজালি দেখা পালে। প্ৰতিটো কন্দৰ পৰিচয় ওপৰৰ যিকেইটাত লিখা আছে। সকলোবোৰেই আছে, নাই মাথোন ক'লা টিউলিপৰ কন্দকেইটা। ক'তোৱেই নাই।

বক্সটেলে কোঠাটো তন্ন তন্নকৈ পৰীক্ষা কৰিলে। নাই, ক'তো নাপালে। হঠাৎ বক্সটেলে টেবুলত থকা বেয়ার্লৰ ৰেজিষ্টাৰখন মেলি চালে। তেওঁ দেখিলে ৰেজিষ্টাৰখনত লিখা আছে ঃ "আজি কুৰি আগষ্ট ১৬৭২ চন, মই ক'লা টিউলিপৰ কন্দকেইটা তিনিটা গজালিত বিভক্ত কৰিলোঁ।"

বক্সটেল জঁপিয়াই উঠিল। তেওঁৰ বুজাত অসুবিধা নহ'ল যে নিজৰ প্ৰাণতকৈও প্ৰিয় ক'লা টিউলিপৰ সেই কন্দকেইটা বেয়ার্লেই নিজৰ লগতে লৈ গৈছে।

তেওঁ ভাবিলে ফুলৰ কন্দকেইটা তেনেহ'লে হেগ পালেগৈ। গতিকে তেওঁ ডৰ্ট চহৰত থকাৰ কোনো অৰ্থ নাই, তেৱোঁ হেগলৈ যাব লাগিব।

নৱম অধ্যায়

পৰিয়ালৰ বন্দীকোঠা

দুপৰ নিশা বুইটেনহফ দুৰ্গৰ বন্দীশালত কৰ্নেলিয়াছ ভান বেয়ার্লক কাৰাৰুদ্ধ কৰা হ'ল। যিটো বন্দীকোঠাত কৰ্নেলিয়াছ দ্য উইটক বন্দী কৰি থোৱা হৈছিল সেই একেইটা কোঠাত কৰ্নেলিয়াছ ভান বেয়ার্লকো বন্দী কৰি থোৱা হ'ল। নতুন বন্দীজনৰ পৰিচয় পাই দুৰ্গৰ কাৰাধ্যক্ষ গ্ৰাইফাছে বিদ্ৰূপ কৰি ক'লে, "ধৰ্মপিতৃৰ কোঠাত ধৰ্মপুত্ৰকো থোৱা হওক। কোঠাটো কৰ্নেলিয়াছসকলৰ নিজৰ হৈয়েই থাকক।"

সেই দুপৰ ৰাতি আগে আগে সশস্ত্ৰ প্ৰহৰী ছিৰিৰে ওপৰলৈ উঠিছে। প্ৰহৰীৰ পিছত হাতত চাবি লৈ দুৰ্গৰ অধীক্ষক গ্ৰাইফাছ। তেওঁৰ পিছে পিছে ভান বেয়াৰ্ল। শাৰীৰ একেবাৰে শেহত আৰু কেইটামান প্ৰহৰী। ছিৰিৰে ওপৰলৈ উঠি যাওঁতে বেয়াৰ্লে কুকুৰ এটাৰ ভুকভুকনিৰ বাহিৰে একো শুনা নাই। তেওঁ দেখিলে কুকুৰটো দুৰ্গৰ দেৱালত শিকলি লগাই বান্ধি থোৱা আছে আৰু সি বেয়াৰ্লৰ ফালে জঁপিয়াই আহিব খুজিছে।

হঠাৎ ছিৰিৰ একেবাৰে তলৰ ফালে এটা শব্দ হ'ল। বেয়াৰ্লে ঘূৰি চাই দেখিলে ছিৰিৰ তলৰ ফালে এখন ঠেক চোতাল আৰু তাৰে এফালে দুৱাৰ এখন খোল খাই গৈছে। সেইটো দুৰ্গৰ অধীক্ষক গ্ৰাইফাছৰ ব্যক্তিগত বাসস্থান। সেই বাসস্থানৰ দুৱাৰমুখত হাঁতত এডাল মম লৈ ছোৱালী এজনী থিয় হৈ আছে। মমৰ পোহৰ তাইৰ মুখৰ ওপৰত বিয়পি পৰিছে, বাকী দেহটো আন্ধাৰত ঢাক খাই আছে। সেই মুখখনি বেয়াৰ্লৰ অপূৰ্ব সুন্দৰ যেন অনুভৱ হ'ল। ঘনায়মান আন্ধাৰত যেন এটি জ্যোতিৰ্গোলক। দুচকুত তেওঁৰ অনিৰ্বচনীয় কৰুণা নিগৰি পৰিছে।

সেইফালে চাই বেয়াৰ্ল বৈ যাবলৈ বাধ্য হ'ল। তেওঁৰ ভৰি দুখন যেন আগ বাঢ়িব নোখোজা হ'ল। আনহাতে, এই নবীন যুৱকৰ দীৰ্ঘ প্ৰশস্ত দেহ, চকু-মুখত শিশুৰ সৰলতা, ভংগিমাত অবাধ স্বাধীনতাৰ অনাহত স্বচ্ছন্দ্য দেখি ছোৱালীজনী অৰ্থাৎ ৰ'জাও যেন বিচলিত হৈ পৰিল। ৰ'জা থিয় হৈ আছে নিজৰ কোঠাৰ দুৱাৰমুখত হাতত এডাল মমবাতি লৈ। ভান বেয়াৰ্ল থিয় হৈ আছে ছিৰিৰ ৰেইলিঙত ধৰি পিছফালে মুখ ঘূৰাই। মমৰ পোহৰ অস্পষ্টভাৱে তেওঁৰ ওপৰতো পৰিছে। ৰ'জাই অনিমেষ দৃষ্টিৰে তেওঁলৈ চাই আছে। সেই দৃষ্টিত বেয়াৰ্লৰ প্ৰতি সমবেদনা আৰু অনুকম্পাই যেন প্ৰকাশ পাইছে।

গ্ৰাইফাছ আগ বাঢ়িল। পিছে পিছে বেয়াৰ্ল ওপৰলৈ উঠি গ'ল। কেইমিনিটমানৰ পাছতে তেওঁ বন্দীকোঠাত প্ৰৱেশ কৰিলে। গ্ৰাইফাছে কোঠাত থকা বিছনাখনৰ ফালে আঙুলি টোৱাই কোনো কথা নকৈ আৰু বন্দীকো কোনো প্ৰশ্ন কৰা সুযোগ নিদি দুৱাৰত তলা মাৰি তললৈ নামি গ'ল।

বন্দীশালৰ নিৰ্জন কোঠা। এক অদ্ভুত পৰিৱেশ। বেয়াৰ্লে বিছনাখনত বাগৰ দিলে কিন্তু দুচকুৰ পতা এক নহ'ল। টোপনি মুঠেই নাহিল। তেওঁ কোঠাটোৰ একমাত্ৰ খিৰিকিখনেদি বাহিৰলৈ চাই থাকিল আৰু এনেদৰে চাই থাকোঁতেই পুৱাৰ পোহৰে কোঠাটো স্পৰ্শ কৰিলে।

পোহৰ হোৱাৰ লগে লগে বেয়াৰ্ল খিৰিকিখনৰ ওচৰত থিয় হ'লহি। খিৰিকিৰে

বুইটেনহফ দুৰ্গৰ সন্মুখৰ চোতালখন ভালদৰে দেখা যায়। চোতালত এক ভয়াবহ দৃশ্য তেওঁ দেখা পালে। দুৰ্গৰ চোতালত দুডাল কাঁচিকাঠত দুটা তেজ লগা মৃতদেহ। কংকাল বুলিহে ক'ব পাৰি, কাৰণ দেহ দুটাৰ মঙহবোৰ কাটি নিছে। কংকাল দুটাৰ ভৰি দুখন ওপৰলৈ কৰি ওলমাই দিয়া হৈছে আৰু সহজে চকুত পৰাকৈ ডাঙৰ ডাঙৰ আখৰেৰে এই কথাখিনি লিখা হৈছে ঃ "জন দ্য উইট আৰু তেওঁৰ ভায়েক কৰ্নেলিয়াছ দ্য উইট— দেশৰ দুজন প্ৰধান অপৰাধী, জনতাৰ শত্ৰু অথচ ফ্ৰান্সৰ বন্ধুক দেশদ্ৰোহিতাৰ বাবে এই শাস্তি দিয়া হ'ল।"

বেয়াৰ্লৰ মুখেৰে এটা ভয়াৰ্ত চিএঞৰ ওলাই আহিল। প্ৰচণ্ড ভয় আৰু উত্তেজনাত তেওঁ কোঠাৰ দুৱাৰখন জোৰেৰে ঢকিয়াবলৈ ধৰিলে। সেই হুলস্থূল শুনি গ্ৰাইফাছে তলা খুলি খণ্ডত কোঠাৰ ভিতৰলৈ সোমাই আহিল।

গ্ৰাইফাছক দেখি বেয়াৰ্লে চিএঞৰি চিএঞৰি খিৰিকিৰে বাহিৰলৈ আঙুলি টোঁৱাই সুধিলে, "সেই বাহিৰত লিখি থোৱা কথাখিনি সঁচা নেকি?"

গ্ৰাইফাছে খিৰিকিৰে বাহিৰলৈ চাই ক'লে, "সেই কাগজত লিখা কথাখিনি? অঁ, সম্পূৰ্ণ সঁচা। অৰেঞ্জবংশীয় ৰাজকুমাৰৰ বিৰুদ্ধে শত্ৰুৰ লগত সম্পৰ্ক ৰক্ষা কৰা লোকে এনে ধৰণৰ শাস্তিয়েই পায়।"

"দ্য উইট দুজনক তেনেহ'লে হত্যা কৰা হ'ল...," অস্ফুট স্বৰে বেয়াৰ্লে ক'লে।

গ্ৰাইফাছে দেখিলে বন্দী একেবাৰে নিৰৱ আৰু বিমৰ্ষ হৈ বহি পৰিছে। তেওঁ লৰালৰিকৈ কোঠাত তলা বন্ধ কৰি ওলাই গ'ল।

বহি থাকোঁতেই বেয়াৰ্লে চেতনা হেৰুৱালে। চেতনা ঘূৰি অহাৰ পাছত তেওঁ নিজকে আকৌ সেই বন্দীশালতে আৱিষ্কাৰ কৰিলে আৰু বেজাৰ মনেৰে বহি থাকিল। তাৰ পাছত তেওঁ এজন সৎ খ্ৰিষ্টানৰ দৰে দুয়োজন দ্য উইটৰ আত্মাৰ সদগতিৰ অৰ্থে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালে।

বেয়াৰ্ল আকৌ বৰ্তমানৰ পৃথিৱীলৈ ঘূৰি আহিল। এতিয়া তেওঁৰ মনোযোগ নিবিষ্ট হ'ল তেওঁৰ সাধনাৰ ধন ক'লা টিউলিপৰ ওপৰত। বন্দীশালত তেওঁ এতিয়া অকলশৰীয়া, আন কোনো নাই। তেওঁ বুকুৰ ভিতৰৰ জেপৰপৰা সাৱধানে ক'লা টিউলিপৰ কন্দকেইটা উলিয়াই আলফুলকৈ হাতত ল'লে আৰু কোঠাটোৰ একেবাৰে এমূৰত আন্ধাৰ অংশটোৰ শিলৰ আঁৰত লুকুৱাই থ'লে।

কেইবাবছৰৰো অবিৰত সাধনা ব্যৰ্থতাত পৰিণত হ'ল। এতিয়া আৰু কোনো আশা নাই। এই বন্দীশালৰ নিৰস শিলৰ বুকুত এই ফুল কেতিয়াও ফুলিব নোৱাৰে।

এইবোৰ কথা চিন্তা কৰি কৰি বেয়াৰ্ল হতাশাত একেবাৰে ভাগি পৰিল।

ৰ'জাই দেখিলে দেউতাক মজিয়াত পৰি আছে আৰু
বন্দীজন তেওঁৰ ওপৰত হাউলি আছে।

দশম অধ্যায়

কাৰাধ্যক্ষৰ কন্যা

সেইদিনাই সন্ধ্যা। কাৰাধ্যক্ষ গ্ৰাইফাছে এহাতে বন্দীৰ বাবে খাদ্য লৈ আনখন হাতেৰে বন্দীশালৰ দুৱাৰৰ তলাটো খোলোঁতেই হঠাৎ পিছলি পৰিল আৰু নিজৰ মূৰটো বচাবলৈ গৈ হাতখন দি শিলত পৰাত হাতৰ ঠাৰিৰ ওচৰতে হাতখন ভাগিল।

বেয়াৰ্ল কাৰাধ্যক্ষৰ ফালে দৌৰি আহিল। কিন্তু গ্ৰাইফাছে তেতিয়ালৈকে তেওঁৰ আঘাতৰ গুৰুত্ব অনুভৱ কৰিব নোৱাৰি ক'লে, "তুমি চিন্তিত নহ'বা, মোৰ বিশেষ একো হোৱা নাই।"

এইবুলি কৈ তেওঁ পৰাৰপৰা উঠিব খুজিছিল, কিন্তু প্ৰচণ্ড বিষত চিঞৰ এটা মাৰি তেওঁ আকৌ পৰি গ'ল। তেওঁ বুজি পালে তেওঁৰ হাতখন ভাগিছে। বৰ কষ্টত তেওঁ শিলৰ মজিয়াতে নিৰ্জীৱৰ দৰে পৰি ৰ'ল।

এই গোটেই সময়ছোৱাত বন্দীশালৰ দুৱাৰখন অৰক্ষিত হৈ খোলা আছিল। আৰু বেয়াৰ্লো একেবাৰে মুকলি হৈয়েই আছিল। কিন্তু তেওঁৰ মনলৈ মুক্ত হোৱাৰ কোনো বাসনা উদয় হোৱা নাছিল। তেওঁ কেৱল দুৰ্ঘটনাগ্ৰস্ত মানুহটোৰ কথাহে সেই সময়ত চিন্তা কৰিছিল, তেওঁ কেৱল হাত ভগা মানুহটোৰ কষ্টৰনো কেনেকৈ উপশম হয় সেই কথাহে ভাবিছিল।

ইতিমধ্যে গ্ৰাইফাছ পৰাৰ শব্দ আৰু তেওঁৰ আৰ্তনাদ শুনি গ্ৰাইফাছৰ কন্যা ৰ'জা দৌৰি অহাদি ওপৰলৈ উঠি আহিল। ৰ'জাই দেখিলে দেউতাক মজিয়াত পৰি আছে আৰু বন্দীজন তেওঁৰ ওপৰত হাউলি আছে। এই দৃশ্য দেখি ৰ'জাই ভয়তে চিঞৰ মাৰি দিলে। দেউতাকৰ নৃশংসতাৰ কথা তাই জানে। বন্দীৰ লগত হোৱা সংঘৰ্ষৰ ফলতে দেউতাক তেনেদৰে পৰি আছে বুলিয়েই তাই প্ৰথমে ভাবিলে।

ছোৱালীজনীয়ে কি ভাবিছে বেয়াৰ্লে বুজি পালে। মুহূৰ্ততে ছোৱালীজনীয়েও কথাটো বুজি পালে আৰু বন্দীয়ে দেউতাকৰ শুশ্ৰূষাহে কৰিছে বুজি জানি আগতে তেনেদৰে ভবা বাবে নিজেই লাজ পালে আৰু বেয়াৰ্লৰ ওচৰত ক্ষমা বিচাৰিলে।

ঠিক তেনেতে গ্ৰাইফাছৰ চেতনা ঘূৰি আহিল। তেওঁ চকু দুটা মেলিলে। তেওঁৰ মনলৈ আকৌ হিংস্ৰ ভাবনা ঘূৰি আহিল। তেওঁ গোঁজৰণি এটা মাৰি ক'লে, "এয়া চোৱা, বন্দীক খাদ্য দিবলৈ আহি লৰালৰিত পৰি মই হাতখন ভাঙিলোঁ আৰু এনেদৰে শিলৰ মজিয়াত পৰি আছোঁ।" এইবুলি তেওঁ বন্দীকে কিবাকিবি বলকিবলৈ ধৰিলে।

"দেউতা," ৰ'জাই ক'লে, "তুমি মানুহজনক মিছাই ডবিয়াইছা। মই দেখোঁতে তেওঁ তোমাক সহায়হে কৰি আছিল।"

"সহায় কৰিছিল?"

"হয়, ডাঙৰীয়া, মই আপোনাক সহায় কৰিবৰ বাবে এতিয়াও প্ৰস্তুত।"

"তুমি ডাক্তৰী কিবা জানা নেকি?"

"হয়, আগতে সেইটোৱেই মোৰ বৃত্তি আছিল।"

"তেনেহ'লে তুমি মোৰ হাতখনৰ চিকিৎসা কৰিব পাৰিবা?"

"নিশ্চয় পাৰিম।"

"তাৰ বাবে তোমাক কি কি বস্তু লাগিব কোৱাচোন।"

"কাঠৰ পাট দুচলা আৰু কিছু বেণ্ডেজ কাপোৰ।"

"ৰ'জা, তই শুনিলি নহয়। বন্দীজনে চিকিৎসা কৰিব বুলি কৈছে। চাওঁ ধৰচোন, মোক উঠিবলৈ ধৰি দে।"

ৰ'জাই গ্ৰাইফাছৰ ইখন হাতৰ তলত ধৰি থিয় কৰাবলৈ চেষ্টা কৰিলে। গ্ৰাইফাছ থিয় হ'ল। বেয়াৰ্লে চকী এখন আগুৱাই দিয়াত গ্ৰাইফাছে তাতে বহিল আৰু তাৰ পাছত কৰ্কশকণ্ঠে জীয়েকক ক'লে, "তই শুনিলি নহয়, কি কি লাগিব। যা, সেইবোৰ লৈ আহগৈ।"

ৰ'জা তললৈ নামি গ'ল আৰু অলপ সময়ৰ পাছতে বেয়াৰ্লে বিচৰা বস্তুখিনি লৈ আহিল। বেয়াৰ্লে টেবুলখনৰ ওপৰত বস্তুবোৰ থৈ কামত লাগিল। তেওঁ গ্ৰাইফাছৰ ভগা হাতখন বেণ্ডেজ কৰিবলৈ ধৰিলে। ভগা হাতখন ঠিকমতে লগাবলৈ বেয়াৰ্লে হাতখন টান মাৰি দিয়াত গ্ৰাইফাছে চিঞৰ এটা মাৰি আকৌ মূৰ্চ্ছা গ'ল।

ৰ'জাই দেখিলে বাপেক তেতিয়াও অচেতন। সেই সুযোগতে তাই বেয়াৰ্লক ক'লে, "আপুনি দুৰ্গৰ বাহিৰত থকা ফাঁচিশালখন নিশ্চয় দেখিছে। আপোনাৰ ভবিষ্যতো দুৰ্যোগপূৰ্ণ বুলি মই ভাবোঁ।"

"কিয়? তেওঁলোকে মোৰ কি ক্ষতি কৰিব?" বেয়াৰ্লে সুধিলে। "কাৰণ মই নিৰ্দোষ।"

"দুৰ্গৰ চোতালত ওলমি থকা তেখেতসকল জানো দোষী আছিল?"

"সেইটো অৱশ্যে সঁচা।"

"মানুহবোৰে আপুনি দোষী হোৱাটোকে বিচাৰে। কাইলৈ আপোনাৰ বিচাৰ হ'ব—দোষী-নিৰ্দোষ যিয়েই হওক তাৰ পাছদিনাই আপোনাৰ দণ্ড হ'ব। আজিকালি বিচাৰবোৰ খুব কম সময়তে সমাধা হৈছে।"

"বুজিলোঁ। ইয়াৰদ্বাৰা তুমি কি ক'ব খুজিছা?"

"ইয়াৰদ্বাৰা মই ইয়াকে ক'ব খুজিছোঁ যে মই ইয়াত এতিয়া অকলে আছোঁ। মই নিজেই দুৰ্বল। মোৰ দেউতাও চেতনাহীন হৈ পৰি আছে। এতিয়া আপুনি এই বন্দীশালৰপৰা পলাই যোৱাত কোনো বাধা নাই। সেয়ে মই ক'ব খোজোঁ আপুনি ইয়াৰপৰা পলাই যাওক।"

"তুমি কি কৈছা?"

"মই ইয়াকে ক'ব খুজিছোঁ যে দ্য উইট ভ্ৰাতৃদ্বয়ৰ প্ৰাণৰক্ষা কৰিবৰ যথাসাধ্য চেষ্টা কৰিও মই তেখেতসকলৰ প্ৰাণ ৰক্ষা কৰিব নোৱাৰিলোঁ। কিন্তু, মই আপোনাৰ প্ৰাণ ৰক্ষা কৰিব খোজোঁ। কেৱল আপুনি লৰালৰি কৰক। দেউতাই হয়তো এক মিনিটৰ পাছতে জ্ঞান ঘূৰাই পাব। তেতিয়া বহুত পলম হৈ যাব। আপুনি ইতস্ততঃ নকৰিব।"

ৰ'জাৰ কথাখিনি শুনি বেয়াৰ্লে বিস্ময়ত স্তব্ধ হৈ গ'ল। তেওঁ স্থানুৰ দৰে একে ঠাইতে নিশ্চল হৈ ৰ'ল।

"আপুনি কথাবোৰ বুজি পাইছেনে?" অধৈৰ্য্য হৈ ৰ'জাই সুধিলে।

"অঁ, মই বুজি পাইছোঁ। কিন্তু..."

"কিহৰ কিন্তু?"

"ওঁহো, মই পলাই নাযাওঁ। গ'লে সিহঁতে তাৰ বাবে তোমাকে জগৰীয়া কৰিব।"

"আপুনি সেই কথা কিয় ভাবিছে?" ৰঙা-ছিঙা পৰি ৰ'জাই ক'লে। "আপুনি মোৰ কথা চিন্তা নকৰিব।"

"মই বুজিছোঁ তুমি এজনী বৰ ভাল ছোৱালী," বেয়াৰ্লে ক'লে। "মই কিন্তু নাযাওঁ, ইয়াতে থাকিম।"

"কি? আপুনি নাযায়? ইয়াতে থাকিব? আস্, আপুনি বুজা নাই কিয় সিহঁতে আপোনাক মৃত্যুদণ্ডই দিব। জন দ্য উইট আৰু কৰ্নেলিয়াছ দ্য উইটৰ দৰে সিহঁতে আপোনাকো হত্যা কৰিব—মগুহ কাটি নিব। ভগবানৰ দোহাই, আপুনি মোৰ কথা চিন্তা নকৰিব, এই মুহূৰ্তে ইয়াৰপৰা গুচি যাওক।"

ঠিক তেনেতে গ্ৰাইফাছৰ চেতনা ঘূৰি আহিল। তেওঁ অস্পষ্টভাৱে কিবাকিবি ক'বলৈ ধৰিলে।

বেয়াৰ্লে ৰ'জাক ক'লে, "শুনা আইজনী, মই নিৰ্দোষ। মই মুকলি মনেৰে সহজভাৱেই বিচাৰৰ সন্মুখীন হ'ম।"

একাদশ অধ্যায়

কৰ্নেলিয়াছ ভান বেয়াৰ্লৰ ইচ্ছাপত্ৰ

পাছদিনাই ভান বেয়াৰ্লৰ বিচাৰ আৰম্ভ হ'ল। বিচাৰক কেইবাজনো। ডৰ্ট চহৰৰ সেই ভান স্পেন হ'ল ৰাষ্ট্ৰৰ পক্ষৰ প্ৰধান সাক্ষী। তেওঁৰ জবান বন্দীৰেই বিচাৰ আৰম্ভ হ'ল। কেনেকৈ এটা বেনামী সংবাদ পাই নগৰ সমিতিৰ পক্ষৰপৰা তেওঁ ভান বেয়াৰ্লৰ ঘৰলৈ অনুসন্ধানৰ বাবে গৈছিল, কেনেকৈ তালাছী কৰোঁতে তেওঁ ৰাষ্ট্ৰদ্ৰোহমূলক গুৰুত্বপূৰ্ণ কিছুমান নথিপত্ৰ বেয়াৰ্লৰ ঘৰৰ আলমাৰিৰপৰা উদ্ধাৰ কৰি আনিছিল, কেনেদৰে বন্দীয়ে ক্ৰমাগতভাৱে সত্য গোপন কৰি গৈছিল, কোনো এটা কথাও স্বীকাৰ কৰা নাছিল—এই সকলোবোৰ তেওঁ অনৰ্গলভাৱে বিচাৰকৰ আগত কৈ গ'ল।

বিচাৰকসকলে এই অভিযোগ শুনি এই সম্পৰ্কত বেয়াৰ্লৰ কি ক'ব লগা আছে সুধিলে। বেয়াৰ্লে যিখিনি সঁচা সেইখিনিকে কৈ গ'ল। তেওঁ ক'লে যে কৰ্নেলিয়াছ দ্য উইটৰ লগত তেওঁৰ ঘনিষ্ঠ সম্পৰ্ক আছিল। জ্ঞান হোৱাৰ দিনৰেপৰা তেওঁক বেয়াৰ্লে স্নেহশীল হিতৈষী বুলি জানি আহিছে। সেই দ্য উইট এদিন তেওঁৰ ঘৰলৈ আহিছিল—তেওঁ মোহৰ মৰা কাগজৰ টোপোলা এটা তেওঁৰ ওচৰত থৈ গ'ল। আৰু ক'লে যে এই কাগজবোৰ খুব গোপনীয়। সেই সময়ত কোঠাটোত আৰু তৃতীয় ব্যক্তি কোনো নাছিল। কেনেকৈনো এই গোপন কথা গুপ্তচৰে জানিলে, বেয়াৰ্লে সেই কথা এতিয়াও বুজা নাই।

যি কি নহওক, দ্য উইটৰ হাতৰপৰা কাগজৰ টোপোলাটো লৈ বেয়াৰ্লে টিউলিপ ফুলৰ কন্দবোৰ থোৱা আলমাৰিটোৰ ড্ৰয়াৰত ভৰাই থৈছিল, পাছত তেওঁ তাত আৰু হাত দিয়া নাই।

বিচাৰকসকলে সুধিলে, "ফুলৰ কন্দবোৰ ভৰাই থোৱা সেই আলমাৰিটোৰ ড্ৰয়াৰটো দিনটোত তুমি কেইবাবাৰো খুলি থাকা নহয়। অথচ তুমি কৈছা তুমি কাগজখিনিত কোনোদিনে হাত দিয়া নাই। এই কথা জানো বিশ্বাস কৰিব পাৰি?"

"বিশ্বাস কৰা নকৰাটো আপোনালোকৰ কথা। কিন্তু যিটো প্ৰকৃত সত্য মই তাকে কৈছোঁ। সেই কাগজবোৰ মই দেখিও দেখা নাই। সেই বিষয়ে মোৰ মূৰত কোনো চিন্তায়ো ঠাই পোৱা নাছিল।"

পাছে বিচাৰকসকলে আগতেই মন স্থিৰ কৰি থৈছে। তেওঁলোকক আৰু নতুন কিবা বুজোৱাৰ চেষ্টা সম্পূৰ্ণ বৃথা। আচলতে অৰেঞ্জবংশীয় ষ্টাড্‌হ'ল্ডাৰেও বিচাৰে

তেওঁৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰা সকলোকে যাতে ধ্বংস কৰা হয়। অৰ্থাৎ বিচাৰকসকলে ওপৰৰপৰা নিৰ্দেশ পাইছে—জন দ্য উইট আৰু কৰ্নেলিয়াছ দ্য উইটৰ পথেৰেই ভান বেয়াৰ্লেকো পঠাই দিব লাগিব। সেই নিৰ্দেশ তেওঁলোকে নামানি নোৱাৰে। বিচাৰ যিটো হৈছে সেয়া মাথোন মানুহক দেখুৱাবলৈহে। দ্য উইট ভ্ৰাতৃদ্বয় যে সঁচাকৈয়ে ৰাষ্ট্ৰদ্ৰোহত লিপ্ত হৈছিল, ফৰাছী দেশৰ ৰজা লুইৰ ওচৰত দেশৰ স্বাধীনতা বিক্ৰী কৰাৰ ঘৃণ্য ষড়যন্ত্ৰত লিপ্ত হৈছিল, সেই কথা জনসাধাৰণক বুজাই দিবৰ বাবেই এই বিচাৰ-প্ৰহসনৰ অভিনয়।

বিচাৰ শেষ হ'ল। বেয়াৰ্লক বন্দীশাললৈ ঘূৰাই পঠোৱাৰ পাছত আদালতৰ কৰ্মচাৰী এজনে তালৈ গৈ তেওঁক দণ্ডাজ্ঞা শুনাই দিলে। সেইদিনাই দিনৰ বাৰ বজাত বুইটেনহফ কাৰাদুৰ্গৰ প্ৰাংগণতে বেয়াৰ্লৰ প্ৰাণদণ্ড হ'ব। ফাঁচিত নহয়, ঘাতকৰ খড়্গৰ আঘাতেৰে তেওঁৰ শিৰচ্ছেদ কৰা হ'ব।

বেয়াৰ্লে ধীৰ-স্থিৰ আৰু শান্তভাৱে দণ্ডাজ্ঞা শুনিলে। ভাগ্যৰ এনে চূড়ান্ত বিপৰ্য্যয়ে তেওঁক মুহ্যমান কৰি তুলিলেও তেওঁ আত্মমৰ্য্যাদা বিসৰ্জন দিয়া নাই। তেওঁ আদালতৰ কৰ্মচাৰীজনক সুধিলে, "আৰু বেছি সময় নাই তেনেহ'লে?"

"হয়, বেছি সময় নাই," কৰ্মচাৰীজনে ক'লে। "আপুনি যদি ভগৱানৰ ওচৰত নিৰলে প্ৰাৰ্থনা কৰিব খোজে কৰিব পাৰে। আপুনি বিচাৰিলে এজন খ্ৰিষ্টান পাদুৰিও আপোনাৰ ওচৰলৈ পঠাব পাৰোঁ।"

ৰাজকৰ্মচাৰীজন এইবুলি কৈ তললৈ নামি গ'ল। ঠিক তেনেতে খিৰিকিখনৰ সিপাৰে দেখা গ'ল এখনি মুখ।

বেয়াৰ্লে অবাক হৈ দেখিলে যোৱা ৰাতি আকস্মিকভাৱে দেখা সেই মুখখনি আজি বৰ করুণ, জলভৰত ওলোমি থকা মেঘৰ দৰে। প্ৰকৃততে ৰ'জাৰ চকুত তেতিয়া চকুপানী। ছোৱালীজনী যে বেয়াৰ্লৰ ভাগ্য বিপৰ্য্যয়ত মৰ্মাহত তাত কোনো সন্দেহ নাই।

বেয়াৰ্লে ক'লে, "আইজনী, মোৰ মৃত্যুৰ বাবে আন কোনোৱে দুখ কৰিব পাৰে এনে ধাৰণা মোৰ নাছিল। মৃত্যু পথযাত্ৰী মোৰ সময় নিচেই তাকৰ। তুমি মোৰপৰানো কি আশা কৰা?"

"মই আচলতে আপোনাৰপৰা এটা অনুগ্ৰহ বিচাৰোঁ।"

"অনুগ্ৰহ? নাকান্দিবা। কোৱাচোন কি অনুগ্ৰহ?"

"মোৰ দেউতাক ক্ষমা কৰি দিয়ক," ৰ'জা কান্দোনত ভাগি পৰিল।

"তোমাৰ দেউতাৰাক? তোমাৰ দেউতাৰাক??"

"হয়, তেওঁ আপোনাক বৰ কঠোৰ ব্যৱহাৰ কৰিছিল। কিন্তু সেইটো তেওঁৰ স্বভাৱেই। তেওঁ সকলোকে তেনে ব্যৱহাৰেই কৰে।"

"তাৰ বাবে তেওঁ যোৱা ৰাতি শাস্তি পালেই দেখোন! বৰং বেছিকৈহে পালে। মই বাৰু তেওঁক ক্ষমা কৰি দিছোঁ।"

"ধন্যবাদ, আপোনাক ধন্যবাদ," ৰ'জাই ক'লে, "বাৰু কওকচোন, মই আপোনাৰ বাবে কি কৰিব পাৰোঁ?"

"প্ৰথমে তোমাৰ চকুলোখিনি মচি লোৱা," কণমান হাঁহি বেয়ার্লে ক'লে, "যিজন মানুহৰ মৃত্যুৰ বাবে মাথোন এঘণ্টা সময় আছে, তেওঁৰ বাবেনো তুমি কি কৰিবা?"

"পাদুৰি এজনকে মই মাতি দিওঁ নেকি?"

"নালাগে। আৰু শুনা ৰ'জা, মই আজীৱন ভগৱানৰ পূজা কৰি আহিছোঁ। এই শেষ মুহূৰ্তত মোৰ কোনো পাদুৰিৰ প্ৰয়োজন নাই। জীৱনত কোনো পাপ কৰা নাই। ভগৱানৰ ওচৰত আত্মনিবেদন মই নিজে নিজেই কৰিব পাৰিম। তথাপি তুমি কৈছা যেতিয়া, জীৱনৰ এই শেষ মুহূৰ্তত তোমাক মোৰ ইচ্ছা এটাৰ কথা ক'ব খুজিছোঁ।"

"কওক কওক, বেয়ার্ল ডাঙৰীয়া," ব্যগ্ৰ হৈ ৰ'জাই ক'লে।

"ৰ'বা, তোমাৰ হাতখন মোৰ হাতৰ ওপৰত থোৱা আৰু প্ৰতিজ্ঞা কৰা যে মোৰ কথা শুনি হাঁহিব নোৱাৰিবা।"

"হাঁহিম?" ৰ'জাই ক'লে, "এই মুহূৰ্তত মই হাঁহিম? আপুনি জানো মোৰ চকুলো দেখা নাই?"

"শুনা ৰ'জা, তুমি মোৰ বহুদিনৰ চিনাকি নহয়। তথাপি এই কম সময়ৰ ভিতৰতে মই তোমাক এজনী ভাল ছোৱালী বুলিয়েই ভাবিছোঁ। মই মৃত্যু পথৰ যাত্ৰী, সেয়ে তোমাক মই বেলেগ দৃষ্টিৰে চাবলৈ ইচ্ছা নকৰোঁ।"

ঠিক তেনেতে দুৰ্গৰ দেৱাল ঘড়ীত এঘাৰ বজাৰ সময়-সংকেত বাজি উঠিল।

"অ, এঘাৰ বাজিলেই। মই লৰালৰি কৰিব লাগিব," এইবুলি বেয়ার্লে জেপত সুমুৱাই ৰখা কাগজেৰে মেৰিওৱা টিউলিপ ফুলৰ কন্দকেইটা উলিয়াই হাতত লৈ ক'লে, "হেৰা মৰমৰ ছোৱালীজনী, মই ফুল বৰ ভাল পাওঁ জানিছা? ফুলৰ বাহিৰে পৃথিৱীত ভাল পাব লগা কিবা বেলেগ বস্তু আছে বুলি মই এসময়ত ভবাই নাছিলোঁ। ৰ'বা ৰ'বা, তুমি লাজ নকৰিবা, তোমাক মই প্ৰেম নিবেদন কৰিলেও তুমি আঁতৰি নাযাবা। এতিয়া আৰু মোৰ জীৱনত প্ৰেম-ভালপোৱাৰ কোনো অৱকাশ নাই—দুৰ্গৰ প্ৰাংগনত তীখাৰ এটা সাঁজুলি আছে, যি মোৰ মোৰ সমস্ত শক্তি নিমিষতে শেষ কৰি দিব।

"বাৰু শুনা, ফুল মই প্ৰাণতকৈও ভাল পাওঁ। আৰু জানা, মই টিউলিপ ফুলৰ এটা বেলেগ প্ৰজাতি—যিটো সকলোৱে অসম্ভৱ বুলিয়েই কৈছিল — সেই ক'লা টিউলিপ ফুলৰ আৱিষ্কাৰ কৰিলোঁ। আৰু যিপাহ ফুলৰ বাবে তুমি হয়তো শুনিবলৈও পাইছা যে হাৰ্লেমৰ হৰ্টিকালচাৰ ছ'ছাইটিয়ে এক লাখ গিল্ডাৰৰ এটা পুৰস্কাৰ আগ বঢ়াইছে। পুৰস্কাৰত ঘোষণা কৰা সেই এক লাখ গিল্ডাৰ এই কাগজৰ টোপোলাটোতে আছে—তিনিটা ক'লা টিউলিপ ফুলৰ কন্দ যিটো মই তোমাক উপহাৰ স্বৰূপে দি যাব খোজোঁ।"

"আপুনি এইবোৰ কি কৈছে?"

"অঁ, অঁ, এইকেইটা তুমি গ্ৰহণ কৰা, কোনো ভুল নকৰিবা। এই পৃথিৱীত মই একেবাৰে অকলশৰীয়া, মোৰ মা-দেউতাৰ কেতিয়াবাই মৃত্যু হৈছে—মোৰ ককাই-ভাই, বাই-ভনী কোনো নাই। কৰ্নেলিয়াছ দ্য উইটেহে মোক তেওঁৰ ধৰ্মপুত্ৰৰূপে পালন কৰিছে। জীৱনত কোনো নাৰীৰ লগতো মানুহে কোৱা প্ৰেমৰ সম্পৰ্কও গঢ়ি উঠা নাই। গতিকে..."

"কিন্তু এক লাখ গিল্ডাৰ..."

"ৰ'বা ৰ'বা, কথাটো মই খাটাংকৈ কওঁ—সেই এক লাখ গিল্ডাৰ তোমাৰ দৰে ধুনীয়া এজনীৰ বাবে উপহাৰ বুলি ধৰি ল'বা। সেয়া সম্পূৰ্ণ তোমাৰ—তাত মোৰ কোনো অধিকাৰ নাই। মই কেৱল এইটোকে বিচাৰোঁ—মই যেনেদৰে গভীৰভাৱে ফুলবোৰ ভাল পাইছিলোঁ ঠিক তেনেদৰেই যেন তুমি আৰু তোমাৰ প্ৰিয়জনে পৰস্পৰে পৰস্পৰক ভাল পোৱা। ৰ'বা ৰ'বা, মোক কোৱাত বাধা নিদিবা, ৰ'জা, আৰু কেইমিনিটমানহে মই ক'বলৈ পাম।"

ৰ'জাই উচুপি উচুপি কান্দিবলৈ ধৰিলে। "শুনা ৰ'জা," বেয়াৰ্লে আকৌ আৰম্ভ কৰিলে, "তুমি কেনেকৈ এই কাম কৰিবা মই শিকাই দিম। তুমি ডৰ্ট চহৰৰ আমাৰ ঘৰলৈ যাবা আৰু আমাৰ ঘৰৰ মালীটোক লগ ধৰিবা। তাতে ফুলনিত তুমি এই কন্দকেইটা ৰুবা। কেনেকৈ ৰুব লাগিব মালীটোৱে দেখুৱাই দিব। পাছত মে মাহত সেইবোৰ ফুলিব। অৰ্থাৎ সাত মাহৰ পাছত। ফুলে কলি পেলাওঁতেই দিনে-ৰাতিয়ে সাৱধান হৈ থাকিবা। সূৰ্য্যৰ তীব্ৰ পোহৰৰপৰা ফুলকেইজোপা আঁৰ কৰি ৰাখিবা। এইবোৰত ক'লা টিউলিপেই ফুলিব, সেই বিষয়ে মই নিশ্চিত। তেতিয়া তুমি হাৰ্লেমৰ সেই সমিতিৰ সভাপতিজনক লগ ধৰিবা। তেখেতে ক'লা টিউলিপ বুলি প্ৰমাণ কৰিলেই তোমাৰ হাতলৈ এক লাখ গিল্ডাৰ আহি পৰিব।

"আৰু শুনা, এই ক'লা টিউলিপৰ মই নামকৰণ কৰিলোঁ—ৰ'জা বেয়াৰ্লেনছিছ — অৰ্থাৎ ইয়াত তোমাৰ আৰু মোৰ নাম দুটা মিলি থাকিব। কথাটো মনত থাকিবৰ বাবে মই বাৰু লিখি দিওঁ, মোক পেন্সিল এডাল আৰু কাগজ অকণমান দিয়া—"

ৰ'জাই লগে লগে সৰু কিতাপ এখন বেয়াৰ্লেলৈ আগ বঢ়াই দিলে।

"এইখন আকৌ কি?" বেয়াৰ্লে সুধিলে।

"বৰ দুখৰ কথা, বেয়াৰ্ল ডাঙৰীয়া, এইখন আপোনাৰ ধৰ্মপিতৃৰে বাইবেল," ৰ'জাই ক'লে। "সেই ছহিদ দুজনৰ মৃত্যুৰ পাছত তেওঁলোকে মোক দি যোৱা এই বাইবেলখন মই এই কোঠাটোৰ ভিতৰতে পালোঁ আৰু সেই দুখজনক ঘটনাৰ স্মৃতি হিচাবে ৰাখি থৈছোঁ। আজি এই সৰু কিতাপখন মই আপোনালৈ লৈ আহিছোঁ। এই কিতাপখনৰ নিশ্চয় এক স্বৰ্গীয় শক্তি আছে। আপুনি যি লিখে ইয়াতে লিখক। অৱশ্যে দুৰ্ভাগ্যক্ৰমে মই পঢ়িব নাজানো যদিও আপুনি লেখা কথাখিনি মই মৰমেৰে সাৱটি ৰাখিম।"

বেয়াৰ্লে বাইবেলখন ল'লে আৰু খুব আলফুলে চুমা এটা খালে। বাইবেলখনৰ ভিতৰতে পেন্সিল এডালো আছিল। সেই একেডাল পেন্সিলেই যিডাল জন দ্য উইটে ভায়েক কৰ্নেলিয়াছক চিঠিখন লিখিবলৈ দিছিল। পেন্সিলডাল তেওঁ ল'বলৈ পাহৰি গৈছিল। বেয়াৰ্লে পেন্সিলডাল ল'লে আৰু বাইবেলখনৰ শেষৰ ফালে খালী হৈ থকা পাতটোত তেওঁ তলৰ কথাখিনি লিখিবলৈ ধৰিলে ঃ

> "আজি ১৬৭২ চনৰ আগষ্ট মাহৰ ২৩ তাৰিখে মই ভগৱানৰ নামত শপত খাই মোৰ পাৰ্থিৱ সকলো সম্পদ ৰ'জা গ্ৰাইফাছক দি গ'লোঁ— সেইবোৰ হ'ল ক'লা টিউলিপ ফুলৰ তিনিটা কন্দ যিকেইটা পৰৱৰ্তী মে মাহত ফুলিব আৰু যাৰ বাবে হাৰ্লেমৰ হৰ্টিকালচাৰেল ছ'ছাইটিয়ে এক লাখ গিল্ডাৰ পুৰস্কাৰ ঘোষণা কৰিছে। ইয়াৰদ্বাৰা মই সেই সমিতিক অনুৰোধ কৰিব খোজোঁ যে তেওঁ যাতে মোৰ উত্তৰাধিকাৰী হিচাবে পুৰস্কাৰৰ সমগ্ৰ অৰ্থ-মূল্য লাভ কৰে। আৰু এইটোও চুক্তিত সন্নিবিষ্ট হ'ব যে ক'লা টিউলিপৰ এই নতুন প্ৰজাতিৰ নামকৰণ হ'ব 'ৰ'জা বেয়াৰ্লেনছিছ' অৰ্থাৎ ৰ'জা আৰু মোৰ নামৰ সংমিশ্ৰণ।
>
> "ভগবানে যেন তেওঁক দীৰ্ঘ জীৱন আৰু সু-স্বাস্থ্য প্ৰদান কৰে।
>
> "কৰ্নেলিয়াছ ভান বেয়াৰ্ল।"

বেয়াৰ্লে বাইবেলখন ৰ'জাৰ হাতলৈ আগ বঢ়াই দি ক'লে, "পঢ়ি চোৱা।"

"হায়, মই আপোনাক আগতেই কৈছোঁ যে মই পঢ়িব নাজানো, লিখিবও নাজানো।"

বেয়ার্লে তেতিয়া চিঞৰি চিঞৰি কথাখিনি ৰ'জাক পঢ়ি শুনালে আৰু তাৰ পাছত সুধিলে, "এই কথাখিনিত তোমাৰ সন্মতি আছে নহয়?"

"জানো, মই ক'ব নোৱাৰোঁ," ঠোঁটামোজাকৈ তাই ক'লে।

হঠাৎ তেওঁলোকে ছিৰিৰ তলৰ ফালে গধুৰ পদশব্দ শুনিলে।

"হে ভগবান, সিহঁতে আপোনাক নিবলৈ আহিলেই," ৰ'জাই আকৌ কান্দোনত ভাগি পৰি ক'লে, "আপুনি আৰু মোক কিবা ক'ব নেকি বাৰু?"

"মই তোমাক এইটোকে ক'ব খোজোঁ যে ফুলৰ এই কন্দকেইটা তুমি বহুমূলীয়া ৰত্নৰ দৰে সাঁচি ৰাখিবা আৰু মই কোৱামতেই এইকেইটা ফুলাবা। এতিয়া বিদায়..."

"অঁ অঁ," ৰ'জাই কান্দি কান্দি ক'লে, "মই আপুনি কোৱামতেই সকলো কৰিম—কিন্তু মই কাকো বিয়া নকৰাওঁ—এই কথা নিশ্চিতভাৱে আপোনাক ক'লোঁ।"

বিচাৰকৰ কৰ্মচাৰীজন ওপৰলৈ উঠি আহিল। তেওঁৰ পিছে পিছে ঘাতকজন আৰু এদল সৈন্য।

কণমানো দুৰ্বলতা প্ৰকাশ নকৰি নিৰ্বিকাৰচিত্তে বেয়ার্লে দলটোক আদৰণি জনালে। ছিৰিৰে তললৈ নামি যোৱাৰ সময়ত বেয়ার্লে এবাৰ কেৰাহিকৈ ৰ'জালৈ চালে। তেওঁ দেখিলে ৰ'জা বেঞ্চি এখনত বহি আছে, আউলী-বাউলী চুলিবোৰে তাইৰ মুখখন ঢাকি ধৰিছে।

দ্বাদশ অধ্যায়

মৃত্যুদণ্ড

দুৰ্গৰ চোতালেদি বেয়াৰ্ল তিনিশ খোজমান যোৱাৰ পাছত ফাঁচিকাঠৰ ওচৰ পালেগৈ। বুইটেনহফ দুৰ্গৰ সম্মুখত আজিও বিশাল জনতা। পাৰ্থক্য ইমানেই যে জনতা আজি উচ্ছৃংখল নহয়, কাৰণ জনতাই জানে যে আজিৰ অপৰাধীৰ বাবে মৃত্যুদণ্ডহে উচ্চাৰিত হৈছে, নিৰ্বাসন নহয়। বন্দীক যমপুৰীলৈ পঠাবৰ বাবে নাগৰিকসকল সচেষ্ট হোৱাৰো প্ৰয়োজন নাই।

বেয়াৰ্লক দেখাৰ লগে লগে জনতাৰ মাজত এটা গুণগুণনি উঠিল। বেয়াৰ্লে চাৰিওফালে এবাৰ চকু ফুৰাই চালে। মনে মনে তেওঁ আশংকা কৰিছিল দ্য উইট দুজনৰ তেজ লগা কংকাল দুটা আজিও কিজানি ফাঁচিকাঠত ওলমি থকা দেখিব লগা হ'ব। কিন্তু নাই, তেওঁ দেখিলে কংকাল দুটা অপসাৰিত হৈছে, ফাঁচিকাঠো অন্তৰ্হিত। তাৰ ঠাইত এখন ওখ মঞ্চ তৈয়াৰ হৈছে কাঠৰ তক্তাৰে। তাৰ ওপৰত তেওঁৰ নিজৰে শিৰচ্ছেদ হ'ব।

সম্মুখত মানুহ গিজ্‌গিজ্ কৰিছে। বেয়াৰ্লে সেই মানুহবোৰৰ কাৰোৰে ফালে চোৱা নাই। সেই সময়ত বেয়াৰ্ল নিজৰ চিন্তাত মগ্ন হৈ আছে। সেই সময়ত তেওঁ ভাবি আছে ক'লা টিউলিপ ফুলৰ সৰগীয় সৌন্দৰ্য্যৰ কথা। তেওঁৰ মৃত্যুৰ পাছত সৰগৰপৰা চালে তেওঁ দেখিবনে ক'লা টিউলিপ ফুলবোৰ সিংহল, বংগদেশ আৰু অন্যান্য দেশত জকমককৈ ফুলি আছে?

তেওঁ নিজকে নিজে ক'লে, "ঘাতকৰ এটা মাথোন আঘাত, তাৰ লগে লগে সকলো শেষ।"

বেয়াৰ্ল মধ্যমঞ্চৰ ওপৰত। মঞ্চৰ ওপৰত এডাল কাঠ আছে। বেয়াৰ্লে তাৰ ওপৰত মূৰটো দি বহিব লাগিব। বেয়াৰ্ল বহিল আৰু মনে মনে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিলে। তেওঁ চকু দুটা মেলি ৰাখিবলৈ চেষ্টা কৰিলে।

সেই ভয়াবহ মুহূৰ্ত উপস্থিত হ'ল। বেয়াৰ্লৰ মূৰটো কাঠডালত সুমুৱাই দিলে। এতিয়া তেওঁৰ চকু দুটা আপোনাআপুনি জাপ খাই গ'ল।

বিজুলীৰ দৰে জিক্ মিক্ কিবা এটাই তেওঁৰ চকুৰ আগেদি অস্পষ্টভাৱে বতাহ কাটি গ'ল। সেয়া ঘাতকৰ তৰোৱালখন। বেয়াৰ্লে ক'লা টিউলিপৰপৰা যেন বিদায় ল'লে।

তিনিবাৰকৈ ঘাতকৰ তৰোৱালখনে বতাহত শব্দ কৰা তেওঁ শুনিলে। তথাপি তৰোৱালখন তেওঁৰ ডিঙিত পৰা নাই দেখোন! বেয়ার্লে একোকেই বুজিব পৰা নাই। তেওঁৰ শিৰচ্ছেদ হৈয়েই গ'ল নেকি? একো বুজিব নোৱাৰি তেওঁ আকাশৰ ফালে চালে। ক'তা, আকাশৰতো ৰঙৰ সলনি হোৱা নাই! তেনেহ'লে কি হ'ল?

হঠাৎ বেয়ার্লক কোনোবাই যেন দুহাতেৰে ধৰি তুলি দিলে। গাত কঁপনি এটা আছিল যদিও বেয়ার্ল পোনভাবেই থিয় হ'ল। তেওঁ চাৰিওফালে চালে। দেখিলে কোনোবা এজন মানুহ তেওঁৰ ওচৰত থিয় হৈ আছে।

সেই মানুহজনে হাতত কাগজ এখন লৈ চিঞৰি চিঞৰি ঘোষণা কৰিছে : "পৰম করুণাময় ষ্টাড্‌হ'ল্ডাৰ অৰেঞ্জবংশীয় উইলিয়ামে অপৰাধীৰ ডেকা বয়স আৰু সৎ চৰিত্ৰৰ কথা বিবেচনা কৰি তেওঁৰ প্ৰাণদণ্ডৰ হুকুম ৰদ কৰিছে।"

এই ঘোষণা শুনি বেয়ার্লে ভাবি লৈছিল তেওঁক বোধহয় ক্ষমা কৰি দিছে। তেওঁ এতিয়া নিজৰ ঘৰলৈ ঘূৰি যাব পাৰিব।

কিন্তু বেয়ার্লৰ ভুল হৈছিল। ক্ষমাৰ আদেশৰ পৰিশিষ্টত এটা পুনশ্চ টোকা সংযোগ কৰি দিয়া হৈছে। সেই আদেশত কোৱা হ'ল যে বেয়ার্লে আজীৱন বন্দীৰূপে থাকিব লাগিব। তেওঁৰ অপৰাধ হেনো প্ৰাণদণ্ড দিয়াৰ দৰে গুৰুতৰ নহ'লেও একেবাৰে মুক্তি দিব পৰা পাতলো নহয়।

এই নতুন দণ্ডৰ কথা শুনি বেয়ার্ল প্ৰথমে বৰ ভাগি পৰিছিল। কিন্তু পাছ মুহূৰ্ততে চিন্তা কৰি চাই দেখিলে—বুইটেনহফৰ বন্দীজীৱন তেওঁৰ বাবে এক পৰম সান্ত্বনাহে। কাৰণ তাত ৰ'জাৰ লগত মাজে মাজে দেখা হ'ব আৰু ৰ'জাই তেওঁৰ নিৰ্দেশত ক'লা টিউলিপ ফুলৰ কন্দকেইটাৰপৰা ক'লা টিউলিপ ফুলাব পাৰিব। মুক্তি যেতিয়া নহ'লেই, তেনেহ'লে বুইটেনহফেই তেওঁৰ কাম্য বাসস্থান।

কিন্তু তেওঁৰ সেই আকাংক্ষাতো উইলিয়ামে যেন বিষ ঢালি দিলে। হেগ হ'ল ৰাজধানী চহৰ, ৰাজধানীত থকা বুইটেনহফ দুৰ্গত বন্দী ৰখাৰ খা-খৰচ বহুত বেছি। একোজন বন্দীক হেগৰ কাৰাগাৰত ৰখাত যি খৰচ হ'ব তাতকৈ বহুত কম খৰচত হলেণ্ডৰ আন কাৰাগাৰত ৰাখিব পৰা যায়। সেয়ে বেয়ার্লক ল'ভেষ্টাইন কাৰাদুৰ্গলৈ পঠাই দিয়া হ'ল।

ঠাইখনৰ নামটো শুনিয়েই ভান বেয়ার্লে অস্পষ্টভাবে চিঞৰি উঠিল, "সেই ঠাইখন অতি সেমেকা। তাৰ মাটিবোৰো বৰ অসাৰুৱা আৰু কটুৰ। টিউলিপ ফুলৰ খেতিৰ বাবে এনে মাটি কণমানো উপযোগী নহয়। তাৰ উপৰি তাততো ৰ'জা নাথাকে, ক'লা টিউলিপৰ কন্দকেইটাও নাই।"

ত্ৰয়োদশ অধ্যায়

আইজাক বক্সটেলৰ চিন্তা-ভাবনা

ডৰ্ট চহৰৰপৰা ৰাজবন্দীৰূপে বেয়াৰ্লক গ্ৰেপ্তাৰ কৰি লৈ অহাৰ দিনাই ৰাতি জখলাত উঠি বেয়াৰ্লৰ ঘৰৰ ফুলনি আৰু কোঠাটোত ক'লা টিউলিপৰ কন্দৰ সন্ধান কৰি বক্সটেল ব্যৰ্থ হোৱাৰ কথা আগতেই কৈ অহা হৈছে। ক'তো টিউলিপৰ সন্ধান নাপাই বক্সটেল হতাশ হৈ নিজৰ ঘৰলৈ ঘূৰি আহিল।

কিন্তু ঘৰলৈ আহি তেওঁ নিশ্চিন্তমনে শুব নোৱাৰিলে। বিছনাত পৰি তেওঁ চিন্তা কৰিবলৈ ধৰিলে। ধূৰ্ত বেয়াৰ্লে ঘৰত টিউলিপৰ কন্দকেইটা থৈ যোৱা নাই। গতিকে ধৰি ল'ব লাগিব তেওঁ লগতে লৈ গৈছে। লগতে লৈ গৈছে যেতিয়া মৃত্যুৰ সময়লৈকে সেই কন্দকেইটা তেওঁৰ ওচৰতে থাকিব। তেওঁৰ প্ৰাণতকৈও প্ৰিয় সেই কন্দকেইটা মৃত্যুৰ আগে আগে দি যাবলৈ হেগ চহৰত বেয়াৰ্লৰ আপোনজননো কোন আছে?

গতিকে বেয়াৰ্লৰ যদি প্ৰাণদণ্ড হয়—আৰু বক্সটেলে ধৰিয়েই লৈছে প্ৰাণদণ্ড হ'বই—তেতিয়া শিৰচ্ছেদ কৰাৰ পাছত বেয়াৰ্লৰ কাপোৰ-কানিবোৰ যদি লুকুকি চোৱা হয় টিউলিপৰ কন্দকেইটা নিশ্চয় পোৱা যাব। কিন্তু বক্সটেলক বেয়াৰ্লৰ পৰিচ্ছদ চুবলৈ দিব কিয়? তাৰ এটা উপায় উলিয়াব লাগিব।

বক্সটেলে পাছদিনাই ৰাজধানী হেগলৈ যাত্ৰা কৰিলে। আহি জানিব পাৰিলে বেয়াৰ্লক বুইটেনহফ দুৰ্গত বন্দী কৰি থোৱা হৈছে। বক্সটেলে লগে লগে কাৰাধ্যক্ষ গ্ৰাইফাছক দেখা কৰিলে। বন্দীয়ে পিন্ধি থকা কাপোৰ-কানি লুকুকি কিবা বস্তু পোৱা গ'লে বাজেয়াপ্ত কৰি লৈ অহা এই কাম গ্ৰাইফাছৰ অধিকাৰৰ ভিতৰতে পৰে। এই কাম যদি গ্ৰাইফাছে কৰি দিয়ে তেনেহ'লে বক্সটেলে গ্ৰাইফাছক পুৰস্কৃত কৰিব বুলি ক'লে। পাছে গ্ৰাইফাছে একে আষাৰে বক্সটেলক নিৰাশ কৰাই নহয়, বক্সটেলৰ পিছত কুকুৰো লগাই দিলে।

আনহাতে সেইদিনাই গ্ৰাইফাছৰ হাত ভাগিল আৰু তেওঁ শয্যা ল'ব লগা হ'ল। বক্সটেলে এতিয়া তেওঁৰ লগত যোগাযোগ কৰিবও নোৱৰা হ'ল। ইতিমধ্যে বেয়াৰ্লৰ প্ৰাণদণ্ডও ঘোষিত হৈ গ'ল। বক্সটেলে তেতিয়া পোনে পোনে ঘাতকক লগ ধৰিলে।

বক্সটেলৰ এই কথাত কোনো সন্দেহ নাই যে বেয়াৰ্লে নিজৰ জেপত টিউলিপৰ কন্দকেইটা ভৰাই লৈয়েই মৃত্যুবৰণ কৰিব। গ্ৰাইফাছৰদ্বাৰা কোনো কাম নহ'ব বুলি ভাবি বক্সটেল ঘাতকজনৰ লগত এটা চুক্তি কৰিলে যে মৃত্যুৰ পাছত ঘাতকজনে

বেয়াৰ্লৰ পোছাকযোৰ এশ গিল্ডাৰৰ বিনিময়ত বক্সটেলক দিব। বক্সটেলে সেই এশ গিল্ডাৰ আগতীয়াকৈ ঘাতকক দিব লগা হ'ল।

এনে ধৰণে সকলো ব্যৱস্থা কৰি বক্সটেলে ঘাতকজনে বেয়াৰ্লৰ শিৰচ্ছেদ কৰাৰ বাবে বাট চাই থাকিল। তেওঁ অসম্ভৱ উত্তেজিত হৈ পৰিছে—বাৰে বাৰে ঘাতকজনলৈ, সৈন্যবাহিনীলৈ আৰু ৰাজকৰ্মচাৰীসকললৈ চাই আছে। যিমানেই সময় অতিবাহিত হৈছে সিমানেই বক্সটেল ক্ৰমাৎ বিৰক্ত হৈছে। ঘাতকে তাৰ কামটো লৰালৰিকৈ কৰা নাই কিয়?

কিন্তু · যি মুহূৰ্ত্ততে বক্সটেলে দেখিলে যে ৰাজকৰ্মচাৰীজনে বেয়াৰ্লক বধ্যভূমিৰপৰা দাঙি লৈ ৰাজকীয় ঘোষণাটো পাঠ কৰি শুনালে সেই মুহূৰ্ত্তত বক্সটেলৰ মুখখন হিংস্র বাঘ আৰু হায়েনাৰ দৰে ভয়াবহ হৈ উঠিল। ওচৰতে পোৱা হ'লে তেওঁ সেই মুহূৰ্ত্তত বেয়াৰ্লৰ ডিঙিত চেপা মাৰিয়েই ধৰিলেহেঁতেন।

অঁ, এতিয়া বেয়াৰ্ল জীয়াই থাকিব—সমগ্ৰ জীৱন বন্দীৰূপে জীয়াই থাকিব। তেওঁ ল'ভেষ্টাইনলৈ যাব লাগিব—তালৈকে নিশ্চয় টিউলিপৰ কন্দকেইটাও লৈ যাব আৰু সম্ভৱতঃ সেই দুৰ্গত তেওঁ ক'লা টিউলিপ ফুলৰ খেতি কৰি ফুলো ফুলাব।

এনেবোৰ কথা চিন্তা কৰি কৰি বক্সটেলে বেয়াৰ্লক লৈ যোৱা গাড়ীখনৰ পিছে পিছে দৌৰি যাবলৈ ধৰিলে।

চতুৰ্দশ অধ্যায়

ডৰ্ট চহৰৰ পাৰ চৰাইবোৰ

ভান বেয়াৰ্লক বধ্যভূমিৰপৰা পোনে পোনে ল'ভেষ্টাইনলৈ পঠাই দিয়া হ'ল। এই কাৰাদুৰ্গ ডৰ্ট চহৰৰ নিচেই ওচৰতে। সেইফালৰপৰা চাবলৈ গ'লে বেয়াৰ্ল যেন নিজৰ জন্মভূমিৰ ওচৰলৈকে ঘূৰি আহিল। পাছে দুৰ্গটো এটা সৰু দ্বীপৰ ওপৰত, ডৰ্ট চহৰৰ লগত ইয়াৰ বিশেষ যোগাযোগ নাই।

এই অঞ্চলৰ মাটি একেবাৰে অসাৰুৱা আৰু জেকা। টিউলিপ ফুলৰ খেতিৰ বাবে এনে মাটি কণমানো উপযোগী নহয়। পাছে ইয়াত টিউলিপ ফুলৰ খেতি কৰাৰ সুযোগেইনো ক'ত? ইয়াত ৰ'জা নাই, সেয়ে টিউলিপৰ কন্দও নাই। ক'লা টিউলিপ আৰু ৰ'জা—এই দুয়োটাৰে আকৰ্ষণ আজি যেন বেয়াৰ্লে হেৰুৱাই পেলাইছে।

বন্দীশালৰ যিটো কোঠাত বেয়াৰ্লক থাকিবলৈ দিয়া হৈছে সেই কোঠাটো বেছ আহল-বহল। কোঠাটোৰ খিৰিকিখন যথেষ্ট ডাঙৰ। সেই খিৰিকিৰে ডৰ্ট চহৰৰ ঘৰ-দুৱাৰ আৰু ওখ চিমনিবোৰ ভালদৰে দেখা যায়। এদিন পুৱা বেয়াৰ্লে খিৰিকিৰে বাহিৰৰ ফালে চাই থাকোঁতে মন কৰিলে জাকে জাকে পাৰ চৰাই আকাশেদি উৰি আহিছে। সেই পাৰবোৰ ডৰ্ট চহৰৰপৰাই আহিছে। সিহঁত আহি দুৰ্গৰ পকা ছাতৰ ওপৰত বহিল।

পাৰবোৰলৈ চাই চাই বেয়াৰ্লে মনে মনে ভাবিলে—এই পাৰবোৰ ডৰ্ট চহৰৰপৰা আহিছে আৰু ইহঁত আকৌ ডৰ্ট চহৰলৈ ঘূৰি যাব। এই পাৰ চৰাই একোটা ধৰি সিহঁতৰ ঠেংত এখন চিঠি বান্ধি দি দেখোন কাৰোবালৈ বতৰা পঠাব পাৰি।

বেয়াৰ্লে প্ৰতিদিনে নিজৰ খাদ্যৰ কিছু অংশ খিৰিকিৰ বাহিৰৰ ফালে দলিয়াবলৈ ধৰিলে। পাৰবোৰে সেইবোৰ খাবলৈ জাক পাতি আহিল। লাহে লাহে সিহঁতে যেন কিছু পোহ মানিলে। সিহঁতে বেয়াৰ্লৰ হাতৰপৰাই খাদ্য খাবলৈ ভয় নকৰা হ'ল। এনেদৰে এসপ্তাহমান যোৱাৰ পাছত তেওঁ এদিন এজনী মাইকী পাৰ ধৰিলে। কেইদিনমানৰ পাছত মতা পাৰ এটাও ধৰি সিহঁতৰ বাবে খিৰিকিৰ ওচৰতে বাহ এটা সাজি দিলে। পাৰযোৰে এনেদৰে থকাৰ পাছত এদিন কণী পাৰিলে, সিহঁতৰ পোৱালি জগিল।

তেতিয়া বেয়াৰ্লে এদিন মাইকী পাৰজনী উৰুৱাই দিলে। তাইৰ ঠেংত এখন কাগজ বান্ধি দিয়া হ'ল। তাত আছিল তিনিখন চুটি চুটি চিঠি। তাৰে প্ৰথমখন বেয়াৰ্লৰ ঘৰৰ ধাইজনীলৈ, দ্বিতীয়খন ৰ'জালৈ আৰু তৃতীয়খন যিকোনো সদাশয় লোকৰ উদ্দেশ্যে। সদাশয় কোনো লোকে এই চিঠি পালে ৰ'জা আৰু ধাইগৰাকীক এই চিঠি দুখন দি দিব। পুৱাই মেলি দিয়া পাৰজনী সন্ধ্যা পুনৰ ঘূৰি আহে। বেয়াৰ্লে তাইৰ ঠেংত হাত দি চায়, চিঠি একেদৰেই আছে। বেয়াৰ্ল হতাশ হোৱা নাই। তেওঁ একেদৰে পুৱাই পাৰজনী মেলি থাকিল। এনেদৰে পোন্ধৰ দিন অতিবাহিত হ'ল। যোল্লদিনৰ দিনা ব্যতিক্ৰম ঘটিল। বেয়াৰ্লে দেখিলে পাৰজনীৰ ঠেংত বান্ধি দিয়া চিঠিখন নাই।

তেনেহ'লে কোনোবাই সেই চিঠি পালে। আচৰিত কথা, চিঠিখন পালে বেয়াৰ্লৰ ঘৰৰ ধাইগৰাকীয়েই। কেনেকৈ সেই চিঠি পালে তাকে কওঁ—

ৰাজধানী হেগৰপৰা ব্যৰ্থ মনোৰথ হৈ ঘূৰি অহাৰ পাছত আইজাক বক্সটেল

কিছুদিন ঘৰতে মন মাৰি বহি আছিল। তাৰ পাছত এদিন কাকো একো নোকোৱাকৈ তেওঁ ক'ৰবালৈ গুচি গ'ল। ঘৰখনত কেৱল কাম কৰা লগুৱা এটাহে থাকিল। তাৰো খোৱা-বোৱাৰ কষ্ট, মালিকে টকা-পইচা দি নগ'ল। সেয়ে সি ঘৰত থকা পাৰবোৰকে ধৰি ধৰি বহি খাবলৈ ধৰিলে। বক্সটেলৰ ঘৰত পাৰ চৰাই আছিল ভালেমান। প্ৰতিদিনে একোটাকৈ খোৱাৰ ফলত পাৰ চৰাইৰ সংখ্যা কমি যাবলৈ ধৰিলে। সিহঁতে আত্মৰক্ষাৰ বাবে বক্সটেলৰ ঘৰ এৰি ওচৰৰ বেয়াৰ্লৰ ঘৰত থাকিবলৈ ল'লে।

আনহাতে, বেয়াৰ্লৰ ঘৰতো ধাইগৰাকীৰ বাহিৰে আন কোনো নাই। মানুহজনী মৰমিয়াল। তেওঁ ঘৰলৈ উৰি অহা পাৰবোৰ মৰমেৰে পালন কৰিলে। বক্সটেলৰ লগুৱাজন এদিন পাৰবোৰ বিচাৰি তাত উপস্থিত হ'লহি। ধাইগৰাকীৰ দয়া হ'ল— তেওঁ ন্যায্য দামতকৈও বেছি দাম দি পাৰবোৰ কিনি ল'লে। এই পাৰ চৰাইখিনিৰ মাজৰে এটা পাৰৰ জৰিয়তে ভান বেয়াৰ্লে পঠোৱা চিঠিখন ধাইগৰাকীৰ হাতত পৰিলহি।

পাৰ চৰাইৰ দৌত্য কিমানদূৰ সফল হ'ল সেই কথা বেয়াৰ্লে বুজিব পৰা নাছিল। তেওঁ ধৈৰ্য্যেৰে বাট চাই ৰ'ল।

এনে সময়তে, ফেব্ৰুৱাৰি মাহৰ আৰম্ভণিতে এদিন সন্ধ্যা আকাশত যেতিয়া তৰাবোৰ এটা-দুটাকৈ জিলিকিবলৈ আৰম্ভ কৰিছে—বেয়াৰ্লে যেন হঠাৎ এটা মিঠা মাত শুনিবলৈ পালে। মাতটো তলৰ ছিৰিৰ ফালৰপৰাই আহিছে। মাতটো শুনিয়েই অজান পুলকত তেওঁ শিহৰিত হৈ উঠিল।

হাত দুখনেৰে বুকুখন চেপি ধৰি তেওঁ বহি পৰিল। মাতটো আকৌ শুনিবলৈ তেওঁ কাণখন উনাই ৰ'ল। কোনো সন্দেহ নাই সেইটো নিশ্চিতভাৱে ৰ'জাৰে মাত। ৰ'জাৰ কণ্ঠস্বৰ চিনাত তেওঁৰ ভুল হ'ব নোৱাৰে।

ভুল নহ'লেও সন্দেহ হোৱাটো স্বাভাৱিক আছিল, যদিহে পাৰ চৰাইৰ দৌত্যৰ কথা সকলো সময়তে তেওঁৰ স্মৃতিত জাগৰূক হৈ নাথাকিলহেঁতেন। সেই দৌত্যৰ লগত ৰ'জাৰ উপস্থিতিক বেছ যুক্তিযুক্তভাৱেই সংযুক্ত কৰিব পৰা যায়। পাৰজনীৰ ঠেঙৰপৰা কোনোবা নহয় কোনোবাই চিঠি খুলি নিছে আৰু তেওঁৰ জৰিয়তেই ৰ'জাই খবৰ পাইছে।

বেয়াৰ্ল বহাৰপৰা উঠিল, আকৌ কাণ পাতি সেই মাতটো শুনিবলৈ চেষ্টা কৰিলে, দুৱাৰখনৰ ফালে হাউলি শুনিবলৈ যত্ন কৰিলে।

হয়, কোনো সন্দেহ নাই। সেই কণ্ঠস্বৰ—যি কণ্ঠস্বৰে প্ৰেগৰ কাৰাগাৰৰ মৰ্মান্তিক নৈৰাশ্যৰ মাজতো তেওঁক প্ৰদান কৰিছিল মধুৰ আশা।

পাছে আশা-নিৰাশাৰ দোলনাত এনেদৰে ওলমি থকাটো কিমান কষ্টকৰ! ৰ'জা আহিছে—সেইটো সঁচা। হেগৰপৰা ল'ভেষ্টাইনলৈ আহিছে। তেওঁ কি কৌশলেৰে দুৰ্গৰ ভিতৰলৈ সোমাইছে সেই কথা বেয়াৰ্লে বুজা নাই। যেনেকৈ নহওক বেয়াৰ্লৰ কোঠা পৰ্য্যন্ত তেওঁৰ গতিবিধি প্ৰসাৰিত কৰিব পাৰিবনে?

এনেদৰে বেয়াৰ্ল একোবাৰ আশাত উৎফুল্ল হৈ পাছ মুহূৰ্ততে আশংকাত শংকিত হৈ পৰে। নিজৰ লগত বুজাপৰা কৰি কৰি তেওঁ যেন ক্লান্ত হৈ পৰিছে।

ঠিক তেনে সময়তে বাহিৰৰপৰা দুৱাৰৰ সৰু জাপখন খোল খাই গ'ল। আনন্দোজ্জ্বল এখনি হাঁহিমুখীয়া সুন্দৰ মুখ তাত জিলিকি উঠিল। যোৱা ছমাহৰ দুশ্চিন্তা আৰু বিচ্ছেদ-যাতনাই সেই মুখখনিত যেন ছাঁ পেলাই গৈছে। তাৰ বাবে মুখখনি যেন অধিক সুন্দৰ, অধিক মোহনীয় হৈ পৰিছে। সেই সৰু জাপ দুৱাৰত মুখখন দি তেওঁ ক'লে, "বেয়াৰ্ল ডাঙৰীয়া, আপুনি শুনিছে—মই আহিলোঁ।"

বেয়াৰ্লে দুয়োখন হাত ওপৰলৈ তুলি আনন্দ প্ৰকাশ কৰি ক'লে, "আঃ ৰ'জা, ৰ'জা! তুমি?"

"অঁ, সৰুকৈ কওক, সৰুকৈ। দেউতা পিছতে আছে।"

"দেউতাৰা আছে! তোমাৰ দেউতাৰা?"

"অঁ, ছিৰিৰ তলতে আছে। দুৰ্গৰ অধ্যক্ষৰপৰা কিবা নিৰ্দেশ লৈছে। তেওঁ এতিয়াই ওপৰলৈ আহিব।"

"দুৰ্গাধ্যক্ষৰ নিৰ্দেশ? কথাটো কি?"

"মই বাকী কথাটো আপোনাক তেনেই চমুকৈ কওঁ শুনক। আমাৰ ষ্টাড্‌হ'ল্ডাৰৰ লিডেনৰপৰা তিনি মাইলমান দূৰত এখন প্ৰকাণ্ড পাম আছে। আমাৰ মাহী হ'ল সেই পামখনৰ সৰ্বময় কৰ্ত্ৰী। মাহী আকৌ ষ্টাড্‌হ'ল্ডাৰৰ সৰু কালৰ ধাত্ৰী আছিল। মই আপোনাৰ চিঠিখন যেতিয়া পালোঁ—মানে আপোনাৰ ধাইগৰাকীয়ে মোক যেতিয়া চিঠিখন পঢ়ি শুনালে, মই লগে লগে মাহীৰ ঘৰলৈ গ'লোঁ। ষ্টাড্‌হ'ল্ডাৰ অৰ্থাৎ ৰাজকুমাৰে পামখন পৰিদৰ্শন কৰিবলৈ নোযোৱালৈকে মই তাতে খাপ পাতি থাকিলোঁ। ৰাজকুমাৰ যেতিয়া তালৈ আহিল মই তেখেতৰ ওচৰত এটি সামান্য আৰ্জি পেছ কৰিলোঁ—মই তেখেতক ক'লোঁ যে মোৰ দেউতাক যেন বুইটেনহফ দুৰ্গৰপৰা ল'ভেষ্টাইন দুৰ্গলৈ বদলি কৰি দিয়ে। তেখেতে মোৰ উদ্দেশ্যৰ কথা একো জনা নাছিল আৰু সেয়ে মোৰ অনুৰোধ তেখেতে ৰক্ষা কৰিলে।"

"অঁ, তুমি তেনেহ'লে সদায় ইয়াতে থাকিম বুলি আহিলা?"

"দেখিছেই নহয়।"

"মই তেনেহ'লে তোমাক সদায়েই লগ পাম?"

"যিমান ঘনে ঘনে পাৰোঁ মই আহি থাকিম।"

"অঃ ৰ'জা, মোৰ মৰমৰ ৰ'জা। তুমি বাৰু মোক কণমান ভাল পোৱানে?" বেয়াৰ্লে জাপ দুৱাৰখনৰ সৰু ফুটাটোৰে ৰ'জাক হাতখনেৰে স্পৰ্শ কৰিব খুজিলে, পাছে আঙুলিৰ মূৰ কেইটাৰেহে ৰ'জাক স্পৰ্শ কৰিব পাৰিলে।

"দেউতা আহিছে, দেউতা আহিছে," এইবুলি ৰ'জাই হঠাৎ উচাট মাৰি ছিৰিৰে তললৈ নামি গ'ল।

পঞ্চদশ অধ্যায়

জালি থকা সক খিৰিকিখন

গ্ৰাইফাছে বন্দীশালৰ দুৱাৰখন খুলি সোমাই আহিল। তেওঁৰ পিছে পিছে কুকুৰটোও আহিছে। একেবাৰে শেষত থিয় হৈ আছে ৰ'জা। আন্ধাৰ বাবে গ্ৰাইফাছে কোঠাৰ ভিতৰত থকা বন্দীক ভালদৰে দেখা নাই যদিও হাতত থকা লেমটো দাঙি বন্দীৰ ফালে চাই ক'লে, "শুনিছানে, আজিৰপৰা তুমি নতুন কাৰাধ্যক্ষ পালা। এই বন্দীশালৰ প্ৰতিটো কোঠা মোৰ তদাৰকত থাকিব। মই ভয় লগা নহয়, কিন্তু নিয়মানুৱৰ্তিতাৰ ক্ষেত্ৰত সকলোৱে মোক গুৰুত্ব সহকাৰে লোৱাটো মই বিচাৰোঁ।"

"গ্ৰাইফাছ ডাঙৰীয়া, মই আপোনাক ভালদৰেই জানো নহয়," বন্দীয়ে মাত দিলে।

লেমৰ পোহৰত বেয়াৰ্লক দেখি গ্ৰাইফাছে যেন কিছু বিৰক্ত হ'ল, "অদ্ভুত কাণ্ড, তোমাক ইয়াত দেখি মই সঁচাকৈয়ে আচৰিত হৈছোঁ।"

"আপোনাৰ ভগা হাতখন সম্পূৰ্ণ ভাল হোৱা দেখি মই সঁচাকৈয়ে আনন্দিত হৈছোঁ, গ্ৰাইফাছ ডাঙৰীয়া।"

ভান বেয়াৰ্ল যে ল'ভেষ্টাইনত আছে সেই কথা গ্ৰাইফাছে জনা নাছিল। সেয়ে বেয়াৰ্লক বন্দীশালত দেখি তেওঁ বিৰক্ত হ'ল। বিৰক্তি প্ৰকাশ কৰি তেওঁ ক'লে, "ষ্টাড্-হ'ল্ডাৰে এটা ভুল কৰিলে। পণ্ডিত লোকসকলক জীয়াই থাকিবলৈ দিব নালাগে। দ্য উইটহঁত এতিয়া কেনে শান্ত-সমাহিত ৰূপত আছে! তোমাকো তেনেদৰে শান্ত কৰি ৰখাৰ সুযোগ আছিল। তেখেতে তোমাক দয়া কৰিবলৈ গৈ সকলো পণ্ড কৰিলে।"

"পণ্ডিতসকলৰ ওপৰত আপোনাৰ ইমান খং কিয়?"

"খং কিয়? কাৰণ তেওঁলোকে মদ নাখায়, কোনো গোলমাল নকৰে, ষড়যন্ত্ৰ কৰিবৰ বাবে মূৰটো সদায় পৰিষ্কাৰ কৰি ৰাখে। দহোটা সৈনিক বন্দীয়ে কোনো আমনি কৰিব নোৱাৰে, কিন্তু এজন বন্দী পণ্ডিতে তোমাক পানী খুৱাই দিব। পাছে তোমাক মই প্ৰথমেই সাৱধান কৰি দিছোঁ—মোৰ লগত কোনো চালাকী কৰিবলৈ নাযাবা। মই ইয়াৰ কাৰাধ্যক্ষ হৈ আহিছোঁ। তোমাক মই চকুৱে চকুৱে ৰাখিম।"

কথা কৈ কৈ গ্ৰাইফাছে কোঠাৰ খিৰিকিখনৰ ওচৰত ৰ'লগৈ। ঠিক তেনেতে অচিনাকি আৰু খহটা মাত শুনি খিৰিকিৰ ওচৰতে থকা বাহটোৰপৰা পাৰ দুটা ধপধপাই উৰি গ'ল। গ্ৰাইফাছে চমকি উঠি ক'লে, "সেইটো আকৌ কি?"

"মোৰ পাৰবোৰ," বেয়াৰ্লে ক'লে।

"তোমাৰ পাৰ? কয়দীৰ আকৌ নিজৰ বুলি কিবা থাকে নেকি?"

"বাৰু, মোৰ বাৰু নিজৰ নহয়, ভগৱানৰ দয়াত সিহঁত মোৰ কাষলৈ আহিছে, মোক আনন্দ দিছে।"

"গতিকে তুমি বন্দীশালৰ নিয়ম ভংগ কৰিছাই," গ্ৰাইফাছে ক'লে। "পাৰ! তোমাৰ নিজৰ পাৰ! ভেকা ল'ৰা, তোমাক মই এতিয়াই কৈ থ'লোঁ—কাইলৈৰ ভিতৰতে সিহঁত মোৰ খাদ্য হ'ব।"

"কিন্তু গ্ৰাইফাছ ডাঙৰীয়া, প্ৰথমে আপুনি সিহঁতক ধৰকচোন বাৰু..."

"কাইলৈকে ধৰিম, তুমি চাই থাকা।"

এইবুলি কৈ গ্ৰাইফাছে খিৰিকিৰে মুখখন উলিয়াই বাহিৰৰ ফালে চালে। সেই সুযোগতে বেয়াৰ্লে দুৱাৰৰ ওচৰলৈ গৈ ৰ'জাৰ হাতখনত চিকুট মাৰি দিলে। ৰ'জাই ফুচফুচাই ক'লে, "আজি ৰাতি ন বজাত আহিম।"

গ্ৰাইফাছে বেয়াৰ্ল আৰু ৰ'জাৰ এই কথা-বতৰা মন নকৰিলে। তেওঁ খিৰিকিখন জপাই বন্দীশালৰ দুৱাৰখন বন্ধ কৰি তলাটো মাৰিলে আৰু ৰ'জাক লগত লৈ ছিৰিৰে তললৈ নামি গ'ল।

গ্ৰাইফাছ ওলাই যোৱাৰ পাছত বেয়াৰ্ল কিছুপৰ কোঠাৰ ভিতৰতে থৰ লাগি থিয় হৈ ৰ'ল আৰু তাৰ পাছত দৌৰি যোৱাদি গৈ খিৰিকিখন খুলি দি বাহিৰলৈ হাতখন

উলিয়াই পাৰ বাহটো একেবাৰে ভাঙি পেলালে। গ্ৰাইফাছৰ পেটলৈ যোৱাতকৈ সিহঁত ভৰ্ট চহৰলৈ ঘূৰি যাওক। তাত অন্ততঃ নিৰাপদ আশ্ৰয় আছে।

গ্ৰাইফাছ বৰ্বৰ। তেওঁ বন্দীবোৰক অকাৰণে যন্ত্ৰণা দিয়ে আৰু যন্ত্ৰণা দি আনন্দ পায়। এনে এজন নিৰ্দয় মানুহ ল'ভেষ্টাইন দুৰ্গৰ মুৰব্বী হৈ অহা কাৰ্য্যত বেয়াৰ্ল বিৰক্তিয়েই হ'লহেঁতেন... যদিহে...

অঁ, যদিহে তেওঁৰ বদলিৰ উপলক্ষ্যতে ভগবানে বেয়াৰ্লৰ ওচৰলৈ ৰ'জাক ঘূৰাই নপঠালেহেঁতেন...। ৰ'জা বেয়াৰ্লৰ বাবে সান্ত্বনা, আশা আৰু ক'লা টিউলিপৰ সম্ভাবনা।

বেয়াৰ্লে ল'ভেষ্টাইন দুৰ্গৰ চূড়াৰ ঘড়ীটোৰ ন বজাৰ সময়-সংকেতৰ বাবে অপেক্ষা কৰি ৰ'ল। ন বজাৰ সংকেত বাজি উঠিল আৰু ঠিক তেতিয়াই বেয়াৰ্লে ছিৰিত অস্পষ্ট খোজৰ শব্দ শুনিলে। পোছাকৰ খচ্‌মচনিও তেওঁৰ কাণত পৰিল। কোঠাৰ দুৱাৰখনৰ ফালে স্থিৰ দৃষ্টিৰে চাই থকা বেয়াৰ্লে দেখিলে দুৱাৰৰ জাপখন খোল খালে।

ছিৰিৰে দৌৰি অহা বাবে ৰ'জাই কণমানি ফোঁপাই ফোঁপাই ক'লে, "এয়া মই আহিলোঁ..."

"ৰ'জা, ৰ'জা সোণজনী..."

"মোক দেখি আপোনাৰ ভাল লাগিছেনে বাৰু?"

"সেইটোনো সুধিব লাগেনে? কিন্তু ইমান ৰাতি তুমি ইয়ালৈ কেনেকৈ আহিলা? কোবাচোন কেনেকৈ আহিলা?"

"জানে, দেউতাই ৰাতিৰ আহাৰৰ পাছত বেছিকৈ মদ খায়, ফলত হুচ নাথাকে। বেহুচ হৈ পৰা দেখিলেই মই শুৱাই দিওঁ। আপুনি আকৌ এই কথা দেউতাৰ আগত কৈ নিদিব। মই প্ৰতিদিনে ৰাতি এবাৰ ইয়ালৈ আহি এঘণ্টামান আপোনাৰ লগত কটাব পাৰিম।"

"আঃ ধন্যবাদ, মই তোমাক ধন্যবাদ জনাইছোঁ, ৰ'জা।"

"আৰু শুনক, মই আপোনাৰ টিউলিপ ফুলৰ কন্দকেইটা লৈ আহিছোঁ নহয়।" কথাষাৰ শুনিয়েই বেয়াৰ্লৰ হিয়াখন আনন্দত থৌকি-বাথৌ কৰি উঠিল। ইমানপৰে তেওঁ ৰ'জাক কথাটো সুধিবলৈ সুবিধাই পোৱা নাই যে তেওঁৰ সাধনাৰ ধনটি ৰ'জাই কি কৰিলে।

"তুমি ৰাখিছা তেনেহ'লে? নষ্ট হ'বলৈ দিয়া নাই?"

"আপোনাৰ সবাতোকৈ প্ৰিয় বস্তুটি মোক জানো সযত্নে ৰাখিবলৈ দিয়া নাছিল?"

“আক শুনক, মই আপোনাৰ টিউলিপ ফুলৰ কন্দকেইটা লৈ আহিছোঁ নহয়।”

"ওঁহোঁ। ৰাখিবলৈ দিয়া নাই। তোমাক একেবাৰে মই দিয়েই দিছোঁ।"

"নহয় নহয়। আপোনাৰ যদি মৃত্যু হ'লহেঁতেন তেতিয়াহ'লেহে বস্তুবোৰ মোৰ হ'লহেঁতেন। সৌভাগ্যবশতঃ আপুনি এতিয়াও জীয়াই আছে। মই সেইবাবে মহাৰাজৰ সদায় মংগল কামনা কৰিছোঁ। মই যেতিয়াই আপোনাৰ ধৰ্মপিতৃৰ বাইবেলখন চাওঁ, তেতিয়াই মই স্থিৰ কৰোঁ যে ফুলৰ এই কন্দকেইটা আপোনাক ঘূৰাই দিব লাগিব। কিন্তু কেনেকৈ দিওঁ তাৰহে কোনো উপায় পোৱা নাছিলোঁ। মই যেতিয়াই বুজিব পাৰিছিলোঁ যে মহাৰাজৰ অন্তৰত দয়া আছে তেতিয়াই মই মনে মনে থিৰ কৰিছিলোঁ যে তেখেতৰ লগত লিডেনত দেখা কৰি সেইটাক ল'ভেষ্টাইনলৈ বদলি কৰাই ল'ম। ভয়ো যে লগা নাছিল তেনে নহয়। ভয়ৰ বাবেই ইমানদিন পলম হ'ল। আপোনাৰ ধাইগৰাকীৰপৰা যেতিয়া চিঠিখন পালোঁ তেতিয়া আৰু দ্বিধা নকৰিলোঁ।"

"মোৰ চিঠি পোৱাৰ আগতেই তুমি মোৰ ওচৰলৈ আহিব খুজিছিলা?" কৃতজ্ঞতাৰ উচ্ছ্বাসত বেয়াৰ্লৰ মাতটো যেন থোকাথুকি হৈ গ'ল।

"পাছে আপোনাৰ চিঠিখন পাই সেইদিনা মোৰ আনন্দতকৈ বেছি বেজাৰহে লাগিছিল।"

"কিয়? বেজাৰ কিয়?"

কাৰণ মই যে পঢ়িব নাজানো। ইয়াৰ আগতেও বিভিন্নজনে প্ৰেম নিবেদন কৰি লিখা ভালেমান চিঠি মই পাইছিলোঁ। কিন্তু সেইবোৰ মই পুৰি পেলাইছিলোঁ। পাছে এদিন এটা ঘটনা ঘটিল—"

"কি ঘটনা ঘটিল, ৰ'জা।"

ৰ'জাই উত্তৰ দিব নোৱাৰিলে। লাজতে তাইৰ মুখখন ৰঙা পৰি উঠিল। তাই চকু দুটা নমাই তললমূৰ কৰিলে। তাৰ পাছত তাই দৌৰি যোৱাদি দুৱাৰমুখৰপৰা আঁতৰি গ'ল। টিউলিপৰ কন্দকেইটাও বেয়াৰ্লক ঘূৰাই দিয়াৰ কথা তাই পাহৰি গ'ল।

ৰ'জাই উল্লেখ কৰা ঘটনাটো কি আছিল বেয়াৰ্লৰ বুজিবলৈ বাকী নাই। ঘটনাটো হ'ল বেয়াৰ্ল আৰু ৰ'জাৰ প্ৰথম দৃষ্টি বিনিময়।

ষোড়শ অধ্যায়

গুৰু আৰু শিষ্যা

ল'ভেষ্টাইন কাৰাদুৰ্গত সেই সময়ত বন্দী আছিল মাথোন পাঁচজন। কেউজন বন্দীয়েই আছিল দুৰ্গৰ ওপৰ মহলাত। কাৰাধ্যক্ষ গ্ৰাইফাছৰ দৃষ্টিত এইকেইজন বন্দীৰ ভিতৰত সবাতোকৈ দুৰ্ধৰ্ষ অপৰাধীজনেই হ'ল বেয়াৰ্ল। গ্ৰাইফাছে বেয়াৰ্লৰ প্ৰতিটো খোজেই তীক্ষ্ণ দৃষ্টিৰে লক্ষ্য কৰে আৰু কোনো কাৰণতে তেওঁৰ লগত মিঠা মুখেৰে কথা নাপাতে। দিনটোত তিনিবাৰ তেওঁ বেয়াৰ্লৰ কোঠাত ভুমুকি মাৰিবই।

আনহাতে, প্ৰতি ৰাতি দুৰ্গৰ ঘড়ীত ন বজাৰ লগে লগে ৰ'জা বেয়াৰ্লৰ কোঠাৰ বাহিৰত উপস্থিত হয়হি। দুৱাৰৰ জাপখনৰ সিপাৰে থিয় হৈ দুয়ো নানা কথাত মগ্ন হৈ থাকে।

সেইদিনাও ভান বেয়াৰ্ল আৰু ৰ'জা এনেদৰে নানা কথাত মগ্ন হৈ থাকোঁতেই বেয়াৰ্লে ৰ'জাক হঠাৎ সুধিলে, "মোক কথা এটা কোৱাচোন, ৰ'জা, দুৰ্গৰ ভিতৰত সৰু ফুলনি এখন নাই জানো?"

"কিয় নাথাকিব, আছে আছে। পুৰণি ফুলৰ গছ গছনিৰে ফুলনি এখন মোৰ কোঠাৰ ওচৰতে আছে।"

"তুমি সেই ফুলনিৰপৰা অলপ মাটি লৈ আহিব পাৰিবানে? মই পৰীক্ষা কৰি চাম। মাটিখিনি আনোতে ৰ'দ পৰা আৰু ছাঁ পৰা দুয়ো ঠাইৰেপৰা আনিবা। মই তাৰপৰা মাটিখিনি কিমান জেকা আৰু কিমান শুকান পৰীক্ষা কৰি চাম।"

"মই কাইলৈকে আনিম।"

"মাটিখিনি পৰীক্ষা কৰাৰ পাছত প্ৰয়োজন হ'লে সাৰ প্ৰয়োগ কৰি আমি আমাৰ টিউলিপ ফুলৰ কন্দকেইটা পচাম। মই কোৱামতে এদিন তুমি এটা কন্দ পচাবা। মোৰ নিৰ্দেশ মতে কাম কৰিলে এদিন তোমাৰ ফুল ফুলিবই।"

"মই চকুৰে চকুৰে ৰাখিম নহয়।"

"আন এটা কন্দ তুমি মোক দিবা। মই বন্দীশালৰ এই কোঠাত পচাম। ইয়াত অৱশ্যে ৰ'দ নপৰে। তথাপি কৃত্ৰিমভাৱে মই ইয়াতে ফুলবোৰ যত্ন কৰিম। আমাৰ প্ৰথম এই দুয়োটা প্ৰচেষ্টা ব্যৰ্থ হ'লেহে আমি বিশেষকৈ তুমি তৃতীয়টো কন্দ ব্যৱহাৰ কৰিবা।"

"বাৰু, মই তেনেহ'লে কাইলৈৰপৰা ফুলনিৰ মাটি আনিবলৈ আৰম্ভ কৰিম।"

"লৰালৰি কৰিব নালাগে। টিউলিপ ফুলৰ কন্দটো পচাবলৈ এমাহ সময় আছে। কেবল এটা কথা মনত ৰাখিবা—মই দিয়া প্ৰতিটো নিৰ্দেশ যাতে আখৰে আখৰে পালন কৰা হয়।"

"মই কথা দিছোঁ, আপোনাৰ প্ৰতিটো নিৰ্দেশেই পালন কৰিম।"

"আৰু এটা কথা, কন্দটো পচোৱাৰ দিনাৰপৰাই তুমি সতৰ্ক হ'ব লাগিব। বিশেষকৈ ৰাতি মেকুৰী আৰু এন্দুৰৰ বাবে বিশেষ সাৱধান হ'ব লাগিব। তাৰ উপৰি বতৰ, পৰিৱেশ আদি প্ৰতিটো খুঁটি-নাটি তুমি মোক জনাই থাকিব লাগিব। আৰু শুনা, মেকুৰী আৰু এন্দুৰতকৈও আৰু এবিধ ভয়াবহ প্ৰাণী আছে। সেই প্ৰাণীটোৰ বাবেহে তুমি বেছি সাৱধান হ'ব লাগিব।"

"কি প্ৰাণী?"

"মানুহ! বুজিছা, মানুহেই হ'ল সবাতোকৈ ভয়াবহ প্ৰাণী। তোমাৰ এক লাখ গিল্ডাৰ তেওঁ এক মুহূৰ্ততে লৈ যাব।"

"নাই নাই, মোৰ বাহিৰে ফুলনিতো আন কোনোৱেই সোমাব নোৱাৰে।"

"হয় নেকি? বৰ ভাল কথা। তেনেহ'লে তোমাৰপৰাই মোৰ জীৱনৰ সবাতোকৈ মধুৰ আনন্দখিনি এদিন পাম।"

সেইদিনাই ৰ'জাই বেয়াৰ্লৰ হাতত টিউলিপ ফুলৰ কন্দ এটা গতাই দিলে। পাছদিনাৰপৰা প্ৰতি ৰাতি ৰ'জাই এমুঠি এমুঠিকৈ ফুলনিৰ মাটি আনিবলৈ ধৰিলে। বেয়াৰ্লে পানীৰ পাত্ৰ এটাৰ মুৰটো ভাঙি ৰ'জাই অনা মাটিখিনি তাত ভৰাই লৈ তাতে নৈৰপৰা অনা শুকান পলসুৱা মাটিও অলপ ৰ'জাৰ হতুৱাই অনাই মিহলাই দিলে। এপ্ৰিল মাহৰ প্ৰথম ভাগত তেওঁ সেই পাত্ৰটোত টিউলিপৰ কন্দটো ৰোপণ কৰিলে। তাৰ পাছত প্ৰতি ৰাতি তেওঁলোকৰ মাজত টিউলিপৰ বিষয়েই আলোচনা হ'বলৈ ধৰিলে।

দিনবোৰ গৈ থাকিল। এদিন ৰাতি ৰ'জাই বেয়াৰ্লক ক'লে, "মই আপোনাক কথা এটা ক'ব খোজোঁ। আমি প্ৰতি ৰাতি এঘণ্টাকৈ সময় নিজৰ কৰি পাইছোঁ। এই এঘণ্টা সময় আমি ভাল ধৰণে ব্যৱহাৰ কৰা ভাল হ'ব।"

"এই এঘণ্টা সময় বেয়া ধৰণে খৰচ হৈছে বুলিতো মই নাভাবোঁ।"

"নহয় নহয়, মই সেই কথা কোৱা নাই। এই সময়খিনি আমি ইয়াতকৈও ভাল ধৰণে ব্যৱহাৰ কৰিব পাৰোঁ," কপমান হাঁহি ৰ'জাই ক'লে। "আপুনি দেখোন মোক লিখা-পঢ়াকে শিকাব পাৰে!"

"হয় হয়, তুমি উচিত কথা কৈছা, ৰ'জা। তুমি লিখা-পঢ়া কৰিব পৰাটো মওো বিচাৰোঁ।"

"তেনেহ'লে আমি কেতিয়াৰপৰা আৰম্ভ কৰিম?"

"এতিয়াই! এতিয়াৰপৰাই।"

"নহয়, কাইলৈৰপৰা কৰোঁ।"

"কাইলৈৰপৰা কিয়?"

"কাৰণ, আজি আমাৰ নিৰ্দিষ্ট ঘণ্টাটো শেষেই হ'ল। মই আপোনাক এতিয়াই এৰি যাব লাগিব।"

"বাৰু, আমিনো কি পঢ়িম?"

"মোৰ এখন কিতাপ আছে নহয়—এখন ভাল কিতাপ—যিখনে আমালৈ সৌভাগ্য কঢ়িয়াই আনিব বুলি মই বিশ্বাস কৰোঁ।"

"তেনেহ'লে কাইলৈৰপৰা আৰম্ভ কৰিম?"

. "অঁ অঁ, কাইলৈৰপৰা।"

পাছদিনা ৰ'জাই হাতত কৰ্নেলিয়াছ দ্য উইটৰ সেই বাইবেলখন লৈ বন্দীশালৰ দুৱাৰমুখত উপস্থিত হ'ল।

সপ্তদশ অধ্যায়

ফুলৰ প্ৰথমটো কন্দ

আমি আগতে কোৱাৰ দৰে পাছদিনা ৰাতি কৰ্নেলিয়াছ দ্য উইটৰ বাইবেলখন হাতত লৈ ৰ'জা বেয়াৰ্লৰ ওচৰত হাজিৰ হ'ল। তাইৰ এহাতত এটা লেম্প। এতিয়া গুৰু-শিষ্যাৰ শিক্ষানবিচী আৰম্ভ হ'ল। দুৱাৰখনৰ জাপটোৰ সৰু ফাঁকটোৰে বেয়াৰ্লে ৰ'জাক আখৰ চিনাকিৰপৰা আৰম্ভ কৰি মাতিবলৈ আৰু লিখিবলৈ শিকালে। প্ৰতি দিনে ৰাতি দহ বজাৰ পাছত নিজৰ কোঠালৈ ঘূৰি গৈ ৰ'জাই সেই দিনটোৰ শিকা প্ৰতিটো পাঠৰ অনুশীলন কৰিবলৈ ধৰিলে আৰু এনেদৰে কিছুদিনৰ ভিতৰতে ৰ'জাই লিখিব আৰু পঢ়িব পৰা হ'ল।

এদিন ৰাতি ৰ'জা আধাঘণ্টামান পলমকৈ অহিল। বেয়াৰ্লে পলম হোৱাৰ কাৰণ সোধাত ৰ'জাই ক'লে, "ইয়াত দেউতাৰ বন্ধু এজন ওলাইছে। পুৱা-গধূলি দেউতাৰ ওচৰত আড্ডা দিয়ে। সদায় ৰাতি মদৰ বটল এটা আনি দেউতাক উপহাৰ দিয়েহি আৰু এনেদৰে মদ খুৱাই দেউতাক বশ কৰিছে।"

"মানুহটোৰ বিষয়ে তুমি আৰু একো নাজানা?"

"নাই নাজানো," ৰ'জাই ক'লে, "দেউতাৰ ওচৰলৈ অহাৰ পোন্ধৰ দিন মানেই হ'ল। প্ৰতিদিনেই আহি আছে।"

"বোধকৰোঁ কোনোবা চোৰাংচোৱা।"

"হ'ব পাৰে। মোৰ পাছে ধাৰণা হয়—এই মানুহটো আপুনি বুইটেনহফ কাৰাগাৰত বন্দী হৈ থাকোঁতে তালৈকো আহিছিল। মই যেতিয়া সেই দুৰ্গ এৰি আহিলোঁ মানুহটো মোৰ পিছে পিছে আহি এইখিনি পাইছেহি। হেগত মানুহটোৱে আপোনাৰ বন্ধু বুলি কৈ আপোনাক লগ পাবলৈ বিচাৰিছিল।"

"মোক লগ পাবলৈ?"

"অঁ, এইটো হয়তো তাৰ এটা অজুহাতহে আছিল। এইবাৰ পাছে মানুহটোৱে আপোনাক লগ পাবলৈ বিচৰা নাই। কালি ৰাতি মানুহটোৱে দেউতাক কোৱা মই শুনিছোঁ—তেওঁ বোলে আপোনাক চিনি নাপায়।"

"ৰ'বা ৰ'বা। মানুহটো কোন মই বোধহয় বুজি পাইছোঁ। মানুহটোৰ উদ্দেশ্যনো কি সেয়াও মই বুজি পাইছোঁ।"

"মানুহটো আপোনাৰ কোনো বন্ধু হ'ব পাৰে নেকি বাৰু?"

"ওঁহো, মোৰ কোনো বন্ধু নাই, ৰ'জা। মোৰ মাথোন বুঢ়ী ধাইজনীহে আছে। তেওঁক তুমি লগ পাইছাই। তেওঁৰ বাহিৰে মোৰ কোনো আপোন বন্ধু-বান্ধৱ নাই।"

"তেনেহ'লে মই কি ভাবিছোঁ শুনক। কালি সন্ধ্যাৰ আগে আগে মই যেতিয়া আপোনাৰ টিউলিপৰ কন্দটো পচাবৰ বাবে ফুলনিখনত মাটিখিনি খন্তি এখনেৰে খান্দি আছিলোঁ, তেতিয়া ফুলনিৰ গছ-গছনিৰ আঁৰত মই যেন এটা ছাঁ দেখিলোঁ। মোৰ ধাৰণাত সেই ছাঁটো এই মানুহটোৱেই। মানুহটোৱে আঁৰৰপৰা মই কি কৰিছোঁ চাই আছিল—সি যে মোৰ পিছে পিছে আহিছিল তাত কোনো সন্দেহ নাই।"

"হ'ব পাৰে, হ'ব পাৰে। সি তোমাৰ প্ৰেমতো পৰিব পাৰে," বেয়াৰ্লে ক'লে। "মানুহটো ডেকানে? দেখাত ধুনীয়ানে?"

"মুঠেই নহয়," হাঁহি ৰ'জাই ক'লে। "মানুহটো আদহীয়া—পঞ্চাছ বছৰমান বয়সৰ।"

"মানুহটোৰ নাম কি?"

"নামটো জেকব।"

"মই তেওঁক চিনি নাপাওঁ।"

"তেনেহ'লে মানুহটো আপোনাৰ পিছত লগা নাই।"

"মোৰ পিছত হয়তো নালাগিব পাৰে, আৰু তোমাৰ পিছতো লাগিব পাৰে। সি তোমাক ভাল পাব পাৰে। তুমি নিশ্চয় তাক ভাল নোপোৱা?"

"কেতিয়াও নাপাওঁ, আপুনি নিশ্চিন্ত থাকক। এতিয়া মই পাছে যাওঁ—"

"ইমান সোনকালে যোৱানে? দেৰিকৈ আহিছা আৰু সোনকালে যাবলৈও ওলাইছা?"

"নহয় যাওঁ, দেউতাই মোক বেছি সময় নেদেখিলে সন্দেহ কৰিব পাৰে। আনহাতে সেই প্ৰেমিকজনেও সন্দেহ কৰিব পাৰে নহয়।"

ৰ'জাই হঠাৎ কাণ পাতি কিবা এটা শুনিবৰ চেষ্টা কৰিলে।

"সেইটো কিহৰ শব্দ?" বেয়াৰ্লে সুধিলে।

"মই যেন কাৰোবাৰ খোজৰ শব্দ এটা শুনিলোঁ।"

"খোজৰ শব্দ?"

"অঁ, খোজৰ শব্দ। কোনোবা যেন ছিৰিৰে সাৱধানে ওপৰলৈ উঠি আহিছে।"

"সেয়া নিশ্চয় তোমাৰ দেউতাৰা নহয়। দেউতাৰাৰ ভৰিৰ খোজৰ শব্দ বহুত দূৰৰপৰাই শুনা যায়।"

"দেউতা নহয়। মই নিশ্চিত।"

"তেনেহ'লে কোন হ'ব পাৰে?"

"এয়া নিশ্চয় মিষ্টাৰ জেকবৰে খোজৰ শব্দ," ৰ'জাই ক'লে।

এইবুলি ৰ'জা লৰালৰিকৈ ছিৰিৰে তললৈ নামিবলৈ ধৰিলে। তলৰ চোতালখন পোৱাৰ আগতেই ৰ'জাই ক'ৰবাত দুৱাৰ এখন বন্ধ হোৱাৰ শব্দ শুনিলে। এই গোটেই ঘটনাটোৱে বেয়াৰ্লকো বৰ অস্বস্তিত পেলালে।

পাছদিনা কোনো উল্লেখযোগ্য ঘটনা নঘটাকৈ পাৰ হ'ল। গ্ৰাইফাছে প্ৰতিদিনে বন্দীশাল পৰিদৰ্শনৰ বাবে দিনে তিনিবাৰকৈ আহিল। পাছে বেয়াৰ্লৰ কোঠাত তেওঁ একোকেই নাপালে। তেওঁ বেয়াৰ্লৰ ওচৰলৈ সদায় একে সময়তে নাহে। ইফালে বেয়াৰ্লে ভগা মাটিৰ পাত্ৰটো তেওঁ টিউলিপৰ কন্দটো পচোৱা, খিৰিকিখনৰ তলৰ ফালে টাইলছৰ আঁৰত লুকুৱাই থয়। গ্ৰাইফাছে কোঠাত সন্দেহ কৰিব লগা একো নেদেখে।

এনেদৰে আঠদিন অতিবাহিত হ'ল।

এদিন ৰাতিপুৱা। বেয়াৰ্লে নিজৰ কুঠৰীত ভগা মাটিৰ পাত্ৰত পচোৱা টিউলিপৰ কন্দটোত দুটা কোঁহ মাথোন মেলিছে। বেয়াৰ্লে কেইবাদিনো ফুলজোপাৰ ওচৰতে মগ্ন হৈ আছে। সেইদিনা তেওঁ এনেভাৱে মগ্ন হৈ আছিল যে গ্ৰাইফাছ ছিৰিৰে ওপৰলৈ উঠি অহাৰ শব্দ তেওঁ নুশুনিলে। তেনেতে বন্দীশালৰ কোঠাৰ দুৱাৰখন সশব্দে মেল খাই গ'ল।

গ্ৰাইফাছে হাতে-লোটে বন্দীক ধৰা পেলালে। খিৰিকিৰ টাইলছৰ ফাঁকত ভগা পাত্ৰৰ টুকুৰা এটা। দেখিলেই বুজা যায় তাত কিবা পচোৱা হৈছে।

গ্ৰাইফাছ গৰজি উঠিল, "এইটো কি, হঁ? এইটো কি? এইটো কি হৈছে ইয়াত?"

"নাই নাই, বিশেষ একো নহয়," বেয়াৰ্লে খোনাই থৰমৰ খাই কিবা এটা ক'লে।

"নাই মানে! মই তোমাক ধৰা পেলালোঁ, বুইছা? এইটো এটা ভগা পানীৰ পাত্ৰ—ইয়াত মাটিও দিয়া আছে—ইয়াৰ ভিতৰত কি আছে, হঁ? কোবাচোন শুনো, ইয়াৰ ভিতৰত কি আছে।"

"আ...আ...আ... হাত নিদিব, হাত নিদিব... ভগবানৰ শপত, তাত হাত নিদিব," ব্যাকুলকণ্ঠে চিঞৰ এটা মাৰি বেয়াৰ্লে গ্ৰাইফাছৰ হাতখনত খামোচ মাৰি ধৰিলে।

"হাত নিদিম? কিয় নিদিম? এইটো আকৌ এইবাৰ তুমি কি খেলা দেখুৱাইছা? আগৰবাৰ পাৰ চৰাই পুহিছিলা—এইবাৰ কি কৰিব খুজিছা? কেৱল শুকান মাটিত মানুহে পানী নিদিয়ে—ইয়াত কি আছে মই চামেই।"

"চাওক ডাঙৰীয়া, ইয়াত আচলতে বিশেষ একো নাই," বেয়াৰ্লে কাওবাওকৈ ক'লে।

"নাই, নহ'ব," গ্ৰাইফাছে ক'লে, "মোক ভালে ভালে চাবলৈ দিয়া নহ'লে মই বন্দী মাতিম।"

"যাকে মাতে মাতি থাকক। পাছে এই ফুল মই মৰি গ'লেও নিদিওঁ।"

গ্ৰাইফাছে আঁজোৰ মাৰি বেয়াৰ্লৰ হাতখন একৰাই দি পাত্ৰটোত আঙুলি সুমুৱাই মাটিবোৰ খান্দিবলৈ ধৰিলে। বেয়াৰ্লৰ চকুৰপৰা তেতিয়া যেন জুইহে বৰষিছে। তেওঁৰ সাধনাৰ ধন ক'লা টিউলিপ এইবাৰ বোধহয় ধ্বংস হ'ব।

গ্ৰাইফাছে আঙুলিৰে খান্দি পাত্ৰটোৰপৰা সেই মহামূল্য মাণিক যেন টিউলিপ ফুলৰ কন্দটো উভালি আনিলে। তাৰ পাছত এক পৈশাচিক উল্লাসত গ্ৰাইফাছে কন্দটো ভৰিৰ তলত পেলাই জোতাৰে মোহাৰি চেপেটা কৰি পেলালে। বেয়াৰ্ল যেন সেই

তাৰ পাছত এক পৈশাচিক উল্লাসত গ্ৰাইকাছে কন্দটো ভৰিৰ তলত পেলাই জোতাৰে মোহাৰি চেপেটা কৰি পেলালে।

মুহূৰ্তত গ্ৰাইফাছৰ ওপৰত জঁপিয়াই পৰিব—ভগা পাত্ৰটোকে গ্ৰাইফাছৰ মূৰত মাৰি দিবলৈ বেয়াৰ্ল সাজু হ'ল।

ঠিক তেনেতে কিবা এটা আশংকা কৰি অসময়ত ৰ'জা ওপৰলৈ উঠি আহিছিল। ওপৰলৈ আহি তাই দেখিলে তাইৰ আশংকা সত্যত পৰিণত হৈছে। টিউলিপৰ কন্দটো দেউতাকৰ ভৰিৰ তলত পিষ্ট হৈছে—খং, ক্ৰোধ আৰু নৈৰাশ্যত উন্মাদপ্ৰায় হৈ বেয়াৰ্লে হিতাহিত জ্ঞানশূন্য হৈ গ্ৰাইফাছৰ ওপৰত জঁপিয়াই পৰিব খুজিছে। তাইৰ মুখৰপৰা আপোনাআপুনি আৰ্তনাদ এটা ওলাই আহিল।

সেই কাতৰ আৰ্তনাদ শুনি বেয়াৰ্ল বৈ গ'ল। তেওঁ বুজি পালে, ধৈৰ্য্য হেৰুৱালে বিপদ তেওঁৰেই। তেওঁ দুখোজ পিছুৱাই আঁতৰি গৈ থকথককৈ কঁপিবলৈ ধৰিলে। তেওঁৰ দুচকুৰপৰা তেতিয়া তেজহে যেন নিগৰি ওলাইছে। মুঠি মাৰি থকা দুয়োখন হাতৰ নখবোৰ হাতৰ মাংসৰ ভিতৰত দলৈকে সোমাই যাব খুজিছে—তাৰপৰাও তেজ ওলাওঁ ওলাওঁ অৱস্থা।

বেয়াৰ্লৰ প্ৰতি ৰ'জাৰ কাতৰ চিঞৰটো উত্তেজিত গ্ৰাইফাছৰ কাণত সোমোৱা নাছিল। কাণলৈ গ'ল ৰ'জাৰ দ্বিতীয়টো উক্তি, "ছিঃ ছিঃ দেউতা, এটা সামান্য টিউলিপ ফুলৰ কন্দ লৈ তুমি কি ল'ৰা-ধেমালিখন কৰিছা? বাহিৰলৈ ওলাই আহা।"

ৰ'জাৰ কথা শুনি গ্ৰাইফাছ জকজকাই উঠিল, "তই এইবোৰৰ মাজত সোমাইছ কিয়?" বৰ জোৰেৰে কোঠাৰ দুৱাৰখন বন্ধ কৰি গ্ৰাইফাছে ক'লে। "তোৰ সম্পৰ্ক নথকা বিষয়ত তই নোসোমাবি—তললৈ যা, নিজৰ কোঠালৈ যা—।"

গ্ৰাইফাছ ছিৰিৰে দুপদুপাই তললৈ নামি গ'ল। দুৱাৰৰ জাপখনৰ ফাঁকটোৰেদি হাতখন ভৰাই ৰ'জাই বেয়াৰ্লৰ কপালখনত মোহাৰি মোহাৰি ক'লে, "আপুনি হতাশ নহ'ব। ভয় নকৰিব। আমাৰ হাতত টিউলিপৰ আৰু দুটা কন্দ আছে। আমি কাইলৈকে তাৰে এটা কন্দ পচাম।"

অষ্টাদশ অধ্যায়

ৰ'জাৰ প্ৰেমিকজন

সেইদিনাই ৰাতি ৰ'জাই আহি বেয়াৰ্লৰ আগত ৰাতিৰ আহাৰৰ টেবুলত গ্ৰাইফাছ আৰু জেকবৰ মাজত হোৱা কথোপকথনৰ কথা বৰ্ণনা কৰিলেহি। ৰ'জাই ক'লে, "টিউলিপ ফুল পচোৱা পাত্ৰটো ভগাৰ কথা দেউতাই কৈ থাকোঁতে জেকবৰ মুখখন চাবলগীয়া হৈছিল। মোৰ ভাব হৈছিল জেকব যেন এই কাৰাগাৰটোকে সেই মুহূৰ্তত জুই লগাই পুৰি দিব—তেওঁৰ চকু দুটা টৰ্চ লাইটৰ দৰে জিলিকি আছিল—তেওঁৰ চুলিবোৰ খণ্ডত একেবাৰে ঠৰঙা হৈ উঠিছিল আৰু তেওঁ হাতৰ মুঠি দুটা বাৰে বাৰে খুলিছিল আৰু মুঠি মাৰিছিল। মোৰ ভাব হৈছিল তেওঁ পৰা হ'লে সেই মুহূৰ্ততে দেউতাৰ ডিঙিত যেন চেপা মাৰি ধৰিলেহেঁতেন।"

এই বৰ্ণনা শুনি বেয়াৰ্লে এটা দুখৰ হুমুনিয়াহ কাঢ়িলে।

ৰ'জাই আকৌ কৈ গ'ল, "জেকবে চিঞৰি চিঞৰি ক'লে, 'আপুনি ফুলৰ কন্দটো ভৰিৰে মোহাৰি পেলালে নহয়নে?' "

" 'অঁ, পাছে কি হ'ল?'

" 'আঃ আপুনি কিমান ডাঙৰ অপৰাধ কৰিলে!'

"জেকবৰ কথা শুনি দেউতা যেন আচৰিত হ'ল। তেওঁ ক'লে, 'তুমি পাগল হ'লা নেকি? সাধাৰণ, টিউলিপ ফুলৰ কন্দ এটাৰ বাবে তেনেকৈ কৈছা?' "

" 'আঃ আঃ, ভৰিৰে গচকি ফুলৰ কন্দটো মোহাৰি পেলালে। হে ভগবান, ভৰিৰে মোহাৰি পেলালে।' " এইবুলি ইচ্ অচ্ কৰি জেকবে মোৰ ফালে চাই সুধিলে, " 'তেওঁৰ হাতত থকা টিউলিপৰ এইটোৱেই একমাত্ৰ কন্দ নহয়, নহয়নে?' "

"ইচ্। তেওঁ তেনেকৈ সুধিছিলনে?" বেয়াৰ্লে সুধিলে।

বেয়াৰ্লৰ বুজিবলৈ বাকী নাথাকিল যে এই কথা জেকব নামৰ মানুহটোৱে কিবা উপায়েৰে ক'লা টিউলিপ সম্পৰ্কীয় সকলো কথাই গম পাইছে। আৰু সেই কথাবোৰ জনাৰ পাছত এটা বিশেষ উদ্দেশ্য লৈ মানুহটোৱে এই ল'ভেষ্টাইন দুৰ্গত থানিকা পাতিছেহি। মানুহটোৰ উদ্দেশ্য ক'লা টিউলিপ চুৰ কৰা। একলাখ গিল্ডাৰ পুৰস্কাৰ আত্মসাৎ কৰিবৰ বাবেই মানুহটোৱে এই কাম কৰিছে। আবিষ্কাৰৰ কষ্ট কণমানো সহ্য নকৰাকৈ ইতিহাসৰ পাতত মানুহটোৱে ক'লা টিউলিপৰ আবিষ্কৰ্তাৰূপে নিজৰ নাম লিপিবদ্ধ কৰিব খুজিছে।

সেইদিনা ৰাতি ৰ'জা আৰু বেয়াৰ্লে সক সৰুকৈ বহুপৰ কিবা পৰামৰ্শ কৰিলে। তিনিটা মহামূল্যবান কন্দৰ এটা নষ্ট হ'ল, দুটা তেতিয়াও অক্ষত হৈ আছে। নিৰাশাত একেবাৰে ভাগি পৰিবৰ অৱস্থা এতিয়াও হোৱা নাই। কিন্তু, সাৱধানতাৰ দৰকাৰ, খুবেই দৰকাৰ।

বেয়াৰ্লে হঠাৎ ৰ'জাক সুধিলে, "তুমি যে ফুলনিখন ঠিক কৰিবলৈ গৈছিলা সেইদিনা এই মানুহটোৱে তোমাক অনুসৰণ কৰা নাছিল জানো?"

"অঁ, অনুসৰণ কৰিছিল।"

"মানুহটোৱে গছৰ আঁৰত লুকাই তোমাৰ কাম-কাজ চাই আছিল নহয়নে?"

"হয়, ঠিকেই কৈছে—"

"ৰ'জা, আচলতে কি জানা, মানুহটোৱে তোমাক অনুসৰণ কৰা নাছিল।"

"মোক অনুসৰণ কৰা নাছিল? তেনেহ'লে কাক কৰিছিল?"

"কাৰণ, মানুহটো তোমাৰ প্ৰেমত পৰা নাই।"

"তেনেহ'লে কাৰ প্ৰেমত পৰিছে?"

"মানুহটোৱে টিউলিপৰ কন্দকেইটা অনুসৰণ কৰিছিল, আৰু মানুহটো আচলতে টিউলিপৰ প্ৰেমত পৰিছে।"

"হ'ব পাৰে," ৰ'জাই শলাগিলে।

"হ'ব পাৰে নহয়, হয়েই। তুমি নিশ্চিত হ'ব পাৰা।"

"কেনেকৈ কওকচোন বাৰু।"

"কাইলৈ তুমি ফুলনিখনলৈ যাবা। জেকবে যাতে তোমাক ফুলনিলৈ যোৱা দেখা পায়। তুমি আগৰবাৰৰ দৰে ফুলৰ কন্দকেইটা মাটিত পোতাৰ ভাও দি আঁতৰি আহিবা। নিজৰ কোঠাত সোমাই তুমি দুৱাৰৰ ফুটাৰে চাই থাকিবাচোন কি দেখা।"

"আপুনি টিউলিপ ফুলৰ কন্দকেইটা প্ৰাণতকৈও বেছি ভাল পায় নহয়নে?"

"সঁচা কথা ক'বলৈ গ'লে," বেয়াৰ্লে হুমুনিয়াহ কাঢ়ি ক'লে, "তোমাৰ দেউতাৰাই ৰাতিপুৱা যেতিয়া ফুলৰ কন্দটো ভৰিৰে মোহাৰি পেলালে, সেই সময়ত মোৰ দেহটোৰ এফাল অৱশ হৈ যোৱা যেন লাগিছিল জানা?

"বাৰু, সেইবোৰ কথা বাদ দিয়া। কাইলৈ আমি আমাৰ হাতত থকা কন্দ দুটাৰ সম্পৰ্কত সিদ্ধান্ত ল'ম। মোৰ নিৰ্দেশ মতে তুমি দ্বিতীয়টো টিউলিপৰ কন্দ ৰোপণ কৰিব লাগিব। ক'ত ৰোপণ কৰিব লাগিব মই ক'ম। আৰু তৃতীয়টো কন্দ সম্পৰ্কত— এবা এই কন্দটো ৰোপণ কৰা সম্পৰ্কত আমি ভালদৰে বিবেচনা কৰিব লাগিব।"

"আপুনি অধৈৰ্য্য নহ'ব, অধৈৰ্য্য নহ'ব..."

"অধৈৰ্য্য নাই হোৱা। আৰু শুনা, ৰ'জা," বেয়ার্লে কৈ গ'ল, "তুমি যদি অনুভব কৰা যে তোমাৰ প্ৰতিটো খোজ অনুসৰণ কৰা হৈছে, তোমাৰ প্ৰতিটো কথাই তোমাৰ দেউতাৰা আৰু মিষ্টাৰ জেকবৰ সন্দেহ বঢ়াই তুলিছে, তেনে ক্ষেত্ৰত, অঁ, তেনে ক্ষেত্ৰত তুমি মোৰ কথা কণমানো চিন্তা নকৰিবা। তুমি মোক ত্যাগ কৰিবা—তুমি মোৰ ওচৰলৈ নাহিবাই।"

বেয়াৰ্লৰ কথা শুনি ৰ'জাৰ দুচকু পানীৰে উপচি উঠিল। তাই উচুপি ক'লে, "মই ভাবিছোঁ, আপুনি টিউলিপক যিমান ভাল পায় আন একোকে আপুনি সিমান ভাল নাপায়।"

এইদৰে কৈয়েই ৰ'জা দৌৰি ছিৰিয়েদি তললৈ নামি গ'ল।

উনবিংশ অধ্যায়

ৰ'জাৰ টিউলিপ ফুলজোপা

সেই ৰাতি ৰ'জাই চকু টিপ মাৰিব নোৱাৰিলে। বেয়ার্লে কোৱা কথাবপৰা তাই নিশ্চিত হ'ল যে ক'লা টিউলিপেই বেয়াৰ্লৰ একমাত্ৰ ধ্যান-ধাৰণা, বেয়াৰ্লৰ জীৱনত ৰ'জাৰ স্থিতি গৌণ। এই অনুভৱে তাইৰ হৃদয়ত দুখৰ অনুৰণনৰ সৃষ্টি কৰিলে। তাই উচুপি উঠিল। গোটেই ৰাতি তাইৰ চকুৰ দুই পতা এক নহ'ল। পুৱালৈ তাই স্থিৰ কৰিলে বন্দীশালৰ দুৱাৰৰ কাষলৈ তাই আৰু কেতিয়াও নাযায়।

এতিয়া ৰ'জাই নিজৰ কোঠাৰ ভিতৰতে নিৰলে পঢ়া-শুনা আৰম্ভ কৰিলে। তাইৰ হাতত কৰ্নেলিয়াছ দ্য উইটৰ বাইবেলখন আছিলেই, সেইখনকে তাই পঢ়িবলৈ ধৰিলে। পঢ়াৰ পাছত তাই লিখিবলৈ আৰম্ভ কৰিলে। প্ৰথমে তাই বেয়ার্লে তাইক টিউলিপ সম্পৰ্কত দিয়া নিৰ্দেশবোৰ লিখি পেলালে। বেয়াৰ্লৰ সকলো নিৰ্দেশ তাই অবিকল ৰূপত লিখি গ'ল।

পাছদিনা বেয়ার্ল আচৰিত হ'ল—ৰ'জা দেখোন তেওঁৰ ওচৰলৈ নাহিল। ৰাতি ন বজাৰপৰা দহ বজালৈ অসহ্য উৎকণ্ঠাত তেওঁ মিনিটবোৰ লেখি থাকিল—ৰ'জা নাহিল। বেচেৰাৰ যন্ত্ৰণাৰ শেষ নাই। তেওঁ ভাবিলে নিশ্চয় কিবা এটা অঘটন ঘটিছে—কিন্তু সেই অঘটন কাৰ ঘটিল—ৰ'জাৰ নে টিউলিপৰ?

প্ৰবল উৎকণ্ঠাৰে বেয়ার্ল ৰ'জাৰ বাবে অপেক্ষা কৰি ৰ'ল। দুৰ্গৰ ঘড়ীত ঢং ঢংকৈ আকৌ ন বাজিল। তাৰ পাছত নিৰবতা। ছিৰিত ৰ'জা ওপৰলৈ উঠি অহাৰ পদশব্দ শুনা নগ'ল। দুৰ্গৰ ঘড়ীত সময় আগ বাঢ়িছে—ৰ'জা কিন্তু অহা নাই। দহ বজাৰ সময়-সংকেতো ধ্বনিত হ'ল—ৰ'জা নাহিল। এই সময়তে ৰ'জা ইয়াৰপৰা ঘূৰি যায়—কিন্তু ৰ'জা নাহিলেই। মাজ ৰাতিলৈকে বেয়ার্লে ৰ'জা আহিব আহিব বুলি উৎকণ্ঠাৰে বাট চাই নিৰাশ হৈ শেষত বিছনাত পৰিলেগৈ।

পুৱা আঠ বজাত বন্দীশালৰ দুৱাৰ খোল খালে। বেয়ার্লে শুই থকাৰপৰা ঘূৰিয়েই নাচালে। ছিৰিত খোজৰ গধুৰ শব্দ শুনিয়েই তেওঁ গম পাইছিল কোন আহিছে। সেয়ে গ্ৰাইফাছৰ ফালে তেওঁ ঘূৰিকে নাচালে। কাৰণ, বেয়ার্লে জানে বিশেষ কাৰণ নাথাকিলে ৰ'জা বেয়ার্লৰ ওচৰলৈ দিনৰ ভাগত কেতিয়াও নাহে। তথাপি বেয়ার্লে আশা কৰি ৰ'ল—ৰ'জা দিনৰ ভাগতো আহিব পাৰে নেকি—এনে ভাবতে তেওঁ উৎকণ্ঠিত হৈ ৰ'ল।

দুপৰীয়া গ্ৰাইফাছে দ্বিতীয়বাৰৰ বাবে বন্দীশাললৈ আহোঁতে বেয়ার্লে ৰ'জাৰ গা ভালনে বুলি সাধাৰণভাৱে সুধিলে। গ্ৰাইফাছে নিচেই চমুকৈ ভাল বুলি ক'লে। ৰাতি তৃতীয়বাৰ গ্ৰাইফাছ বন্দীশাল পৰিদৰ্শনৰ বাবে আহোঁতে বেয়ার্লে সুধিলে, "ল'ভেষ্টাইনত নিশ্চয় কাৰো অসুখ-অশান্তি হোৱা নাই।"

"নাই হোৱা," একেবাৰে চমুকৈ উত্তৰ দি গ্ৰাইফাছ কোঠাৰপৰা ওলাল আৰু দুৱাৰত তলা মাৰি আঁতৰি গ'ল।

গোটেই ৰাতিটো ভাল বেয়ার্লে অসহ্য উৎকণ্ঠাত কটালে। সেইযে প্ৰথমদিনাৰপৰা উৎকণ্ঠা আৰু যন্ত্ৰণা আৰম্ভ হ'ল সেয়া এসপ্তাহলৈকে চলি থাকিল। চতুৰ্থ দিনাৰপৰা বেয়ার্লে খোৱা-বোৱা কৰিবলৈ এৰি দিলে, কেৱল বিছনাতে পৰি থাকিল।

এদিন বন্দীশাল পৰিদৰ্শন কৰি আহি খোৱাৰ টেবুলত বহি গ্ৰাইফাছে জেকবক ক'লে, "বন্ধু, আমাৰ বন্দীশালৰ বন্দী এজন বোধহয় কমিব।"

কথাটো শুনি ৰ'জা চক্ খাই উঠিল। জেকবে সুধিলে, "কমিব মানে? কাৰ কথা কৈছেনো?"

"সেই টিউলিপ বলিয়াটো আকৌ?—মানুহটোৱে খোৱা-বোৱা কৰিবলৈ এৰিলে।

অনবৰতে বিছনাতে পৰি থাকে। সেয়ে কৈছোঁ—তেওঁ ইয়াৰপৰা যাবগৈ—অৱশ্যে কফিনত সোমাইহে যাবগৈ লাগিব।"

দেউতাকৰ কথা শুনি ৰ'জা শেঁতা পৰি গ'ল। তাই খোৱা টেবুলৰপৰা নিঃশব্দে উঠি আহি নিজৰ কোঠালৈ গ'ল।

নিজৰ কোঠালৈ ঘূৰি আহি ৰ'জাই কাগজ আৰু কলম লৈ চিঠি লিখিবলৈ বহিল আৰু গোট গোট আখৰেৰে এখন চিঠি লিখিলে। পাছদিনা পুৱাই ৰ'জাই চিঠিখন বন্দীশালৰ দুৱাৰৰ তলেদি পাৰ কৰি দিলে। পুৱা খিৰিকিৰ ওপৰলৈ উঠি আহোঁতেই বেয়াৰ্লে চিঠিখন দেখিলে আৰু আলফুলে চিঠিখন তুলি ল'লে। চিঠিখনত লিখা আছিল—

"চিন্তা নকৰিব। আপোনাৰ টিউলিপৰ খবৰ ভালেই।"

চিঠিখনৰ কথাখিনিয়ে বেয়াৰ্লক কিছু পৰিমাণে আশ্বস্ত কৰিলে, কিন্তু চিঠিৰ অন্তৰ্নিহিত ব্যংগ সুৰটো তেওঁ বুজি পালে। বুজি পাই দুখো পালে। ৰ'জা তেনেহ'লে ভালেই আছে, তেওঁ অসুস্থ নহয়, কিন্তু বোধহয় অসন্তুষ্ট। তাই নিজ ইচ্ছাৰে বেয়াৰ্লৰ ওচৰলৈ অহা বন্ধ কৰিছে। বেয়াৰ্লে ধাৰণা কৰিছিল গ্ৰাইফাছে তাইক আহিবলৈ দিয়া নাই, সেই ধাৰণা তেনেহ'লে ভুল।

ৰ'জাক ইমানদিন নেদেখাৰ বাবেই বেয়াৰ্ল মৃতপ্ৰায় হৈছে—অথচ ৰ'জা, নিষ্ঠুৰা ৰ'জা—অহাত কোনো বাধা নথকাতো তাই বেয়াৰ্লৰ ওচৰলৈ অহা বন্ধ কৰিছে। অভিমানিনী নাৰী ইমান কঠোৰো হ'ব পাৰে!

ৰ'জাই বেয়াৰ্লক কাগজ-পেন্সিল আনি দিছিল। তাৰেই বেয়াৰ্লে ৰ'জালৈ চিঠি এখন লিখিলে—

"টিউলিপৰ বাবে নহয়, তোমাক নেদেখাৰ বাবেই মই অসুস্থ।"

গ্ৰাইফাছে শেষবাৰৰ বাবে ইতিমধ্যে বন্দীশাল পৰিদৰ্শন কৰি গৈছে। ৰাতি গভীৰ হৈ আহিল। এনে সময়তে বেয়াৰ্লে তেওঁৰ সৰু চিঠিখন বন্দীশালৰ দুৱাৰৰ তলেৰে বাহিৰলৈ ঠেলি দিলে। তাৰ পাছত তেওঁ গোটেই ৰাতিটো কাণ উনাই ৰ'ল—ৰ'জা কেতিয়া আহিব। কেতিয়া ৰ'জা আহিব। কিন্তু গোটেই ৰাতিটো উৎকৰ্ণ হৈ থাকিও তেওঁ ৰ'জাৰ খোজৰ শব্দ নুশুনিলে—নুশুনিলে ৰ'জাৰ কাপোৰৰ খচমচনি।

অৱসন্ন দেহটো যেতিয়া টোপনিত অচেতন হৈ আহিছে, ঠিক তেতিয়াই অতি কোমল এটা ফুচফুচনি তেওঁ শুনিলে, "কাইলৈ..."

কাইলৈ অৰ্থাৎ সাতদিন অতিবাহিত হৈছে, কাইলৈ আঠ দিন। এই আঠদিনে বেয়াৰ্ল আৰু ৰ'জাৰ পৰস্পৰে দেখাদেখি হোৱা নাছিল।

বিংশ অধ্যায়

আঠদিনৰ ঘটনা প্ৰবাহ

পাছদিনা ৰাতি ন বজাত ৰ'জা আহি বন্দীশালৰ দুৱাৰমুখত হাজিৰ হ'লহি। দুৱাৰৰ সৰু ফাঁকটোৰেদি বেয়াৰ্লক একেবাৰে শেঁতা আৰু দুৰ্বল যেন দেখি ৰ'জাই সুধিলে, "আপোনাৰ অসুখ নেকি।"

"অঁ, অসুখ বুলিয়েই ক'ব পাৰা।"

"মই দেউতাৰ মুখত শুনিলোঁ—আপুনি বোলে একোকে নাখায়—বিছনাৰপৰা নুঠে। সেয়ে মই আপোনাক আশ্বস্ত কৰিবলৈ চিঠি এখন লিখিছিলোঁ— আচলতে আপোনাৰ বস্তুটোৰ সম্পৰ্কত আপোনাৰ দুশ্চিন্তা দূৰ কৰিবলৈকে চিঠিখন লিখিছিলোঁ।"

"ময়ো তোমালৈ চিঠিৰ উত্তৰ দিছোঁ নহয়। তুমি অহা দেখি বুজি পাইছোঁ তুমি মোৰ চিঠি পাইছা।"

"অঁ, মই আপোনাৰ চিঠি পাইছোঁ, সেয়ে মই আহিছোঁ—চাওঁচোন আপোনাক ভাল কৰি তুলিবৰ কিবা উপায় ওলায় নে নোলায়।"

"ভাল কৰি তুলিবা? কিবা ভাল খবৰ যদি আনিছা..."

"ভাল খবৰ মানেই আপোনাৰ টিউলিপৰ খবৰ নহয় জানো? অঁ, সেই খবৰ অৱশ্যে আনিছোঁ।"

ৰ'জাৰ কণ্ঠ যেন একেবাৰে নিৰুত্তাপ—বৰফৰ দৰে শীতল। বেয়াৰ্লৰ বুকুৰ ভিতৰখন যেন সেই কণ্ঠস্বৰ শুনি একেবাৰে হিম হৈ গ'ল।

"আঃ, মই বাৰে বাৰে তোমাক কৈছোঁ নহয়, ৰ'জা, যে মই কেৱল তোমাৰ কথাকে ভাবোঁ—তোমাক নেদেখাৰ বাবেই মই অসুখী হৈ পৰিছোঁ," বেয়াৰ্লে ক'লে।

ৰ'জাই বিষাদজনকভাৱে হাঁহি এটা মাৰি ক'লে, "হ'ব বাৰু। শুনক আপোনাৰ টিউলিপৰ বিপদ ঘন হৈ আহিছে।"

"বিপদ? কেনেকুৱা বিপদ?" কম্পিতকণ্ঠে বেয়াৰ্লে সুধিলে।

"আপোনাৰ অনুমানেই শুদ্ধ," ৰ'জাই ক'লে। "সেই জেকব নামৰ মানুহটো মোৰ বাবে ইয়ালৈ অহা নাই। মানুহটো টিউলিপৰ বাবেহে ইয়ালৈ আহিছে।"

"কেনেকৈ জানিলা?"

"মানুহটোৱে অনৱৰতে মোৰ ওচৰত চকু ৰাখিছে। মই যদি ফুলনিলৈ যাওঁ মানুহটো মোৰ পিছে পিছে তালৈ যায়। মই য'লৈ যাওঁ তালৈকে অনুসৰণ কৰে।"

"মানুহটোৱে ফুলনিলৈকো যায়?" সন্দিগ্ধভাৱে বেয়ার্লে সুধিলে।

"অঁ। আপুনি মোক কৈছিল সন্ধ্যাৰ পাছতহে ফুলনিৰ মাটি প্ৰস্তুত কৰা কাম কৰিবলৈ, যাতে আনৰ চকুত নপৰে।"

"মানুহটো তোমাৰ লগে লগে যায় নেকি?"

"মোৰ মনেৰে যায়। গছগছনিৰ আঁৰত মই প্ৰায়ে তাৰ ভৰিৰ খোজৰ শব্দ শুনো। সেয়ে মই আপুনি কোৱা মতে টিউলিপ ফুলৰ কন্দ পচোৱাৰ ভাও ধৰিলোঁ। মই ফুলনিলৈ গৈ খলৰ মাটিবোৰ হাতেৰে মিহি কৰিবলৈ ধৰিলোঁ। মই ভালদৰেই বুজি পালোঁ যে মোৰ পিছফালে কিছু দূৰত গছগছনিৰ আঁৰত জেকবে কুঁজা হৈ বাঘৰ দৰে ট টকৈ মোলৈকে চাই আছে।

"মাটিবোৰ সমান কৰাৰ পাছত মই টিউলিপৰ কন্দটো হাতৰ মুঠিত লৈ সতৃষ্ণ নয়নে যেন বহুপৰ চাই ৰ'লোঁ। তাৰ পাছত বাঁওহাতেৰে মাটিবোৰ আঁতৰাই মই দকৈ গাঁত এটা খান্দি সেই কম্পিত কন্দটো সেই গাঁতটোত ভৰাই দি মাটিবোৰ চপাই দিলোঁ। তাৰ পাছত লাহে লাহে মই সেই ঠাইৰপৰা আঁতৰি আহিলোঁ।"

"তাৰ পাছত? তাৰ পাছত?" উৎকণ্ঠিতভাৱে বেয়ার্লে সুধিলে।

"যি ভাবিছিলোঁ সেয়েই হ'ল। গছগছনিৰ আঁৰৰপৰা জেকব নিঃশব্দে ওলাই আহিল। চাৰিওফালে সাৱধানে চাই মই য'ত টিউলিপ ৰোৱাৰ অভিনয় কৰিছিলোঁ সেই ঠাইত উপস্থিত হ'লগৈ। দুই মিনিট আগতে মই য'ত বহিছিলোঁ জেকবে তাতে বহি হাতেৰে মাটিবোৰ খান্দিবলৈ ধৰিলে।

"হতভাগাই যেতিয়া নিশ্চিতভাৱে বুজিলে যে ফুলনিৰ মাটিত টিউলিপৰ কন্দ নাই, তেতিয়া সি লাহে লাহে বহাৰপৰা উঠিল আৰু ফুলনিৰ মাটিখিনি সমান কৰি ফুলনিৰপৰা ওলাই আহিল।"

"এৰা, বেচেৰালৈ মোৰ বেয়াই লাগিছে," বেয়ার্লে ক'লে। "মই মানুহটোৰ উদ্দেশ্য সম্পূৰ্ণ বুজি পাইছোঁ। পাছে, ৰ'জা, টিউলিপৰ কন্দটো কি কৰিলা?"

"কলোঁ আকৌ। ছদিনেই হ'ল," ৰ'জাই উলাহেৰে ক'লে।

"কলা? ক'ত কলা? কেনেকৈ কলা?" বেয়ার্লে উৎকণ্ঠাৰে ইটোৰ পাছত সিটো প্ৰশ্ন কৰিবলৈ ধৰিলে। "কেনেকুৱা মাটিত কলা? সেই বদমাছ জেকবে চুৰ কৰি নিয়াত ভয় নাইনে?"

"ওঁহোঁ, জেকবে চুৰ কৰি নিবৰ ভয় নাই," ৰ'জাই ক'লে। "যদিহে জেকবে মোৰ কোঠাৰ দুৱাৰ ভাঙি নোসোমায়।"

"অ, তোমাৰ শোৱা কোঠাত কলা ভেনেহ'লে," কিছু পৰিমাণে আশ্বস্ত হৈ বেয়াৰ্লে ক'লে। "কিন্তু কিহত কলা? মাটি কেনেকুৱা?"

"আপুনি ভয় নকৰিব—এটা চীনা মাটিৰ পাত্ৰত কইছো—আকাৰটো আপুনি ৰোৱা পাত্ৰটোৰ সমানেই। পাত্ৰটোত দিবৰ বাবে মাটি মই ফুলনিৰপৰা আনিছো।"

"বাৰু, তোমাৰ কোঠাত ৰ'দ পৰেনে? বতাহ চলাচল কৰেনে?"

"আকাশত সূৰ্য্য থাকিলে গোটেই দিনটোৱেই ৰ'দ পৰে। কুঁহিপাত ওলালেই মই পুলিটো খিৰিকিত বহুৱাই থ'ম। পূবফালৰ খিৰিকিখনেদি পুৱা আঠ বজাৰপৰা এঘাৰ বজালৈ আৰু পশ্চিমৰ খিৰিকিখনত পাছবেলা তিনি বজাৰপৰা পাঁচ বজালৈ ৰাখিম।"

"তুমি ঠিক কৈছা, ঠিক কৈছা। তুমি দেখোন ফুলনিৰ কাম-কাজ বৰ ভালদৰেই জনা হৈছা! পাছে টিউলিপৰ পৰিচৰ্য্যা কৰোঁতেই তোমাৰ দিনটোৰ গোটেইবোৰ সময় যাব।"

"গ'লে যাব। মই চিন্তা কৰা নাই। আপোনাৰ টিউলিপ মোৰ ছোৱালীৰ দৰে। মাকে ল'ৰা-ছোৱালীৰ পৰিচৰ্য্যা কৰাৰ দৰে ময়ো টিউলিপৰ পৰিচৰ্য্যা কৰিম।"

কণমান নিৰৱে থকাৰ পাছত বেয়াৰ্লে সুধিলে, "ৰ'জা, তুমি ক'লা টিউলিপৰ কন্দটো পচোৱাৰ ছদিন হ'ল। তাত এতিয়াও কোঁহ পাত ওলোৱা নাইনে?"

"নাই ওলোৱা। কাইলৈ মানে ওলাব চাগে।"

"তেনেহ'লে মই কাইলৈ ভাল খবৰ পাম। আৰু শুনা, ৰ'জা, তুমি কোৱাৰ দৰে তোমাৰ জীয়াৰীৰ কথা মই বেছিকৈ চিন্তা কৰোঁ হয়, কিন্তু মাকৰ কথা মই তাতকৈ বেছিকৈহে চিন্তা কৰোঁ বুজিছা?"

ৰ'জাই যাবলৈ ওলাই ক'লে, "কাইলৈ হয়তো মই আহিব নোৱাৰোঁ।"

"কিয়? কিয় আহিব নোৱাৰিবা?"

"মোৰ বহুত কাম আছে।"

"মোৰ অৱশ্যে কাম এটাহে।"

"মই জানো," ৰ'জাই ক'লে, "আপোনাৰ কামটো হ'ল টিউলিপৰ কথা চিন্তা কৰা।"

"ওঁহো, নহয়। মোৰ কাম হ'ল তোমাৰ কথা চিন্তা কৰা, তোমাক ভাল পোৱা।"

একবিংশ অধ্যায়

টিউলিপৰ দ্বিতীয়টো কন্দ

সেইদিনা ৰাতি বেয়ার্লে নিশ্চিন্ত মনেৰে শুলে। পাছদিনা পুৱাই বেলিৰ পোহৰ বন্দীশালত প্ৰৱেশ কৰাৰ লগে লগে বেয়ার্লে সাৰ পালে। তেওঁ খিৰিকিখন খুলি বাহিৰলৈ চালে। দিনটো তেওঁৰ বাবে এটা নতুন দিন যেন লাগিল। আনন্দ আৰু সুখৰ এক অনুভূতিয়ে যেন তেওঁক আচ্ছন্ন কৰি তুলিলে।

পুৱা যেতিয়া গ্ৰাইফাছে হাতত ব্ৰেকফাষ্ট লৈ বন্দীশালত প্ৰৱেশ কৰিলে তেতিয়া তেওঁ যেন কিবা এক পৰিৱৰ্তন অনুভৱ কৰিলে।

"আপুনি একেবাৰে ঠিক সময়ত আহিছে—মোৰ সঁচাকৈয়ে খুব ভোক লাগিছিল।"

"হয় নেকি? তেনেহ'লে এয়া ব্ৰেকফাষ্ট খোৱা। খাই-বৈ ষড়যন্ত্ৰ কৰিব পাৰিবা।"

"ষড়যন্ত্ৰ? কিহৰ ষড়যন্ত্ৰ?"

"মই জানো নহয় কিহৰ ষড়যন্ত্ৰ। আমিও পাছে প্ৰস্তুত হৈ আছোঁ বুজিছা?"

এইবুলি কৈ গ্ৰাইফাছে কোঠাৰপৰা ওলাই দুৱাৰত তলা মাৰি তললৈ নামি গ'ল।

দুপৰীয়া লগত তিনিজন প্ৰহৰী লৈ গ্ৰাইফাছে আকৌ বেয়ার্লৰ কোঠাত প্ৰৱেশ কৰিলে। তেওঁ প্ৰহৰীকেইজনক কোঠাটোৰ খানাতালাছ কৰিবলৈ আদেশ দিলে। প্ৰহৰীকেইজনে বেয়ার্লৰ সাজ-পোচাক, বিছনা-পাতি সকলো তন্নতন্নকৈ পৰীক্ষা কৰিলে, কিন্তু আপত্তিজনক একোৱেই নাপালে। নিজৰ লগত টিউলিপৰ তৃতীয়টো কন্দ নৰখাৰ বাবে বেয়ার্ল মনে মনে আনন্দিত হ'ল। গ্ৰাইফাছে পোৱা হ'লে প্ৰথমটো কন্দৰ দৰে সেইটোও নষ্ট কৰি পেলালেহেঁতেন।

গ্ৰাইফাছে বেয়ার্লৰ কোঠাত এডাল পেন্সিল আৰু কেইখনমান কাগজহে পালে। সেইখিনিক লৈ তেওঁ কোঠাৰপৰা ওলাই গ'ল। এই কাগজ আৰু পেন্সিলডাল ৰ'জাই বেয়ার্লক দিছিল।

সন্ধ্যা ছয় বজাত গ্ৰাইফাছে আকৌ আহিল। এইবাৰ অৱশ্যে অকলেই আহিল আৰু সাধাৰণভাৱে পৰীক্ষা কৰি কোঠাৰপৰা ওলাই গ'ল।

ৰাতি ন বজাত ৰ'জা আহিল। দুয়ো নিৰিবিলিভাৱে বহুপৰ কথা-বতৰা পাতিলে। সেইদিনা ৰাতিও বেয়ার্লৰ ভাল টোপনি আহিল।

পাছদিনা ৰাতি ৰ'জাই হাঁহি হাঁহি ক'লেহি, "ওলাইছে, ওলাইছে।"

"ওলাইছে! কি ওলাইছে?" উৎসুক হৈ বেয়ার্লে সুধিলে।

"টিউলিপৰ কোঁহ আকৌ।"

"হয়নে? আহ, ৰ'জা," এইবুলি ৰ'জাক বেয়ার্লে চুমা খাবলৈ গ'ল—দুৱাৰৰ ফাঁকেৰে ৰ'জাৰ ওঁঠদুখন তেওঁ ওঁঠেৰে স্পৰ্শ কৰিলে। ৰ'জাই অস্পষ্টভাৱে চিএৰ এটা মাৰিলে।

"বাৰু ৰ'জা, কোঁহটো পোনে পোনে ওলাইছেনে?"

"হিলৈৰ দৰে একেবাৰে পোনে পোনে ওলাইছে।"

"কিমান ওখ হৈছে বাৰু?"

"কম পক্ষেও দুই ইঞ্চি হ'ব।"

"তুমি পাছে খুব সাৱধান হ'বা। ফুলজোপা খুব সোনকালে ডাঙৰ হ'ব।"

সেইদিনা বেয়ার্লৰ আনন্দৰ সীমা নাই। বন্দীশালৰ কোঠাৰ ভিতৰতে তেওঁ অনবৰতে আনন্দেৰে পায়চাৰি কৰি থাকিল।

তাৰ পাছত প্ৰতিদিনে প্ৰতিঘণ্টাই টিউলিপজোপা ক্ৰমাৎ বাঢ়ি আহিছে। কোঁহ-পাত ওলাইছে, লাহে লাহে ফুলৰ কলিও ওলাওঁ ওলাওঁ হৈছে। প্ৰতিদিনে ৰ'জাই নতুন নতুন খবৰ লৈ আহিছে।

"কি ক'লা? কলি দেখা গৈছে?" বেয়ার্ল আনন্দত অধীৰ হ'ল। "বৃন্ত নিখুঁতনে বাৰু? ঠাৰিডাল ঘন সেউজীয়ানে?"

"সকলো ঠিকেই আছে, ঠিকেই আছে," ৰ'জাই ক'লে।

দুদিন পাছত।

ৰ'জাই আহি উৎসাহেৰে ক'লে, "ফুলকলি ফুলিব খুজিছে।"

"ৰং? ৰংটো কেনেকুৱা?" উত্তেজনাত বেয়ার্লে সুধিলে।

"গাঢ় বাদামী ৰং।"

"বাদামী?"

"নহয়, বাদামীতকৈও গাঢ়।"

"গাঢ়? মানে? কেনেকুৱা?"

"মানে যি চিয়াহীৰে মই আপোনালৈ চিঠি লিখিছিলোঁ তাতকৈও গাঢ় ক'লা বৰণৰ।"

আনন্দৰ আতিশয্যত বেয়ার্লে বলিয়াৰ দৰে চিঞৰি উঠিল। তাৰ পাছত কিছুপৰ মৌন হৈ থাকি আকৌ ক'লে, "ৰ'জা, সৰগৰ কোনো দেৱদূতীৰ লগতহে তোমাৰ তুলনা হয়।"

"হয় নেকি?" ৰ'জাই তৃপ্তিৰে হাঁহিলে।

"শুনা ৰ'জা, ফুলকলিটো দুই-তিনিদিনৰ ভিতৰতে ফুলি উঠিবনে বাৰু?"

"কাইলৈ যদি নুফুলে তেনেহ'লে পৰহিলৈ নিশ্চয় ফুলিব।"

"আস্! মই যে ফুল ফুলা দেখা নাপাম!" প্ৰায় কান্দোনৰ সুৰত বেয়ার্লে ক'লে। "ফুলপাহৰ সন্মুখত থিয় হৈ চোৱাৰ সেই ভাগ্য মোৰ নহ'ব। বাৰু সেই কথা থাকক। টিউলিপপাহ ফুলা মাত্ৰকে তুমি ফুলপাহ ছাঁত থ'বা আৰু হাৰ্লেমৰ পুষ্প প্ৰদৰ্শনী সমিতিৰ প্ৰেছিডেণ্টলৈ এখন চিঠি লিখিবা। লিখিবা যে বহু সাধনাৰ ধন ক'লা টিউলিপ ফুলপাহ ফুলিছে। হাৰ্লেম অৱশ্যে বহু দূৰ, সেই কথা জানা। কিন্তু পইচা খৰচ কৰিব পাৰিলে চিঠিখন লৈ যাবলৈ মানুহ এটা তুমি নাপাবানে? ৰ'বা, তোমাৰ হাতত বাৰু পইচা আছেনে?"

"আছে আছে, মোৰ হাতত তিনিশ গিল্ডাৰ জমা আছে।"

"হয় নেকি? পইচা আছে যেতিয়া তুমি আন কাকো পঠাব নালাগে, নিজেই যোৱা।"

"ফুলপাহৰ কি হ'ব?"

"কি হ'ব মানে? ফুলপাহ তুমি লগতে লৈ যাবা। এক মুহূৰ্তৰ বাবেও ফুলপাহৰপৰা তোমাৰ যাতে এৰাএৰি নহয়, মনত ৰাখিবা।"

"ফুলপাহৰপৰা বাৰু এৰাএৰি নহ'লোঁ, কিন্তু আপোনাৰপৰা যে মই এৰাএৰি হ'ম!"

"সেইটো অৱশ্যে সঁচা, ৰ'জা, তুমি ঠিকেই কৈছা—তোমাক এৰি মই জীয়াই থাকিব নোৱাৰোঁ। এৰা, তেনেহ'লে তুমি হাৰ্লেমলৈ আন কাৰোবাকে পঠোৱা। সমিতিৰ প্ৰেছিডেণ্টজন ফুলপাহ চাবলৈ ল'ভেষ্টাইনলৈকো হয়তো আহিব পাৰে।"

হঠাৎ বেয়ার্লে সুধিলে, "ৰ'জা, যদি ফুলপাহৰ বৰণটো ক'লা নহয়?"

"আপুনি সেই কথা কাইলৈ বা পৰহিলৈ গম পাই যাব।"

"সেই কথা জানিবলৈ মই যে অধৈৰ্য্য হৈ পৰিছোঁ। তুমি কাইলৈ ৰাতিৰ আগতে আগতীয়াকৈ কিবা উপায়েৰে মোক জনাব নোৱাৰানে?"

"পাৰিম, কিয় নোৱাৰিম?"

"কেনেকৈ জনাবা?"

"ফুলপাহ যদি ৰাতি ফুলে তেনেহ'লে মই ইয়ালৈ আহি কৈ যাম। যদি দিনত ফুলে তেনেহ'লে এখন কাগজত লিখি দুৱাৰৰ তলেৰে থৈ যাম।"

"তাকে কৰিবা, ৰ'জা, মোৰ আধা উদ্বেগ কমি যাব। তোমাৰ সেই এষাৰ কথায়েই মোক দুগুণে আনন্দ দিব।"

"দহ বাজিল। মই যাওঁ," ৰ'জা যাবলৈ ওলাল।

"ওঁ, যোৱা ৰ'জা, যোৱা।"

দ্বাবিংশ অধ্যায়

আনন্দৰ শিহৰণ

ৰাতি পুৱাল। টিউলিপ ফুলাৰ কোনো খবৰ নাহিল। অৰ্থাৎ টিউলিপ ফুলপাহ তেতিয়াও ফুলা নাই। দিনটোও পাৰ হৈ গ'ল। ক্ৰমে ৰাতি হ'ল।

ৰাতি ন বজাত ৰ'জা আনন্দত উৎফুল্লীকৃত হৈ বেয়াৰ্লৰ ওচৰ পালেহি।

"কি হ'ল? ফুলপাহ ফুলিলে নেকি?"

"নাই ফুলা এতিয়াও। কিন্তু আজি ৰাতিৰ ভিতৰতে ফুলিব।"

"ফুলিবনে? ক'লা ৰং লৈ ফুলিবনে?"

"অঁ অঁ, কিচকিচীয়া ক'লা হৈয়ে ফুলিব।"

"তেনেহ'লে শুনা, ৰ'জা, ফুলপাহ ফুলাৰ লগে লগে তুমি হাৰ্লেমলৈ পঠাবলৈ বাৰ্তাবাহক এজন ঠিক কৰিব লাগিব—"

"বাৰ্তাবাহক এজন ঠিক হৈয়েই আছে। তেওঁ ইয়াৰে এজন নাৱৰীয়া—পঁচিছ বছৰীয়া এটা ডেকা—"

"তেওঁৰ ওপৰত নিৰ্ভৰ কৰিব পাৰিনে?"

"নিঃসন্দেহে পাৰি। মোৰ খুব ভক্ত। তেওঁক যদি মই ৱাল বা মিউজ নদীত জাঁপিয়াই আত্মহত্যা কৰিবলৈ কওঁ, তেওঁ তাকে কৰিব।"

"ঠিক আছে তেনেহ'লে, শুনা। এই ডেকাজন হাৰ্লেমত উপস্থিত হ'বলৈ কম পক্ষেও দহ-বাৰ ঘণ্টা সময় লাগিব। তুমি কাগজ আৰু চিয়াহী লৈ আহা, চিঠিখন লিখি পেলাওঁ। নহয় নহয়, মই নিলিখোঁ, তুমিয়েই লিখা। এজন কয়দীয়ে ক'লা টিউলিপ সৃষ্টি কৰিছে—এই কথা বিশ্বাস কৰিবলৈ বহুতে হয়তো ইতস্ততঃ কৰিব। তুমিয়েই প্রেছিডেণ্টলৈ চিঠিখন লিখা আৰু মোৰ বিশ্বাস চিঠি প্যাই তেওঁ ইয়ালৈ আহিবই।"

"লিখিম বাৰু। কিন্তু প্রেছিডেণ্ট যদি অহাত পলম কৰে?"

"ওঁহোঁ, টিউলিপ সম্বন্ধে যাৰ ইমান আগ্রহ তেওঁ এক মুহূর্তও পলম নকৰিব নিশ্চয়। এই খবৰ পাই যদি কিবা কাৰণে দুই-এদিন পলমো হয়, তেনেহ'লেও কোনো ক্ষতি নহয়। দুই-তিনিদিনত টিউলিপ ফুলপাহ শুকাই নাযায়। ফুলপাহ এবাৰ প্রেছিডেণ্টজনে চোৱাৰ পাছত আৰু কাগজ এখনত 'ক'লা টিউলিপ দেখা পালোঁ' বুলি স্বীকৃতি লিখি দিয়াৰ পাছত হৈ গ'ল, আমি আৰু নিশ্চিন্ত। ইস্, আমি যদি ফুলপাহ নিজেই লৈ যাব পাৰিলোঁহেঁতেন! কেতিয়াবা ফুলপাহ মোৰ হাতত, কেতিয়াবা তোমাৰ হাতত। নাই নাই, সেয়াটো সম্ভৱেই নহয়, নিষ্ঠুৰ ভৱিতব্যই মোক যে বন্দী কৰি ৰাখিছে।

"আৰু শুনা, ৰ'জা, এটা কথা মুহূর্তৰ বাবেও পাহৰি নাযাবা। প্রেছিডেণ্টে দেখাৰ আগেয়ে ক'লা টিউলিপ ফুলপাহ আন কোনেও যাতে দেখা নাপায়। কোনোবাই যদি কিবা প্রকাৰে দেখা পায়, তেনেহ'লে জানিবা, ফুলপাহ চুৰি হ'বই।"

"ইচ্। আপুনি যে কি কয়!"

"কেলেই, জেকবৰ কথা পাহৰি গ'লা নেকি? সুযোগ পালে মানুহে এটা গিল্ডাৰো চুৰি কৰে। এয়াতো একেবাৰে এক লাখ গিল্ডাৰ।"

"নাই নাই, এই বস্তু চুৰি কৰিব নোৱাৰে। মই সদায় পহৰা দিছোঁ নহয়।"

"কিন্তু তুমি ইয়াত থাকোঁতে কোনে পহৰা দিছে? সেয়ে সতর্ক হৈ থাকিবা। পহৰাৰ ক্ষেত্রত এক মুহূর্তৰ বাবেও যাতে কণমানো শৈথিল্য নহয়।"

দহ বাজিল। ৰ'জা নিজৰ কোঠালৈ গ'ল। সেইদিনা ৰাতি ভালেমান সময় বেয়াৰ্লে খিৰিকিখনেদি আকাশৰ তৰাবোৰ ৰ লাগি চাই থাকিল। আনন্দৰ এক শিহৰণত তেওঁৰ হিয়াখন ভৰি আছিল।

দুপৰ নিশা। হঠাৎ বেয়াৰ্লৰ দুৱাৰৰ বাহিৰত অস্পষ্ট পদশব্দ শুনি দৌৰ মাৰি অহাদি দুৱাৰৰ কাষ পালেহি।

"ফুলিলে। ফুলিলে। একেবাৰে ক'লা। এয়া চাওক," ৰ'জাই প্রায় চিঞৰি ক'লে।

"এয়া চাওক মানে?"

"এয়া চাওক মানে ফুলপাহ চাওক আকৌ। লওক, হাতত লওক। হাতেৰে চুই চাওক।"

বেয়াৰ্লৰ কণ্ঠৰপৰা অস্ফুট চিঞৰৰ এটা ওলাই আহিল, "হে ভগৱান, হে ভগৱান! মোৰ বহুদিনৰ শ্ৰম সাৰ্থক হ'ল।"

টিউলিপ ফুলপাহ ধুনীয়া। ঠাৰিডাল ওঠৰ ইঞ্চিমান দীঘল হ'ব। ঠাৰিডালত চাৰিটা সেউজীয়া পাত। গোটেই ফুলপাহেই কিচকিচীয়া ক'লা।

"ৰ'জা, ৰ'জা," বেয়াৰ্লে ক'লে, "এতিয়া চিঠিখন লিখাত অকণো পলম নকৰিবা।"

"মই লিখিলোঁৱেই জানে।"

"লিখিলাই?"

"ফুলপাহ যেতিয়া ফুলিবলৈ আৰম্ভ কৰিলে মই আৰু সময় খৰচ নকৰি লগে লগে চিঠিখন লিখিলোঁ। এইখন চাওক, আৰু কওকচোন চিঠিখন লিখা ঠিকেই হৈছেনে?"

বেয়াৰ্লে চিঠিখন হাত পাতি ল'লে আৰু ডাঙৰকৈ পঢ়িবলৈ ধৰিলে। তেওঁ লক্ষ্য কৰিলে ৰ'জাৰ হাতৰ আখৰবোৰৰ অসাধাৰণ উন্নতি হৈছে।

"মাননীয় প্ৰেছিডেণ্ট ডাঙৰীয়া, আৰু মাত্ৰ দহ মিনিটৰ পাছতে ক'লা টিউলিপ ফুলপাহ ফুলিব। ফুলপাহ ফুলাৰ লগে লগে মই এজন বাৰ্তাবাহক আপোনাৰ ওচৰলৈ পঠাম, যাতে আপুনি ল'ভেষ্টাইন দুৰ্গলৈ আহি নিজ চকুৰে ফুলপাহ চাবহি পাৰে। মই ল'ভেষ্টাইন দুৰ্গৰ কাৰাধ্যক্ষ গ্ৰাইফাছৰ কন্যা। মই নিজে ফুলপাহ আপোনাৰ ওচৰলৈ লৈ যাব পৰা নাই। সেই কাৰণে মই আপোনাক ইয়ালৈকে নিমন্ত্ৰণ কৰিছোঁ। মোৰ ইচ্ছা, এই ফুলপাহি 'ৰ'জা বেয়াৰ্লেনছিছ' নামেৰে নামকৰণ কৰা হয় যেন—

'ফুলপাহ ফুলিল। ই সম্পূৰ্ণ ক'লা। মাননীয় প্ৰেছিডেণ্ট ডাঙৰীয়া, আপুনি পলম নকৰিব। আহক।

"ল'ভেষ্টাইন দুৰ্গ "ৰ'জা গ্ৰাইফাছ"

"বঢ়িয়া, তোমাৰ চিঠিখন বঢ়িয়া হৈছে। মই ইমান ভালকৈ লিখিব নোৱাৰিলোঁহেঁতেন। পাছে এতিয়া আৰু এক মিনিটো অপব্যয় কৰিব নোৱাৰি। তোমাৰ বাৰ্তাবাহক ক'ত? তুমি এক মুহূৰ্তও পলম নকৰিবা। প্ৰেছিডেণ্টৰ নামটো মই লিখি দিওঁ ৰ'বা—মাননীয় পিটাৰ ভান হেৰিছন, প্ৰেছিডেণ্ট, হৰ্টিকালচাৰ ছ'ছাইটি, হাৰ্লেম। যোৱা, বাৰ্তাবাহকজনক পঠাই দিয়া।"

ত্ৰয়োবিংশ অধ্যায়

প্ৰতিদ্বন্দ্বী

জেকবে আশা এৰি দিয়া নাই।

টিউলিপৰ কন্দ বিচাৰি ফুলনিৰ মাটি খুঁচৰি তেওঁ ৰ'জাৰ ওচৰত বেছ অপ্ৰস্তুত হৈছিল। সেইদিনাৰপৰাই তেওঁ অধিক সতৰ্ক হৈ পৰিল। ৰ'জাৰ প্ৰতিটো গতিবিধি তেওঁ তীক্ষ্ণ দৃষ্টিৰে লক্ষ্য কৰিছে।

টিউলিপৰ প্ৰথমটো কন্দ গ্ৰাইফাছে নষ্ট কৰি পেলাইছিল। তাৰ পাছত বেয়াৰ্ল যে মনে মনে বহি নাথাকে সেই বিষয়ত বক্সটেল নিঃসন্দেহ আছিল। টিউলিপৰ কন্দ যে তিনিটা আছিল সেই কথা তেওঁ ভালদৰেই জানে। সেয়ে দ্বিতীয় কন্দটো বেয়াৰ্লে ক'ৰবাত পচাবই। টিউলিপ পচোৱাৰ সময় পাৰ হৈ যোৱাৰ আগতেই তেওঁ কন্দটো পচাব লাগিব আৰু দুই-এসপ্তাহৰ পাছত পচোৱা আৰু নপচোৱা একেই কথা হ'ব। তেতিয়া আৰু গছত ফুল নুফুলিব। তেওঁ নিশ্চিত হ'ল যে ৰ'জাৰ হতুৱায়েই বেয়াৰ্লে ক'ৰবাত টিউলিপৰ কন্দটো পচাব।

ৰ'জাক নিজৰ বাধ্য কৰিবৰ বাবে বক্সটেলে কেইদিনমান ভালপোৱাৰ অভিনয়ো কৰিছিল। কিন্তু ৰ'জাই তেওঁৰ ফালে এনে ঘৃণাৰ দৃষ্টিৰে চাইছিল যে সেই পথেৰে বক্সটেলে আৰু বেছিদূৰ আগ বাঢ়িবলৈ সাহস নকৰিলে। অৱশ্যে গ্ৰাইফাছে এতিয়াও দৃঢ়ভাৱে বিশ্বাস কৰে যে জেকবে তেওঁৰ জীয়েকক প্ৰাণ দি ভাল পায় আৰু তাইক বিয়া কৰোৱাৰ আশাতে জেকবে এই কাৰাগাৰৰ ভিতৰত নিগাজিকৈ বাহৰ পাতিছে।

এইবাবেই জেকবৰ অহা-যোবাত গ্ৰাইফাছে প্ৰশ্ৰয়ৰ দৃষ্টিৰে চায়। জেকব অৱশ্যে কোনোদিনে খালী হাতে নাহে। সেইটোও এটা কাৰণ। জেকবে এবটল বা দুবটল মদ লৈহে গ্ৰাইফাছৰ ওচৰলৈ আহে।

অ', ৰ'জাক বশ কৰিব পৰা হ'লে বম্ৰটেলৰ বাবে কথাটো কিমান সহজ হৈ পৰিলেহেঁতেন! ৰ'জা বৰং ওলোটাই বেয়াৰ্লৰ ফালেহে হাউলি পৰিছে। ৰ'জাৰ হতুৱাই বেয়াৰ্লে টিউলিপ ফুলোৱাৰ সপোন দেখিছে।

ভালেই হৈছে। ইয়াৰ ফলত বম্ৰটেলৰ সুবিধাৰ বাহিৰে অসুবিধা একো নাই। গ্ৰাইফাছ যেতিয়ালৈকে হাতৰ মুঠিত আছে, তেতিয়ালৈকে ৰ'জাৰ ওপৰত চোৰাংচোৱাগিৰি কৰাত বম্ৰটেলৰ সম্পূৰ্ণ সুবিধা আছে। ক'লা টিউলিপ যদি কেতিয়াবা ফুলে বম্ৰটেলে লগে লগে গম পাবই।

বেয়াৰ্লে নিজেতো কিবা কৰাৰ একো উপায় নাই। নিজৰ কোঠাত টিউলিপৰ কন্দ পচোৱাৰ পৰিণাম হৈছিল মৰ্মান্তিক আৰু তেনে চেষ্টা তেওঁ নিশ্চয় কেতিয়াও নকৰে। বিশেষকৈ সেই ঘটনাৰ পাছৰপৰা গ্ৰাইফাছে যেতিয়া নিয়মিতভাৱে বন্দীৰ কোঠাত তালাছী চলাই গৈছে।

তেনেহ'লে ৰ'জাৰ হতুৱাই বেয়াৰ্লে টিউলিপৰ খেতি কৰাইছে। কিন্তু খেতি ক'ত কৰিছে? ফুলনিত নহয়—ৰাতিৰ পাছত ৰাতি ফুলনিত খাপ পাতি থাকি এই বিষয়ত বম্ৰটেল নিশ্চিন্ত হৈছে যে ফুলনিত টিউলিপ ফুল বোৱাৰ চেষ্টা ৰ'জাই কৰা নাই। বম্ৰটেলৰ ভয়তে সম্ভৱতঃ কৰা নাই।

তেনেহ'লে ৰ'জাই টিউলিপ ক'ত পচাইছে? প্ৰতিদিনে সন্ধ্যা ৰ'জা একোবাৰ ফুলনিলৈ যায়েই। কিয় যায় ফুলনিলৈ?

এই প্ৰশ্নৰ উত্তৰ ৰ'জাৰ আচৰণৰ ভিতৰতে আছে। ফুলনিৰপৰা ৰ'জা পোনে পোনে নিজৰ কোঠালৈ যায়। অৰ্থাৎ ফুলনিৰপৰা তাই কিবা এটা লৈ যায় কোঠালৈ। মাটিৰ বাহিৰে সেই বস্তু কি হ'ব পাৰে?

মাটি। মাটি। টিউলিপ পচাবৰ বাবে উপযুক্ত সাৰুৱা মাটি। অ', তেনেহ'লে নিজৰ কোঠাতে ৰ'জাই টিউলিপ পচাইছে।

এদিন ৰাতি বম্ৰটেলে দেখিলে ৰ'জাই বাজনিৰৰপৰা ডাঙৰ চীনা মাটিৰ পাত্ৰ এটা তাইৰ কোঠালৈ লৈ গৈছে।

ল'ভেষ্টাইন কাৰাগাৰৰ যি অংশত গ্ৰাইফাছৰ বাসস্থান, ঠিক তাৰ তলতে প্ৰধান ৰাস্তাটো আৰু সেই ৰাস্তাটোৰ বিপৰীত ফালে এখন হোটেল। বম্ৰটেলে সেই হোটেলখনতে এটা কোঠা ল'লে। কোঠাটো ৰ'জাৰ কোঠাৰ ঠিক মুখামুখি।

দিনৰ দিনটো দূৰবীনটোৰে বক্সটেলে ব'জাৰ খিৰিকিৰ ফালেই চাই থাকে।

ডৰ্ট চহৰত বক্সটেলে যেনেদৰে নিজৰ বাৰীৰপৰা দূৰবীনেৰে বেয়াৰ্লৰ প্ৰতিটো কাম-কাজৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিছিল, এতিয়া ল'ভেষ্টাইনতো সেই একে ঘটনাৰ পুনৰাবৃত্তি ঘটিল। চকুত দূৰবীণ লগাই জেকবে হোটেলৰ খিৰিকিৰে ৰ'জাৰ কোঠালৈ চাই থাকে। ফুলৰ পাত্ৰটো চিনি পাবলৈ তেওঁৰ বেছি সময় নালাগিল। ৰ'জাই সেই চীনা মাটিৰ পাত্ৰটোৰ ইমান যতন লোৱা দেখি তাতেই যে টিউলিপ পচোৱা হৈছে সেই কথা বুজিবলৈ জেকবৰ বেছি সময় নালাগিল।

বক্সটেল খিৰিকিৰ ওচৰৰপৰা লৰচৰ নকৰে। ৰাতিৰ বাহিৰে গ্ৰাইফাছৰ ওচৰলৈ নাহে। দিনৰ দিনটো দূৰবীনটোৰে বক্সটেলে ৰ'জাৰ খিৰিকিৰ ফালেই চাই থাকে। বক্সটেলে লক্ষ্য কৰিছে সেই মাটিৰ পাত্ৰটোৰ প্ৰতি ৰ'জাৰ যত্নৰ শেষ নাই। তেজ-মঙহৰ শিশুৰ প্ৰতিও কোনো মাতৃয়ে হয়তো ইমান যত্ন নলয়।

পুৱা ৰ'দ ওলোৱাৰ লগে লগে ৰ'জাই পাত্ৰটো পূৱৰ খিৰিকিখনৰ ফালেদি উলিয়াই দিয়ে। পুৱা আঠ বজাৰপৰা বাৰ বজালৈকে তাতে থাকে। যদি কোনোবাদিনা ৰ'দ চোকা হয় তেনেহ'লে এঘাৰ বজাৰ আগতেই পাত্ৰটো কোঠাৰ ভিতৰৰ ঠাণ্ডা ঠাইত থয়গৈ। বিয়লি তিনি বজালৈ পাত্ৰটো ঠাণ্ডা ঠাইতে থাকে। তিনি বজাত পাত্ৰটো আকৌ উলিয়াই দিয়ে পশ্চিমৰ খিৰিকিখনত। আবেলি বেলি লাহিওৱালৈকে দুঘণ্টা সময় পাত্ৰটো তাতে থাকে। পাঁচমান বজাত পাত্ৰটো আকৌ কোঠাৰ ভিতৰত সুমুৱাই থয়।

ৰ'জাই পাত্ৰটোত কন্দটো পচোৱাৰ তিনিদিনৰ পাছৰপৰাই বক্সটেলে হোটেলৰ কোঠাত নিগাজিকৈ বহি লৈছে। তাৰ পাছত চাৰিদিন পাৰ হৈ গ'ল। আজি দূৰবীনটো চকুত লগাওঁতেই তেওঁৰ বুকুখন চক্‌কৈ উঠিল। ওলাইছে, সেয়া ওলাইছে। ভালকৈ নাচালে ধৰিব নোৱাৰি। টিউলিপৰ কোঁহ ওলাইছে, কোনো সন্দেহ নাই। খুব বেছি ওখ হোৱা নাই, মাথোন দুই ইঞ্চিমানহে হৈছে। তেওঁ ভালকৈয়ে দেখা পালে—সেউজীয়া ৰঙৰ কোঁহ এটা ওলাইছে—সেই কোঁহৰ মূৰত বৰছাৰ ফালৰ দৰে দুটা সৰু সৰু পাত। এয়াইতো—এয়াইতো টিউলিপ!

বক্সটেলে খাটাংকৈ জানিছিল যে সেই পাত্ৰটোত টিউলিপৰ বাহিৰে আন একো নাই। কিন্তু মনে মনে জনা এক কথা আৰু নিজৰ চকুৰে দেখা আন এক কথা। বক্সটেল আজি নিশ্চিত হ'ল। তেওঁ একে সময়তে নিশ্চিন্ত আৰু ব্যস্ত হৈ পৰিল।

নিশ্চিন্ত, কাৰণ সকলো সংশয়ৰ নিৰসন কৰি ক'লা টিউলিপ ফুলজোপাই অৱশেষত কোঁহপাত মেলিছে।

জেকৰ ব্যস্ত হৈ পৰিল। এতিয়া আৰু নষ্ট কৰিবলৈ সময় নাই, কঁকালত টঙালি বান্ধি কামত লাগিবৰ হ'ল। কাৰণ, ফুলজোপা হস্তগত কৰিব লাগিব।

প্ৰতিদিনে সন্ধ্যা গ্ৰাইফাছৰ লগত সান্ধ্যভোজনত জেকব মিলিত হয়। লগত লৈ যায় কাঢ়া মদ—আৰু উদাৰভাৱে সেই মদ গ্ৰাইফাছক পৰিৱেশন কৰে। ফলত গ্ৰাইফাছ অতি সোনকালে বেহুচ হৈ পৰে। তেতিয়া ৰ'জাই দেউতাকক বিছনাত শুৱাই দিয়ে।

ৰ'জাৰো ইয়াত সুবিধা হয়, সেয়ে জেকবৰ এই কাৰচাজি তাই দেখিও নেদেখাৰ ভাও ধৰে। গ্ৰাইফাছৰ টোপনি ধৰিলে ৰ'জা নিশ্চিন্তমনে বন্দীশালৰ কোঠালৈ অৰ্থাৎ বেয়াৰ্লৰ কাষলৈ যাব পাৰে। ওপৰত বেয়াৰ্লে তৃষিত নয়নেৰে তাইৰ বাবে বাট চাই থাকে।

আগতে এই সময়ছোৱাত জেকব ফুলনিত ঘূৰি ফুৰিছিল। কাৰণ, তেওঁ আশা কৰিছিল ৰ'জাই ফুলনিতে টিউলিপৰ কন্দটো পচাব। ফুলনিত ঘূৰি ফুৰোঁতে তেওঁ ৰ'জাৰ গতি-বিধিৰ ওপৰত বিশেষ লক্ষ্য ৰখা নাছিল, লক্ষ্য কৰাৰ প্ৰয়োজন আছে বুলিও অনুভৱ কৰা নাছিল।

কিন্তু এতিয়া? জেকবে স্বচ্চক্ষে দেখিলে যে টিউলিপ ৰ'জাৰ ফুলনিত ফুলা নাই, ফুলিছে ৰ'জাৰ শোৱনি কোঠাতহে। এনে ক্ষেত্ৰত ৰ'জা অনৱৰতে নিজৰ কোঠাতে থাকিব লাগিছিল।

কিন্তু ৰ'জা থকা নাই।

ৰ'জাৰ কোঠালৈ লক্ষ্য কৰি জেকবে দেখিলে দুৱাৰখন বাহিৰৰপৰা তলা মৰা। তেনেহ'লে ৰ'জা ক'লৈ গ'ল? পাছদিনা তেওঁ বিশেষ সতৰ্ক হৈ ৰ'ল। দেউতাকক বিছনাত শুৱাই দি ৰ'জা এবাৰ নিজৰ কোঠালৈ গ'ল হয়, কিন্তু পাছ পাকতে ওলাই আহি কোঠাৰ দুৱাৰত তলা মাৰিলে।

জেকবে লক্ষ্য কৰি থাকিল।

কোঠাৰ তলা বন্ধ কৰিয়েই ৰ'জাই ছিৰি বগাই ওপৰলৈ উঠিল। জেকবেও পিছে পিছে নিঃশব্দে আগ বাঢ়িলে।

জেকবে দেখিলে বেয়াৰ্লৰ বন্দীশালৰ কোঠাৰ দুৱাৰমুখত ৰ'জা ৰ'ল। দুৱাৰখনৰ সৰু জাপ এখন খোল খালে। দুয়ো কথা পাতিবলৈ ধৰিলে। জেকবে কাণখন উনাই শুনিবলৈ চেষ্টা কৰিলে। কিন্তু বৰ সৰু সৰুকৈ কথা পাতিছে—একবাৰে অস্পষ্ট। অনুমান কৰিলে সিহঁত দুয়ো টিউলিপৰ কথাই পাতিছে, আন কথাও আছে। জেকবে লক্ষ্য কৰিলে—প্ৰতিদিনে ৰাতি ন বজাৰপৰা দহ বজালৈ ৰ'জা বেয়াৰ্লৰ ওচৰত থাকে। তিনিদিন একেবাহে লক্ষ্য কৰি জেকবে দেখিলে—ৰ'জাৰ এই সময়ৰ ইফাল-সিফাল নহয়। তেওঁ থিৰ কৰিলে—যি কৰিব লাগিব সেয়া কৰিব লাগিব এই এঘণ্টা সময়ৰ ভিতৰতে।

পাহৰিনা। ৰাতিৰ আহাৰৰ টেবুলত জেকব যথাৰীতি উপস্থিত। গ্ৰাইকাছ নিচাত বেহুচ হৈ ওবলৈ গুচি গ'ল। জেকবে লক্ষ্য কৰি থাকিল—ৰ'জাই নিঃশব্দে ছিৰি বগাই ওপৰলৈ উঠি গ'ল। আজি কিন্তু জেকব ৰ'জাৰ পিছে পিছে ওপৰলৈ নগ'ল।

আজি জেকবে আগ বাঢ়িলে ৰ'জাৰ শোৱনি কোঠাৰ ফালে। দেখিলে দুৱাৰত তলা মৰা আছে। জেকবে হাতত কিছুমান ছাবি আৰু মম লৈ আহিছিল। সেই মম গলাই তলাৰ ফুটাত তেওঁ ঢালি দিলে, তাৰ পাছত লাহে লাহে চাবিৰ সাঁচটো উলিয়াই আনিলে। কোনো লৰালৰি নাই, আশংকাও নাই। কাৰণ, ৰ'জা এঘণ্টাৰ ভিতৰত কোঠালৈ নাহে।

মমৰ সাঁচৰপৰা চাবি তৈয়াৰ কৰিবলৈ জেকবক দুদিন সময় লাগিল। দুদিনৰ পাছত ৰাতি জেকব ৰ'জাৰ কোঠাৰ দুৱাৰমুখত উপস্থিত হ'ল। লগত লৈ অহা চাবি তলাত লগোৱা মাত্ৰকে তলা খোল খালে। কণমানো শব্দ নোহোৱাকৈ জেকবে ৰ'জাৰ কোঠাৰ দুৱাৰখন খুলিলে।

কোঠাত সোমাই দুৱাৰখন বন্ধ কৰি জেকবে কোঠাটো ভালদৰে লক্ষ্য কৰিলে। অৱশ্যে ইতিমধ্যে দূৰবীনেৰে কোঠাটোৰ সকলো বস্তুকেই তেওঁ পুংখানুপুংখে আগতে চায়েই থৈছে। টিউলিপ ফুলপাহ ক'ত আছে তেওঁ সহজেই বিচাৰি উলিয়ালে।

ফুলজোপা এফুটমান ওখ হৈছে। পাতবোৰো শকত হৈছে—কলিও ধৰিছে। কলিটো ফুলিবলৈ অন্ততঃ দুদিন সময় আছে। তথাপি তাৰ ভিতৰৰ ৰংটো বাহিৰলৈ ওলাইছে ঠায়ে ঠায়ে। সেই ৰং ঘন ক'লা—স্পষ্টভাৱেই দেখা গৈছে।

জেকব ওৰফে ৰস্নটেলৰ সিৰাই সিৰাই খৰকৈ তেজৰ সোঁত বৰলৈ ধৰিলে। ক'লা টিউলিপ তেনেহ'লে আৱিষ্কৃত হ'ল। কোনে এই আৱিষ্কাৰ কৰিলে? জেকবে হঠাৎ নিজৰ মনতে কৈ উঠিল, "আৱিষ্কাৰ কৰিছোঁ মই, আইজাক ৰস্নটেলে। এৰা, অৱাক হ'বলগীয়া কথাই!"

বহুদিন ধৰি এই ক'লা টিউলিপৰ ধ্যানত ৰস্নটেল আত্মসমাহিত হৈ আছিল। নিজৰ অধিকাৰৰ ভিতৰত ইমানদিনে তেওঁ ফুলজোপা পোৱা নাছিল। তাৰ বাবে তেওঁ দোষী নহয়, দোষী তেওঁৰ ভাগ্য; তাতকৈও অধিক দোষী এই ভান বেৰ্ৰাৰ্ল নামৰ মানুহটো। টিউলিপ ফুলাৰ নোৱাৰিলে, ঘোষিত পুৰস্কাৰ এক লাখ গিল্ডাৰ নাপালে ৰস্নটেলৰ যিহেতু কোনোমতেই নচলিব, তেনে ক্ষেত্ৰত বেৰ্ৰাৰ্লৰ জানো উচিত নাছিল যে ক'লা টিউলিপৰ কণ পোৱা মাত্ৰকে ৰস্নটেলক হস্তান্তৰ কৰি দিয়া? যাৰ প্ৰয়োজন বস্তুটো তাৰে হ'ব লাগে। ক'লা টিউলিপৰ প্ৰয়োজন ৰস্নটেলতকৈ কাৰ বেছি?

ৰ'জাৰ কোঠাত থিয় হৈ ৰস্নটেলে ভাবিছে টিউলিপ ফুলজোপা কি এতিয়াই, এই মুহূৰ্ততে আত্মসাৎ কৰি গুচি যোৱাটো উচিত নহ'বনে? নিস্তব্ধ ৰাতি, কোনো ক'তো

নাই, কোনেও দেখা নাই। কোনেও একো গমকে নাপাব। চীনা মাটিৰ পাত্ৰটো হাতত লৈ তেওঁ যদি ওলাই যায়, এই ৰাতিখন বাধা দিবলৈকো কোনোৱেই নাহে।

সাধাৰণ চোৰ হোৱা হ'লে বক্সটেলে তেতিয়াই ফুলপাহ লৈ কোঠাৰপৰা ওলাই গ'লহেঁতেন। কিন্তু বক্সটেল সাধাৰণ চোৰ নহয়। তাৰ উপৰি টিউলিপ ফুলপাহ পূৰ্ণ প্ৰস্ফুটিত হ'বলৈ এতিয়াও অন্ততঃ দুদিন দেৰি আছে। আজিয়েই যদি ফুলপাহ লৈ যোৱা যায়, দুদিন পাব হৈ নগ'লে বক্সটেলে হাৰ্লেমৰ প্ৰেছিডেণ্টৰ ওচৰলৈ ইয়াক লৈ যাব নোৱাৰিব। কাৰণ, ফুলৰ ৰং কেৱল ক'লা হ'লেই নহ'ব, একেবাৰে নিখুঁত ক'লা হ'ব লাগিব। ফুলপাহ সম্পূৰ্ণ নুফুলালৈকেতো বুজিব পৰা নাযাব ফুলপাহ নিখুঁত ক'লা হয়নে নহয়।

এৰা, এতিয়া ফুল চুৰি কৰাত সুবিধাতকৈ অসুবিধাহে বেছি। গতিকে এতিয়া থাকক। ফুলপাহ আগতে ভালদৰে ফুলক, তাৰ পাছত সেইপাহ আঁতৰাই নিব পৰা যাব। ৰ'জাৰ কোঠাত যেতিয়াই তেতিয়াই সোমাব পৰা সুবিধাটো হাততে আছে যেতিয়া যেতিয়াই খুচী তলাটো খুলি ফুলৰ পাত্ৰটো লৈ যাব পৰা হ'ব। তাৰ পাছত আৰু এক মুহূৰ্তও পলম কৰিব পৰা নাযাব। তৎক্ষণাত হাৰ্লেমলৈ ৰাওনা হ'ব লাগিব, সেই গভীৰ ৰাতিয়েই যাব। তাৰ আগতে অৱশ্যে যাত্ৰাৰ বন্দবস্ত কৰি থ'ব লাগিব—টিউলিপ ফুলপাহৰ সম্মুখত থিয় হৈ বক্সটেলে এনেদৰে চিন্তা কৰিলে—প্ৰতিদিনে সন্ধ্যা বেয়াৰ্ল আৰু ৰ'জা যেতিয়া প্ৰেমালাপত মগ্ন থাকিব, তেতিয়া বক্সটেলে ৰ'জাৰ শোৱনি কোঠাত সোমাই টিউলিপ ফুলপাহ সম্পূৰ্ণ ফুলাৰ বাবে অপেক্ষা কৰিব।

সেইদিনা একেদৰে জেকৰ ৰ'জাৰ শোৱনি কোঠাত সোমাবলৈ গ'ল। কিন্তু সেইদিনা প্ৰেমিক যুগলে দুটামান কথাহে মাথোন পাতিলে, বেয়াৰ্লে ৰ'জাক নিজৰ কোঠালৈ পঠাই দিলে।

দহ মিনিটৰ ভিতৰতে ৰ'জা ওপৰৰপৰা নামি অহা দেখি আৰু পোনে পোনে নিজৰ কোঠালৈ যোৱা দেখি বক্সটেলৰ বুজিবলৈ বাকী নাথাকিল যে টিউলিপ ফুলপাহ হয়তো ইতিমধ্যে ফুলিলে নাইবা অলপতে ফুলিব।

সেইদিনা ৰাতি বক্সটেলে হাতত দুটা মদৰ বটল লৈ আহিছিল। গ্ৰাইফাছ মদত অকণ্ঠ ডুবি যোৱাৰ লগে লগে বক্সটেলেই ল'জৰ্টাইন দুৰ্গৰ সৰ্বেসৰ্বা হৈ পৰিল।

এঘাৰমান বজাত গ্ৰাইফাছে সম্পূৰ্ণ বেহুঁচ হৈ বিচনা ল'লে। কিছু সময়ৰ পাছত বক্সটেলে দেখিলে ৰ'জা নিজৰ কোঠাৰপৰা ওলাই আহিছে। তেতিয়া নিশা দুই বাজিছে। ইমান ৰাতি ৰ'জা ক'লৈ যায়? তাই হাৰ্লেমলৈকে ৰাওনা হ'বলৈ ওলাইছে নেকি? কিন্তু এজনী গাভৰু ছোৱালীৰ বাবে নিশাৰ আন্ধাৰত হাৰ্লেমলৈ যাত্ৰা কৰাটো নিশ্চয় সম্ভৱ নহয়।

বস্লটেলে নিঃশব্দে ৰ'জাক অনুসৰণ কৰিলে। তেওঁ দেখিলে ৰ'জা গৈ বন্দীশালৰ দুৱাৰমুখত উপস্থিত হ'ল আৰু বেয়ার্লক মাতিলে। দুয়ো কিছু পৰামর্শ কৰিবলৈ ধৰিলে। ছিৰিৰ দুটামান ঢাপৰ তলত থিয় হৈ বস্লটেলে তেওঁলোকৰ কথা-বতৰা সকলো শুনিলে। বস্লটেলে বুজিলে—আজি ৰাতিয়েই হার্লেমলৈ এজন বার্তাবাহক পঠাই প্রেছিডেন্টক ইয়ালৈ মতাই আনিব।

বস্লটেল নিঃশব্দে নামি আহিল আৰু ৰ'জাৰ শোৱনি কোঠাৰ ওচৰত লুকাই থাকিল।

কিছুপৰৰ পাছত ৰ'জাও ওপৰৰপৰা নামি আহিল আৰু নিজৰ কোঠালৈ গ'ল। কিন্তু ক্ষন্তেক পাছতে কোঠাৰপৰা ওলাই আহিল আৰু দুৱাৰত তলা মাৰি তলৰ মহলালৈ নমা ছিৰিত ভৰি দিলে।

ৰ'জা লাহে লাহে তলৰ মহলালৈ নামি গৈছে, আনহাতে বস্লটেল এখোজ-দুখোজকৈ ৰ'জাৰ শোৱনি কোঠাৰ কাষ চাপিছে।

ৰ'জা যেতিয়া গৈ ছিৰিৰ একেবাৰে শেষ ঢাপত উপস্থিত হ'লগৈ, বস্লটেলৰ হাত তেতিয়া ৰ'জাৰ শোৱনি কোঠাৰ দুৱাৰৰ ওপৰত। সেই হাতত দুৱাৰৰ তলাটোৰ নকল চাবি।

চতুর্বিংশ অধ্যায়

ক'লা টিউলিপৰ গৰাকী সলনি হ'ল

ইফালে ৰ'জাক বিদায় দি বেয়ার্লে খিৰিকিখনৰ ওচৰতে একে ঠাইতে ঠৰ লাগি থিয় হৈ আছিল। তেওঁ তেতিয়া সুখস্বপ্নত বিভোৰ। ক'লা টিউলিপ ফুলিল। সমগ্র পৃথিৱীতে এতিয়া তোলপাৰ লাগি যাব।

আধা ঘন্টা তেনেদৰেই অতিবাহিত হ'ল। ইতিমধ্যে কেঁহজালি দিছে। পুৱাৰ অস্পষ্ট পোহৰ আহি বন্দীশালৰ খিৰিকিৰে কোঠাৰ ভিতৰত সোমাইছেহি। হঠাতে বেয়ার্লে যেন শুনিলে ছিৰিত দ্রুত খোজৰ শব্দ। কোনোবা যেন খৰ খোজেৰে ওপৰলৈ উঠি আহিছে। কোন হ'ব পাৰে?

"বেয়াৰ্ল ডাওবীয়া, বেয়াৰ্ল ডাওবীয়া,..."

ই কি! ৰ'জাৰ মাত দেখোন? ৰ'জা কান্দোনত ভাগি পৰিছে কিয়?

প্ৰায় সেই মুহূৰ্ততে তেওঁ শৈতা আৰু বিপৰ্য্যস্ত হৈ পৰা ৰ'জাক দেখা পালে।

"হাৰে, হৈছে কি?"

"আপোনাক মই কেনেকৈ কওঁ?"

"কি হৈছে? কোৱাচোন কি হৈছে।"

"চুৰি কৰিলে। কোনোবাই ক'লা টিউলিপ চুৰি কৰি লৈ গ'ল।"

"চুৰি কৰি লৈ গ'ল? কি কৈছা তুমি? কিন্তু কেনেকৈ চুৰি কৰি নিলে? তুমি কোঠাত নাছিলা নেকি!"

"হাৰ্লেমলৈ বাৰ্তাবাহকজন পঠাবৰ বাবে মই কেইমিনিটমানৰ বাবে ৱাল নদীৰ ঘাটলৈ গৈছিলোঁ। ঘূৰি অহি দেখিলোঁ..."

"তুমি নিশ্চয় দুৱাৰখন খুলি থৈ যোৱা নাই?"

"নাই নাই। দুৱাৰত মই তলা মাৰিয়েই গৈছিলোঁ। চাবি মোৰ হাততে আছিল। এতিয়াও আছে, চাওক।"

"তেনেহ'লে কোঠাত চোৰ সোমাল কেনেকৈ? কেনেকৈ ফুলজোপা চুৰি কৰি নিলে?"

"সেই কথাটোকে মই বুজিব পৰা নাই। মই বাৰ্তাবাহকজনৰ হাতত চিঠিখন দি ঘূৰি আহি যেতিয়া কোঠাটো পালোঁহি তেতিয়া কোঠাটো বন্ধ হৈয়েই আছিল। কোঠাৰ প্ৰতিটো বস্তু মই এৰি যোৱাৰ দৰেই আছিল। কেৱল ক'লা টিউলিপজোপা নাই। নিশ্চয় কাৰোবাৰ হাতত মোৰ কোঠাৰ দুৱাৰখনৰ তলাটোৰ নকল চাবি আছিল।"

ৰ'জাই আকৌ কান্দিবলৈ ধৰিলে।

বেয়াৰ্লে অস্ফুটভাৱে চিঞৰি ক'লে, "হায়, হায়, মোৰ আজন্ম সাধনাৰ ধন চুৰি কৰি নিলে। মোৰ সকলো গ'ল, সকলো গ'ল।"

ৰ'জাই কান্দোনৰ মাজতে ক'লে, "মোক ক্ষমা কৰক, মোক ক্ষমা কৰক।"

বেয়াৰ্লে চিঞৰি চিঞৰি ক'লে, "ৰ'জা, ৰ'জা, এইটো সেই জেকবৰে কাম। ৰ'জা, আমি তাক ধৰিবই লাগিব।"

"কিন্তু আমি তাক কেনেকৈ ধৰিম? আপুনি যে বন্দী সেই কথা পাহৰি গ'ল নেকি?"

"নাই নাই, মই আৰু বন্দী হৈ থাকিব নোৱাৰিম। ৰ'জা, তুমি বন্দীশালৰ দুৱাৰখন মেলি দিয়া—মই নিশ্চয় চোৰটো ধৰিব পাৰিম।"

"কিন্তু মই কেনেকৈ বন্দীশালৰ দুৱাৰ খুলিম? মোৰ হাতত্তো চাবি নাই। থকা হ'লে ইমানদিনে মই আপোনাক মুকলি কৰি নিদিলোঁহেঁতেননে?"

"আঃ, ৰ'জা, তুমি যদি দুৱাৰখন মেলি নিদিয়া,"—খঙতে চিঞৰি বেয়াৰ্লে ক'লে, "মই এই খিৰিকিখনৰ বাৰবোৰ একবাই পেলাম—আৰু ইয়াত থকা সকলোকে হত্যা কৰিম।"

"ধৈৰ্য্য ধৰক, ধৈৰ্য্য ধৰক," অনুনয়ৰ সুৰত ৰ'জাই ক'লে।

"মই তোমাক কৈ দিলোঁ, ৰ'জা, মই এই বন্দীশাল ধ্বংস কৰি দিম," এইবুলি কোঠাৰ লোহাৰ দুৱাৰখনৰ ওপৰত বেয়াৰ্লে মূৰটো খুন্দিয়াবলৈ ধৰিলে। তেওঁ যেন সঁচাকৈয়ে পাগল হৈয়েই গ'ল।

ভয় খাই ৰ'জাই চিঞৰি ক'লে, "ঠিক আছে, ঠিক আছে, আপুনি শান্ত হওকচোন। মই গৈছোঁ ৰ'ব—মই এতিয়াই চাবি আনি আপোনাক মুকলি কৰি দিম, ৰ'ব।"

ৰ'জাই কথাকেইটা কৈ শেষ কৰিবই নোৱাৰিলে। গ্ৰাইফাছ আহি বন্দীশালৰ ওচৰত হাজিৰ হ'লহি। "আঃ, কি ক'লি? তই চাবি আনি ইয়াক মুকলি কৰি দিবি? এই ৰাজবন্দীটোহে তোৰ আপোন হ'ল?" এইবুলি গ্ৰাইফাছে ৰ'জাৰ হাতত খাপ মাৰি ধৰিলে।

গ্ৰাইফাছ এই সময়ত কোনো ৰাতিয়েই শোৱাৰপৰা নুঠে। সিদিনা যে গ্ৰাইফাছে সাৰ পালে তাৰ কাৰণো ৰ'জা আৰু বেয়াৰ্ল। উত্তেজনাবশতঃ তেওঁলোকে পাহৰি গ'ল যে চিঞৰ-বাখৰ কৰিলে শুই থকা গ্ৰাইফাছৰ টোপনি ভাগিব পাৰে।

টোপনি ভাগোঁতেই বেয়াৰ্লে উন্মাদৰ দৰে চিঞৰ-বাখৰ কৰা শুনি গ্ৰাইফাছ লৰি ওপৰলৈ আহিল। আহিয়েই শুনিলে ৰ'জাই বেয়াৰ্লক মুকলি কৰি দিব খোজাৰ কথা।

গ্ৰাইফাছে খঙত গৰজি ক'বলৈ ধৰিলে, "ৰ'বি, ৰাতি পুৱাবলৈ দে, তোক যদি চাবুক মাৰি ঠাণ্ডা নকৰোঁ চাবি। তই এটা চয়তান—মোৰ ছোৱালীজনীক মোৰপৰা আঁতৰ কৰি দিছ। ৰ'বি, কাইলৈ মই তোক কি কৰোঁ চাবি। আৰু এই ছোৱালীজনী—মই এতিয়াই তোক লোৰ শিকলিৰে বান্ধি থ'ম ৰ'বি...।"

গ্ৰাইফাছে খঙত গৰ্জি থকাৰ সময়তে ৰ'জাই বেয়াৰ্লক ফুচফুচাই ক'লে, "আপুনি হতাশ নহ'ব। মোৰ ওপৰত আস্থা ৰাখক। সকলো শেষ হৈ যোৱা নাই।"

এইবুলি কৈয়েই ৰ'জাই দেউতাকৰ হাতৰপৰা এৰাই তীব বেগেৰে তললৈ নামি গ'ল। গ্ৰাইফাছো ৰ'জাৰ পিছে পিছে খঙত কলকি কলকি তললৈ নামি গ'ল।

খিৰিকিৰ বাৰ দুডালত ধৰি থকা বেয়াৰ্লৰ হাতৰ মুঠিটো ঢিলা হৈ আহিল, তেওঁৰ মূৰটো কৰ কৰ কৰ লাগিল, চকু দুটা যেন জাপ খাই আহিব খুজিছে—তেওঁ

সশব্দে কোঠাৰ মজিয়াত বাগৰি পৰিল। অস্পষ্টভাবে তেওঁৰ মুখৰপৰা ওলাল, "হায়, হায়, মোৰ সকলো চুৰ কৰি নিলে, সকলো চুৰ কৰি নিলে।"

আনহাতে বক্সটেলে সেই ৰাতিয়েই দুৰ্গ ত্যাগ কৰিলে। তেওঁ ক'লা টিউলিপজোপা এটা হলৌ চোলাবে মেৰিয়াই ল'লে আৰু এখন ঘোঁৰাগাড়ীত উঠি হাৰ্লেমৰ উদ্দেশ্যে যাত্ৰা কৰিলে। পাছদিনা পুৱা তেওঁ হাৰ্লেমত উপস্থিত হ'ল।

হাৰ্লেমত উপস্থিত হৈয়েই বক্সটেলে টিউলিপজোপা চুৰি কৰি অনাৰ চিন-মোকাম নোহোৱা কৰিবলৈ নতুন এটা পাত্ৰত ফুলজোপা স্থাপন কৰিলে। তাৰ পাছত তেওঁ হৰ্টিকালচাৰ ছ'ছাইটিৰ প্ৰেছিডেণ্টলৈ এখন চিঠি লিখি জনালে যে নিখুঁত এজোপা ক'লা টিউলিপ ফুল লৈ তেওঁ হাৰ্লেমত উপস্থিত হৈছেহি। নগৰৰ এখন ভাল হোটেলত তেওঁ কোঠা এটা ভাৰা কৰি তাতে অপেক্ষা কৰিবলৈ ধৰিলে।

পঞ্চবিংশ অধ্যায়

প্ৰেছিডেণ্ট ভান হেৰিছন

বেয়াৰ্লৰ ওচৰৰপৰা নিজৰ কোঠালৈ আহি ৰ'জাই নিজৰ কৰ্তব্য স্থিৰ কৰি ল'লে। বিছনাত পৰি উচুপি থকা হোৱালী তাই নহয়। বেয়াৰ্লক তাই মুক্ত কৰিব নোৱাৰে, কিন্তু বেয়াৰ্লৰ টিউলিপ তাই উদ্ধাৰ কৰিবই লাগিব। তেওঁ ৰ'জাৰ ওপৰত টিউলিপৰ ভাৰ দি নিশ্চিন্ত আছিল, ৰ'জাই ফুলপাহ ৰক্ষা কৰিব নোৱাৰিলে।

জেকবেই যে ফুলপাহ চুৰ কৰিছে এই কথাও ৰ'জাৰ কোনো সন্দেহ নাই। সি নিশ্চয় নকল চাবি তৈয়াৰ কৰি লৈছিল। তাৰ হাতৰপৰা এতিয়া ফুলপাহ কেনেকৈ উদ্ধাৰ কৰা যায়? এতিয়া কন্দাৰ সময় নহয়, শোবাৰ সময়ো নহয়, কাম কৰাৰহে সময়। এই ৰাতিয়েই দুঃসাহসিক কাম কৰিব লাগিব। হওক আন্ধাৰ ৰাতি, গভীৰ ৰাতি, ভয়াবহ ৰাতি। হওক অকলশৰীয়া নাৰীৰ বাবে এনে ৰাতি বিপদজনক। তথাপি ৰ'জা এই ৰাতিয়েই ৰাজপথলৈ ওলাব লাগিব।

ৰ'জাই লৰালৰিকৈ দুই-এখন কাপোৰ-কানি গোটাই এটা সৰু টোপোলা কৰিলে,

তাৰ পাছত বাকচ্ছ খুলি নিজৰ সাঁচতীয়া তিনিশ গিল্ডাৰ উলিয়াই ভৰাই ল'লে আৰু লগতে ল'লে তাইৰ হাতত থকা টিউলিপৰ তৃতীয়টো কন্দ। কন্দটো তাই গাৰ কাপোৰৰ মাজত সুমুৱাই ল'লে।

তাৰ পাছত তাই কোঠাৰপৰা বাহিৰলৈ ওলাল। দুৱাৰত তলা মাৰিলে। নিঃশব্দে তাই ছিৰিৰে নামি ল'ভেষ্টাইনৰ প্ৰৱেশদ্বাৰেদি ওলাই আহিল। এই পথেৰেই এঘণ্টাৰ আগতে বক্সটেলো ওলাই গৈছিল।

প্ৰতিবেশী এজনৰ এখন ঘোঁৰাগাড়ী আছে। মানুহজনে গাড়ীখন ভাৰালৈ দিয়ে। প্ৰথমে ৰ'জাই গাড়ীখন ভাৰা কৰিবৰ বাবে মানুহজনৰ ওচৰলৈ গ'ল। কিন্তু প্ৰতিবেশীয়ে নিৰাশ কৰিলে। গাড়ীখন যোৱা কিছু সময়ৰ আগতে এজনে ভাৰা কৰি লৈ গ'ল। ৰ'জাই বুজিলে সেই মানুহজন জেকবৰ বাহিৰে আন কোনো নহয়। গাড়ী লৈ জেকব নিশ্চয় হাৰ্লেমলৈকে গৈছে। গাড়ী নাপাই ৰ'জাই ঘোঁৰা এটাকে ল'লে। প্ৰতিবেশীজনে ৰ'জাক ভালদৰে চিনি পায়। সেয়ে কোনো আপত্তি নকৰি ৰ'জাক ঘোঁৰাটো দিলে।

ঘোঁৰাত উঠি ৰ'জা ৰাজপথত আগ বাঢ়িল। বেছিদূৰ যাব লগা নহ'ল, পাঁচ মাইলমান যোৱাৰ পাছতে তাই পঠোৱা বাৰ্তাবাহক যুৱকজনক বাটতে লগ পালে। ৰ'জাই ডেকাজনৰপৰা চিঠিখন ঘূৰাই ল'লে। পাছে ডেকাজনক ৰ'জাই এৰি নিদিলে। পত্ৰবাহক হিচাবে নহ'লেও দেহৰক্ষক হিচাবে ডেকাজন কামত আহিব বুলি লগতে ল'লে। ডেকাজন বিশ্বাসী আৰু কষ্টসহিষ্ণু। ঘোঁৰা পূৰ্ণগতিৰে আগ বাঢ়িছে, ডেকাজনেও ঘোঁৰাৰ লেকামত ধৰি সমান গতিৰে ঘোঁৰাৰ কাষে কাষে দৌৰি গৈছে। কণমানো বোৱা নাই।

এনেদৰে তেওঁলোকে পাঁচ ঘণ্টাত পঁচিছ মাইলমান অতিক্ৰম কৰিলে। এতিয়াও গ্ৰাইফাছৰ মনত খেলোৱা নাই যে তেওঁৰ ছোৱালীজনী নিজৰ কোঠাৰ বিছনাত নাই। গ্ৰাইফাছ নিষ্ঠুৰ আৰু বদমেজাজী। বহুতপৰলৈকে তেওঁ যেতিয়া ৰ'জাক দেখা নাপালে তেতিয়া মনে মনে হাঁহিলে। ছোৱালীজনীয়ে তেনেহ'লে বেছ ভয় খাইছে। ভয়তে তাই দেউতাকৰ আগলৈ ওলোৱা নাই। ৰাতি বন্ধু জেকবক ৰ'জাৰ ভয়ৰ কথা কৈ গুনাই বেছ হাঁহিব পৰা হ'ব।

আনহাতে জেকব? জেকব এতিয়া ভেলকৰ ওচৰত উপস্থিত হৈছেগৈ। ৰ'জাতকৈ তেওঁ প্ৰায় বাৰ মাইলমান আগ বাঢ়ি আছে।

আৰু ৰ'জা? গ্ৰাইফাছে জানে তাই নিজৰ কোঠাত কান্দি কান্দি শুই আছে। কিন্তু সেই সময়ত ৰ'জা আচলতে দ্ৰুতগামী এটা ঘোঁৰাৰ পিঠিত উঠি হাৰ্লেমৰ ফালে জেকবৰ পিছে পিছে গৈ আছে।

গতিকে একমাত্র ভান বেয়ার্লহে আছে নিজৰ ঠাইত, দুৰ্গৰ ভিতৰৰ বন্দী কোঠাত। নাথাকিও উপায় নাই, কাৰণ তেওঁ যে বন্দী!

টিউলিপ খেতিত মন-কাণ দিয়াৰপৰা আজিকালি ৰ'জাই তাইৰ দেউতাকৰ সাহচৰ্য্যত খুব কম সময়হে কটায়। সেয়ে ডিনাৰৰ সময়ত উপস্থিত নোহোৱালৈকে গ্ৰাইফাছৰ খেয়ালেই নহ'ল যে ৰ'জাই গোটেই দিনটো দেখাই দিয়া নাই। ডিনাৰত ৰ'জাক নেদেখি গ্ৰাইফাছৰ বৰ খং উঠিল। ছোৱালীজনীয়ে এনেকুৱা ব্যৱহাৰ কৰিব লাগেনে? তেওঁ সহকাৰী এজনক ৰ'জাক মাতি আনিবলৈ পঠালে। কণমান সময়ৰ পাছত সহকাৰীজনে আহি খবৰ দিলে যে ৰ'জাক ক'তো দেখা পোৱা নাই। সেয়ে গ্ৰাইফাছে নিজে জীয়েকক বিচাৰি গ'ল।

ৰ'জাৰ কোঠাৰ দুৱাৰত ঢকিয়াই তেওঁ কোনো সাৰি-শব্দ নাপালে। দেখিলে তলা বন্ধ আছে। তেওঁ জোৰেৰে দুৱাৰখন খুলি ভিতৰ সোমাল। ৰ'জা কোঠাত নাই।

ঠিক সেই মুহূৰ্তত ৰ'জাই ৰ'টাৰডেম নগৰত প্ৰৱেশ কৰিছেগৈ।

গ্ৰাইফাছে তাৰ পাছত ৰ'জাক বান্ধনিঘৰত বিচাৰিলে, তাৰ পাছত ফুলনিত বিচাৰিলে। নাই, ৰ'জা ক'তো নাই।

দুৰ্গৰ ভিতৰত যেতিয়া ৰ'জাক পোৱা নগ'ল, তেতিয়া স্বাভাৱিকতে গ্ৰাইফাছ দৌৰিব লগা হ'ল বাহিৰলৈ আৰু ৰাজপথলৈ। কিছুপৰ অনুসন্ধান কৰাৰ পাছত তেওঁ সেই ঘোঁৰা গাড়ী থকা প্ৰতিবেশীজনৰপৰা গম পালে যে তেওঁৰে ঘোঁৰা এটা ভাৰা কৰি ৰ'জা ক'ৰবালৈ গুচি গৈছে।

ৰ'জা এনেদৰে গুচি যোৱাত গ্ৰাইফাছে ভাবিলে এই সকলোবোৰ অনৰ্থৰ বাবে যত কূটৰ ঘাই সেই ভান বেয়াৰ্লহে। বেয়াৰ্লে হয়তো তাইক ক'ৰবালৈ পঠাই দিছে। খঙত জ্বলি-পকি গ্ৰাইফাছ দুপদুপাই ওপৰলৈ গ'ল। ভান বেয়াৰ্লক চাই ল'ব গ্ৰাইফাছে। তেওঁ ভান বেয়াৰ্লক ধমক দিলে, ভয় দেখুৱালে। কোঠাটোৰ আচবাব-পত্ৰ খঙতে ভাঙি-ছিঙি চুৰমাৰ কৰিলে। তাৰ পাছত চিঞৰি চিঞৰি ক'লে, "তোক মই কি কৰোঁ চাবি—তোক চাবুকেৰে কোবাম, খাবলৈ নিদি শুকাই মাৰিম...।"

বেয়াৰ্লে কিন্তু গ্ৰাইফাছৰ আচল বক্তব্যটো ভালদৰে মন দি শুনা নাছিল। ধমকি দিয়া, গালি পৰা আদি অপমানবোৰ কালিৰ ঘটনাৰ জেৰ বুলিয়েই তেওঁ ধৰি লৈছিল। ৰ'জা যে দুৰ্গ ত্যাগ কৰি গুচি গৈছে সেই কথা তেওঁৰ মূৰত সোমোৱাই নাই। সেই বিষয়ে তেওঁ একো শুনাই নাই বাবে তেওঁ নৈৰাশ্যত একেবাৰে ডুবি আছে; অমচৰ কথা নাই, কথা কোৱা নাই। গ্ৰাইফাছৰ তৰ্জন-গৰ্জন সেয়ে তেওঁৰ কাণত সোমোৱা নাই।

ৰ'জাক যেতিয়া ক'তোৱেই বিচাৰি নাপালে গ্ৰাইফাছে তেতিয়া এই বিষয়ে

পৰামৰ্শ কৰিবৰ বাবে জেকবক বিচাৰিলে। পাছে জেকবকো যেতিয়া বিচাৰি নাপালে তেতিয়া গ্ৰাইফাছে সন্দেহ কৰিলে জেকবে হয়তো ৰ'জাক লৈয়েই পলাই গ'ল।

ইতিমধ্যে ৰ'জাই ৰ'টাৰডেমত ঘোঁৰাটো আৰু দেহৰক্ষীজনক কণমান বিশ্ৰাম দিবৰ বাবে দুঘণ্টা জিৰণি ল'লে আৰু তাৰ পাছত আকৌ যাত্ৰা কৰি ডেলফত ৰাতিটো কটাই পাছদিনা পুৱা হাৰ্লেমত উপস্থিত হ'ল। বক্সটেল তাত উপস্থিত হৈছেগৈ ঠিক চাৰি ঘণ্টাৰ আগতে।

এক মিনিট সময়ো জিৰণি নলৈ ৰ'জাই পুষ্প প্ৰদৰ্শনীৰ প্ৰেছিডেণ্ট মিনহিয়েৰ ভান হেৰিছেন ক'ত থাকে সেই কথাৰ সন্ধান কৰিবলৈ ধৰিলে। সেই মুহূৰ্তত প্ৰদৰ্শনী সমিতিৰ পৰিচালকসকলৰ উদ্দেশ্যে প্ৰেছিডেণ্ট হেৰিছনে এটা ৰিপ'ৰ্ট লিখি আছিল। বৰ ডাঙৰ কাগজ এখনত সুন্দৰ হাতৰ আখৰেৰে প্ৰেছিডেণ্টে সযত্নে ৰিপ'ৰ্টটো লিখি আছে।

ৰ'জাই প্ৰেছিডেণ্টক দেখা কৰিবৰ বাবে তেখেতৰ ওচৰলৈ নিজৰ নাম-ঠিকনা লিখি পঠালে—ৰ'জা গ্ৰাইফাছ। কিন্তু ৰ'জা গ্ৰাইফাছক প্ৰেছিডেণ্টে চিনি নাপায়—তাৰ উপৰি কাৰোবাৰ লগত দেখা কৰাৰ সময় প্ৰেছিডেণ্টৰ এতিয়া নাই, সেয়ে প্ৰেছিডেণ্টে ৰ'জাক দেখা কৰিবলৈ অমান্তি হ'ল।

কিন্তু 'দেখা নকৰে' বুলি শুনিয়েই ঘূৰি যাবৰ বাবে ল'ভেষ্টাইনৰপৰা ৰ'জা ৰুদ্ধশ্বাসে দৌৰি অহা নাই। তাইক কোনোবাই নিৰ্মমভাৱে প্ৰহাৰ কৰিলেও তাই ঘূৰি নাযায়। সেয়ে তাই প্ৰেছিডেণ্টৰ লগুৱাটোক ক'লে, "তুমি কোৱাগৈ যোৱা যে ক'লা টিউলিপৰ বিষয়ে কথা পাতিবলৈ মই আহিছোঁ।"

আচৰিত কাণ্ড। 'ক'লা টিউলিপ' নামটোতে কিবা যাদু আছে। এই সম্পৰ্কে কোৱাৰ লগে লগে ৰ'জাই প্ৰেছিডেণ্টৰ কোঠাত প্ৰৱেশ অধিকাৰ লাভ কৰিলে আৰু প্ৰেছিডেণ্ট হেৰিছনে বহাৰপৰা উঠি তাইক সম্ভাষণ জনালে।

"কোৱাচোন আইজনী, তুমি বোলে ক'লা টিউলিপৰ বিষয়ে মোক কিবা ক'বা?"

"হয় ডাঙৰীয়া, মই সেই বিষয়ে ক'বলৈকে আহিছোঁ।"

"ক'লা টিউলিপজোপা ঠিকে আছেনে?"

"সেই কথা নাজানো," বিষণ্ণ মনেৰে ৰ'জাই ক'লে।

"নাজানা? কি কথা? কিবা বিপদ ঘটা নাইতো ফুলজোপাৰ?"

"বিপদেই ঘটিছে, ভয়ানক বিপদ। পাছে টিউলিপৰ নহয়, মোৰহে বিপদ।"

"কেনেকুৱা বিপদ কোৱাচোন বাৰু?"

"ফুলজোপা মোৰপৰা চুৰি হৈ গৈছে।"

"চুৰি হৈছে? ক'লা টিউলিপ চুৰি হৈছে?"

"হয়, ডাঙৰীয়া।"

"তুমি চোৰটো চিনি পোৱানে?"

"মই এজনক সন্দেহ কৰোঁ। কিন্তু অভিযোগ কৰিব নোৱাৰোঁ।"

"কিন্তু মই যে দুঘণ্টাৰ আগতে ক'লা টিউলিপ ফুলজোপা দেখি আহিছোঁ!"

"আপুনি দেখিলে ক'লা টিউলিপ," উত্তেজনাত ৰ'জা হেৰিছনৰ ওচৰলৈ দৌৰি গ'ল।

"তোমাক যেনেকৈ দেখিছোঁ ঠিক তেনেকৈয়ে মই ক'লা টিউলিপজোপা দেখিছোঁ।"

"ক'ত দেখিলে? ক'ত?"

"তোমাৰ গৰাকীৰ ওচৰত। আৰু ক'ত?"

"মোৰ গৰাকী?"

"অঁ, তোমাৰ গৰাকী মিনিহিয়েৰ বক্সটেল নহয় জানো?"

"ডাঙৰীয়া, মিনিহিয়েৰ বক্সটেলনো কোন সেই কথা মই নাজানো। এইটো নাম মই প্ৰথম শুনিছোঁ।"

"তেনেহ'লে তোমাৰো এজোপা ক'লা টিউলিপ আছিল নেকি?"

"মোৰ ক'লা টিউলিপৰ বাহিৰেও আৰু ক'লা টিউলিপ আছে তেনেহ'লে," ৰ'জাই ঠোঁটা-মোজাকৈ সুধিলে।

"অঁ, মিনিহিয়েৰ বক্সটেলৰ আছে।"

"সেই ফুলৰ ৰং কেনেকুৱা?"

"অৱশ্যেই ক'লা।"

"আন ৰঙৰ ফুট ফুট নাই?"

"এটাও নাই।"

"সেই টিউলিপ ইয়াত আপোনাৰ ওচৰত আছেনে?"

"নাই, পাছে এতিয়াই আহিব। কমিটিক দেখুৱাব লাগিব নহয়। নহ'লে পুৰস্কাৰ কেনেকৈ পাব?"

"পুৰস্কাৰ পাব? এই বক্সটেল বোলা মানুহটোৱে পাব? শুনক ডাঙৰীয়া, এই বক্সটেলে যে নিজকে ক'লা টিউলিপৰ গৰাকী বুলি কৈছে..."

"মই তেওঁক গৰাকী বুলিয়েই মানি লৈছোঁ।"

"মানুহটো বৰ খীণ নহয়?"

"অঁ।"

"মানুহটো তপা আৰু চকু দুটা কোটৰত সোমোৱা?"

"হয়, হয়।"

"মানুহটো অলপ কুঁজা আৰু অনবৰতে ছটফটাই থকা?"

"তুমি একেবাৰে সঠিক ছবিয়েই আঁকিছা।"

"আৰু পাত্ৰটো? য'ত টিউলিপজোপা পচোৱা হৈছে? সেই পাত্ৰটো বগা আৰু নীলা ৰঙৰ এটা চীনা মাটিৰ পাত্ৰ নহয়নে?"

"সেইটো মই ভালদৰে চোৱা নাছিলোঁ। মই ফুলপাহৰ ফালেহে অনবৰতে চাই আছিলোঁ।"

"ডাঙৰীয়া, সেইজোপাই মোৰ ফুলজোপা। মোৰপৰা সেই ফুল চুৰি কৰি আনিছে। মই এতিয়া মোৰ ফুল দাবী কৰিবলৈ আহিছোঁ।"

ৰ'জাৰ কথা শুনি তাইৰ ফালে স্থিৰ দৃষ্টিৰে চাই ভান হেৰিছনে ক'লে, "বক্সটেলৰ টিউলিপ তুমি দাবী কৰিবলৈ আহিছা? তোমাৰ দেখিছোঁ সাহস আছে।"

"নহয় নহয়, ডাঙৰীয়া, মই বক্সটেলৰ টিউলিপ দাবী কৰিব খোজা নাই, দাবী কৰিব খুজিছোঁ মোৰ নিজৰ টিউলিপজোপাহে।"

"তোমাৰ নিজৰ?"

"হয়, মোৰ নিজৰ। মই নিজ হাতেৰে গুটি পচাইছোঁ, নিজে ফুলৰ যত্ন আৰু আপডাল কৰি ডাঙৰ কৰি ফুল ফুলাইছোঁ।"

"তেনেহ'লে তুমি বক্সটেলৰ ওচৰলৈ যোৱা। তেওঁ আছে হোৱাইট হ'ৰ্চ ইনত। তাতেই বক্সটেল টিউলিপৰ সৈতে আছে। শুনা, ৰ'জা ছল'মনৰ ওচৰলৈ দুজনী মাইকী মানুহ আহিছিল এটা শিশুৰ মাতৃত্বৰ দাবী লৈ। এই ঘটনাও দেখিছোঁ তেনেকুৱাই হৈছে। মই কিন্তু ৰজা ছল'মনৰ দৰে জ্ঞানী নহওঁ, গতিকে মই বিচাৰ কৰিব নোৱাৰিম। মই কেৱল ৰিপ'ৰ্ট লিখিম—আৰু যাৰ ওচৰত ক'লা টিউলিপ পোৱা গৈছে, এক লাখ গিল্ডাৰ পুৰস্কাৰ তেওঁকে দিবলৈ মই ছুপাৰিছ কৰিম। সেয়ে আইজনী, বিদায়। এতিয়া তুমি যোৱা।"

"শুনক ডাঙৰীয়া, শুনকচোন," ৰ'জাই অনুনয় কৰি ক'লে।

"ওঁহো। শুনিবলৈ আৰু একো নাই। তোমাৰ বয়স কম, তুমি হয়তো জাল-জুৱাচুৰিত পকা হোৱাগৈ নাই। সেয়ে মই তোমাক সৎ পৰামৰ্শ দিছোঁ—সাৱধান, হাৰ্লেমত বিচাৰালয় আছে, কাৰাগাৰ আছে। তাৰ উপৰি আমি হাৰ্লেমবাসী টিউলিপ সম্বন্ধে বেছ সচেতন। টিউলিপ সম্পৰ্কত আমি কোনো খেলি-মেলি বৰদাস্ত কৰিব নোৱাৰোঁ। সেয়ে তুমি যোৱা। মনত ৰাখিবা ঠিকনাটো—আইজাক বক্সটেল আছে হোৱাইট হ'ৰ্চ ইনত।"

এইবুলি কৈ ৰ'জাক বিদায় দি ভান হেৰিছনে তেওঁৰ সোণালী কলমটো হাতত লৈ আকৌ ৰিপ'ৰ্ট লিখাত মন দিলে। ৰ'জা আহি সময় নষ্ট নকৰা হ'লে ইমানপৰে তেওঁৰ ৰিপ'ৰ্ট লিখা শেষেই হ'লহেঁতেন।

ষড়বিংশ অধ্যায়

হৰ্টিকালচাৰ ছ'ছাইটিৰ সদস্যজন

আশা আৰু নিৰাশাৰ দোলনাত দোল খাই খাই ৰ'জা হোৱাইট ছ'ৱান ইন নামৰ চৰাইখানাটোলৈ যাবলৈ ওলাল, লগত দেহৰক্ষী সেই নাৱৰীয়া ডেকা। ৰ'জাই ডেকাক সকলো কথা খুলি কৈছে। সেই ডেকাজন সাহসী—দহোটা বক্সটেলকো তেওঁ ভয় নকৰে। মানুহ মাৰিবৰ বাবে তেওঁৰ কণমানো ভয় নাই। পাছে ৰ'জাই তাক সাৱধান কৰি দিছে—মানুহ মাৰিব পাৰা, তাত কোনো ক্ষতি নাই, কিন্তু সাৱধান, টিউলিপৰ গাত যেন আঁচোৰ এটা নালাগে।

গৈ থাকোঁতেই, বজাৰৰ মাজ পাওঁতেই হঠাৎ ৰ'জাৰ মূৰত এটা নতুন চিন্তাই ভূমুকি মাৰিলে। তাই ধৰিয়েই লৈছে যে এই বক্সটেল মানুহটো তাইৰ চিনাকি জেকবেই। চেহেৰাৰ বৰ্ণনা শুনি হেৰিছনেও যেনেদৰে শলাগিলে, তাতো ৰ'জাৰ ধাৰণা সত্য বুলিয়েই মনে ধৰে। কিন্তু তথাপি... তথাপি... এই 'তথাপি' এটা বৈ যোৱা নাইনে? একে চেহেৰাৰ মানুহ জানো দুজন থাকিব নোৱাৰে? নিশ্চয় পাৰে। খীণ, তপা আৰু কুঁজা মানুহ পৃথিবীত অকল জেকবেই আছে জানো?

তেনেহ'লে? কি সাহসত তাই বক্সটেলক চোৰ বুলি অভিযুক্ত কৰিবলৈ ওলাইছে? বক্সটেল নামৰ আন এজন টিউলিপবিলাসী জানো থাকিব নোৱাৰে! তেওঁ হয়তো নিজৰ চেষ্টাৰে ক'লা টিউলিপ আবিষ্কাৰ কৰিছে। জেকব নামৰ লগত তেওঁৰ হয়তো কোনো সম্পৰ্ক নাই।

নহয় নহয়, ঠিক এতিয়াই বক্সটেলৰ মুখামুখি হোৱাটো ঠিক নহ'ব। তাৰ আগতে প্ৰেছিডেন্ট হেৰিছনক আৰু দুটামান কথা কোৱাৰ প্ৰয়োজন আছে। মানুহজনক বুজাবৰ বাবে ৰ'জাই যথেষ্ট চেষ্টা কৰিব পৰা নাই।

"আমি আকৌ প্ৰেছিডেণ্টক এবাৰ লগ ধৰোঁগৈ ব'লা," ৰ'জাই দেহৰক্ষীজনক ক'লে।

"ব'লক তেনেহ'লে আমি ঘূৰি যাওঁ," দেহৰক্ষীয়ে ক'লে।

দুয়ো আকৌ হেৰিছনৰ ঘৰৰ ফালে আগ বাঢ়িলে। চাৰিওফালে তেতিয়া এটা হৈ-চৈ আৰু আনন্দৰ কোলাহল উঠিছে। ৰ'জাই ভাবিলে, নাগৰিকসকলে ক'লা টিউলিপৰে হয়তো জয়গান কৰিছে। এক লাখ গিল্ডাৰ পুৰস্কাৰৰ কথাটো বনজুইৰ দৰে হয়তো বিয়পি পৰিছে।

ৰ'জা পুনৰ অহা বাবে প্ৰেছিডেণ্ট হেৰিছন খণ্ডত টিঙিৰিতুলা হৈ উঠিল। তেওঁ ধৰিয়েই লৈছে যে এই ছোৱালীজনী নিশ্চয় পাগলী। এনে ছোৱালীক প্ৰশ্ৰয় দিবলৈ তেওঁ ৰাজী নহয়। সেয়ে ৰ'জাক তেওঁ লগে লগে বিদায় দিবলৈ প্ৰয়াস কৰিলে।

"ভগৱানৰ দোহাই, প্ৰেছিডেণ্ট ডাঙৰীয়া, অনুগ্ৰহ কৰি মোক খেদি নিদিব। মই কি ক'ব খুজিছোঁ আপুনি শুনকচোন। মিছাৰ ওপৰত ভিত্তি কৰি আপুনি কি ৰিপ'ৰ্ট লিখিব, প্ৰেছিডেণ্ট ডাঙৰীয়া? প্ৰথমে সত্য কথাটো প্ৰকাশ পাবলৈ দিয়ক। আপুনি সেই বক্সটেলক মাতি পঠাওকচোন। মোৰ ধাৰণাত সেই মানুহটো জেকবৰ বাহিৰে আন কোনো নহয়। ক'লা টিউলিপেৰে সৈতে মানুহটোক ইয়ালৈ আহিবলৈ কওক। যদি মই প্ৰমাণ কৰিব নোৱাৰোঁ যে সেই ক'লা টিউলিপজোপা মোৰ—তেতিয়া আপুনি নিশ্চিন্ত মনে আপোনাৰ ৰিপ'ৰ্ট লিখিব পাৰিব।"

হেৰিছনে তথাপি দ্বিধা কৰা দেখি ৰ'জাই হতাশাৰ সাহস অৱলম্বন কৰিলে। তাই হেৰিছনক ভয় দেখুৱাই ক'লে, "ধৰি লওক বক্সটেলে এক লাখ গিল্ডাৰ পুৰস্কাৰ আত্মসাৎ কৰি গুচি যোৱাৰ পাছত আপুনি এদিন জানিব পাৰিলে যে ক'লা টিউলিপৰ আবিষ্কৰ্তা প্ৰকৃততে বক্সটেল নহয়, সেই মানুহটো এটা প্ৰবঞ্চক আৰু চোৰ মাথোন—তেতিয়া বাৰু আপোনাৰ বিবেকে আপোনাক কি ক'ব? তেনে বাজি ধৰাৰ আগতে আজি যেতিয়া হাতত সময় আছে আপোনাৰ—আজিয়েই আপুনি সাৱধান হোৱাটো উচিত নহ'বনে?"

হেৰিছন এইবাৰ কিছু কুমলিল। এৰা, কথাটো হয়, হাতত সঁচাকৈয়ে সময় আছে। কাইলৈ আৰু সেই সময় নাথাকিব। তেতিয়া যদি সঁচাকৈয়ে এই কথা প্ৰমাণ হৈ যায় যে প্ৰকৃত আবিষ্কাৰকৰ প্ৰতিবাদলৈ কৰ্ণপাত নকৰি ভান হেৰিছনে এটা প্ৰতাৰকক পুৰস্কাৰ দি বহি আছে..., তেনেহ'লেতো সৰ্বনাশ। নাই নাই, সাৱধান হোৱাই ভাল।

ঠিক তেনেতে ঘৰৰ বাহিৰত এটা কোলাহল শুনা গ'ল। সেই কোলাহল হেৰিছনৰ ঘৰৰ দুৱাৰমুখতে শুনা গ'ল। কোলাহলৰ মাজতে এটা নাম কাণত পৰা মাত্ৰকে হেৰিছন অসম্ভৱ চঞ্চল হৈ উঠিল। তেওঁ দুৱাৰৰ ফালে দৌৰি যোৱাদি গ'ল।

কিন্তু বাহিৰলৈ যোৱাৰ আগতেই তেওঁ ছিৰিত ভালেমান লোকৰ খোজৰ শব্দ শুনিলে। মাজপথতে হেৰিছনে এজন মানুহক দেখা পালে। মানুহজনৰ বয়স বাইছ-তেইছ বছৰমান হ'ব—তেওঁৰ পিছে পিছে দুজন ৰাজবিষয়া, এজন নৌ-বাহিনীৰ আৰু আনজন অশ্বাৰোহী সৈন্যবাহিনীৰ।

সেই ব্যক্তিজনক দেখি হেৰিছন প্ৰায় ভূলুণ্ঠিত হৈ পৰিল। সেই যুৱকক সন্মান জনাবলৈ তেওঁ কি কৰোঁ, কি নকৰোঁ ভাবত বিচলিত হৈ ক'বলৈ ধৰিলে, "মহাৰাজ, মহাৰাজ, এয়া কি অভূতপূৰ্ব সন্মান এই নিঃস্বজনৰ ভাগ্যত। আমাৰ এই দুখীয়াৰ পঁজাত মহামহিম ষ্টাড্‌হ'ল্ডাৰৰ পদাৰ্পণ ঘটিব এনে কথা মোৰ সপোনৰো অগোচৰ।"

ষ্টাড্‌হ'ল্ডাৰ উইলিয়ামে মধুৰ হাঁহি এটা মাৰি ক'লে, "প্ৰেছিডেণ্ট ডাঙৰীয়া, ষ্টাড্‌হ'ল্ডাৰ হ'লেও মই হলেণ্ডৰে ষ্টাডহ'ল্ডাৰ। আন পাঁচজন হলেণ্ডবাসীৰ দৰে ময়ো পুষ্পবিলাসী। ফুল, বিশেষকৈ টিউলিপ ফুল মোৰ সবাতোকৈ প্ৰিয়। সেই টিউলিপৰ বংশাৱলীত আপোনালোকে নতুন বিস্ময়ৰ আমদানি কৰিছে বুলি শুনি মই জানো দূৰত থাকিব পাৰোঁ? সেয়ে এই ক'লা টিউলিপৰ বিষয়ে সকলো কথা জানিবলৈ মই হৰ্টিকালচাৰ ছ'ছাইটিৰ প্ৰেছিডেণ্টৰ ওচৰলৈ আহিছোঁ।"

"আঃ, মহাৰাজ, আপোনাৰ অশেষ কৰুণা," হেৰিছনে আকৌ নতমস্তকে অভিবাদন জনালে।

"প্ৰেছিডেণ্ট ডাঙৰীয়া, আপোনাৰ ক'লা টিউলিপ ক'তা? মোক দেখুৱাওকচোন। ইয়াতে আছেনে?"

"মহাৰাজ, মই দুখেৰে জনাব লগা হৈছে যে ইয়াত নাই।"

"তেনেহ'লে ক'ত আছে?"

"ফুলজোপা মালিকৰ ওচৰতে আছে।"

"মালিকনো কোন? তেওঁৰ নাম কি?"

"তেওঁ ডৰ্ট নগৰৰ এজন টিউলিপ খেতিয়ক। নাম বক্সটেল।"

"তেওঁ এতিয়া ক'ত আছে?"

"তেওঁ এতিয়া হোৱাইট ছ'ৱান ইনত আছে। মই এতিয়াই মাতি পঠাম।"

"ভাল কথা, সোনকালে মাতি পঠাওক।"

"ভাল, মহাৰাজ। কিন্তু..."

"কিন্তু? কিন্তু কি?"

"মানে, মহাৰাজ, টিউলিপৰ বাবে আৰু এজন দাবীদাৰ ওলাইছে। পুৰস্কাৰৰ লোভত আৰু আবিষ্কাৰৰ সন্মানৰ লোভত আৰু এজন জাল দাবীদাৰ ওলাইছে।"

"জাল দাবীদাৰ?" প্ৰথমে বিস্মিত আৰু পাছত ক্ৰুদ্ধ হৈ উঠিল ষ্টাডহ'ল্ডাৰ। "টিউলিপৰ ওপৰতো জালিয়াতি! সাধাৰণ অপৰাধতকৈও এনে অপৰাধ অধিক ঘৃণনীয়।"

"মহাৰাজ, দাবী কৰোঁতাজন এগৰাকী ছোৱালী—সৰু ছোৱালী," হেৰিছনে ৰ'জাৰ অপৰাধক কিছু লঘুকৈ দেখুৱাবৰ চেষ্টা কৰি ক'লে। "ছোৱালীজনীক মহাৰাজে চাব খোজে নেকি? এই মুহূৰ্তত তাই ওচৰৰ কোঠাটোতে আছে।"

"তেনেহ'লে সেই ছোৱালীজনীয়ে টিউলিপ দাবী কৰিছে? তাই কি প্ৰমাণ দিছে?"

"মই তাইক প্ৰশ্ন কৰিব খুজিছিলোঁহে। এনেতে মহাৰাজ আহি উপস্থিত হ'লহি।"

"ঠিক আছে, তাইক প্ৰশ্ন কৰক, প্ৰেছিডেণ্ট ডাঙৰীয়া, মই দেশৰ প্ৰধান বিচাৰক। মই বিচাৰ শুনিম আৰু ৰায় দিম।"

"আঃ, মই মোৰ ছল'মন পালোঁ, মই মোৰ ছল'মন পালোঁ," হেৰিছনে এইবুলি আনন্দ প্ৰকাশ কৰিলে।

"ৰ'ব, এটা কথা শুনক, ছোৱালীজনীৰ আগত মোক মহাৰাজ বুলি ক'ব নালাগে—মিনহিয়েৰ বুলিয়েই ক'ব।"

দুয়ো কাষৰ কোঠালৈ গ'ল। ৰ'জা খিৰিকিখনৰ ওচৰত থিয় হৈ আছিল। খোজৰ শব্দ শুনি তাই ঘূৰি চালে। পাছে ৰাজকুমাৰক ভালকৈ নেদেখিলে। কাৰণ, তেওঁ কোঠাটোৰ একেবাৰে এমূৰত বহিছিল। কিতাপৰ থাকৰপৰা ৰাজকুমাৰে কিতাপ এখন লৈ তাৰ আঁৰত মুখখন ঢাকি ল'লে।

গহীনভাবে হেৰিছনে আৰম্ভ কৰিলে, "কোৱাচোন আইজনী, তুমি মোক সঁচা কথা ক'ম বুলি কৈছা নহয়। এতিয়া কোৱাচোন, টিউলিপ সম্পৰ্কত প্ৰকৃত সঁচা কথাটো কোৱা।"

"মই শপত খাই কৈছোঁ..."

"ৰ'বা, তোমাৰ কি ক'ব লগা আছে এই ভদ্ৰলোকক কোৱা। এখেতো হৰ্টিকালচাৰ ছ'ছাইটিৰ এজন সদস্য।"

"আপোনাক যিখিনি ক'লোঁ তাৰ বাহিৰে নতুনকৈ ক'বলৈ মোৰ আৰু একো নাই। মই কেৱল একেটা অনুৰোধকে কৰিব খোজোঁ।"

"কি অনুৰোধ?"

"মিনহিয়েৰ বক্সটেলক আপুনি ক'লা টিউলিপৰ সৈতে ইয়ালৈ মাতি পঠাওক। মোৰ ফুল বুলি যদি সেই ফুলজোপা চিনি নাপাওঁ, তেনেহ'লে মই সেই কথা অকপটে

স্বীকাৰ কৰিম। আৰু যদি চিনি পাওঁ, তেনেহ'লে মোৰ দাবী প্ৰতিপন্ন কৰিবৰ বাবে, দৰকাৰ হ'লে মই ষ্টাড্হ'ল্ডাৰৰ ওচৰলৈকো যাম। তেখেতক দেখুৱাবৰ বাবে মোৰ হাতত প্ৰমাণো আছে।"

"তেনেহ'লে তোমাৰ হাতত প্ৰমাণ আছে, আইজনী?"

"ভগৱানৰ অশেষ দয়া। প্ৰমাণ মোৰ হাতত আছে।"

ভান হেৰিছনে ৰজাৰ ফালে চালে। ৰজাই কেৱল মনত পেলাবলৈ চেষ্টা কৰিছে ছোৱালীজনীক আগতে ক'ত দেখিছে। তাইৰ চেহেৰাটো ঠিক মনত পৰা নাই যদিও এই মিঠা মাতটো যেন তেওঁৰ চিনাকি।

হেৰিছনে কৰ্মচাৰী এজনক বক্সটেলক তালৈ আনিবলৈ পঠালে আৰু তাৰ পাছত আকৌ প্ৰশ্ন কৰিবলৈ ধৰিলে।

"এতিয়া কোৱাচোন, তুমিয়েই যে টিউলিপ ফুলজোপাৰ গৰাকী সেই কথা কেনেকৈ প্ৰমাণ কৰিবা।"

"একেবাৰে সহজ কথা। কাৰণ, মোৰ নিজৰ কোঠাতে পাত্ৰ এটাত টিউলিপৰ কন্দ পচাই সেই ফুলজোপা ডাঙৰ কৰিছিলোঁ।"

"তোমাৰ কোঠাত? ক'ত সেই কোঠা?"

"ল'ভেষ্টাইনত।"

"অ', তুমি ল'ভেষ্টাইনৰপৰা আহিছা?"

"অঁ হয়, মই তাৰ কাৰাদুৰ্গৰ কাৰাধ্যক্ষৰে ছোৱালী।"

এই কথা শুনি উইলিয়াম কিছু লৰি-চৰি বহিল। অৰ্থাৎ ছোৱালীজনী তেওঁৰ মনত পৰিছে।

"তুমি তেনেহ'লে ফুল ভাল পোৱা?"

"হয়, মই ফুল ভাল পাওঁ।"

"ফুলৰ খেতি-বাতি কৰাৰ অভিজ্ঞতাও তেনেহ'লে তোমাৰ আছে?"

এই প্ৰশ্ন শুনি ৰ'জাই কণমান ইতস্ততঃ কৰিলে। কিছু সংকোচবোধ কৰিলেও তাইৰ কথাত সত্যৰ সুৰেই যেন ঝংকাৰি উঠিল, "মই নিশ্চয় ভদ্ৰলোকৰ লগত কথা পাতিছোঁ, যি ভদ্ৰলোকে মোৰ গোপন কথা অকাৰণে প্ৰকাশ কৰি দি মোক বিপন্ন কৰি নুতুলিব। প্ৰকৃত পক্ষে ফুল সম্বন্ধে মোৰ নিজৰ কোনো অভিজ্ঞতা নাই, মই এজনী অতি মূৰ্খ ছোৱালী। তিনিমাহৰ আগলৈকে মই একেবাৰে নিৰক্ষৰ আছিলোঁ, লিখিবও নাজানো, পঢ়িবও নাজানো। নহয়, ক'লা টিউলিপ মোৰ নিজৰ আৱিষ্কাৰ নহয়।"

"তেনেহ'লে কাৰ আৱিষ্কাৰ?"

"ল'ভেষ্টাইনৰ এজন দুৰ্ভগীয়া কয়দীৰ।"

মহাৰাজে ইমানপৰে মাত দিলে, "ল'ভেষ্টাইনৰ কয়দী?"

সেই কণ্ঠস্বৰ শুনি ৰ'জা চমকি উঠিল। এই কণ্ঠস্বৰ যেন তাই আগতে শুনিছে।

মহাৰাজে আকৌ ক'লে, "সেই কয়দী তেনেহ'লে ৰাজবন্দী? কাৰণ ল'ভেষ্টাইনত আন বন্দী নাথাকে," এইবুলি কৈ তেওঁ আকৌ কিতাপত মন দিলে।

এনে সাংঘাতিক স্বীকাৰোক্তিত হেৰিছনেও ছোবালীজনীৰ বাবে ভয় খাই গ'ল। কাৰণ ৰাজবন্দীৰ লগত যিকোনো ধৰণৰ যোগাযোগ ৰাষ্ট্ৰদ্ৰোহৰে চামিল।

মহাৰাজে আকৌ হেৰিছনক ক'লে, "প্ৰশ্ন সোধক।"

ৰ'জাই ভাবিছে হেৰিছনেই প্ৰকৃত বিচাৰক। তাই ভয়ে ভয়ে তেওঁক ক'লে, "এনে স্বীকাৰোক্তি মোৰ খুব বিৰুদ্ধে যাব বোধকৰোঁ?"

"নিশ্চয় যাব," হেৰিছনে ক'লে, "কাৰণ ৰাজবন্দীৰ সংশ্ৰবলৈ কোনোবেই আহিব নালাগে। অথচ তুমি স্বীকাৰ কৰিছা যে কাৰাধ্যক্ষৰ কন্যা বুলি কাৰাগাৰৰ ভিতৰত আহ-যাহ কৰাৰ তোমাৰ যিকণ সুবিধা আছে তাৰেই অপব্যৱহাৰ কৰি এই ৰাজবন্দীৰ লগত তুমি কথা-বতৰা পাতিছা আৰু টিউলিপ খেতিৰ বিষয়ে তেওঁৰপৰা উপদেশ গ্ৰহণ কৰিছা।"

হতাশ সুৰত ৰ'জাই ক'লে, "এই কথা অস্বীকাৰ কৰিবৰ উপায় নাই, মই প্ৰতিদিনেই তেওঁক দেখা কৰোঁ।"

"হায় অভাগিনী!" হেৰিছনে ক'লে।

একোণত বহি কিতাপত মগ্ন হৈ থকা মহাৰাজে ক'লে, "এইবোৰ ৰাষ্ট্ৰদ্ৰোহ-ট্ৰোহ আদিৰ কথা পুষ্প প্ৰদৰ্শনী সমিতিৰ বিবেচ্য নহয়। তেওঁলোকে কেবল ক'লা টিউলিপৰ উৎপাদন সংক্ৰান্ত কথাটোৰহে মীমাংসা কৰিব পাৰে। সেয়ে তুমি কৈ যোৱা ছোৱালীজনী, কৈ যোৱা।"

এই কথা শুনি ৰ'জাই কণমান উৎসাহবোধ কৰিলে। যোৱা তিনি মাহত ল'ভেষ্টাইনত যি যি ঘটিছিল, যি দুখ-কষ্ট তাই পাইছে, সকলোবোৰ তাই একাদিক্ৰমে কৈ গ'ল। গ্ৰাইফাছৰ অকাৰণ নিষ্ঠুৰতা, টিউলিপৰ প্ৰথমটো কন্দ তেওঁ নষ্ট কৰি পেলোৱাৰ ফলত বেচেৰা বেয়াৰ্লৰ দাৰুণ নৈৰাশ্য, দ্বিতীয়টো কন্দ যাতে নষ্ট নহয় তাৰ বাবে এক প্ৰকাৰৰ সতৰ্কতা, বন্দীৰ ধৈৰ্য্য, তেওঁৰ দুশ্চিন্তা, এসপ্তাহ কাল টিউলিপৰ খবৰ নোপোৱাত তেওঁৰ প্ৰাণ ত্যাগৰ সংকল্প, তাৰ পাছত টিউলিপ চুৰি হোৱাৰ খবৰ শুনি তেওঁৰ প্ৰায় উন্মাদ হৈ যোৱা অৱস্থা—এই সকলোবোৰ ৰ'জাই একাদিক্ৰমে কৈ গ'ল।

এই কথাবোৰৰ এক বৰ্ণও যে মিছা নহয় সেই কথা হেৰিছন বা উইলিয়াম কাৰো বুজাত অসুবিধা নহ'ল।

অৱশেষত ৰজাই ক'লে, "কিন্তু বন্দীৰ লগত তোমাৰ চিনাকিতো দীৰ্ঘদিনৰ নহয়?"

ৰ'জাই দুচকু বিস্ফাৰিত কৰি ৰজাৰ ফালে চাই ক'লে, "এই কথা কিয় ক'লে, ডাঙৰীয়া?"

"কাৰণ কাৰাধ্যক্ষ গ্ৰাইফাছে তেওঁৰ ছোৱালীজনী লৈ ল'ভেষ্টাইনলৈ যোৱাৰ চাৰিমাহো হোৱা নাই।"

"হয়, সেই কথা সঁচা।"

"তেনেহ'লে হেগৰপৰা ল'ভেষ্টাইনলৈ এনে কোনো বন্দী বদলি হৈ গৈছিল, যাক অনুসৰণ কৰিবৰ বাবে চাৰি মাহৰ আগতে তুমি তোমাৰ দেউতাৰাৰ বদলিৰ প্ৰাৰ্থনা কৰিছিলা।"

"হয়, মহাশয়..." ৰ'জাই আৰু কথা ক'ব নোৱাৰিলে।

"বাৰু কোৱাচোন, তোমাৰ আৰু কি ক'বলগীয়া আছে কোৱা।"

"মই অস্বীকাৰ নকৰোঁ যে হেগৰ বন্দীশালত থকাৰপৰাই মই বন্দীজনক জানো।"

"বন্দীৰ ভাগ্য ভাল," ৰজাই হাঁহি হাঁহি ক'লে।

এই সময়তে হেৰিছনৰ কৰ্মচাৰী এজনে আহি খবৰ দিলেহি যে ক'লা টিউলিপৰ সৈতে বক্সটেল আহি উপস্থিত হৈছে।

সপ্তবিংশ অধ্যায়

টিউলিপৰ তৃতীয়টো কন্দ

বক্সটেলে হেৰিছনৰ ড্ৰইংৰুমত প্ৰৱেশ কৰিলে। এজন মানুহে টিউলিপজোপা আনি কোঠাৰ টেবুলৰ ওপৰত থ'লেহি।

উইলিয়াম সিটো কোঠাৰপৰা ওলাই আহি মুগ্ধ দৃষ্টিৰে টিউলিপজোপালৈ কিছুপৰ চাই ৰ'ল আৰু তাৰ পাছত তেওঁ নিজৰ ঠাইত বহিলগৈ।

ৰ'জাই ভুমুকি মাৰি চালে, তাই তেতিয়াও বক্সটেলক দেখা পোৱা নাছিল। এনে সময়তে বক্সটেলে হেৰিছনক কিবা এটা ক'লে। মাতটো শুনিয়েই ৰ'জা চমকি উঠিল, "সেইটো। সেইটোৱেই জেকব।"

ৰজাই ইংগিতেৰে তাইক আগুৱাই যাবলৈ ক'লে। আগ বাঢ়ি যাওঁতেই ৰ'জাৰ চকু পৰিল টেবুলৰ ওপৰত থোৱা টিউলিপজোপাত। তাই চিএৰ এটা মাৰি ক'লে, "মোৰ। মোৰ টিউলিপ! মই চিনি পালোঁ—এইজোপা মোৰ টিউলিপ। হায় হায়, মোৰ অভাগা বেয়ার্ল।"

এইবুলি তাই উচুপি উচুপি কান্দিবলৈ ধৰিলে।

ৰজা বহাৰপৰা উঠি দুয়োটা কোঠাৰ মাজৰ দুৱাৰৰ ওচৰত ৰ'ল। এতিয়াহে ৰ'জাই তেওঁক ভালদৰে দেখা পালে। তাইৰ কেৱল বাৰে বাৰে ধাৰণা হৈছে—আগতেও যেন তাই এওঁক ক'ৰবাত দেখিছে।

ৰজাই মাতিলে, "বক্সটেল ডাঙৰীয়া, অনুগ্ৰহ কৰি এইফালে আহক।"

বক্সটেল আগুৱাই আহিল। আহিয়েই সন্মুখত ৰ'জাক দেখি বক্সটেল দুখোজ পিছুৱাই গ'ল, "ইকি মহাৰাজ!"

"মহাৰাজ!" ৰ'জায়ো বৰ চঁক খালে। তায়ো এতিয়াহে চিনি পালে।

আনহাতে ৰ'জাৰ মাত শুনি চমকি উঠি বক্সটেলে সেইফালে ঘূৰি চালে আৰু ৰ'জাক দেখিয়েই তেওঁৰ গাটো ঠকঠক্কৈ কঁপিবলৈ ধৰিলে।

ৰজাই তেওঁলৈ লক্ষ্য কৰি আছিল। মনে মনে তেওঁ ক'লে, "মানুহটোৱে দেখোন বৰ ভয় খাইছে।" কিন্তু প্ৰকাশ্যে তেওঁ বক্সটেলক ভদ্ৰভাৱেই সম্ভাষণ জনালে, "বক্সটেল ডাঙৰীয়া, আপুনিয়েই ক'লা টিউলিপ আবিষ্কাৰ কৰিছে নহয়নে?"

বক্সটেলে প্ৰথম আতংকৰ হেঁচাটো আঁতৰাই যথাসম্ভৱ শান্তভাৱে ক'লে, "হয়, মহাৰাজ।"

"কিন্তু এই ছোৱালীজনীয়ে দাবী কৰিছে যে তেওঁহে ক'লা টিউলিপ আবিষ্কাৰ কৰিছে।"

বক্সটেলে ঘৃণাৰে এবাৰ মুখটো জোকাৰিলে।

"এই ছোৱালীজনীক আপুনি চিনি পায়নে?"

"নাই, চিনি নাপাওঁ।"

"হেৰা ছোৱালীজনী, তুমি বক্সটেলক চিনি পোৱানে?"

"চিনি পাওঁ। পাছে বক্সটেল বুলি নহয়, জেকব বুলিহে চিনি পাওঁ।"

"তাৰ মানে? তুমি কি ক'ব খুজিছা?"

"তাৰ মানে এয়ে যে ল'ভেষ্টাইনত এই মানুহটোৱে নিজকে জেকব বুলি চিনাকি দিছিল।"

"এই বিষয়ে আপুনি কি কয়, বক্সটেল ডাওৰীয়া?"

"মহাৰাজ, মই ক'ব খোজোঁ যে এই ছোৱালীজনীয়ে মিছা কথা কৈছে।"

"আপুনি ল'ভেষ্টাইনলৈ যোৱাৰ কথাটো অস্বীকাৰ কৰে নেকি?"

"মই ল'ভেষ্টাইনলৈ যোৱাৰ কথাটো অস্বীকাৰ নকৰোঁ, কিন্তু টিউলিপ চুৰ কৰি অনাৰ কথাটো মই অস্বীকাৰ কৰোঁ।"

ৰ'জাই তেনেতে চিঞৰি ক'লে, "তুমি টিউলিপজোপা মোৰ কোঠাৰপৰা চুৰ কৰিছা।"

"নাই কৰা। শুনক, মহাৰাজ। ডর্ট নগৰত যোৱা কুৰি বছৰ ধৰি মই টিউলিপৰ খেতি কৰিছোঁ। টিউলিপ খেতিয়ক হিচাবে জনসমাজত মোৰ এক প্ৰতিষ্ঠাও আছে। আচল সত্যটো হ'ল, মহাৰাজ,—এই ছোৱালীজনীয়ে মই ক'লা টিউলিপ আবিষ্কাৰ কৰা বুলি শুনি তাইৰ প্ৰেমিকৰ লগ লাগি মই পাব লগা পুৰস্কাৰটো গ্ৰাস কৰিবলৈ আঁচনি কৰিছে।"

"পাছে আপুনি কোৱা ছোৱালীজনীৰ প্ৰেমিকজননো কোন?"

"তেওঁ এজন ৰাজবন্দী, মহাৰাজ।"

"তেওঁৰ নাম কি?"

"তেওঁৰ নাম কর্নেলিয়াছ ভান বেয়াৰ্ল," বক্সটেলে ক'লে, "আৰু তেওঁ হ'ল ৰাষ্ট্ৰদ্ৰোহী কর্নেলিয়াছ জন দ্য উইটৰ ধৰ্মপুত্ৰ।"

নামটো শুনিয়েই ৰজা চমকি উঠিল। তেওঁৰ মুখখন শেঁতা পৰি গ'ল। ৰজাই ৰ'জালৈ ঘূৰি চাই ক'লে, "অ', এই মানুহটোৰ অনুসৰণ কৰিবৰ বাবেই তুমি লিডেনলৈ আহি তোমাৰ দেউতাৰাৰ বদলিৰ বাবে মোক প্ৰাৰ্থনা কৰিছিলা নহয়নে?"

"হয়, মহাৰাজ," অস্পষ্টভাৱে তাই উত্তৰ দিলে।

"অঁ, বক্সটেল ডাওৰীয়া, আপুনি কৈ যাওক।"

"মহাৰাজ, মোৰ আৰু বিশেষ ক'বলৈ নাই। মহাৰাজে সকলো কথা গম পাইছেই। এই টিউলিপজোপা মোৰ। মই ল'ভেষ্টাইনলৈ বিশেষ ব্যক্তিগত কাম এটাত আহিছিলোঁ। তাতে কাৰাধ্যক্ষ গ্ৰাইফাছৰ লগত মোৰ চিনাকি হয় আৰু তেওঁৰ এই ছোৱালীজনীক মই বিয়া কৰাব খোজোঁ। তেতিয়াই মই ক'লা টিউলিপৰ কথা কৈছিলোঁ আৰু কৈছিলোঁ যে এই ক'লা টিউলিপ যুদ্ধ ফুলাব পাৰিলে মই এক লাখ গিল্ডাৰ পুৰস্কাৰ পাম।

"ছোৱালীজনীৰ এজন প্ৰেমিক আছে—কর্নেলিয়াছ ভান বেয়াৰ্ল। তেওঁৰে লগ

লাগি এই ছোৱালীজনীয়ে মোৰ ফুলজোপা তাইৰ কোঠালৈ লৈ গৈছিল, পাছে সৌভাগ্যক্ৰমে মই ফুলজোপা উদ্ধাৰ কৰিলোঁ। এতিয়া মহাৰাজেই বিচাৰ কৰি চাওক— কোন সঁচা কোন জাল।"

"হে ভগবান, হে ভগবান—কি ভয়ানক মিছা কথা," ৰ'জাই চিঞৰি চিঞৰি কান্দি ৰজাৰ ভৰিত পৰিল।

বক্সটেলে মাজতে মাত লগালে, "মহাৰাজ, আপোনাৰ হয়তো মনত পৰিব পাৰে যে ৰাষ্ট্ৰদ্ৰোহীজন দ্য উইট আৰু কৰ্নেলিয়াছ জন দ্য উইটৰ গোপন দলিল-পত্ৰ গচ্ছিত ৰখাৰ অপৰাধত কৰ্নেলিয়াছ ভান বেয়াৰ্লৰ মৃত্যুদণ্ড হোৱাৰ কথা আছিল..."

"আপুনি মনে মনে থাকক," ৰজাই কঠোৰভাবে ক'লে। "আমি ইয়াত পুষ্প প্ৰদৰ্শনীৰ কথাহে আলোচনা কৰিব লাগে। ৰাষ্ট্ৰদ্ৰোহৰ কথা আনত হ'ব, আৰু শুনক, বক্সটেল ডাঙৰীয়া, আপুনি নিশ্চিন্ত থাকক—আপুনি সুবিচাৰেই পাব।"

উইলিয়ামে এইবাৰ ৰ'জাৰ ফালে চাই সুধিলে, "ৰ'জা গ্ৰাইফাছ, এই টিউলিপজোপা যে তোমাৰ তাৰ কিবা প্ৰমাণ আছেনে?"

"আছে, মহাৰাজ, মই প্ৰথমে এওঁক দুটামান প্ৰশ্ন সুধিব খোজোঁ।"

"সোধা।"

"বক্সটেল ওৰফে জেকব ডাঙৰীয়া, আপুনি কৈছে এই ক'লা টিউলিপজোপা আপুনি উৎপন্ন কৰিছে। কওকচোন বাৰু, যিটো মূলৰপৰা ইয়াক উৎপন্ন কৰিছিল তাৰ কন্দ কেইটা আছিল?"

"তিনিটা কন্দ আছিল।"

"এই কন্দকেইটা কি হ'ল?"

"কি হ'ব আৰু! প্ৰথমটো কন্দ নষ্ট হৈ গৈছে। দ্বিতীয়টো কন্দৰপৰা এই ফুলজোপা ফুলিছে।"

"তৃতীয়টো কন্দ কি হ'ল? ক'ত আছে সেইটো?"

"তৃতীয়টো কন্দ ডৰ্ট নগৰত আমাৰ ঘৰতে আছে।"

"তুমি ফুল ফুলালা ক'ত? ফুলি থকা ফুলেৰে তুমি যিখন গাড়ীৰে ইয়ালৈ আহিছা সেইখন যে ভাৰা কৰা গাড়ী তুমি অস্বীকাৰ কৰিব পাৰিবানে?"

বক্সটেল অতিপাত ইতস্ততঃ কৰিলে—তেওঁৰ দ্বিধাগ্ৰস্ততা উইলিয়ামৰ চকুত পৰিল। অৱশেষত বক্সটেলে ক'লে, "ফুলপাহ মই ল'ভেষ্টাইনত ফুলাইছিলোঁ।"

"অথচ তৃতীয়টো কন্দ থাকিল ডৰ্টত," এই বুলি কৈ ৰ'জাই উইলিয়ামৰ ফালে চাই ক'লে, "চাওক মহাৰাজ, তৃতীয়টো কন্দ ডৰ্টতো নাই, এই মিছলীয়াটোৰ ওচৰতো নাই। সেইটো আছে মোৰ ওচৰত। তিনিওটা কন্দই বধ্যভূমিলৈ নিয়াৰ আগতে সেই

ৰাজবন্দী কৰ্নেলিয়াছ ভান বেয়াৰ্লে মোৰ হাতত দি যায়। তেওঁ উইল কৰি সেইকেইটা মোক দিছিল।"

এইবুলি কৈ কৈ ৰ'জাই নিজৰ গাৰ কাপোৰৰ মাজৰপৰা কাগজেৰে মেৰিওৱা তৃতীয়টো কন্দ আলফুলে উলিয়াই আনিলে। কাগজৰ টোপোলাটো খুলি কন্দটো সসম্মানে ষ্টাডহ'ল্ডাৰৰ হাতত তুলি দিবলৈ যাব—এনে সময়তে কাগজখনৰ ওপৰত লিখা কিবা লেখাৰ ওপৰত ৰ'জাৰ চকু পৰিল।

মেৰিওৱা কাগজখনত লিখা কথাখিনি তাই একে উশাহে পঢ়ি পেলালে আৰু পঢ়ি তাই ঠক্ ঠক্কৈ কঁপিবলৈ ধৰিলে। কন্দটো ৰজাৰ হাতত দিবলৈকো তাই পাহৰি গ'ল। হঠাত ৰ'জাই চিঞৰি ক'লে, "মহাৰাজ, পঢ়ক, পঢ়কচোন, ভগৱানৰ শপত, এই কাগজখন পঢ়ক।"

উইলিয়ামে সোঁহাতে কন্দটো লৈ হেৰিছনক দিলে আৰু বাঁওহাতে কাগজখন লৈ পঢ়িবলৈ ধৰিলে। পঢ়োঁতে তেওঁৰ হাতখন কঁপি উঠিল। কাগজখন পঢ়াৰ লগে লগে তেওঁ এক আকস্মিক মৰ্মান্তিক আঘাত পালে। কাগজখন তেওঁৰ হাতৰপৰা মজিয়াত সৰি পৰিল।

চিঠিখন সেই কৰ্নেলিয়াছ দ্য উইটৰ চিঠি। বাইবেলৰ পাত ফালি পেন্সিলেৰে চিঠিখন লিখি লগুৱা ক্ৰেইকৰ হাতত তেওঁ ভান বেয়াৰ্লৈলৈ মৃত্যুৰ এঘণ্টা আগতে পঠাইছিল।

উইলিয়ামে পঢ়িলে—

> প্ৰিয় পুত্ৰ কৰ্নেলিয়াছ, তোমাৰ ওচৰত যিটো কাগজৰ টোপোলা মই থৈ আহিছিলোঁ, সেইটো পুৰি পেলাবা। সেইটো নাচাই, সেইটো নুখুলি, পুৰি পেলাবা, যাতে তাত থকা কথাবোৰ চিৰদিন তোমাৰ বাবে অজ্ঞাত হৈ থাকে। এনে ধৰণৰ গোপন কথা যি জানে তেওঁলোক মৃত্যুপথৰ যাত্ৰী হয়। জন আৰু কৰ্নেলিয়াছ দ্য উইটক যদি বচাব খোজা, টোপোলাটো লগে লগে পুৰি পেলোৱা।
>
> "বিদায়, আশীৰ্বাদ
>
> "২০ আগষ্ট ১৬৭২" কৰ্নেলিয়াছ দ্য উইট"

উইলিয়ামে অতি কষ্টেৰে নিজকে সংযত কৰিলে। তেওঁৰ হৃদয়ত তেতিয়া বিবেকৰ দংশন চলিছে। উইট্ ভ্ৰাতৃদ্বয়ৰ মৃত্যুৰ বাবে নহয়, তেওঁলোকক এতিয়াও তেওঁ ৰাষ্ট্ৰদ্ৰোহৰ অপৰাধত দণ্ডণীয় বুলিয়েই ভাবে। কিন্তু এই ভান বেয়াৰ্ল, বেচেৰাই একো নজনাকৈ, বিনা দোষত দীৰ্ঘদিন চৰম নিৰ্য্যাতন সহ্য কৰিব লগা হৈছে।

বক্সটেলে ৰজাৰ এই বিচলিত ভাব দেখি একোৱেই বুজি নাপালে। বুজিব নোৱাৰি তেওঁ কিছু শংকিত হ'ল। কিন্তু তেওঁৰ শংকা কিছু দূৰ হ'ল যেতিয়া ৰজাই তেওঁৰ ফালে চাই ক'লে, "বক্সটেল ডাঙৰীয়া, আপুনি যাব পাৰে। মই কথা দিছোঁ, আপুনি সুবিচাৰেই পাব।"

তাৰ পাছত ৰজাই প্ৰেছিডেণ্ট হেৰিছনলৈ চাই ক'লে, "প্ৰেছিডেণ্ট ডাঙৰীয়া, এই ছোৱালীজনী আৰু এই ফুলজোপাৰ দায়িত্ব গ্ৰহণ কৰক। মই যাওঁ।"

এইবুলি ৰজা কোঠাৰপৰা ওলাই গ'ল। সকলোৱে নতমস্তকে অভিবাদন জনালে।

অষ্টাবিংশ অধ্যায়

বেয়াৰ্লৰ হাৰ্লেম যাত্ৰা

ৰ'জা আৰু জেকবৰ কোনো খবৰ-বাতৰি নাপাই গ্ৰাইফাছে ধৰি ল'লে এই সকলো অনৰ্থৰ মূল হ'ল ভান বেয়াৰ্ল। ৰ'জা আৰু জেকব অন্তৰ্ধান হোৱাৰ তৃতীয়দিনা পুৱা গ্ৰাইফাছে খঙত গুজৰি-গুমৰি বেয়াৰ্লৰ বন্দীকোঠাত সোমালগৈ।

সেই মুহূৰ্তত বেয়াৰ্ল খিৰিকিৰ ৰড দুডালত হাত থৈ বাহিৰৰ মুকলি আকাশখনলৈ চাই চাই নিজৰ ভাবত বিভোৰ হৈ আছিল। ৰ'জাক যোৱা তিনিদিন নেদেখি তেওঁ ধৰি ল'লে গ্ৰাইফাছে নিশ্চয় তাইক ওলাবলৈ দিয়া নাই, কোঠাত বন্ধ কৰি থৈছে। যোৱা দুদিন ধৰি গ্ৰাইফাছৰ খঙৰ মাত্ৰা ক্ৰমাৎ বৃদ্ধি পোৱাও বেয়াৰ্লে লক্ষ্য কৰিছে। এই নিষ্ঠুৰ বাপেকটোৱে ছোৱালীজনীৰ ওপৰত কিবা প্ৰতিশোধ লৈছে নেকি বাৰু? ৰ'জাক কিবা বেয়া ব্যৱহাৰ কৰা বুলি ভাবি বেয়াৰ্ল অস্থিৰ হৈ পৰিল। কিন্তু কৰিলেনো তেওঁনো কি কৰিব? তেওঁ যে অসহায় বন্দী।

এবাৰ ভাবিলে ৰ'জালৈ চিঠি এখনকে লিখিব। কিন্তু লিখিব কেনেকৈ? গ্ৰাইফাছে পেঞ্চিল আৰু কাগজখিনি আগতেই লৈ গ'ল দেখোন। তাৰ উপৰি কেনেবাকৈ লিখিব পাৰিলেও গ্ৰাইফাছে সেই চিঠি ৰ'জাক দিয়াৰ আশা নাই।

এবাৰ ভাবিলে. বন্দীশালৰপৰা পলাই যাব। ৰ'জাক প্ৰতিদিনে দেখি থকা কালছোৱাত পলাই যোৱাৰ চিন্তা তেওঁৰ মনলৈ অহা নাছিল। পাছে যিমানেই এই বিষয়ে চিন্তা কৰিলে সিমানেই তেওঁ ইয়াৰ সাৰ্থকতা উপলব্ধি কৰিলে। তেওঁ নিজকে নিজে ক'লে, "পলাই যোৱা অসম্ভৱ। ল'ভেষ্টাইনৰ ইমান কাঢ়া পহৰাৰ মাজত কোনো বন্দীয়েই পলাই যাব নোৱাৰে।"

পাছ মুহূৰ্ততে বেয়াৰ্লে ভাবিলে বুঢ়া শগুনটোক যদি ডিঙিত চেপা মাৰি মাৰি পেলাওঁ তেনেহ'লে সহজেই দেখোন তাৰপৰা চাবিকোছা লৈ ৰ'জাক কোঠাৰপৰা উলিয়াই ল'ভেষ্টাইনৰপৰা পলাই যাব পাৰোঁ। কিন্তু ৰ'জা জানো সন্মত হ'ব? গ্ৰাইফাছ তাইৰ দেউতাক দেখোন! নাই নাই, তাই কেতিয়াও সন্মত নহ'ব।

যোৱা তিনিদিন ধৰি বেয়াৰ্লে এনেবোৰ কথাকে ভাবি আছে, তেওঁ কোনো পাৰ পোৱা নাই। সেইদিনা পুৱা এনেবোৰ কথা ভাবি থাকোঁতেই গ্ৰাইফাছ আহি তেওঁৰ কোঠাত সোমাল। গ্ৰাইফাছৰ হাতত এডাল প্ৰকাণ্ড লাঠী। তেওঁৰ চকু দুটা খঙত ৰঙা পৰা, মুখত এটা অস্পষ্ট হাঁহি।

বেয়াৰ্লে দুৱাৰ খোলাৰ শব্দ শুনিলে আৰু বুজিলে গ্ৰাইফাছেই আহিছে। তেওঁ কিন্তু ঘূৰিয়েই নাচালে। গ্ৰাইফাছে যেতিয়া দেখিলে তেওঁ সোমোৱা দেখিও বেয়াৰ্লে ঘূৰিকে চোৱা নাই তেতিয়া তেওঁ এটা গোৰোহণি মাৰিলে আৰু হাতৰ লাঠীডালেৰে শিলৰ মজিয়াখনত টুকটুকাই ক'লে, "হেৰা ভদ্ৰলোক, মই অহাৰ কথা গম পোৱাই নাই নেকি?"

বেয়াৰ্লে ঘূৰি চাই ক'লে, "সুপ্ৰভাত, ডাঙৰীয়া।"

গ্ৰাইফাছ খঙত জ্বলি-পকি উঠিল, "শুন ডেকা ল'ৰা, আজি তই তোৰ দোষ স্বীকাৰ কৰিবই লাগিব।"

"আপুনি বলিয়া হ'ল নেকি, গ্ৰাইফাছ ডাঙৰীয়া?"

গ্ৰাইফাছে লাঠীডাল মূৰৰ ওপৰতে এবাৰ ঘূৰালে। বেয়াৰ্লে লৰচৰ নকৰি একে ঠাইতে থাকিল।

"ডাঙৰীয়া, আপুনি মোক ভয় খুৱাব খুজিছে নেকি?"

"অঁ, ভয় খুৱাবলৈকে মই আহিছোঁ। মোৰ হাতত এইডাল কি দেখিছ নহয়?"

"দেখিছোঁ, সেইডাল লাঠী। মই পাছে এই লাঠীডালেৰে আপুনি মোক ভয় খুৱাব পাৰিব বুলি নাভাবোঁ। তাৰ উপৰি লাঠীডালেৰে আপুনি মোক আঘাত কৰিবও নোৱাৰে। কাৰণ কোনো কাৰাধ্যক্ষই বন্দীক এনেদৰে লাঠীৰে মৰিয়ালে ল'ভেষ্টাইনৰ নিয়ম-তন্ত্ৰৰ ন নম্বৰ নিয়মৰ মতে দোষী সাব্যস্ত হ'ব। তাৰ উপৰি কোনো কাৰাধ্যক্ষই ৰাজবন্দীৰ ওপৰত হাত তুলিলে তেওঁ চাকৰিৰপৰা বৰ্খাস্ত হ'ব।"

"হয়, হাত তুলিলে বৰ্খাস্ত হ'ব," গ্ৰাইফাছে ক'লে, "কিন্তু লাঠীৰ কথা তাত কোৱা হোৱা নাই।"

বেয়ার্লৰ শান্ত আৰু নিৰুদ্বেগ মুখাবয়ব দেখি গ্ৰাইফাছ যেন বেছি অধৈৰ্য্য হৈ উঠিল আৰু এবাৰত তেওঁ হাতৰ লাঠীডাল মূৰৰ ওপৰত দাঙি ল'লে। বেয়ার্লে দৌৰি অহাদি আহি গ্ৰাইফাছৰ হাতৰপৰা থাপ মাৰি লাঠীডাল কাঢ়ি নিজৰ হাতত ল'লে।

"চাওক, গ্ৰাইফাছ ডাঙৰীয়া," বেয়ার্লে ক'লে, "আপোনাৰ নিজৰ মৰ্য্যাদা হানিকৰ কোনো কাম নকৰিব।"

"ঐ বাজিকৰ, মই তোক আজিয়েই ভাল শিক্ষা দিম ৰ'বি।"

"দিয়ক, মই বাট চাই আছোঁ।"

"মই তোক অনাহাৰে বান্ধিম। আজিৰপৰা মই তোক খাবলৈ একোৱেই নিদিওঁ। এনেদৰে তই আঠদিন জীয়াই থাকনে নাথাক মই চাম।"

"হয় নেকি?" বেয়ার্লে হাঁহি হাঁহি ক'লে, "আপুনি আগতে দেখিছিল নহয় যে ডৰ্ট নগৰৰপৰা পাৰ চৰাইবোৰ মই ইয়ালৈ মাতি আনিছিলোঁ?"

"পাছে কি হ'ল?"

"পাৰ চৰাই খাবলৈ বৰ সোৱাদ। দিনে একোটাকৈ পাৰ খাবলৈ পালে মোক কটী কেলেই?"

"খুৱাম তোক পাৰ চৰাই, ৰ'বি," এইবুলি গ্ৰাইফাছে হঠাৎ জেপৰপৰা এখন ছুৰী উলিয়ালে। ছুৰীখন দেখিয়েই বেয়ার্লে গ্ৰাইফাছক বাধা দিবলৈ সাজু হৈ ৰ'ল।

দুয়ো ইটোৱে সিটোলৈ কেইমিনিটমান চাই ৰ'ল। নিৰৱতা ভংগ কৰি বেয়ার্লেই প্ৰথমে আৰম্ভ কৰিলে, "গ্ৰাইফাছ ডাঙৰীয়া, আচলতে আপুনি কি বিচাৰিছে কওকচোন?"

"মই কি বিচাৰিছোঁ? মই বিচাৰিছোঁ তুমি মোৰ ছোৱালীজনী ঘূৰাই দিয়া।"

"আপোনাৰ ছোৱালী? মানে?"

"অঁ, মোৰ ছোৱালী ৰ'জা যাক তুমি বাজিকৰৰ কৌশলেৰে মোৰপৰা আঁতৰাই নিলা। এতিয়া তুমি মোক কোৱাচোন তাই ক'ত আছে।"

"ৰ'জা কি ল'ভেষ্টাইনত নাই?"

"তুমি ভালকৈ জানা যে তাই নাই। গতিকে তাইক উলিয়াই দিয়া।"

"ওঁ, মোৰ বুজিবলৈ বাকী নাই—এইটো মোৰ বাবে আপোনাৰ এটা ফান্দ।"

"শুনা, মই শেষবাৰৰ বাবে কৈছোঁ, মোৰ ছোৱালীজনী ক'ত আছে কোৱা।"

"ক'ত আছে তুমি নিজেই অনুমান কৰা প্ৰবঞ্চক।"

"হুঃ, ৰ'বি, কণমান ৰ'বি," গ্ৰাইফাছে আকৌ গৰজি উঠিল। "তই তেনেহ'লে নকৰ? মই তোৰ মুখ ভাঙি দিম ৰ'বি।"

গ্ৰাইফাছে আক্ৰমণৰ ভংগীৰে হাতত ছুৰীখন লৈ বেয়াৰ্লৰ ফালে আগুৱাই গৈ ক'লে, "এই ছুৰীখন দেখিছনে? এইখনেৰে মই ইতিমধ্যে প্ৰায় আঠেকুৰিমান কুকুৰা বধ কৰিছোঁ, আজি তোৰ পাল।"

"অই মূৰ্খ, তই সঁচাকৈয়ে মোক বধ কৰিব পাৰিবিনে?"

"মই তোৰ বুকুখন ফালি-ছিৰি চাম তই ক'ত মোৰ ছোৱালীজনী লুকাই থৈছ।"

এইবুলি কৈয়েই গ্ৰাইফাছে বেয়াৰ্লক আক্ৰমণ কৰিলে। বেয়াৰ্ল সাজু হৈয়েই আছিল। তেওঁ হাতৰ লাঠীডালেৰে গ্ৰাইফাছে ছুৰীকটাৰী লৈ থকা হাতখনত প্ৰচণ্ড মাৰ এটা সোধাই দিলে। গ্ৰাইফাছৰ হাতৰপৰা ছুৰীখন মজিয়াত পৰি গ'ল, বেয়াৰ্লে ভৰিৰে ছুৰীখন গৰকা মাৰি ধৰিলে।

চিঞৰৰ এটা মাৰি গ্ৰাইফাছ মজিয়াত বহি পৰিল। তেওঁ আকৌ আক্ৰমণ কৰিব পাৰে বুলি বেয়াৰ্ল সন্তম হৈ থাকিল। গ্ৰাইফাছৰ চিঞৰ শুনি কেইবাজনো সৈন্য ওপৰলৈ দৌৰি আহিল। বেয়াৰ্লৰ হাতত তেতিয়াও আক্ৰমণাত্মক ভংগীত যিহেতু লাঠীডাল আছিল সেয়ে তেওঁ ধৰি ল'লে গোটেই ঘটনাটো এতিয়া তেওঁৰ বিপক্ষেহে গ'ল।

মুহূৰ্তৰ ভিতৰতে সৈন্যকেইজনে বেয়াৰ্লৰ হাতৰপৰা লাঠীডাল আৰু ছুৰীকটাৰীখন কাঢ়ি ল'লে আৰু গ্ৰাইফাছক মজিয়াৰপৰা তুলি বহুৱাই দিলে।

বেয়াৰ্লৰ বিৰুদ্ধে এতিয়া গুৰুতৰ অভিযোগ। কাৰাধ্যক্ষক হত্যা কৰিব খোজা অভিযোগত তেওঁ অভিযুক্ত হ'ল। এই অভিযোগ উত্থাপনৰ পাছত গ্ৰাইফাছ যিহেতু তাত থকাৰ আৰু প্ৰয়োজন নাই সেয়ে দুজনমান সৈন্যই তেওঁক ধৰি-মেলি তললৈ লৈ গ'ল।

ঠিক তেনে সময়তে ছিৰিত কাৰোবাৰ খোজৰ শব্দ শুনা গ'ল। সৈন্যবাহিনীৰ এজন বিষয়া আৰু ল'ভেষ্টাইনৰ এজন কেৰাণী বন্দীশালৰ কোঠালৈ সোমাই আহিল।

কেৰাণীজনে সৈন্য এজনক সুধিলে, "এইটো এঘাৰ নম্বৰ কোঠা হয়নে?"

"হয়।"

"তেনেহ'লে এইটো কৰ্নেলিয়াছ ভান বেয়াৰ্লক বন্দী কৰি থোৱা কোঠা?"

"হয়, একেবাৰে ঠিক।"

"বন্দীজন ক'ত?"

"মই এয়া, ডাঙৰীয়া," বেয়াৰ্লে উত্তৰ দিলে।

"তুমিয়েই ডাক্তৰ কৰ্নেলিয়াছ ভান বেয়ার্ল?"

"হয়, ডাঙৰীয়া।"

"তেনেহ'লে তুমি মোৰ পিছে পিছে আহা।"

বিষয়াজনৰ পিছে পিছে বেয়ার্ল ছিৰিৰে তলৰ মহলালৈ নামি আহিল। তলৰ মহলাত গ্ৰাইফাছ বা ৰ'জাক দেখে নেকি তেওঁ উৎসুকভাবে চালে, কিন্তু কাকো নেদেখিলে।

কাৰাগাৰৰ মুকলি প্ৰাংগনত উপস্থিত হৈ বেয়ার্লে বিষয়াজনক সুধিলে, "ডাঙৰীয়া, মই ক'লৈ যাব লাগিব।"

বিষয়াজনে অদূৰত থকা ঘোঁৰাগাড়ী এখনলৈ আঙুলিয়াই দেখুৱাই ক'লে, "তাত উঠাগৈ।"

বেয়ার্লে বিনা বাক্যব্যয়ে ঘোঁৰাগাড়ীখনত উঠিল। গাড়ী ডৰ্ট নগৰৰ ফালে যাত্ৰা কৰিলে। গোটেই দিনটো গাড়ী চলি থাকিল। ই প্ৰথমে ডৰ্ট নগৰ, তাৰ পাছত ৰ'টাৰডেম আৰু শেষত ডেলফত উপস্থিত হ'লগৈ। বিয়লি পাঁচ বজালৈকে তেওঁলোকে প্ৰায় সত্তৰ মাইল অতিক্ৰম কৰিলে।

বেয়ার্লে বিষয়াজনক মাজে মাজে দুই-এটা প্ৰশ্ন সুধিছিল। কিন্তু বিষয়াজন একেবাৰে নিবোকা চামোন। তেওঁ কোনো প্ৰশ্নৰে উত্তৰ নিদিলে।

ৰাতিটো তেওঁলোকে গাড়ীৰ ভিতৰতে কটালে। পাছদিনা নিচেই পুৱাতে তেওঁলোক লিডেনত উপস্থিত হ'ল। তাৰপৰা তিনি ঘণ্টা যাত্ৰা কৰাৰ পাছত তেওঁলোক হাৰ্লেম চহৰত উপস্থিত হ'লগৈ।

উনত্ৰিংশ অধ্যায়

ৰ'জা

ৰজা উইলিয়ামে ৰ'জা আৰু ক'লা টিউলিপ উভয়কে প্ৰেছিডেন্ট ভান হেৰিছনৰ ঘৰত তেওঁৰ দায়িত্বত এৰি থৈ গ'ল। তাৰ পাছৰেপৰা ৰ'জাই ষ্টাড্হ'ল্ডাৰৰ কোনো খবৰ-বাতৰি পোৱা নাছিল। পাছে সেইদিনা আবেলিলৈ ৰ'জা আৰু ৰজা উইলিয়ামৰ মুখামুখি হ'ল।

আবেলি এজন ৰাজবিষয়া প্ৰেছিডেণ্টৰ ঘৰলৈ আহি ৰ'জাক ক'লেহি যে ৰজাই তেওঁক নগৰ সমিতিৰ সভাগৃহলৈ নিমন্ত্ৰণ কৰিছে। সেইমতে ৰ'জা গৈ নগৰ সমিতিৰ সভাঘৰত উপস্থিত হৈ দেখিলে যে ৰজাই এখন টেবুলত কিবা লিখি আছে।

সভাঘৰত ৰজা অকলে, ওচৰতে এটা গ্ৰে হাউণ্ড কুকুৰ বহি আছে। ৰজাই কিছু সময় কিবা লিখাৰ পাছত মূৰ তুলি চাই দুৱাৰমুখত ৰ'জাক দেখি ক'লে, "ছোৱালীজনী, সোমাই আহা।"

ৰ'জা টেবুলৰ ফালে আগুৱাই আহিল। ৰজাই ক'লে, "বহা।"

ৰ'জা বহিল। ৰজাই তাইলৈ পোনপটীয়াকৈ চালে আৰু তাৰ পাছত আকৌ লিখিবলৈ ধৰিলে। কিছুপৰৰ পাছত ৰজাৰ চিঠি শেষ হ'ল।

ৰজাই আৰম্ভ কৰিলে, "অঁ, এতিয়া কোৱাচোন। লাজ নকৰিবা, কোৱা। আমি ইয়াত-কেৱল দুজনহে আছোঁ।"

ৰজাৰ কথা শুনি ৰ'জাৰ কঁপনি উঠিল। তাই মাথোন অস্পষ্টভাৱে ক'লে, "মহাৰাজ,..."

"ল'ভেষ্টাইনত তোমাৰ দেউতাৰা আছে নহয়?"

"আছে, মহাৰাজ।"

"তুমি দেউতাৰাক ভাল নোপোৱা?"

"ওঁহো, মই ভাল নাপাওঁ। অৱশ্যে প্ৰত্যেক জীয়েকেই দেউতাকক ভাল পাব লাগে, মহাৰাজ।"

"দেউতাৰাক ভাল নোপোৱাটো ঠিক কথা নহয়, পাছে মিছা কথা নোকোৱাটোও ঠিক কথা।"

ৰ'জাই তললৈ মূৰ কৰিলে।

"পাছে তুমিনো দেউতাৰাক কিয় ভাল নোপোৱা, কোৱাচোন।"

"কাৰণ, দেউতা বৰ নিষ্ঠুৰ আৰু ধূৰ্ত।"

"তেওঁৰ ধূৰ্তালি আৰু নিষ্ঠুৰতা ক'ত প্ৰকাশ পায়?"

"তেওঁ বন্দীবোৰক বৰ বেয়া ব্যৱহাৰ কৰে।"

"সকলো বন্দীকে কৰে?"

"অঁ, সকলো বন্দীকে কৰে।"

"পাছে তেওঁ কোনোবা বিশেষ বন্দীকহে বেয়া ব্যৱহাৰ কৰাটো তুমি লক্ষ্য নকৰানে?"

"হয়, মহাৰাজ, বিশেষকৈ ভান বেয়াৰ্ল নামৰ বন্দীজন যিজন..."

"যিজন বন্দী তোমাৰ প্ৰেমিক?"

ৰজাৰ কথা শুনি ৰ'জা জাঁপ মাৰি উঠিল। "হয় মহাৰাজ, যাক মই ভাল পাওঁ," ৰ'জাই গৌৰৱেৰে ক'লে।

"কেতিয়াৰপৰা ভাল পোৱা?"

"যিদিনা মই প্ৰথম দেখিছিলোঁ সেই দিনাৰপৰা।"

"সেই দিনটো কেতিয়া আছিল?"

"সেই দিনটো আছিল জন দ্য উইট আৰু কৰ্নেলিয়াছ দ্য উইটৰ ভয়ানক মৃত্যুৰ দিনটো।"

ৰ'জাৰ কথা শুনি ৰজাই চকু নমাই কণমান মৌন হৈ ৰ'ল। তাৰ পাছত আকৌ আৰম্ভ কৰিলে—

"পাছে মৃত্যুদণ্ডেৰে দণ্ডিত ৰাজবন্দী এজনক ভাল পোৱাৰ পৰিণাম কি হ'ব?"

"তেওঁ যদি জীয়াই থাকে মই আজীৱন তেওঁকে ভাল পাম আৰু বন্দীশালতে থাকিম।"

"তুমি এজন ৰাজবন্দীৰ পত্নী হ'বলৈ ভাল পাবা জানো?"

"নিশ্চয়, মহাৰাজ, যিকোনো অৱস্থাতে মই ভান বেয়ার্লৰ পত্নী হ'বলৈ ভাল পাম আৰু তেতিয়া মই পৃথিৱীৰ সবাতোকৈ গৌৰৱান্বিত আৰু সুখী নাৰী বুলি ভাবিম। কিন্তু..."

"কিন্তু কি?"

"মহাৰাজ, সেই কথা মই ক'ব নোৱাৰিম—"

"তোমাৰ কণ্ঠত যেন মই এক আশাৰ বতৰা শুনিছোঁ। সেই আশা কি কোৱাচোন।"

ৰ'জাই পোনপটীয়াকৈ ৰজালৈ অৰ্থপূৰ্ণভাৱে চালে। ৰজায়ো যেন সেই দৃষ্টিৰ ভাষা বুজি পালে।

'অঁ, মই তোমাক বুজি পাইছোঁ," ৰজাই ক'লে। ৰ'জাই কণমান হাঁহিলে।

"তুমি মোৰ ওপৰত আশা ৰাখা নহয়নে?"

"হয়, মহাৰাজ।"

ৰ'জাই ইতিমধ্যে লিখা চিঠিখন আঠা লগাই বন্ধ কৰিলে আৰু বাহিৰত থকা এজন ৰাজবিষয়াক মাতিলে, " কেপ্টেইন, এই চিঠিখন ল'ভেষ্টাইনলৈ লৈ যোৱা। মই গবৰ্নৰলৈ দিয়া আদেশ তুমি পঢ়ি চাবা আৰু সেইমতে কাম কৰিবলৈ চাবা।"

বিষয়াজনে অভিবাদন জনাই ওলাই গ'ল। কণমান সময়ৰ পাছতে বাহিৰত ঘোঁৰাৰ খুৰাৰ শব্দই তেওঁৰ যাত্ৰাৰ সংকেত দিলে।

ৰজাই ৰ'জাক ক'লে, "আইজনী, অহা দেওবাৰে ক'লা টিউলিপৰ আৱিষ্কাৰৰ

উপলক্ষ্যত এটা ভোজৰ আয়োজন কৰা হৈছে—অৰ্থাৎ সেয়া পৰহিলৈ হ'ব। তুমি এই পাঁচশ গিল্ডাৰ লোৱা—ভাল সাজ-পাৰ কিনি ভোজ সভালৈ আহিবা—সেই দিনটো তোমাৰ বাবে স্মৰণীয় দিন হওক—মই ইয়াকে কামনা কৰিছোঁ।"

"মহাৰাজ, মই কেনে ধৰণৰ সাজ-পোছাক পৰিধান কৰাটো আপুনি বিচাৰে?"

"এজনী ফ্রিজিয়ান কইনাৰ সাজ," ৰজাই ক'লে, "তেনে সাজেই সেইদিনা তোমাক শুৱাব।"

ত্ৰিংশ অধ্যায়

ক'লা টিউলিপৰ অভিষেক উৎসৱ

১৬৭৯ চনৰ ১৫ মেৰ দিনটো হাৰ্লেম নগৰৰ বুৰঞ্জীত এটা উল্লেখযোগ্য দিন। এই দিনটোতে হাৰ্লেমবাসীয়ে ক'লা টিউলিপ ফুল আবিষ্কাৰৰ বাবে অভিষেক উৎসৱৰ আয়োজন কৰিছে। দ্বিতীয়তে ৰজা উইলিয়ামে এগৰাকী প্ৰকৃত হলেণ্ডবাসীৰ দৰে ক'লা টিউলিপৰ অভিষেক উৎসৱ উদ্‌যাপনৰ বাবে আয়োজিত অনুষ্ঠানত উপস্থিত থাকিব বুলি কথা দিছে। ফলত সমগ্ৰ নগৰখনিতে এক আনন্দমুখৰ পৰিবেশৰ সৃষ্টি হৈছে।

হাৰ্লেম নগৰৰ হৰ্টিকালচাৰ ছ'ছাইটিয়ে ক'লা টিউলিপ আবিষ্কাৰকৰ বাবে এক লাখ গিল্ডাৰ পুৰস্কাৰ ঘোষণা কৰি অনুষ্ঠানটোৰ উপযুক্ততা আৰু যশস্যা বৃদ্ধি কৰিছে। আনহাতে, ক'লা টিউলিপৰ আবিষ্কাৰৰ বাবে আয়োজিত উৎসৱটিৰ দিন ধাৰ্য্য কৰা হৈছে দেওবাৰ। জনসাধাৰণৰ মাজত এই কথা লৈ প্ৰবল উৎসাহ—নগৰখনৰ সকলো বাসিন্দাই উৎফুল্লিত হৈ আছে।

হৰ্টিকালচাৰ ছ'ছাইটিৰ মুৰব্বী প্ৰেছিডেণ্ট ভান হেৰিছনে আজি তেওঁৰ সবাতোকৈ দামী আৰু মূল্যৱান সাজযোৰকে পৰিধান কৰিছে। তেওঁৰ সেই সাজ-সজ্জা আছিল গাঢ় ৰঙা ভেলভেট, গাঢ় বেঙুনীয়া আৰু নীলা ৰঙৰ ৰেচম আৰু গাঢ় ক'লা বৰণৰ কাপোৰৰ সাজ, তাৰ মাজত বগা লিনেন কাপোৰৰ পটি দিয়া—এইটোৱেই প্ৰেছিডেণ্টৰ উৎসৱৰ সাজ। এই সাজ পিন্ধি প্ৰেছিডেণ্টে তেওঁৰ কমিটিৰ সদস্যসকলৰ

একেবাৰে আগত সমদল যাত্ৰা কৰি আহিছে। প্ৰেছিডেণ্টৰ হাতত সুগন্ধি ফুলৰ প্ৰকাণ্ড এটা থোপা। প্ৰেছিডেণ্টৰ পিছে পিছে কমিটিৰ সদস্য আৰু নগৰৰ বিশিষ্ট ব্যক্তিসকলে শোভাযাত্ৰা কৰি আগ বাঢ়িছে।

ক'লা টিউলিপ ফুলজোপাও সমদলৰ ঠিক মাজতে বগা ভেলভেট কাপোৰত সোণালী পটি দি সজাই-পৰাই লৈ যোৱা হৈছে। পূৰ্বেই স্থিৰ হৈ আছে যে ষ্টাড্‌হ'ল্ডাৰ নিজেই উপস্থিত থাকি এক লাখ গিল্ডাৰৰ পুৰস্কাৰটো প্ৰদান কৰিব। নগৰখনৰ সমগ্ৰ জনতাই এই পুৰস্কাৰ প্ৰদানৰ অনুষ্ঠানটো চাবলৈ উন্মুখ হৈ আছে। মৃদু স্বৰত বাজি থকা সংগীতৰ এক মধুৰ সুৰত পৰিবেশটো মোহনীয় হৈ উঠিছে। ক'লা টিউলিপৰ আবিষ্কাৰকজননো কোন—সেইজনক চাবলৈ জনতা উৎসুক হৈ আছে। অনুষ্ঠানটোৰ মূল নায়ক আজি তেৱেঁই। পাছে সেইজননো কোন, তেওঁৰ পৰিচয় ৰজাই পাঠ কৰা ৰিপ'ৰ্টৰপৰাহে জনা যাব।

আধাঘণ্টাৰ পাছত ষ্টাডহ'ল্ডাৰ আহি উপস্থিত হ'ব। সমদল যাত্ৰাৰ পাছত ক'লা টিউলিপ ফুলপাহ তাৰ বাবে নিৰ্দিষ্ট মঞ্চত থোৱা হ'ব। ৰজাই পাৰ্চমেণ্ট কাগজত লিখি অনা ৰিপ'ৰ্ট পাঠ কৰিব—তাতেই ফুলপাহৰ সৃষ্টিকৰ্তাৰ নামো ঘোষিত হ'ব।

অনুষ্ঠানলৈ আইজাক বক্সটেলো সাজি-কাচি আহিছে। তেওঁ আজি এযোৰ উজ্জ্বল ৰঙৰ সাজ পিন্ধিছে। তেওঁ ধৰি লৈছে যে ক'লা টিউলিপৰ আবিষ্কাৰক যিহেতু তেঁৱেই সেয়ে এক লাখ গিল্ডাৰৰ পুৰস্কাৰটো তেওঁৰেই প্ৰাপ্য। তেওঁ মাজে মাজে ক'লা টিউলিপজোপালৈ আৰু অদূৰত থৈ দিয়া এক লাখ গিল্ডাৰ সোণৰ মোহৰবিলাকলৈ চাইছে আৰু মাজে মাজে জনতাৰ মুখলৈকো চাইছে।

সমদল যাত্ৰাটো এসময়ত ৰ'ল। উৎসৱ অনুষ্ঠিত হ'বৰ বাবে নিৰ্দিষ্ট স্থানৰ মাজ অংশটো সুশোভিত গছগছনিৰে সজ্জিত আৰু অলংকৃত কৰা হৈছে। আকৌ মৃদু মধুৰ সংগীত সুৰ বাজি উঠিল। হাৰ্লেম নগৰীৰ ৰূপৱতী ছোৱালীবোৰে টিউলিপ ফুলজোপা ষ্টাড্‌হল্ডাৰৰ আসনৰ ওচৰত নিৰ্দিষ্ট কৰা মঞ্চলৈ আগ বঢ়াই আনিলে।

এতিয়া ক'লা টিউলিপজোপা গৰ্বিত ভংগীৰে সিংহাসনত উপবিষ্ট হৈ ৰ'ল। জনতাই ফুলপাহ দেখি হাতচাপৰি বজাই অভিবাদন জনালে। জনতাৰ আনন্দৰ কোলাহল নগৰ সমিতিৰ কাৰ্য্যালয়ত প্ৰতিধ্বনিত হৈ উঠিল।

একত্রিংশ অধ্যায়

এটা শেষ অনুৰোধ

হাৰ্লেম নগৰৰ এনে আনন্দমুখৰ পৰিৱেশত নগৰৰ উপকণ্ঠ অঞ্চলেদি এখন ঘোঁৰাগাড়ী আহি আছিল। ৰাজপথত জনতাৰ ভীৰ, সেয়ে গাড়ীখন খুব ধীৰ গতিৰে আগ বাঢ়িছিল।

গাড়ীখন ধূলিৰে একেবাৰে পোত খোৱা। দেখিলেই বুজা যায় যে ই বহুদূৰ পথ অতিক্ৰম কৰি আহিছে। ইয়াতেই আহিছে কৰ্নেলিয়াছ ভান বেয়াৰ্ল—সেই ৰাজবন্দী। নগৰখনত এনে উৎসৱমুখৰ পৰিৱেশ লক্ষ্য কৰি তেওঁ বিমূঢ় হৈছে। তেওঁৰ সংগী ৰাজবিষয়াজনক এই বিষয়ে সোধাত তেওঁ ক'লে যে নগৰত কিবা ভোজৰ আয়োজন হৈছে।

কিছুদূৰ আগ বঢ়াৰ পাছত বেয়াৰ্লে আকৌ প্ৰশ্ন কৰিলে, "ভোজসভাত ইমান ফুলৰ সমাৰোহ কিয়?"

"কাৰণ, এই ভোজসভাত ফুলেই মুখ্য ভূমিকা লয়।"

"আঃ, কি মধুৰ সুগন্ধ—কি মোহনীয় ৰং," বেয়াৰ্লে আনন্দত চিঞৰি উঠিল।

বিষয়াজনে গাড়ীচালকক নিৰ্দেশ দিলে, "কণমান ৰ'বা। এখেতে এবাৰ পৰিৱেশটো চাওক।"

"ধন্যবাদ ডাঙৰীয়া, আপোনাৰ অশেষ কৰুণা," বেয়াৰ্লে ক'লে, "আনৰ আনন্দ-উলাহ দেখিলে মোৰ দুখ লাগে। এনে দৃশ্য মই চাব নোখোজোঁ।"

"তুমি যি ভাল দেখা। ব'লা, চলাই নিয়া। মই আকৌ তুমি ফুল ভাল পোৱা বুলি ভাবিহে চালকক ৰখাবলৈ কৈছিলোঁ—বিশেষকৈ আজি যিহেতু এপাহ বিশেষ ফুলৰ বাবেই এই ভোজসভাৰ আয়োজন হৈছে।"

"কি ফুলনো?"

"টিউলিপ।"

"কি ক'লে," ভান বেয়াৰ্লে প্ৰায় চিঞৰি ক'লে, "আজি টিউলিপ ফুলৰ বাবে ভোজসভাৰ আয়োজন হৈছে?"

"হয়, পাছে দৃশ্যটো দেখি তোমাৰ যিহেতু ভাল লগা নাই, আমি গৈয়েই থাকোঁ ব'লা।"

পাছে বেয়াৰ্লে বাধা দি সুধিলে, "ৰ'বাচোন, আজিয়েই পুৰস্কাৰ প্ৰদান কৰিব নেকি?"

"অঁ, ক'লা টিউলিপ ফুলৰ বাবে আজিয়েই পুৰস্কাৰ প্ৰদান কৰিব।"

ক'লা টিউলিপ নামটো শুনিয়েই বেয়ার্ল কঁপি উঠিল। তেওঁ ক'লে, "আঃ, ডাঙৰীয়া। এই মানুহবোৰ সঁচাকৈয়ে মোৰ দৰেই দুৰ্ভগীয়া। কাৰণ, তেওঁলোকে যি চাবলৈ আহিছে তাক দেখা নাপায়—দেখিলেও অসম্পূৰ্ণভাৱেহে দেখিব।"

"তুমি কি ক'ব খুজিছা?"

"মই ক'ব খুজিছোঁ যে মই অনা মানুহ এজন নোহোৱা হ'লে ক'লা টিউলিপৰ বোধহয় আবিষ্কাৰেই নহ'লহেঁতেন।"

"এই মুহূৰ্তত হাৰ্লেমবাসীয়ে সেই ক'লা টিউলিপজোপাই চাই আছে।"

"কি ক'লে?" ভান বেয়ার্লে চিঞৰি ক'লে, "ক'লা টিউলিপ? ক'ত আছে ফুলজোপা? ক'ত আছে কওকচোন।"

"সৌ তাত মঞ্চৰ ওপৰত। তুমি দেখা নাইনে?"

"অঁ অঁ, মই দেখিছোঁ এতিয়া।"

"ব'লা ব'লা। আমি যাওঁহঁক ব'লা," বিষয়াজনে বেয়ার্লক ক'লে।

"ৰ'ব ৰ'ব, অনুগ্ৰহ কৰি অকণমান ৰ'ব," ভান বেয়ার্লে ক'লে, "অনুগ্ৰহ কৰি মোক এতিয়াই লৈ নাযাব। মোক আকৌ এবাৰ চাবলৈ দিয়ক। তাত দেখা সেইজোপাই ক'লা টিউলিপ হয়নে? সম্পূৰ্ণ ক'লানে বাৰু? এইটো সম্ভৱ জানো? আপুনি বাৰু নিজে দেখিছেনে? ফুলজোপাৰ পাহিবোৰত নিশ্চয় ফুট আছে। ই নিশ্চয় কিচকিচীয়া ক'লা নহয়। আঃ মই যদি তাত থাকিব পাৰিলোঁহেঁতেন! মই লগে লগে চাই আহিলোঁহেঁতেন। মোক চাবলৈ দিয়কচোন এবাৰ। ফুলপাহ মোক এবাৰ ওচৰৰপৰা চাবলৈ দিয়কচোন।"

"তুমি বলিয়া হৈছা নেকি? মই কেনেকৈ তোমাক তালৈ যাবলৈ দিব পাৰোঁ?"

"মই আপোনাক কাবৌ কৰিছোঁ..."

"তুমি পাহৰি গ'লা নেকি যে তুমি এজন বন্দী?"

"হয়, মই এজন বন্দী। কিন্তু মই আপোনাক কথা দিছোঁ। মই কেতিয়াও পলাই নাযাওঁ—পলাবৰ মই চেষ্টাও নকৰোঁ—কেৱল ফুলপাহ মোক এবাৰ চাবলৈ দিয়ক।"

"কিন্তু মোক নিৰ্দেশ দিয়া আছে—"

"আঃ, ৰ'বচোন ৰ'ব। অকণমান অনুগ্ৰহ কৰক—আপোনাৰ করুণাৰ ওপৰতে মোৰ গোটেই জীৱনটো নিৰ্ভৰ কৰিছে। আপুনিতো নাজানে, ডাঙৰীয়া, মই কিমান দুখ-নিৰ্য্যাতন সহ্য কৰিবলগীয়া হৈছে। মোৰ বুকুৰ ভিতৰত কি যুদ্ধ চলিছে আপুনিতো নাজানে—" বেয়ার্লে প্ৰায় চিঞৰি চিঞৰি ক'লে। "এইপাহ কিজানি মোৰেই টিউলিপ—এইপাহ কিজানি ব'জাৰপৰা চুৰ কৰি অনা টিউলিপপাহেই—নাই নাই, মই

ফুলপাহ চাবই লাগিব—চাবই লাগিব—মই চোৰাৰ পাছত আপুনি লাগিলে মোক মাৰিয়েই পেলাওক—মই কিন্তু চাবই লাগিব।"

"মনে মনে থাকা, দুৰ্ভগীয়া ডেকা, সোনকালে তুমি গাড়ীৰ ভিতৰলৈ ঘূৰি আহা। চোৰা সৌৱা ৰজাক আদৰি অনা বাহিনীটো আহিছে—যদি ৰজাই ইয়াত কিবা হুলস্থূল লক্ষ্য কৰে তেনেহ'লে মোৰ ফালে হ'লেই আৰু—তোমাৰো বিপদ মোৰো বিপদ।"

বিষয়াজনৰ কথাত চিন্তিত হৈ নিজৰ বাবে নহ'লেও বিষয়াজনৰ বাবেই ভান বেয়াৰ্ল পুনৰ গাড়ীখনত উঠিল। কিন্তু তেওঁ কেৱল আধা মিনিটমানহে মনে মনে থাকিল। ৰজাক আদৰি অনা কুৰিজন অশ্বাৰোহীৰ দলটো পাৰ হৈ যোৱাৰ লগে লগে তেওঁ গাড়ীৰ খিৰিকিৰে মূৰ উলিয়াই আকৌ চাবলৈ ধৰিলে। ঠিক সেই মুহূৰ্ত্ততে ষ্টাড্‌হ'ল্ডাৰেও সেই ঠাই অতিক্ৰম কৰিছিল।

গহীন-গম্ভীৰভাৱে ৰজা উইলিয়াম অভিষেক অনুষ্ঠানত সভাপতিত্ব কৰিবলৈ আগ বাঢ়িছে। তেওঁৰ হাতত পাৰ্চমেণ্ট কাগজৰ সেই নুৰাটো—য'ত ৰিপ'ৰ্টটো লিখা আছে। ভান বেয়াৰ্লৰ গাড়ীখন ৰাজপথত ৰৈ থকা দেখি আৰু সম্ভৱতঃ গাড়ীখনত অহা ৰাজবিষয়াজনক চিনি পাই ৰজাই তেওঁৰ গাড়ীখন ৰখাবলৈ নিৰ্দেশ দিলে। হঠাতে ৰজাৰ গাড়ীখন পূৰ্বৰ গাড়ীখনৰ ছয়গজমান দূৰত ৰৈ গ'ল।

"কি হৈছে ইয়াত?" ৰজাই বেয়াৰ্লক লৈ অহা ৰাজবিষয়াজনক সুধিলে। ৰজাক দেখিয়েই ৰাজবিষয়াজন গাড়ীৰপৰা জঁাপ মাৰি নামিল আৰু সন্মানসহকাৰে ৰজাক অভিবাদন জনাই ক'লে, "মহাৰাজ, এইজন মই ল'ভেষ্টাইন কাৰাগাৰৰপৰা লৈ অহা ৰাজবন্দীজন। আপোনাৰ নিৰ্দেশ মৰ্মেই মই এওঁক হাৰ্লেমলৈ লৈ আহিছোঁ।"

"তেওঁ কি বিচাৰিছে?"

"তেওঁ এই উৎসৱস্থলীত অকণমান ৰ'বলৈ বিচাৰিছে।"

"মহাৰাজ," বেয়াৰ্লে মাত দিলে, "মই ক'লা টিউলিপজোপা চাবলৈ কণমান ইচ্ছা কৰিছোঁ আৰু মই যেতিয়া ফুলজোপা দেখা পাম আৰু মই চাবলৈ ইচ্ছা কৰা ধৰণে যদি দেখা পাওঁ আৰু তাৰ বাবে যদি মৃত্যুবৰণ কৰিবও লাগে তেনেহ'লে মই মৰিবলৈকো প্ৰস্তুত। পাছে মৰাৰ আগতে মই মহাৰাজৰ কৰুণা প্ৰাৰ্থনা কৰিছোঁ—মোৰ গৌৰৱৰ সাক্ষী হ'বলৈ মোক যেন এবাৰলৈ ফুলজোপা চাবলৈ সুযোগ দিয়ে।"

ৰজা উইলিয়ামে বেয়াৰ্লৰ আকুতি শুনিলে। স্থিৰ দৃষ্টিৰে চাই তেওঁ ৰাজবিষয়াজনক সুধিলে, "এইজনেই সেইজন ৰাজবন্দী নেকি যি ল'ভেষ্টাইনৰ কাৰাধ্যক্ষক হত্যা কৰিব খুজিছিল?"

ৰজাৰ কথা শুনি বেয়াৰ্লে হুমুনিয়াহ এটা কাঢ়ি তলমূৰ কৰিলে। তেওঁৰ মুখখন

প্ৰথমে ৰঙা পৰি তাৰ পাছত শেঁতা পৰি গ'ল। ৰজাৰ এই এষাৰ কথা শুনিয়েই তেওঁ বুজি পালে ৰজাই তেওঁৰ ফুলজোপা চাব খোজা এই শেষ অনুৰোধ ৰক্ষা নকৰে।

পাছে ৰজাই মাত দিলে, "এই বন্দীজনক উৎসৱটো চাবলৈ দিয়া আৰু ক'লা টিউলিপজোপাও চাবলৈ দিয়া; কাৰণ এইটো এক চাবলগীয়া দৃশ্যই।"

"ধন্যবাদ মহাৰাজ, ধন্যবাদ," আনন্দত অধীৰ হৈ বেয়ার্লে লৰালৰিকৈ গাড়ীখনৰপৰা নামিব খুজিলে—বিষয়াজনে নধৰা হ'লে তেওঁ ৰাজপথত পৰিয়েই গ'লহেঁতেন। বন্দীজনে ৰাজপথত মূৰ লগাই আঁঠু কাঢ়ি ৰজাক সেৱা কৰিলে।

বেয়ার্লক উৎসৱত ভাগ লোৱাৰ অনুমতি প্ৰদান কৰি ৰজা উইলিয়াম উৎসৱৰ কেন্দ্ৰস্থললৈ আগ বাঢ়িল। অকণমান সময়ৰ পাছতে তেওঁ মঞ্চত উপস্থিত হ'ল। সমৱেত দৰ্শকবৃন্দই ৰজাক অভিবাদন জনালে।

দ্বাত্ৰিংশ অধ্যায়

সামৰণি

চাৰিজন ৰক্ষীয়ে ভান বেয়ার্লক উৎসৱস্থলীলৈ লৈ গ'ল। অদূৰত টিউলিপজোপা সজাই থোৱা আছে। বেয়ার্লে ফুলজোপা দেখিলে। ফুলজোপা আগতে তেওঁ এবাৰ মাথোন দেখিছিল। ফুলজোপাক ঘেৰি এদল ৰূপৱতী গাভৰুৱে ফুলজোপাক যেন 'গাৰ্ড অৱ অনাৰ' দি আছে। প্ৰস্ফুটিত ফুলপাহ বেয়ার্লে যিমানেই লক্ষ্য কৰিলে সিমানেই তেওঁৰ হৃদয়খন বিষাদেৰে ভৰি পৰিল। সমৱেত জনতাৰ মাজত কিবা এটা সুধিবলৈ তেওঁ ক'তোৱেই এখনো চিনাকি মুখ দেখা নাপালে। সকলো তেওঁৰ অচিনাকি আৰু এই সকলো মানুহৰে দৃষ্টি তেতিয়া মঞ্চত বহি থকা ষ্টাড্হ'ল্ডাৰৰ ওপৰত।

ৰজা উইলিয়াম বহাৰপৰা উঠিল আৰু উৎসুক জনতাৰ ফালে এবাৰ চালে। তেওঁৰ দৃষ্টি ত্ৰিভুজৰ দৰে তিনিটা কোণত নিপতিত হৈছিল

ত্ৰিভুজৰ এটা বাহুত আছিল আইজাক বক্সটেল—তেওঁ যেন কিছু অধৈৰ্য্য হৈ মাজে মাজে কঁপি আছিল—তেওঁ সঘনে ৰজা, গিল্ডাৰৰ টোপোলাটো, টিউলিপজোপা আৰু জনতালৈ লক্ষ্য কৰি আছিল।

ত্রিভুজৰ আনটো বাহুত আছিল কৰ্নেলিয়াছ ভান বেয়াৰ্ল—তেওঁ আছিল একেবাৰে নিৰৱ, তেওঁৰ সমগ্ৰ সত্তা তেতিয়া কেন্দ্ৰীভূত হৈ আছিল ক'লা টিউলিপজোপাৰ ওপৰত।

আৰু ত্রিভুজৰ তৃতীয়টো বাহুত আছিল হাৰ্লেম নগৰীৰ ৰূপৱতীসকলৰ মাজত থকা এগৰাকী ফ্রিজিয়ান গাভৰুৰ ওপৰত। গাভৰুগৰাকীয়ে উৎকৃষ্ট ধৰণৰ ৰঙা উণী কাপোৰ এযোৰ পিন্ধিছে—পোছাকযোৰত ৰূপালী ৰঙৰ এম্ব্রইডাৰি কৰা—গাভৰুৰ মূৰত এখন ওৰণি। এই গাভৰুগৰাকীয়েই ৰ'জা—তাই এজন ৰাজবিষয়াৰ ওচৰত থিয় হৈ আছে।

ৰজাই হাতত থকা পাৰ্চমেণ্ট কাগজখন খুলি ল'লে আৰু স্পষ্ট আৰু মাৰ্জিত ভাষাৰে ক'বলৈ আৰম্ভ কৰিলে। ৰজাৰ মাতটো কিছু সৰু যদিও সহস্ৰ দৰ্শকে নিঃশব্দে সেই ভাষণ শুনিলে ঃ

"আমি আজি ইয়াত কিয় সমৱেত হৈছোঁ আপোনালোক সকলোৱে বোধকৰোঁ গম পাইছে। ক'লা টিউলিপ যিজনে ফুলাব পাৰিব তেওঁৰ বাবে এক লাখ গিল্ডাৰৰ এটি পুৰস্কাৰ ঘোষিত হৈছে। ক'লা টিউলিপ ইতিমধ্যে ফুলিল—হৰ্টিকালচাৰ ছ'ছাইটিয়ে বিচৰা মতে সকলো ধৰণৰ নীতি-নিয়ম পালন কৰি আপোনালোকৰ চকুৰ আগত এয়া ক'লা টিউলিপ বিৰাজ কৰিছে।

"এই ক'লা টিউলিপ ফুলজোপাৰ ইতিহাস আৰু ইয়াৰ আৱিষ্কৰ্তাৰ নাম হাৰ্লেম নগৰীৰ ইতিহাসত সোণালী আখৰেৰে জিলিকি থাকিব।"

এইখিনি কথা কৈ ৰজাই ঘোষণা কৰিলে, "ক'লা টিউলিপৰ আৱিষ্কৰ্তা—আপুনি আগ বাঢ়ি আহি পুৰস্কাৰ গ্ৰহণ কৰক।"

ৰজাই পূৰ্বৰ ত্রিভুজৰ তিনিটা বাহুলৈ তীক্ষ্ণ দৃষ্টিৰে লক্ষ্য কৰি থাকিল।

ৰজাই দেখিলে—আইজাক বক্সটেলে দৌৰি অহাদি আগ বাঢ়ি আহিব খুজিছে। তেওঁ লক্ষ্য কৰিলে ভান বেয়াৰ্লেও যেন এখোজ আগ বাঢ়ি আহিব খুজিছে আৰু দেখিলে ৰ'জাও ৰজাৰ ফালে আগ বাঢ়ি আহিব খুজিছে।

হঠাৎ ৰ'জাক দেখা পাই একে সময়তে বক্সটেল আৰু বেয়াৰ্লে একোটা অস্ফুট চিঞৰ মাৰিলে। বক্সটেলে চিঞৰিলে আচৰিত হৈ আৰু বেয়াৰ্লে চিঞৰ মাৰিলে আনন্দত আত্মহাৰা হৈ।

আওৰাই অহা ৰ'জাক সম্বোধন কৰি ৰজাই ক'লে, "টিউলিপ ফুলজোপা তোমালোকৰে নহয়নে, আইজনী?"

"হয়, মহাৰাজ," ৰ'জাই খোনাই কোবাৰ দৰে ক'লে।

ৰ'জা আৰু বেয়াৰ্লক দেখি আইজাক বক্সটেলে চিঞৰি ক'লে, "হায় হায়, মোৰ সকলো শেষ।"

ৰজাই ৰ'জাৰ হাতখনত ধৰি বেয়াৰ্লৰ হাতৰ ওপৰত দিলে। বেয়াৰ্লে নতজানু হৈ ৰজাক অভিবাদন জনালে। ঠিক সেই মুহূৰ্ততে প্ৰেছিডেণ্ট ভান হেৰিছনৰ সন্মুখতে আইজাক বক্সটেল লুটি খাই পৰিল। সকলোবিলাকে মানুহবোৰে তেওঁক দাঙি ধৰি নাড়ী পৰীক্ষা কৰি দেখিলে মানুহজনৰ ইতিমধ্যে মৃত্যু হৈছে। পাছে এই ঘটনাই উৎসৱৰ আনন্দত কোনো ব্যাঘাত জন্মাব নোৱাৰিলে। কাৰণ ৰজা আৰু প্ৰেছিডেণ্ট কোনো এজনেই বক্সটেলৰ এনে আকস্মিক মৃত্যুত গুৰুত্ব নিদিলে। বেয়াৰ্লে অবাক হৈ দেখিলে যে সেই মানুহটো আন কোনো নহয়, তেওঁৰ ডৰ্টৰ প্ৰতিবেশী বক্সটেলহে।

মৃদু সংগীত আকৌ বাজি উঠিল। সমদল যাত্ৰা আকৌ আৰম্ভ হ'ল। এইবাৰ সমদলত হাতত ধৰাধৰিকৈ বিজয়ীৰ হিঁহিৰে অংশ গ্ৰহণ কৰিলে ৰ'জা আৰু কৰ্নেলিয়াছ ভান বেয়াৰ্লেয়ে।

ৰজা উইলিয়ামে এক লাখ গিল্ডাৰৰ পুৰস্কাৰ ৰ'জা আৰু বেয়াৰ্ললৈ আগ বঢ়াই ক'লে, "এটা কথা কোৱা টান—পুৰস্কাৰটো আচলতে তোমালোকৰ কোনজনৰ প্ৰাপ্য? কাৰণ বেয়াৰ্লে ক'লা টিউলিপ আবিষ্কাৰ কৰিছিল যদিও ফুলজোপা আপডাল কৰি ফুলালে ৰ'জাইহে। সি যি কি নহওক, এই পুৰস্কাৰ টিউলিপ ফুলজোপাৰ বাবে হাৰ্লেম নগৰীৰ পুৰস্কাৰ বুলি ধৰি ল'বাহ'ক।

"আৰু শুনাহঁক—তোমালোকৰ বাবে এইটোৱেই শ্ৰেষ্ঠ পুৰস্কাৰ। এক লাখ গিল্ডাৰ তোমালোকে লাভ কৰিলা। কিন্তু মই ভাবোঁ এই পুৰস্কাৰটো গৌণহে। তোমালোক দুয়ো যথেষ্ট কষ্ট পালা। এতিয়া ভগবানে তোমালোকক সুখী কৰক।

"আৰু কৰ্নেলিয়াছ ভান বেয়াৰ্ল, শুনা। তোমাৰ ওপৰত যি ৰাষ্ট্ৰদ্ৰোহৰ অভিযোগ আনিছিল, সেয়া ভুল বুলি প্ৰমাণিত হৈছে। তুমি এতিয়া মুক্ত। ক'লা টিউলিপৰ আবিষ্কৰ্তাৰূপে তুমি এতিয়া স্বীকৃত। তোমাৰ আৰু ৰ'জাৰ নাম একেলগ জড়িত কৰি এই ক'লা টিউলিপৰ নামকৰণ কৰা হ'ল— 'ৰ'জা নিগ্ৰা বেয়াৰ্লেয়েন্‌ছিছ্'।"

কথাখিনি কৈ ৰজা উইলিয়ামে তেওঁৰ হাতখন ৰ'জা আৰু বেয়াৰ্ললৈ আগ বঢ়াই দিলে। ৰ'জা আৰু বেয়াৰ্লে নতজানু হৈ ৰজাৰ হাতত ধৰি চুম্বন কৰিলে।

বেয়াৰ্লে সেইদিনাই ৰ'জাক লগত লৈ ডৰ্ট নগৰৰ উদ্দেশ্যে যাত্ৰা কৰিলে।

শৰাইঘাট প্ৰকাশনৰ
'কালজয়ী সাহিত্য'
পৃথিৱীৰ বিখ্যাত পুথিসমূহৰ অনুবাদ ঃ

শ্বাৰলক হ'ম্ছৰ ৰহস্য কাহিনী	ঃ আৰ্থাৰ কনান ডয়ল অনুবাদ ঃ যোগেশ দাস
ডক্টৰ জেকিল আৰু মিষ্টাৰ হাইড	ঃ ৰবাৰ্ট লুই ষ্টিভেনছন, অনুবাদ ঃ সৌৰভ কুমাৰ চলিহা
অলিভাৰ টুইষ্ট	ঃ চাৰ্লছ ডিকেন্স অনুবাদ ঃ বন্দিতা গোস্বামী শইকীয়া
অঘৰী ল'ৰা	ঃ মাৰ্ক টোৱেইন, অনুবাদ ঃ তৰুণ চন্দ্ৰ বৰুৱা
মহাকাশচাৰী	ঃ ভেলেন্টিনা ঝুৰাভলিঅ'ভা আৰু এনাতলি দনিয়েপ্ৰভ, অনুবাদ ঃ দীনেশ চন্দ্ৰ গোস্বামী
নগৰ দুখনৰ কথা	ঃ চাৰ্লছ ডিকেন্স অনুবাদ ঃ হৰেন্দ্ৰ নাথ কলিতা
সাগৰৰ তলিয়েদি কুৰি হাজাৰ লিগ	ঃ জুল ভাৰ্ন, অনুবাদ ঃ দীনেশ চন্দ্ৰ গোস্বামী
সৰু আইটিহঁত (প্ৰথম খণ্ড)	ঃ লুইজা মেই এলকট অনুবাদ ঃ ভুবনেশ্বৰ চহৰীয়া
ফ্লছ নৈৰ পাৰৰ মিল	ঃ জৰ্জ এলিয়ট, অনুবাদ ঃ ৰূপশ্ৰী গোস্বামী
ব্লেক বিউটি	ঃ আন্না ছিৱেল, অনুবাদ ঃ বীৰেন্দ্ৰনাথ দত্ত
অদৃশ্য মানুহজন	ঃ এইচ. জি. ৱেল্‌ছ অনুবাদ ঃ অভিজিত শৰ্মা বৰুৱা
মবি ডিক	ঃ হাৰমেন মেলভিল, অনুবাদ ঃ প্ৰফুল্ল ৰাজগুৰু
চন্দ্ৰৰ কাষেদি	ঃ জুল ভাৰ্ন, অনুবাদ ঃ অনিল কুমাৰ শৰ্মা
পৃথিৱীৰ কেন্দ্ৰলৈ অভিযান	ঃ জুল ভাৰ্ন, অনুবাদ ঃ দীনেশ চন্দ্ৰ গোস্বামী
মন্টে ক্ৰিষ্টোৰ কাউণ্ট	ঃ আলেকজেণ্ডাৰ ডুমা অনুবাদ ঃ চন্দ্ৰ শেখৰ শৰ্মা
সৰু আইটিহঁত (দ্বিতীয় খণ্ড)	ঃ লুইজা মেই এলকট অনুবাদ ঃ ভুবনেশ্বৰ চহৰীয়া
ডেভিদ কপাৰফিল্ড	ঃ চাৰ্লছ ডিকেন্স, অনুবাদ ঃ মুনীন শৰ্মা
আশী দিনত পৃথিৱী পৰিভ্ৰমণ	ঃ জুল ভাৰ্ন, অনুবাদ ঃ সৌৰভ কুমাৰ চলিহা
অপহৃত	ঃ ৰবাৰ্ট লুই ষ্টিভেনছন, অনুবাদ ঃ উৎপল দত্ত
হাইডি	ঃ য়'হানা স্পাইৰি, অনুবাদ ঃ প্ৰণালী গোস্বামী
গালিভাৰৰ ভ্ৰমণ-কাহিনী	ঃ জনাথন ছুইফ্ট, অনুবাদ ঃ মৃদুস্মিতা ফুকন
টম ছয়াৰ	ঃ মাৰ্ক টোৱেইন, অনুবাদ ঃ আবুল লেইচ

ৰবিনছন ক্ৰুছো : ডেনিয়েল ডিফো
অনুবাদ : চিন্তাহৰণ পাটগিৰি

ৰবিন হুড : হেনেৰি গিলবাৰ্ট, অনুবাদ : মৃদুস্মিতা ফুকন

ৰহস্যময় বাগিচা : ফ্ৰান্সেজ হডজ্‌ছন বাৰ্নেট
অনুবাদ : অনুশ্ৰী শৰ্মা বৰুৱা

পম্পিয়াইৰ প্ৰলয়-কাহিনী : লৰ্ড লিটন, অনুবাদ : লক্ষেশ্বৰ শৰ্মা

ড্ৰেকুলা : ব্ৰেম ষ্টকাৰ, অনুবাদ : পাৰিজাত শৰ্মা

পিনকিঅ' : কাৰ্লো কল'ডি, অনুবাদ : মহেন্দ্ৰ বৰা

ফ্ৰেংকেনষ্টাইন : মেৰি বলষ্টনক্ৰেফ্‌ট শ্বেলি
অনুবাদ : অভিজিত শৰ্মা বৰুৱা

ছয় নম্বৰ বাৰ্ড আৰু আন গল্প : এণ্টন চেখভ, অনুবাদ : সত্যজিৎ ভূঞা

যাদুকৰ অ'জ : এল ফ্ৰেংক বম, অনুবাদ : পাৰিজাত শৰ্মা

অৰণ্যৰ আহ্বান : জেক লণ্ডন, অনুবাদ : সমীক ভৰদ্বাজ

কোনো নোহোৱা ল'ৰাটো : হেক্টৰ মেল', অনুবাদ : ইলা শৰ্মা

পশুপাম : জৰ্জ অৰৱেল
অনুবাদ : প্ৰসূন কুমাৰ গোস্বামী

শ্বাৰলক হ'মছৰ ৰহস্য কাহিনী (২) : আৰ্থাৰ কনান ডয়ল, অনুবাদ : সোণেশ্বৰ শৰ্মা

শ্বাৰলক হ'মছৰ ৰহস্য কাহিনী (৩) : আৰ্থাৰ কনান ডয়ল, অনুবাদ : যোগেশ দাস,
সোণেশ্বৰ শৰ্মা আৰু দীনেশ চন্দ্ৰ গোস্বামী

শ্বাৰলক হ'মছৰ ৰহস্য কাহিনী (২) : আৰ্থাৰ কনান ডয়ল, অনুবাদ : বন্দিতা ফুকন

অৰণ্যৰ সাধু (১) : ৰাডয়াৰ্ড কিপ্‌লিং, অনুবাদ : আবুল লেইচ

অৰণ্যৰ সাধু (২) : ৰাডয়াৰ্ড কিপ্‌লিং, অনুবাদ : আবুল লেইচ

ছুইজাৰলেণ্ডৰ ৰবিনছন পৰিয়াল : জে. ডি. ৱিছ, অনুবাদ : ৰূপশ্ৰী গোস্বামী

কেপ্টেইন গ্ৰেণ্টৰ সন্তান : জুল ভাৰ্ন, অনুবাদ : দীনেশ চন্দ্ৰ গোস্বামী

পৰম প্ৰত্যাশা : চাৰ্লছ ডিকেন্স
অনুবাদ : নূপুৰ এইচ. শইকীয়া

ৰিপ ভেন উইংক্‌ল্ আৰু
অন্য কেইটামান গল্প : ৱাশ্বিংটন আৰভিং, অনুবাদ : শীলভদ্ৰ

ৰাজকুমাৰ আৰু ভিকহু : মাৰ্ক টোৱেইন
অনুবাদ : অৱনী চন্দ্ৰ গোস্বামী

সময় যন্ত্ৰ : এইচ. জি. ৱেলছ, অনুবাদ : ক্ষীৰধৰ বৰুৱা

মাতৃ : গ্ৰেজিয়া ডেলেড্ডা, অনুবাদ : লক্ষেশ্বৰ শৰ্মা

মিলন মন্দিৰ : চাৰ্লছ ৰিড, অনুবাদ : শান্তিৰাম দাস

নিউ ফৰেষ্টৰ অকণিহঁত : কেপ্টেইন ফ্ৰেডেৰিক মেৰিয়েট
অনুবাদ : অনুপমা দেৱী

ৰতাহে কোবোৱা ঘৰখন : এমিলি ব্ৰণ্টি, অনুবাদ : মীৰা গোস্বামী

কিম : ৰাডয়াৰ্ড কিপ্‌লিং
অনুবাদ : বিনয় মোহন শইকীয়া

হ'ৱাইট ফেং : জেক লণ্ডন, অনুবাদ : সমীক ভৰদ্বাজ

বৰদিনৰ প্ৰাৰ্থনা সংগীত : চাৰ্লছ ডিকেন্স, অনুবাদ : ইলা শৰ্মা

পিকউইক নথি-পত্ৰ (১)	: চাৰ্লছ ডিকেন্স, অনুবাদ : মণ্টু ভূঞা
পিকউইক নথি-পত্ৰ (২)	: চাৰ্লছ ডিকেন্স, অনুবাদ : মণ্টু ভূঞা
টেছ	: টমাছ হাৰ্ডি, অনুবাদ : জয়কৃষ্ণ মহন্ত
লু ছুনৰ গল্প (১)	: লু ছুন, অনুবাদ : মীৰা গোস্বামী
ৰূপান্তৰ	: ফ্ৰানৎজ কাফকা, অনুবাদ : শীলভদ্ৰ
গ্ৰিন গেবল্‌ছৰ এন	: এল. এম. মণ্টগ'মেৰি অনুবাদ : প্ৰণালী গোস্বামী
কেষ্টাৰব্ৰিজৰ মেয়ৰ	: টমাছ হাৰ্ডি অনুবাদ : বন্দিতা গোস্বামী শইকীয়া
ৰহস্যময় দ্বীপ	: জুল ভাৰ্ন, অনুবাদ : অভিজিত শৰ্মা বৰুৱা
চেখভৰ পৃথিৱীত (১)	: এণ্টন চেখভ, অনুবাদ : দীপ্তি গোস্বামী
নাৱেৰে তিনিজন মানুহ	: জেৰ'ম কে. জেৰ'ম অনুবাদ : বিনয় মোহন শইকীয়া
প্ৰবাল দ্বীপ	: ৰবাৰ্ট মাইকেল বেলেন্টাইন, অনুবাদ : বিনয় মোহন শইকীয়া
পৰম ক্ষুধা	: জোহান বয়াৰ, অনুবাদ : ৰোহিণী কান্ত বৰুৱা
লু ছুনৰ গল্প (২)	: লু ছুন, অনুবাদ : মীৰা গোস্বামী
প্ৰত্যাবৰ্তন	: গি দ্য মপাছাঁ, অনুবাদ : অনুপমা দেৱী
অহমিকা আৰু ভ্ৰান্তি	: জেন অষ্টেন, অনুবাদ : মীৰা গোস্বামী
চেখভৰ পৃথিৱীত (২)	: এণ্টন চেখভ, অনুবাদ : দীপ্তি গোস্বামী
তিনি মাস্কেটিয়াৰ	: আলেকজেণ্ডাৰ ডুমা অনুবাদ : মৃদুস্মিতা ফুকন
জেৰ'মৰ মনোৰম গল্প	: জেৰ'ম কে. জেৰ'ম অনুবাদ : বিনয় মোহন শইকীয়া
ক'লা টিউলিপ	: আলেকজেণ্ডাৰ ডুমা অনুবাদ : সম্যক ভৰদ্বাজ
ৰজা ছল'মনৰ খনি	: এইচ. ৰাইডাৰ হেগাৰ্ড অনুবাদ : অনুশ্ৰী শৰ্মা বৰুৱা
চাবিৰ চষী	: আৰ্থাৰ কনান ডয়ল অনুবাদ : ভুবন চন্দ্ৰ বৰা
নীলা এক ৰোমাঞ্চ	: হেনৰি দ্য ভেৰ ষ্টেকপুল অনুবাদ : ছেৰিফউদ্দিন আহমেদ
শ্বাৰলক হ'মছৰ ৰহস্য কাহিনী (৪)	: আৰ্থাৰ কনান ডয়ল, অনুবাদ : বন্দিতা ফুকন
সাহসী কেপ্টেইনসকল	: ৰাডয়াৰ্ড কিপ্‌লিং অনুবাদ : বিনয় মোহন শইকীয়া
পমিলিৰ পৰিয়াল	: নিন্‌কে ফান হিথ্‌টুম অনুবাদ : ৰোহিণী কান্ত বৰুৱা
বসন্ত কালৰ অভিযান	: জন পাড্‌নি, অনুবাদ : সান্ত্বনা শৰ্মা
এমা	: জেন অষ্টেন, অনুবাদ : মীৰা গোস্বামী

এইখিনি পুথিৰ সম্পাদনা : দীনেশ চন্দ্ৰ গোস্বামীৰ